DUE DATE

mplim ry Copy.

ামৰূপৰ বুৰঞ্জী।

াচীন কামৰূপৰ ইতিহাস, আৰু মোগলৰ লগত অসম আৰু কোঁচবেহাৰৰ সংঘৰ্ষণৰ বুৰঞ্জী। পৰিশিষ্টৰে সৈতে।

পুৰণি হাতে-লিখা অসমীয়া বুৰঞ্জী-পুথিৰ পৰা সংগৃহীত।

KAMRUPAR BURANJI

OR

n account of ancient Kamarupa, and a history of the Mogul conflicts with Assam and Cooch Behar, up to A D 1682
With Appendices

Compiled from old Assamese Manuscript Chronicles

Edited by

SURYYA KUMAR BHUYAN,
M A, B L (CAL), PH D (LOND), D LIT (LOND),
Vice-Chancellor, Gauhati University

PUBLISHED BY THE DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES, ASSAM

1958

The Government of Assam in the Department of Historical and Antiquarian Studies, Narayani Handiqui Historical Institute, Gauhati, Assam.

প্ৰকাশক—

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ।

গুৱাহাটী, অসম ।

FIRST EDITION, OCTOBER, 1930

SECOND EDITION, APRIL, 1958

Printed by—

THE SPECIAL OFFICER, ASSAM GOVERNMENT PRESS,
SHILLONG

PUBLISHERS' NOTE

Kamrupar Buranji is one of the earliest publications of this Department and a book of invaluable editorial work done by Dr Bhuyan The compilation is based on original manuscripts which are by themselves chronicles of great historical value It is to be admitted that but for his pioneering work in the line of historical research, the Buranjis would not have seen the light of day

The Department, thanks to Government's sanction and good response of the Assam Government Press, Shillong, is really glad for being able to bring out the second edition of the book for which the reading public, scholars and students of historical literature of Assam had been anxiously waiting The publication has been in great demand because of its intrinsic worth and also because it was made a text-book for the B A Examination in Assamese Incorporation of new matters of interest has added to the importance of the book

We may only expect that the reading public will continue to take interest in the subject, and scholars and students in general will find in the book enough materials to work upon with regard to original research in Assamese language, literature and history

P C CHOUDHURY,
Deputy Director of the Deptt of Historical & Antiquarian Studies in Assam

Gauhati, Assam
The 26th May 1958

PREFACE TO THE FIRST EDITION

The present publication, *viz*, *Kamrupar Buranji* or a history of Kamarupa, has been compiled from several original sources with a view to bring under one cover all available materials relating to the subject —

The *first chapter* containing a legendary account of the ancient Hindu kingdom of Kamarupa has been taken from two old manuscript chronicles in possession of the Kamarupa Anusandhan Samiti, the first eight paragraphs have been taken from a chronicle borrowed some years ago from the India Office Library, London, by Srijut Benudhar Sarma, and the second portion, from paragraphs 9 to 10, from another chronicle generally known as *Padshah-Buranji* or a history of the Delhi Sultanate The *second and the fifth chapters* have also been taken from the same *Padshah-Buranji*,[1] a transcript of which was also prepared for the Samiti by Mr Sarma

The remaining seven chapters, *viz*, Chapters III–IV and VI–X, representing the main bulk of the book have been taken from an old manuscript chronicle in possession of the American Baptist Mission at Gauhati This portion was also published in 1853 in the *Arunodoy*, the organ of the Mission The manuscript itself was collected between 1840-50 by Rev Nathan Brown who was then in charge of the Mission at Sibsagar There are directions here and there in the manuscript for preparing the press-copy for publication in the journal ; and the manuscript also bears traces of the handiwork of Rev Nidhi Levi Farewell, the first Assamese convert to Christianity and a distinguished worker in the field of Assamese literature The manuscript is in an excellent state of preservation, and offers a unique and flawless specimen of Assamese penmanship The letters are distinct from each other, and so are the words The termination of sentences and chapters has been carefully indicated. Dates have been mentioned in connection with almost every important event Of all the historical manuscripts which we have had an opportunity of examining the present one has appeared to us to be the most perfect.

---

[1] For a detailed description and analysis of the *Padshah-Buranji* see S K Bhuyan's "New Lights on Mogul India from Assamese Sources", published in *Islamic-Culture*, Hyderabad, Deccan, for July 1928 to July 1929, and "Assamese Historical Literature", published in *Indian Historical Quarterly* for September 1929.

This chronicle deals with the conflicts of the Moguls with Cooch Behar and Assam, commencing from the dismemberment of the Cooch Behar kingdom after the death of Maharaja Naranarayan, when the rival princes Parikshit and Lakshminarayan visited the court of Emperor Jahangir in solicitation of the Emperor's intervention in their claims to the throne The Muhammadan wars of Assam during the reigns of the Ahom Kings, Pratap Singha, Jayadhwaj Singha, Chakradhwaj Singha and Gadadhar Singha are then narrated in full giving prominence to the campaigns of Allah Yar Khan, Satrajit, Mirza Nathan, Mir Jumla, Ram Singha, and Mansur Khan. The chronicle ends with the accession of Gadadhar Singha in A D 1681 and the defeat of the Mogul army under Nawab Mansur Khan in the battle of Itakhuli in April 1682, which saw the termination of the long hostilities between the Moguls and the Assamese, though they were revived to an appreciable extent during the reign of Swargadeo Rudra Singha, 1696-1714, who resented the humiliating overtures of Murshid Kuli Khan, Governor of Bengal The incidents described in this chronicle are interspersed in other buranjis of a more general and comprehensive character dealing with the full details of a sovereign's reign In its attempt to give in a connected form all the events relating to a very important chapter of Assam history, *viz*, its conflicts with the Moguls, our present chronicle is raised to the rank of a historical monograph of rare and unique importance not only to the historians of Assam but to those of the greater Timurids

The manuscripts of the above chronicle as we have received from the American Baptist Mission is in three parts, of which only the first part, folios 1 to 55, has been reproduced here The second part, folios 57 to 68, contains copies of eighteen letters which passed between the representatives of the Ahom and the Mogul courts. These letters have also been inserted in their appropriate places in the body of the narrative in the first part The third part contains three episodes from the history of India, *viz.*, the rise of Timurlane from a poor shepherd boy in Central Asia to the Emperorship of Delhi, Jahangir's conquest of Secundderabad and Shah Jahan's interview with Raja Prithivi Shah of Candour The third part has been omitted from the present publication as it belongs more fittingly to the *Padshah-Buranji*, having no direct bearing upon the history of Assam

The three appendices* to the book have also been compiled from different original sources *Appendix A*, which contains miscellaneous information on the history and topography of Kamarupa was compiled by the late Srijut Sarunath Barua of Chamata in the district of Kamrup He was a man who like Harakanta Sarma-Barua, the author of the *Assam Buranji*, represented the older and the modern phases of our life and culture

He was well-versed in the traditional lore of the country, and his manuscript reveals positive traces of his acquaintance and use of a comparatively large mass of historical compilations. He was desended from the Kayastha-Bhuyans of Kamarupa and he compiled a treatise on the Gomothas of Kamarupa besides a handbook of the Kaitheli system of arithmetical calculations. Sarunath Barua died on December 27, 1924, at the age of 70, and the manuscript of his *Kamrup-Puravritta* or the antiquities of Kamarupa forming the contents of Appendix A, has been received from his son Sriman Krishnanath Barua, a student of the Cotton College, Gauhati. The value of Sarunath Barua's treatise consists in the concise and systematic survey of the Mogul relations of Assam, in the carefully compiled list of the governors of Kamarupa from Sayiid Abu Baker in 1537 *saka* to the Dihingia Phukan in 1709 *saka*, on the description of the shrines and rivers of Kamrup and of the revenue administration of the district.

Appendix B enumerates the hillocks of Kamrup which have a religious sanctity with some indication of the names of the gods or goddesses to whom they are sacred. The list was compiled from ancient scriptures in 1634 *saka* or 1712 A D under the orders of King Rudra Singha, probably at the time when he halted at Rajaduwar in North Gauhati with his colossal army mobilised for the invasion of Bengal, a scheme which fell through on account of the unexpected demise of that ambitious sovereign. The list is appended to an old manuscript chronicle recovered by the late Hemchandra Goswami from the family of Sukumar Mahanta of North Gauhati. It was also published several years ago in the fifth volume of the *Usha* edited by Rai Sahib Padmanath Gohain-Borooah. The information derived from the *Yogini-Tantra*, the *Kalika-Puran*, and the topographical knowledge of the time have been placed under contribution in the compilation of the list under the supervision of the pious sovereign, and its importance has been admitted in such remote and learned quarters as the Journal of the Royal Asiatic Society of Great Britain and Ireland.[1]

Appendix C gives a history of the legendary Hindu kings of Kamarupa and contains a large mass of information on a number of topics, the narrative coming down to the invasion of Assam by Mir Jumla. This desultory survey of Buchanan-Hamilton is contained in a manuscript record in the India Office Library,

---

[1] "My friend, Professor Bhuyan, has found in one of the Buranji's or Assamese chronicles, a list of all the sacred places as recorded in the *Yogini-Tantra*, with their vernacular names and the exact distances from each other. The chapter will, when published, be of the greatest importance for the study of the topography of the Kamakhya hills." Prof Giuseppe Tucci in "A Visit to an 'Astronomical' Temple in India" published in the *Journal of the Royal Asiatic Society* for April, 1929, P 247, *n*

London. It was published in Montgomery Martin's *Eastern India* in 1838 in a somewhat mutilated form From the accounts of the early period of Assam history compiled by William Robinson in 1841 and Gunabhiram Borooah in 1875 it is evident that these two authors were largely indebted to Buchanan-Hamilton's fragmentary but critical narrative

Though the contents of our present publication, *Kamrupar-Buranji*, have been collated from different sources, they have a homogeneous unity of their own They throw light on the history of that particular tract of land in Eastern India known by the extremely elastic designation of Kamrup or Kamarupa Once it represented the vast area from Sadia to the Karatoya dwindling down at present to a small district in the Assam Valley Division Our present book, therefore, follows the history of the area denoted by the term in different ages Thus, the first chapter relating to ancient Kamarupa covers a wider tract than the remaining chapters Even during the wars with the Moguls the main theatre of military operations was Western Assam or Kamarupa except on one occasion when Mir Jumla went up to the capital of Gargaon and occupied it for some months. The outstanding events in the metropolis of the Ahom government have also been broadly indicated as far as they were connected with the hostilities with the Moguls While the subject of the Muhammadan wars of Assam have been fully given their due share of prominence in the Persian chronicles of the Mogul court our present chronicle has recorded for all ages the Assamese version of the same events thus placing at the disposal of the constructive historian materials preserved by the two rival protagonists of the conflicts.

Besides the wealth of historical materials with which our chronicle is replete it has a peculiar charm of its own It was compiled beyond doubt during the latter part of the seventeenth century during the continuance or immediately after the cessation of the hostilities with the Moguls, and as such it offers us a unique example of the Assamese prose style of the period Our ancient chronicles were mostly shrouded in a veil of anonymity and our present chronicle shares the same fate But one thing is sure: it must have been written by a man who was in direct touch with the Assam-Mogul diplomatic relations either as a combatant or as a messenger or as an official news-writer His style has therefore been infected with a touch of cosmopolitanism due to the surroundings in which he moved While the structure of the sentences is primarily Assamese the vocabulary is hybrid in places Here and there the author or authors have emulated a conscious literary style by retaining words in their original

Sanskrit forms rather than their Assamese variants and by using forms which were in vogue only in the poetic diction of the period The *buranjis* were generally written in the matter-of-fact colloquial and racy Assamese prose , and our present chronicle has the additional charm of an artistic prose imbued with an archaic literary grace and flavour

The language of the diplomatic letters inserted in the chronicle is a curious medley of Persian, Hindi and Assamese Remembering the processes of transcription which the letter had undergone before they reached their present stage in the manuscript we may say that the text has been well preserved

In publishing this chronicle our object has been to place at the disposal of the public a mass of original materials A critical examination of the evidence will be a premature labour unless we have access to all the available sources or data to go upon The preparation of a correct text, which the uninitiated reader will be able to follow with the aid of the marginalia, is our objective at the present

Readers who desire to pursue further their study of the Muhammadan wars of Assam before and during the days of the Moguls will find ample enlightenment from the following Persian chronicles —Shah-nama, Tarikh-i-Ferishta, Tabaqat-i-Nasiri, Riyaz-us-Salatin, Akbar-Namah, Ain-i-Akbari, Tuzuk-i-Jahangiri, Padishah-Namah, Fathiyah-i-Ibriyah or Tarikh-i-Ashan or Tarikh-i-Mulk-i-Ashan, Alamgir-Namah, Ma'asir-i-Alamgiri, Muntakhab-ul-Lubab or Tarikh-i-Khafi-Khan, Hadiqat-us-Safa, Risalat-us-Shuhada, Maasir-ul-Umara and the recently discovered Baharistan-i-Ghaibi by Mirza Nathan By a closer examination of the Persian and Assamese sources it will be seen there is more agreement than discrepancy in the two corresponding accounts

I express my indebtedness to the Kamarupa Anusandhan Samiti for their permission to publish portions from the *Padshah-Buranji* , to Mr Narendranath Ganguli, Manager, *Bengal Past and Present*, for kindly obtaining for me the permission of the Calcutta Historical Society to reproduce the picture of Nawab Mir Jumla and for lending me the Society's half-tone block of the same which was prepared from the original picture belonging to the collection of the late Rao Bahadur D. B Parasnis of Satara; to Rev A J Tuttle of the American Baptist Mission at Gauhati for lending me the manuscript of the chronicle ,to Maulavi Abul Fazl Sayid Ahmed, M A , of the Department of Islamic Studies in the Cotton College, Gauhati, and a Corresponding Member of the Department of Historical and Antiquarian Studies for

his ungrudging assistance in the preparation of the texts of the historical letters I shall fail in my duty if I do not record in his connection the gratitute of all students of Assam history to His Excellency Sir Laurie Lucas Hammond, K C S I , C B E , Governor of Assam, during whose administration the Department of Historical and Antiquarian Studies was established , to Mr J. R. Cunningham, C I E , whose initiative and instrumentality brought the Department into being and to Mr A H W Bentinck, C I E , Honorary Provincial Director of the Department, whose interest and sympathy have made the publication of Assamese historical classics possible

COTTON COLLEGE,
Gauhati, Assam,
October 1, 1930.

S K BHUYAN,
Honorary Assistant Director of Historical and Antiquarian Studies, Assam

PREFACE TO THE SECOND EDITION

The first edition of *Kamarupar-Buranji* came out in October, 1930, and the second edition is now published after an interval of twenty-eight years The book has been well received it was perscribed for many years as a text-book for the B.A Examination in Assamese and its materials have been used by scholars in the compilation of their dissertations and articles The demand for the book is still persistent , and it has rather increased in recent years owing to the stimulation of interest in the past history of Assam The Department of Historical and Antiquarian in Assam has, therefore, considered it proper to bring out a new edition

The purpose of the book, as it originally appeared in 1930, was to bring under one cover a collection of recorded materials throwing light on the ancient kingdom extending from the Karatoya to the river Dikkaravasini , and on Western Assam of the Ahoms extending from the Manaha to the Barnadi Both these territories, though varying in dimension, were known by the common appellation of Kamarupa The present name Kamrup is applied to a district the areas of which form part of the two earlier Kamarupas The present book *Kamrupar-Buranji* represents the past history of Kamrupa in the three denotations of the same term The conflicts with the Moguls had their theatre of operations mainly in Western Assam on one occasion, the invaders advanced as far as the Bharari river in Central Assam, and on another, to Gargaon, the capital in Upper Assam The term Kamrupa is, therefore, appropriate in view of the territories which come within the purview of the information embodied in the book

Advantage has been taken in this new edition to incorporate some valuable materials which have reached our hands in the meantime, and they have been selected to replenish and enlarge the information which could be gathered from the first edition The paragraphs have been renumbered to accommodate the new additions The new materials are —

1 Paragraphs 17-19 Sacred rivers of Assam ; the foundation of Manipur by Babrubahan , and an account of Bhalukpang Raja, also known as Pratap Singha Raja

2. **Paragraphs 20-27. The foundation and ascendancy of Cooch Behar under Biswa Singha, Naranarayan and Chilarai.**

3. **Paragraphs 141-150** Letters exchanged between the Ahom monarchs Swargadeo Jayadhwaj Singha and Swargadeo Chakradhwaj Singha on the one hand, and Raja Prananarayan of Cooch Behar on the other, of the *saka* years 1584 to 1589, A D. 1663 to 1667.

The Buranjis from which these three pieces have been taken are enumerated in the section *Original sources of Kamrupar Buranji* inserted in the prefatory pages Space has been found for these new additions by the omission of an appendix of the first edition compiled by a modern author

It is earnestly hoped that the book will continue to be read as before, and that its utility will be enhanced with the progressive realisation of the greatness of Assam's heritage, both in the splendour of its achievements, and the plenitude of materials treasuring those achievements

Gauhati, Assam
The 23rd March 1958

SURYYA KUMAR BHUYAN

KAMRUPAR BURANJI

SECOND EDITION, 1958

Original sources of Kamrupar Buranji

The following original sources have been laid under contribution in the compilation of Kamrup Buranji The figures in the right-hand margin refer to the paragraphs of Kamrupar Buranji

		Paragraphs
1	*Padshah-Buranji*, brought from England by Shri Benudhar Sharma	1—8
2	*Kamrupar Buranji* Historical materials collected by Shri Benudhar Sharma	9—16
3	*Assam Buranji*, obtained from the family of the late Shri Krishna Kanta Adhikari Kaviraj of Gauhati	17—19
4	*Assam Buranji*, obtained from the Ahom Yuvak Sanmilan	20—27
5	*Padshah-Buranji*, brought from England by Shri Benudhar Sharma	28—38
6	*Kamrupar Buranji*, manuscript obtained from the American Baptist Mission Gauhati	39—75
7	*Padshah-Buraaji*, brought from England by Shri Benudhar Sharma	76—83
8	*Kamrupar-Buranji*, manuscript obtained from the American Baptist Mission, Gauhati	84—140
9	*Assam Buranji*, manuscript obtained from the family of the late Pandit Hemchandra Goswami	141—150
10	*Kamrupar Buranji*, manuscript obtained from the American Baptist Mission, Gauhati	151—180
11	*Assam Buranji*, obtained from the family of Sukumar Mahanta, supplementary portion	181—182
12	*Buchanan Hamilton*, manuscripts containing the results of the survey of India made by Dr Francis Buchanan, in 1807-1814 General view of the history and manners of Kamrup, 175 MSS EUR D 98, obtained from the India Office Library, London	183—222

প্ৰকাশকৰ পাতনি

প্ৰাচীন হিন্দুযুগৰ কামৰূপ, মধ্যযুগৰ কামৰূপ আৰু আহোমৰ আমোলৰ কামৰূপৰ বুৰঞ্জীসংক্ৰান্ত যিবোৰ পুৰণা আহিলা পোৱা গৈছে সকলোকে গোটাই এই "কামৰূপৰ বুৰঞ্জী" প্ৰকাশিত কৰা গ'ল। এইবোৰ সম্বল আগৰ দিনৰ বুৰঞ্জীপ্ৰিয় অসমীয়াই লিপিবদ্ধ কৰি থৈ গৈছে, তাৰ লগে লগে আগৰ দিনৰ অসমীয়া ভাষাৰ সাঁচো সংৰক্ষিত হৈছে। সেই দেখি আমি তাক যিদৰে পাইছোঁ সেইদৰে প্ৰকাশ কৰিলোঁ। আজিকালিৰ পাঠক-সকলে পঢ়িবৰ সুবিধাৰ কাৰণে কথাবোৰ ছেদত ভগাই সজোৱা হৈছে, আৰু প্ৰত্যেক ছেদৰে সাৰাংশ দাঁতিত দিয়া হৈছে।

এই বুৰঞ্জীৰ আধ্যাবোৰ নানা ঠাইৰ পৰা গোটোৱা হৈছে।—

প্ৰথম, দ্বিতীয় আৰু পঞ্চম আধ্যা —কামৰূপ অনুসন্ধান সমিতিৰ হাতত থকা হাতে লিখা বুৰঞ্জী বা তাৰ নকলৰ পৰা।

তৃতীয়, চতুৰ্থ, ষষ্ঠ, সপ্তম, অষ্টম, নবম আৰু দশম আধ্যা,—গুৱাহাটীৰ আমেৰিকান ব্যাপ্‌টিষ্ট মিছনত থকা পুৰণা পুথিৰ পৰা। বুৰঞ্জীৰ এই অংশ ১৮৫১ খৃষ্টাব্দত "অৰুণোদয়ত" প্ৰকাশিত হৈছিল। অৰুণোদয়ত" প্ৰকাশিত বুৰঞ্জীৰ কাৰণে আমি পোৱা পুথিকে ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায়। বৰ্ত্তমান গ্ৰন্থৰ পাঠ তৈয়াৰ কৰোঁতে মূল পুথি আৰু "অৰুণোদয়ৰ" পাঠ ভালকৈ মিলাই চোৱা হৈছে।

পৰিশিষ্ট (ক)—কামৰূপ জিলাৰ চামতা-নিবাসী স্বৰ্গীয় সৰুনাথ বৰুৱা সংকলিত অপ্ৰকাশিত "কামৰূপ পুৰাবৃত্ত" গ্ৰন্থৰ পৰা লোৱা হৈছে। গ্ৰন্থকাৰৰ পুত্ৰ কটন কলেজৰ ছাত্ৰ শ্ৰীমান কৃষ্ণনাথ বৰুৱাৰ পৰা মূল গ্ৰন্থ পোৱা হৈছে।

পৰিশিষ্ট (খ)—এই প্ৰবন্ধটি পঞ্চম ভাগ "উষাত" প্ৰকাশিত হৈছিল। কামৰূপৰ ক্ষেত্ৰ পৰ্ব্বতৰ মূল তালিকাখন স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই উত্তৰ গুৱাহাটীৰ সুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰ কৰা "অসম-বুৰঞ্জী" পুথিত পোৱা হৈছিল।

পৰিশিষ্ট (গ)—লণ্ডনৰ ইণ্ডীয়া-অফিচ লাইব্ৰেৰীত থকা হাতে-লিখা কাকতৰ পৰা লোৱা হৈছে।

মোগল আৰু অসমৰ যুদ্ধৰ সামৰণিৰ অলপ পিচতে এই বুৰঞ্জীৰ মূল অংশখিনি লিখা হৈছিল বুলি সহজে ধৰিব পাৰি। প্ৰথম আধ্যা ইয়াৰ পূৰ্ব্বে ৰচিত হৈছিল বুলি অনুমান কৰিব পাৰি। বিদেশীৰ সংস্পৰ্শত আহি অসমীয়া কটকী আদিৰ ভাষাত কিদৰে চাব পৰিছিল এই বুৰঞ্জীত তাৰ নমুনা পোৱা যায়। মোগল-অসমৰ যুদ্ধৰ সামৰণিৰ বহুত দিনৰ পাচত এই বুৰঞ্জী ৰচিত হোৱা হলে তাৰ ভাষা এন্য ৰকমৰ হলহেঁতেন। গতিকে খৃষ্টীয় সপ্তদশ শতিকাৰ শেষ ভাগত এই বুৰঞ্জী ৰচিত হৈছিল বুলি কলে বোধ কৰোঁ ভুল নহব। এই বুৰঞ্জীৰ পৰা কেটামান বাক্য তলত তুলি দিয়া হল, বাদশাহী খানদানৰ শব্দবোৰ আমাৰ ভাষাত কিদৰে সোমাইছিল তাৰ পৰা দৃষ্টান্ত পোৱা যাব।—

(১) "আৰ পৰীক্ষিত, লক্ষ্মীনাৰায়ণ তোৰ চাচা হয়, পাও চুই সেৱা কৰ। " পৰীক্ষিতে বোলে, 'যি বুলিছে ইখান বুলিব পায। প্ৰমত্তসিংহে আপোনাৰ মনমাফিকে হস্তী মাৰি আহাৰ কৰে। (ছেদ ২৪)।

(২) "শুনিছোঁ অৰং-ছা পাৎসা হৈ মুৰাদবক্স দাৰাৎ-চাহক মাৰি তাৰ বৰ ভাই ছাহা চুজাক খেদি গোলকুণ্ডাৰ পৰা এক জৱোৱান নবাবক সেই চামানে পাৎসা আজ্ঞা কৰিছে, বোলে, 'কোঁচবেহাৰ আৰু আচাম মলুক তই যাই চাফ কৰি দে' (ছেদ ১১১)।

(৩) সেই সময়ত অৰং-ছায়ে বোলে, 'বাবাক গোৰ দি তক্তত নবহোঁ। মানে ভণ্ডাৰৰ টকা খৰচ কৰিব নাপায়।' (ছেদ ১১১)।

(৪) আৰ নবাবৰ নিয়ম এই,—বিহানে নেমাজ কৰি ৰহে, সেই সময়ত স্ত্ৰী-কাকতী ওৱাকানবিছ ভিতৰৰ নবাবৰ হাস্য-পৰিহাস্য তাকে লেখি থয়, তাকে শুনায়, তাৰ সিদ্ধান্ত অনুক্ৰমে দিয়া খিলৰত খানাত ৰহেহি। চাৰি দণ্ড দাতোৱান কৰি মখ ধুই ওজু কৰে। (ছেদ ১১৩)।

(৫) হাৰামজাদা বাদুলিয়ে যত কৰিলে সবে জুটখাত। (ছেদ ১২৪)।

(৬) সেই সময়তে একদিনা আহলায়াৰ-খাঁয়ে বোলে, ' গড়গ্ৰামলৈ কেতিৰোজৰ পথ?" আমাৰ সনাতন উকিলে বোলে, "চাহাব, গড়গ্ৰামক লাগি ২ মহিনাৰ পথ।" এনেতে দুৱাৰদাৰৰ বেটা জয়ানন্দে বোলে, "চাহাব, ৮ ৰোজৰ পথ,—উকিলে মিছা কহে।" পাচে নবাবে বোলে, "এখন তোমাৰ বৰমুদৈ দুৱাৰদাৰে ৮ ৰোজকে বাট কহে, তুম্ভি কিছুৰীস্তে দোমাহিনাকে বাট জুট কহ।" সনাতনে বোলে "উদয়গিৰিৰ স্বৰ্গ ৺জা অস্তগিৰিৰ দিল্লিৰ ৺পাৎসা, দুই জনেও পূৰ্ব্বাপৰ উকিল যি কহে তাকেহে সত্য মানে। এখন তুমি যে দুৱাৰদাৰ মুদৈ সে মহাজন আৰ মুখেহে সখুজ কৰহ। আত আমাৰ খানিকো দিল্গিৰ নাহি কৰোঁ।। তুমি আপোনমাফিক খুচি কৰ, আমি যো কুসুবাদ কহোঁ, সব সত্য কহোঁ।" পাছে আহলায়াৰ-খাঁয়ে বোলে, "উকিল যো কুসুবাদ কহ সব সত্য। সিটো ব্যাপাৰী তাৰে বাদ নাসখুজ কৰোঁ।।" (ছেদ ১০০)।

অষ্টাদশ শতিকাৰ শেষ ভাগত আৰু উনবিংশ শতিকাৰ আদি ছোৱাত লেখা বুৰঞ্জীৰ ভাষা নিভাজ অসমীয়া, তাত বিদেশী শব্দৰ সমাবেশ নাই।—

(১) ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ দেৰগাৰ্ঁৰ বাহৰত থাকোতে ৰাম দুদিন ৰাতি দুইপৰ ৰৰাত আমাৰ ঘৰলৈ যাবৰ হয়। ভানুৰে সৈতে ঔীয়ৰী তিনি জনীও আছে, কোন জনীৰ তালৈ যায় ঠাৱৰ কৰিব নোৱাৰোঁ। প্ৰীতি অনুবন্ধ ৰামৰ ভানুৰেৰে আছে, দুখিতো হৈছে বুলি শুনিছোঁ। (লক্ষ্মীসিংহৰ ৰৰপাহী বুৰঞ্জী)।

(২) কলিতা ফুকন যাক বোলে ই হিন্দু লৰা। ভাল আহোমে অনেক পুৰুষ ৺দেৱৰ খাই-পিন্ধি থাকিও যেনে কাৰ্য্য কৰিব পৰা নাই, কলিতা ফুকনে ৺দেৱৰ তেনে কাৰ্য্য কৰিছে। এতেকে ই আমাৰ নগৰ এটা। এতেকে চোলাধৰা ভাণ্ডাৰখন আৰু দিবলৈ আমি প্ৰাৰ্থনা কৰিছোঁ। (লক্ষ্মীসিংহৰ বুৰঞ্জী)।

(৩) সেই সময়ত উক্ত মাজুলী, অভয়পুৰ, ৰংপুৰ এই ঠাইৰ সন্ত-মহন্ত দেশস্থ প্ৰাণী মোৱামৰীয়াৰ উপদ্ৰৱত ভাগি দেশ-দেশান্তৰে গল। প্ৰজাৰ মহৎ বিপত্তি হৈছিল। সেই বেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই পক্ষীয়ে যেনেকৈ শিশুটিক পখাৰে আবৰি ৰাখে সেইৰূপে ডাঙৰীয়াই ৰক্ষা কৰিছিল। (শ্ৰীনাথ বৰবৰুৱাৰ তুংখুঙীয়া বুৰঞ্জী)।

(৪) আতপাচে ১৭২৭ শকৰ আঘোণ মাসৰ ১১ দিন যাওঁতে মঙ্গলবাৰে স্বৰ্গদেৱৰ ভনী আইদেউক কুৰৈগঞা বুঢ়াগোহাঁই ডাঙৰীয়াৰ মাজিও পুতেকলৈ চকল-মতে বিবাহ দিলে। সেই বিবাহত ৭-দিন পানী তুলিছিল। সকলো মন্ত্ৰ-চহৰীয়া গায়ন-বায়ন আনিছিল। ছোৱালী উলিয়াই দিবৰ দিনা ডাঙৰীয়াবোৰ চোৰাত বহিছিল। (তুংখুঙীয়া বুৰঞ্জী)।

তাৰ উপৰিও বৰ্ত্তমান বুৰঞ্জীত কিছুমান শব্দ পোৱা যায় যিবিলাকৰ ব্যৱহাৰ আজিকালি প্ৰায় পাহৰি যোৱাৰ নিচিনা, বা যিবিলাকৰ ব্যৱহাৰ মাথোন কোনো ঠাইত সীমাবদ্ধ। সেইবোৰ শব্দ পুনৰ ব্যৱহাৰ হলে অসমীয়া ভাষাৰ শব্দ-ভঁৰাল বঢ়াৰ সম্ভাৱনা যথা,—ফুৰুহা খোৱা, ১৭ ছেদ, ডিয়া মৰা, ২১ ছেদ, ওচৰ-পাঁজৰৰ ৰজা, ২৬ ছেদ, আগ্ৰআন, ৩১ ছেদ, চৰা-কুম্মা, ৮৩ ছেদ, ছয়ণ্ডা মানুহ, ৯৭ ছেদ, লিপিচ, ১০৭ ছেদ, চাংমেল, ১১০ ছেদ, দাচুচ, ১৪২ ছেদ। ৰজাঘৰীয়া চিঠিবোৰত থকা বিদেশী শব্দৰ উল্লেখ আনি ইযাত কৰা নাই।

আৰু কিছুমান শব্দৰ কিছুমান নতুন গঠন পোৱা যায়,—আমিয়েৰে ৬১ ছেদ, মানুহ অটা, ৬১ ছেদ, ভিটিলৈগৈ, ৮৮ ছেদ, আছিতে, ১১০ ছেদ, গুৱাহাটা, ১১২, ১১৭ ছেদ, বৈওৱা, ২৪ ছেদ, ৰাজাযেৰে ১৫৯ ছেদ, হুইছোতে, ১৪৩ ছেদ।

ঠায়ে ঠায়ে বাক্যত থকা শব্দবোৰ স্বাভাৱিক স্থানৰ পৰা আঁতৰাই নি বাক্যৰ শেষত ব্যৱহাৰ কৰা হৈছে, যথা,—

(১) যুদ্ধক সমুখে পৰ্ব্বতত তুলি দিলে বঙ্গালক কাটিবাক প্ৰতি। (৪৮ ছেদ)।

(২) পাচে সকলো আমচি লাননাথকক বৰফুকন পাতি থলে লোকজনক চলাবৰ নিমিত্তে। (৭৭ ছেদ)।

(৩) উত্তৰকোলে যি বঙ্গাল আছিল তাকো কাটিলে, তেবে গুৱাহাটীত ধৰিলে যাই আহোমে। (১৩৯ ছেদ)।

(৪) দিগচুঙ্গীয়া মেধিৰ ঘৰত পাঞ্চ বালক জন্মিল এক স্ত্ৰীত। (১১৬ ছেদ)।

মাজে মাজে বুৰঞ্জী লিখকে বিষয় বুজি ওজস্বী ভাষা ব্যৱহাৰ কৰা দেখা যায, যথা—

(১) পূৰ্ব্বে ৰাজা যুধিষ্ঠিৰক পাঞ্চ ভাই ভাৰ্য্যা সহিতে কূট-মন্ত্ৰণা কৰি ৰাজ্য-সম্পত্তি চুৰিয়া লৈলেক দুৰ্য্যোধনাদিসকলে, তত্ৰাপি কালচক্ৰৰ গতিৰ ধাৰায়ে যুধিষ্ঠিৰেহে চক্ৰবৰ্ত্তী ধৰণীমণ্ডলীৰ ৰায়ৰাজেশ্বৰ হৈ ৰহিল। দুৰ্য্যোধনাদিৰ কূট-মন্ত্ৰণা আপোনাৰ লগতহে গ'ল, যশ ধৰ্ম্ম কিছু নৰহিল। এতেকে লোভ কৰিব নাপায়। ঈশ্বৰে যাক দিয়ে সেইহে পায়। আৰু চাহাবে যে বোলে, খানখানা জবোৱাল নবাব, ভাল মন্দ কিছু নাজানে। যাই বৰলোক হৈয়া ভাল মন্দ বজৰ নাহি কৰে, তবে সিটো মৰ্দ্দ-চাতে কেমনে স্থপাৰিচ ৰহে। সিটো জবোৱাল নাহি হয়, নামৰ্দ্দ হোৱে। (১৭৩ ছেদ)।

(২) তাত পাচে ৮ দিনৰ অৱসানে আমাৰ দুই কটকীক পাৎসাৰ হজুৰ কৰালেনি। পাৎসাও তক্তৰ ওপৰে বহিছিল। তক্তৰ তলে তিনি খলপাৰ বামে পাৎসাৰ দাহিণে স্বৰ্ণৰ লাখুটি ধৰি জাফৰ-খাঁ দেৱান আছিল, বামে উজিৰ। সেই ক্ৰমে ৰাজপুতৰ ৰাজা ৰামে যশমন্তসিংহ ধাৰা, তাৰ পাচ ৰাণা হাড়ো, ৰাৰহাজাৰী, সপ্তহাজাৰী। তাৰ পাচে ৬, তাৰ পাচে ৫, তাৰ পাচে ৪, তাৰ পাচে ৩, ২, ১, এই ক্ৰমে অমাত্যবৰ্গ, হাতী, ঘোঁৰা, চিপাহী, বন্দুক-দাৰী, ঢালী, ধনুকী, পাঞ্চহাতিয়াৰ সহিত চিত্ৰ-বিচিত্ৰ লালজৰ্দ্দ কশটি ফটিক, নানান পাথৰে ৰচিত দুৰ্গ, আলি, তক্ত, অভ্যন্তৰতো পকা পাথৰৰ গৃহ, তাহাত স্বৰ্ণৰ পতকা কৰি ঠাই ঠাই কাম কৰিছে। চিত্ৰ-বিচিত্ৰ গিভিটিক আমাৰ কটকীক নি নেনিলে। তক্ত বাহিৰে ৭ আলি হৈ চতুৰ্ভিতি সমস্ত লোকে আছিল। সেই সময়ত দুই উকিলে আশীৰ্ব্বাদ কৰি হাত কৰযোৰে থাকিল। (১৩৭ ছেদ)।

(৩) পাচে এই কথাতে থ্যাকি নবাবে বোলে, "একাদহ, চতুৰ্ভুজ! নানান মুকুতা প্ৰবাল, স্বৰ্ণাদি কৰি গ্ৰন্থি থাকে। সূত্ৰ নাচিঙ্গিলে মণিধাৰ হেন নাম বোলাই, সূত্ৰ চিঙ্গিলে সমস্তে ঠাই ঠাই হই। ৮প্ৰীতি-সূত্ৰ মধ্যত আছোঁতে কেমনে এক ভাব নাহি?" পাচে আমাৰ একাদহে বোলে, চাহাব! ৰন্ধা-থালিত একতাৰ নিবন্ধে সমস্ত সিন্ধৰ প্ৰমাণ, চাহাবৰ যে সিন্ধ-পত্ৰৰ মধ্যতো যে কোনোটা কেঁচায়ো থাকে, পাৎসাই লোকৰ মগলিফন্দ ইবাৰহে বুজা গেল।" (১০৫ ছেদ)।

আগৰ দিনৰ অসমীয়াৰ দেশপ্ৰেম তলত উদ্ধৃত কৰা বাক্যৰ দ্বাৰা ফুটি উঠিছে।—

(১) পাচে সেই বেলা ম্হাড়ি, বন্দি, প্ৰমুখ্যে যতেক আনো গড়ভিতৰীয়া কাঁড়ী আছিল সবে ৰাজাক বুলিবাক লাগিল, "স্বৰ্গদেৱ! তুমি মহাৰাজা হৈ কি কাৰণে কালিত দুখ পাই আছা, আমাক যুদ্ধলৈ কিয় পঠাই নেদা? আমাক কি কাৰণে কাণ্ড-ধনু শিখাইছা?" তেবেসে লেচাম-চিৰিং প্ৰমুখ্যে যত আনো গড়ভিতৰীয়া কাঁড়ী আছিল সকলকো পঠাই দিলে, ভড়ৰীৰ গড় পুনৰ্ব্বাৰ নবীন হব হেন বুলিলে। এই কথা গোহাঁইবোৰে শুনিলে, বোলে, "তিনি লেওগ সমে কৌৰবক যে বধি নিবে আমাতেহে খন্দে।" (৩৮ ছেদ)।

(২) কটকীৰ লগৰ এটা নাওবৈচা পলাই নবাবত কলে, বোলে, "কটকীয়ে যি কৈছে, সকলে মিছা, গড় আওতাই যুদ্ধলৈহে দিন লৈছে।" পাচে নবাবৰ মনতে থাকিল। পাচে বঙ্গালক বাখি গড়-প্ৰাচী তিয়াৰ কৰিলে। পাচে আচাৰে বঙ্গালৰ গাৰৈ সবাক্তন কটকীক পঠালে, বোলে, "বনৰ হস্তী যি খুজিছে হস্তী চাবি লাগকো নিদিওঁ, বনৰ আগৰ কাঠ যি খুজিছে কাঠ চাবি তথা কাঠকো নিদিওঁ; বালুক যি খুজিছে বালুক চাবি চেৰকো নিদিওঁ।" (৯১ ছেদ)।

৩) আৰ পুনৰ্ব্বাৰ বঙ্গালে মহাৰাজাত ৩ লাখ টকা, নবৈ হস্তী খুজি অধিক গৰ্ব্ববচন বুলিলে হৈমদ জাকৰ কটকীত কৰি। এই কথা শুনি ৰাজা চক্ৰধ্বজে মহাক্ৰোধ কৰি বচন বুলিলে,—"বঙ্গালৰ অধীন হই থাকিবতকৈ মৰণেহে উচিত।" তাত পাচে মহাৰাজা পাত্ৰ- মন্ত্ৰী সহিতে আলচ কৰিলে বঙ্গালক ধৰিবাক প্ৰতি। সেই বেলা ৰবৰুৱাৰ পুতেক লাছিত-ডেকাক বৰফুকন পাতি পঠালে কলিয়াবৰলৈ কুকুৰা ঠৈ চাই। ই ঠাইতে বঙ্গালৰ কটকীকো বাখিলে। যুদ্ধ কৰিবাকো আজ্ঞা দি পঠালে বৰফুকনলৈ। (১৩৮ ছেদ)।

(৪) ই ঠাইত পত্ৰ বুঢ়াফুকনে শুনি বিধাৰণহেন দেখি লিখাবো সমাচাৰ জনালে। মহা পাত্ৰ ৰুকু, বুঢ়াগোহাঁই এইখান বুলিব দিলে, "পূৰ্ব্বাপৰে সিয়া কাপোৰ দিয়া নাই এখন ধাৰণ এৰি সিয়া কাপোৰ কিসক দিলে? বৰফুকনৰে ছান্ধা-বাঁৰে সমান পত্ৰহে লিখিব পাই। বৰফুকনৰ নাম তলত লেখি ছান্ধা-বাঁৰ নাম কিয় ওপৰত লেখিলে? আৰ সীমনাৰ খান যি কৈছে সিমনা তাঞ্জিবো নহয়। ঈশ্বৰে ৺ৰাক যেখন দিয়ে ৺ সেয়ে ভোগ কৰে। ৺ মোৰ সীমনা বোলন এইখান অনুচিত। বিস্মৰণ হৈহে বুলিলে। আৰ যোঁৰা, হস্তী বিস্তৰ দৰ্শাই যিখান লিখিলা সি তোমাৰ যোৰা আমাৰ মানত পছ, যাতো সি আপুনি তাৰ বন্দুক চলাব নোৱাৰে তাৰ কথা কি কব লাগে?" (১৫২ ছেদ)।

আগৰ দিনৰ মানুহে আমাৰ এই দেশক আচাম, আসাম, অচম, অসম, এই চাৰিৰ ভিতৰত কোনোটো নামেৰে অভিহিত কৰিছিল তাৰ বিষয়ে অলপ আভাস পোৱা যায়। বৰ্ত্তমান বুৰঞ্জী পুথিত প্ৰায় ডেৰকুৰিমান বাৰ দেশৰ নাম লোৱা হৈছে, তাৰ ভিতৰত 'আসাম' তিনিবাৰ আৰু 'আচম' তিনিবাৰ বুলি উল্লেখ আছে, বাকী সকলো ঠাইতে 'আচাম' নাম পোৱা যায়। অন্য বুৰঞ্জীত 'অসম', 'অচম', 'ৰচম,' এই নামো পোৱা যায়। কাচী বুৰঞ্জীত

আচাম' আৰু 'আচান' এই দুই নামো পোৱা যায়। এই দেশৰ নামত থকা 'স' টোক 'চ' বুলি মতাৰহে আগৰ কালত আৰু এতিয়াও বেচি প্ৰচলন যেন দেখা যায়, যদিও লিখোঁতে 'স' আৰু 'চ' দুয়োকো লিখা হয়।

ভাষাৰ বৈশিষ্ট্যৰ বাহিৰেও বুৰঞ্জীৰ উপাদান হিচাবে এই পুথিৰ ঠাই অতি ওখ খাপত। আগৰ দিনৰ অসমীয়াৰ ৰণনীতি, ৰাজনীতি, আৰু সবাতকৈ উপৰি অসমীয়া ৰাজপুৰুষ, বিষয়া আৰু কটকীসকলৰ অতুলনীয় দেশপ্ৰেম এই সকলোৰে ইয়াত আভাস পোৱা যায়। তাৰ উপৰিও ইয়াৰ ঘটনাবোৰ ভাৰত-বুৰঞ্জীৰ মোগল-যুগৰ অন্তৰ্গত, সেই দেখি মোগলৰ বুৰঞ্জী সংকলনত এই ঘটনাবোৰৰ বিশেষ মূল্য। আহ্লাযাৰ-খাঁ, ছান্তা-খাঁ, মীৰজুমলা, দিলাল-খাঁ, ৰামসিংহ, চুলতান আজমতৰা এইবোৰ মোগল-বুৰঞ্জীতো খ্যাতনামা পুৰুষ। সমসাময়িক অসম-বুৰঞ্জীত তেওঁলোকৰ বিষয়ে কি লিপিবদ্ধ আছে তাক জানিবলৈ পালে মোগল-বুৰঞ্জীৰো অঙ্গ পৰিপুষ্ট হব। যি কালত বঙ্গদেশত গদ্য-সাহিত্যৰ উদ্ভৱ হোৱা নাছিল সেই সময়ত অসমীয়াৰ এনে বিচিত্ৰ গদ্য-সাহিত্য আৰু বুৰঞ্জীৰ সত্য সংৰক্ষণৰ চেষ্টা দেখিলে আজিকালিৰ আত্মবিস্মৃত অসমীয়াই পুলকিত নহৈ নোৱাৰে।

এই পুথি পাই অসমীয়া ৰাইজ আৰু মোগল বুৰঞ্জীত ৰাপ থকা সকলো অনুসন্ধিৎসুয়ে আনন্দ লাভ কৰিব সেই আশাৰে আমি ইয়াক প্ৰকাশ কৰিলোঁ। এই গ্ৰন্থ সম্পাদন আদি কাৰ্য্যত ডিপাৰ্টমেণ্টৰ বৰ্ত্তমান সহকাৰী শ্ৰীযুত বাসুদেব মিশ্ৰ বি-এ, আৰু ভূতপূৰ্ব্ব সহকাৰী শ্ৰীযুত উপেন্দ্ৰনাথ শৰ্ম্মা বি-এ, আৰু শ্ৰীযুত জীৱনচন্দ্ৰ নাথ বি-এৰ পৰা সহায় পোৱা হৈছে।

গুৱাহাটী, আসাম।
ইং ১ অক্টোবৰ, ১৯৩০।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

সূচীপত্ৰ

প্ৰথম আধ্যা

প্ৰাচীন কামৰূপ

দ্বিতীয় আধ্যা

বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়

তৃতীয় আধ্যা

ৰঘুদেৱ, লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিত

চতুৰ্থ আধ্যা

মকৰম-খাঁৰ কোচৰাজ্য আক্ৰমণ

পঞ্চম আধ্যা

হাজোত সত্ৰাজিত

ষষ্ঠ আধ্যা

পাৎসাহী আমোলত কামৰূপৰ পৰগনা বিভাগ।

সপ্তম অধ্যায়

অসম-বঙ্গালৰ ৰণ

অষ্টম আধ্যা

হাজোত ফৌজদাৰ মীর্জা-নাথন

নবম আধ্যা

মীৰজুমলাৰ অসম আক্ৰমণ

দশম আধ্যা

অসম আৰু বেহাৰৰ পত্ৰ সমাচাৰ

একাদশ আধ্যা

ৰামসিংহৰ অসম আক্ৰমণ

দ্বাদশ আধ্যা

গুৱাহাটীত নবাব মনছুৰ-খাঁ

APPENDIX A

গুৱাহাটীৰ ক্ষেত্ৰ-পৰ্ব্বত

APPENDIX B

কামৰূপৰ দুৱাৰ পৰগনা

APPENDIX C

By—

DR. FRANCIS BUCHANAN, M D, M R.A.R

কামৰূপৰ বুৰঞ্জী।

প্ৰথম আধ্যা।

প্ৰাচীন কামৰূপ।

অসুৰৰ বংশ।—শ্ৰীকৃষ্ণায় নমোনমঃ। দ্বিতীয়-মুনিশিলাৰ পৰা মানস নদীক লাগি কামপৃষ্ঠ অন্তৰ্গত সোণকোষ সহিত কামপৃষ্ঠ। বৰসোণকোষৰ পৰা মোৰঙ্গৰ দো-সীমাক লাগি ৰত্নপৃষ্ঠ। কলঙ্গ নদীৰ পৰা কড়ৈবাৰীৰ কৈলাস নদী পৰ্য্যন্ত ভদ্ৰপৃষ্ঠ। দিকৰ-বাহিনীৰ পৰা দ্বিতীয় মুনিশিলাক লাগি সৌমাৰপৃষ্ঠ। এই চাৰি পৃষ্ঠৰ ৰাজা প্ৰথমে ব্ৰহ্মাৰ পুত্ৰ মৈৰঙ্গ দানব, তান পুত্ৰ হতকাসুৰ, তান পুত্ৰ সম্বৰাসুৰ, তান পুত্ৰ ৰত্নেশ্বৰ। তাৰ পাচে ভিন্ন-বংশী নৰকাসুৰ তান পুত্ৰ ভগদত্ত, তান পুত্ৰ ধৰ্ম্মপাল, তান পুত্ৰ কৰ্ম্মপাল, তান পুত্ৰ পৃথ্বীপাল, তান পুত্ৰ সুবাহু। ৰাজাক অনীতি অন্যায় কৰে যেন কামাখ্যাই ক্ৰোধ হৈ কৈলাসক খেদাইলেক। ১ ॥

ধৰ্ম্মপাল।—পাচে গৌৰৰ পৰা ধৰ্ম্মপাল নামে ক্ষত্ৰিৰ ৰাজা হল আহি গোদণ্ড পৰ্ব্বতত পাট কৰি ৰাজা হৈ গৌৰৰ, কনোজৰ মন্দাৰতলাৰ শ্ৰবই সাহানৰ, তিৰ্হুটৰ, বাৰকাৰ, এই ছয় ঠাইৰ ব্ৰাহ্মণ, কায়স্থ, কলিতা আনি পণ্ডিতৰ সভা কৰি ৰাজাই কৰে। ২ ॥

কেন্দুকলাই ব্ৰাহ্মণ।—পাচে কেন্দুকলাই ব্ৰাহ্মণে কামাখ্যাক পূজা কৰি গীত গায়। গীতত তুষ্ট হৈ দেবী দিগম্বৰী হৈ নাচে। এই কথা শুনি ৰাজা বামুণক বোলে, "কামাখ্যা কিৰূপে নাচে মোক দেখাও।" বামুণে বোলে, "তুমি কুদ্ৰাক্ষ জালাই আঁৰ হৈ থাকিবা, নঞিং দেখাম।" পাচে কেন্দুকলাই প্ৰজাৰ সঙ্গে চাপৰি বজাই গীত গায়, এতেকে দেবী নাচিব লাগিল। ৰাজাক কুদ্ৰাক্ষ জালাই দেখি লাজ পাই দেবী বিবস্ত্ৰে উবুৰি হৈ পৰিল। ক্ৰোধ হৈ ৰাজাক শাপ দিলে, বোলে, "তোৰ বংশে মোক দেখিলে তৎকালে মৃত্যু হবো, কেন্দুকলাইৰো বংশ ছেদ হবোক।" ৩ ॥

প্ৰতাপসিংহ আৰু চন্দ্ৰপ্ৰভা ।—ধৰ্ম্মপালৰ পুত্ৰ ৰত্নপাল, তান পুত্ৰ সোমপাল, তান পুত্ৰ প্ৰতাপসিংহ কন্যকা গ্ৰামত পাট কৰিলেক আৰু উজানিৰ ভুঞাসকলক মাৰি এক পাট কৰি বৰৰাজা হোল। তান পুত্ৰ আৰিমত্ত। প্ৰতাপসিংহ ভাৰ্য্যাই সহিতে ব্ৰহ্মপুত্ৰত স্নান কৰি আহিল। ৰাতি ব্ৰহ্মপুত্ৰই স্বপ্ন দেখাইলেক, বোলে, "তোৰ ভাৰ্য্যা চন্দ্ৰপ্ৰভাক মোক দি। নেদে যেন গ্ৰাম, নগৰ তল কৰি ৰাজ্য মাৰি আছোঁ।" ৰজাৰ পাত্ৰ-মন্ত্ৰী ৰজাত গোচৰ দিলে, বোলে, "তোমাৰ এটা ভাৰ্য্যাক থাকি ৰাজ্য নষ্ট হয। ই ভাৰ্য্যাত স্নেহ এৰা।" পাচে ৰজাই সালঙ্কৃতা কৰি ব্ৰহ্মপুত্ৰক দিলে। ব্ৰহ্মপুত্ৰে কত দিন অন্তৰত নীলাচলৰ আমবাজুৰিত তুলি থলে। একে ব্ৰাহ্মণে পাই জীউ বোধে প্ৰতিপালন কৰিলে। ৪॥

আৰিমত্তৰ পিতৃহত্যা।—পাচে পুত্ৰ এটি জন্মিল। এটা সৰ্পে শয্যাত ছত্ৰ ধৰি আছে। প্ৰতিপাল কৰা বামুণক কামাখ্যা স্বপ্ন দেখাইলেক, বোলে, "কামৰূপৰ ৰজা হব।" আৰি মাছৰ আকৃতি মুখ-মাথা যেন, বামুণে আৰিমত্ত ৰজাৰ নাম থলে। পাচে আৰিমত্ত ৰজা হুই ইথানৰ লোক বশ্য কৰি উজানিৰ ৰজা প্ৰতাপসিংহৰ লগত যুদ্ধ হল। বাপক বুলি নেজানে, যুদ্ধত প্ৰতাপসিংহ পৰিল। ফিৰি আহি মাকত কলে। মাকে প্ৰতাপসিংহৰ মৰণ শুনি ক্ৰন্দন কৰি পুতেকত ব্ৰহ্মপুত্ৰৰ পূৰ্ব্ব বৃতান্ত কলে। পুতেকে বোলে, "তোক অন্যায কৰি ব্ৰহ্মপুত্ৰক দিলে। এই পাপে মোৰ হাতত অকালত মৃত্যু হল।" পাচে চন্দ্ৰপ্ৰভা অনুগামিনী হল। আৰিমত্তেও অকাল প্ৰায়চিত্ত কৰি প্ৰতাপসিংহৰ প্ৰেত-কাৰ্য্য কৰি কামৰূপত ৰজা হৈ আছে। ৫॥

বৈদ্যৰগড নিৰ্ম্মাণ।—পাচে একো পৰ একো পালা কৰি গড এটা বান্ধিলেক। গড় বান্ধোতে বিহ-পৰুৱা সাপে মানুহক খায। এটা বৈদ্যে আহি গুণ কৰি কহিলেক,—"বৈদ্যৰ নাম লৈলে সাপে পৰুৱাই খাব নোৱাৰে।" পাচে ঠাঠে "বৈদ্য বৈদ্য" বোলে যেন নাখায। একাৰণ বৈদ্যৰ গড় খ্যাতি হল। গড়ৰ ভিতৰে ছয় কুৰি পুখুৰী খান্দিলেক। ৬॥

ফিঙ্গুৱা কোঁৱৰ।—পাচে কমতেশ্বৰৰ বংশ ফিঙ্গুৱা নাম ৰজা বিহাৰৰ পৰা সিদিগিৰ ৰাজ্য বশ্য কৰি ঠাই ঠাই দক্ষিণকূলত গড় দি বৰভাগৰ সোণকুৰিহা গাৰঁত গড় দি বৈদ্যগড়ত আৰিমত্ত ৰজাৰ লগত ঘোৰ যুদ্ধ হল। যুদ্ধ জিনিব নোৱাৰি আৰিমত্তৰ ভাৰ্য্যা ৰত্নমালাৰ লগত কথা-বাৰ্ত্তা হল। তাই কৈ পঠালে, বোলে,—"ধনুৰ খোঁৰত খাৰ ঘঁহিম, তবে বাৰ্ত্তা দিম, যুদ্ধ কৰিবোক

এতেকে ৰণ জয় হব।” পাচে সেই প্ৰকাৰ কৰিলত যুদ্ধ হল। কলাখাৰ পায়াৰি-হাৰা-খাৰ হিলাই কাঁড় নচলে। ফিঙ্গুৱা ৰণ-জয় হল, আৰিমত্ত নদীত ডুব দি কিবা হল। পাচে আৰিমত্তৰ ভাৰ্য্যা ৰত্নমালাক ফিঙ্গুৱাই আনি মাৰিলেক, বোলে, “আপোনাৰ স্বামীত বিশ্বাস নাই, আমাত কি বিশ্বাস!” তাৰ পাচে ফিঙ্গুৱাক মাৰি আৰিমত্তৰ পুত্ৰ ৰত্নসিংহ ৰাজা হল। পাচে এটা ব্ৰাহ্মণী গমন কৰিলেক যেন, ব্ৰাহ্মণৰ শাপে ৰাজ্য হৰাল। ৭॥

বাৰভূঞা।—বাৰভূঞাৰ ৰাজ্য হল। পাচে স্বৰ্গ মহাৰাজাৰ ঘৰ সন্দিকৈ সবাকে মাৰি কছৈবাৰীৰ হাথীশালত গড় বান্ধিলেক। ঘিলা-বিজয়পুৰ মাৰি কৰতোয়া গঙ্গাত আলি পুখুৰী দি আহিল। আত পাচে বঙ্গালৰ মছলন্দ-গাজী কেইদিন আমল কৰিছিল। পাচে হুচন-ছাহ পাৎসাৰ বেটা চুলতান গয়াচুদ্দিন, সি গৰুড়াচলত মৰিল। পাচে আৰু বাৰভূঞাৰ ৰাজ্য হল। ৮॥

আৰু এখন বুৰঞ্জীত প্ৰাচীন কামৰূপৰ কথা এই দৰে লিখা আছে:—

কামৰূপ দেশৰ যি যি ৰজাসকল হৈ গেছে তাৰ লেখা:—

নৰকাসুৰৰ বংশ।—সত্য যুগত ব্ৰহ্মাৰ সন্ততি সম্বৰাসুৰ ৰাজা, তাৰ পাট ৰঙ্গামাটিত। তাৰ পুত্ৰ মহীৰঙ্গ ৰাজা, তাৰ পাট বেলতলাৰ মৈৰোকা পৰ্ব্বতত। তাৰ পুত্ৰ ঘাটকাসুৰ, তাৰ পাট শৰণীয়া পৰ্ব্বতৰ পশ্চিমে। বিষ্ণুৱে ঘাটকাসুৰক মৰাই নৰকাসুৰক ৰাজা পাতিলে। ত্ৰেতাৰ অৰ্দ্ধ ভাগ গল। পাচে কলিযুগৰ আদিত দুৰ্ব্বিনীত দেখি নৰকাসুৰক মাৰি কৃষ্ণদেৱে তাৰ পুত্ৰ ভগদত্তক ৰাজা পাতিলে, কুৰু-পাণ্ডৱৰ যুদ্ধত ভগদত্ত মৰিল। তাৰ পুত্ৰ ধৰ্ম্মপাল ৰাজা, তাৰ পুত্ৰ কামপাল ৰাজা। নৰকাসুৰক আদি কৰি ১৯ পুৰুষ ৰাজা হল। ৯॥

সুবাহু।—অন্তত সুবাহু ৰাজা। বিক্ৰমাদিত্যৰ যজ্ঞৰ ঘোঁৰা সুবাহুএ ধৰিলে। পাচে বিক্ৰমাদিত্য সসৈন্য সহিতে খেদি আহিল। সুবাহু ৰাজা সুবল নামে পুত্ৰ ভাৰ্য্যা সহিতে পলাই যাই হিমালয়ত তপস্যা কৰি আছে। কলিৰ শেষত সুবল আহিল। চক্ৰবৰ্ত্তী ৰাজা হল। নৰকাসুৰৰ বংশ সুবল অন্ত কৰি সমাপ্ত। তাত পাচে তাৰ মন্ত্ৰী সুমতি নাম, কৈবৎসৰমান ৰাজা হল। ১০॥

জিতাৰি বংশ ।—তাত পাচে দ্রাবিড়ী দেশৰ জিতাৰি নামে ক্ষেত্রি আসি মাধৱত সেৱা কৰি কামৰূপত ৰাজা হল। কুবেৰাচলত পাট কৰিলে। জিতাৰিক আদি কৰি ৰামচন্দ্রক অন্ত কৰি ১৭ সোতৰ পুৰুষ ৰাজা হল। ১১ ॥

আৰিমত্তৰ বংশ।—পাচে ৰামচন্দ্ৰৰ নগৰত সুন্দৰী কন্যা এক আছিল, শুন্ৰাণাহে, সেই কন্যা সখীসকল সহিতে লোহিত্যত স্নান কৰিবলৈ গল। ব্ৰহ্মপুত্ৰ ক্ষোভিত হৈ সেই কন্যাক ৰমিলে ডুবুৰাই নি। ব্ৰহ্মপুত্ৰত হন্তে সেই কন্যাত আৰিমত্ত নামে পুত্ৰ হল। আৰিমত্তে কমতেশ্বৰৰ দুৰ্ল্লভেন্দ্ৰক মাৰি বেহাৰত ৰাজা হল। তৈৰ পৰা আহি কামৰূপত ৰামচন্দ্র ৰাজাক মাৰি বৈদ্যৰগড় নামে পাট কৰিলে। কত দিন অন্তৰে বিশ্বনাথৰ উত্তৰে প্ৰতাপ-পুৰ নামে গড কৰিলে। পুনৰ্ব্বাৰ কামৰূপলৈ আহি ভোগ্য কৰি আছিলে। ১২ ॥

ফিঙ্গুৱা কোঁৱৰ।—পাচে দুৰ্ল্লভেন্দ্ৰৰ ভাতিজাক ফিঙ্গুৱা নামে কোঁৱৰ চপনিত কোঠ কৰি আছিল। খাটনিযাৰ হৈ সেই কোঁৱৰে মালিনী-দ্বাৰে ৰাজাৰ মুখ্য ভাৰ্য্যা সহিতে কথা কৰিল। গড়ৰ উত্তৰ ফালে সিন্ধি খনাই ফিঙ্গুৱা কোঁৱৰ ৰাজাৰ ভাৰ্য্যাৰ ঠাইলৈ গল। ই কথা ৰাজা পাত্ৰ-মন্ত্ৰী সকলোৰে জানিলে। পাচে ৰাজাই দুই কোঁৱৰক ধৰি আনি তলে-ওপৰে কাইট দি গাড়িলে। কোঁৱৰৰ পুত্ৰ ভাৰ্য্যা, মালিনীৰ বংশ সকলোকে কাটিলে। এই কথাত লাগি পাত্ৰ-মন্ত্ৰীসকলৰ ৰাজালৈ অৱহেলা হল। সেই অপমানত লাগি, ঈশ্বৰক চিন্তি ৰাজা দেহ এৰিলে। ১৩ ॥

মৃগাঙ্ক।—তেওঁৰ পুত্ৰ শুকৰাঙ্গ ৰাজা হল। কতদিন ৰাজ্য ভোগ কৰি আছিল। পাচে অশ্বক্ৰান্তত দেহ এৰিলে। তাৰ পুত্ৰ শুক্ৰৰাঙ্গ ৰাজা হল। কত দিন অন্তৰে প্ৰতাপপুৰ নগৰলৈ গল। তেওঁৰ পুত্ৰ মৃগাঙ্কক ৰাজা পাতি বিশ্বনাথত গৈ দেহ এৰিলে। কৰতোযাক সীমা কৰি শদিয়া পৰ্য্যন্তে ৰাজ্য ভোগ কৰি দেহ এৰিলে পুত্ৰ নহল। ১১৩০ শকৰ পৰা আৰিমত্তৰ চাৰিপুৰুষ ১৪০০ শকলৈকে ভোগ কৰিলে। ১৪ ॥

বাৰভূঞা।—আত অন্তৰে বাৰভূঞা হল। সেই কালত হুচেন্-ছা পাৎসাৰ চুলতান বলৱন্ত গযাছুদ্দিন কামৰূপলৈ আহিল, মঠ-মণ্ডপ ভাঙ্গিলেহি। তাৰ লগত ঘোঁৰা ১২ হাজাৰ, তুৰুকি ১৩ হাজাৰ, তেজি ঘোঁৰা সহিতে

মছুলন্দ-গাজি নামে নবাব, কালু নামে দেৱান দুই লগত আহিছিল। পাচে চুলতানে গৰুড়াচলত দেহ এৰিলে। বহু বৎসৰ বাৰভূঞাওয়ে ভোগ কৰিলে। ১৫ ॥

হাৰিয়া মণ্ডল।—তাত পাচে বশিষ্ঠ শাপত মহাদেৱে হাৰিয়া মণ্ডল নামে কোঁচ হল। পাৰ্ব্বতী হীৰা নামে কুঁচুনী হল। ঐ ঔৰসতে বিশ্বসিংহ নামে পুত্ৰ হল। ১৬ ॥

প্ৰাচীন কামৰূপৰ বুৰঞ্জীৰ বিষয়ে, বিশেষকৈ আৰিমত্তৰ ৰজাৰ পিতৃ প্ৰতাপসিংহ ৰজাৰ সম্পৰ্কে আন এখন বুৰঞ্জীত এইদৰে পোৱা যায়।—

অসমৰ পবিত্ৰ নদ-নদী।—দ্ৰবিড় পুৰানোক্তং ॥ হেমন্তগিৰিৰ দখিণত ব্ৰহ্মপুত্ৰৰ উত্তৰত কৈল্যানপুৰত আহাম দেশত দেৱাপিমৰু এই পৰ্ব্বতৰ দক্ষিণ নিকটতে তপস্যা কৰি আছিল। পাচে আশ্ৰম সহিতে জলে তল কৰিল, ওপৰত বৰ বিল হৈল, যোগবলে জলক ঠেলি তলত আছে। সেই বিলৰ পৰা জান আহি দিকৰঙ্গ নৈত পৰিছে, তাকে ব্ৰহ্মজান বোলে। সেই বিলৰ উজনিত পিছলা তীৰ্থ আছে। গঙ্গাৰ ভাগিন। সিও দিকৰঙ্গত বৈ পৰিছে হি। সত্যযুগত সেই পিছলা গঙ্গা নাম হৈব, অনেক লোকৰ পাপ হৰি কুশল কৰিব আৰু লৱনুপুৰত পাণ্ডু পত্নী মাদ্ৰি তাতে তল গৈ যোগবলে জলক ঠেলি ঈশ্বৰক চিন্তি আছে। সেই বিলৰ পৰা মাদ্ৰি নামে জান আহি দিক-ৰঙ্গত পৰিছে। কলিৰ শেষত অবতাৰ কল্কি শৰীৰ গন্ধ পাই দেৱাপি, মৰু, মাদ্ৰি, জলহন্তে তিনিও উঠি দেৱাপি, মৰু ৰাজ্য ভোগ কৰিব। মাদ্ৰি স্বৰ্গে পাণ্ডুৰ ঠাই যাব আৰু কলিযুগ-ধৰ্ম নিৰ্ণয়ত কৈছে ভড়ৰি নদীৰ পশ্চিমে লোহিতৰ উত্তৰে পৰ্ব্বতত ৰিশ্যশৃঙ্গ ঋষি আছিল। এতেকে ঋষিৰ নামে পৰ্ব্বতক শিঙ্গৰি বোলে। তাতে গোপেশ্বৰ শিৱ আছে। তাৰে ওপৰত শিৱসিংহ মহাৰাজে মঠ কৰিলে। আৰ দক্ষিণ কোলে দিখৌ নদীৰ নিকটত বশিষ্ঠ ঋষি আছিল, এতেকে দিখৌক বাশিষ্ঠীগঙ্গা বোলে। আৰ কলঙ্গ নদীৰ দক্ষিণ কোলে পৰ্ব্বতৰ নিকটত কপিল ঋষি আছিল, তাৰপৰা কপিল নদী আহি কলঙ্গত পৰিছে, এতেকেসে ঋষিৰ নামে নদীক কপিলীগঙ্গা বোলে। আত স্নান-দান ঘটে দিখৌ নদীত সাপ আছে, এতেকে নঘটে। ১৭॥

বব্ৰুবাহনৰ স্থাপিত মণিপুৰ নগৰ।—একদিন প্ৰতি এক ব্ৰাহ্মণৰ গৰু চোৰে নিওঁতে অন্ধকাৰ নিশা ব্ৰাহ্মণে সাৰ পাই একেশ্বৰে পাচত আহি ধনঞ্জয় বুলি আওৰাও কৰি যাওতে অৰ্জুনে সাৰ পাই উঠি গল। সেইবেলা

ধনু-শৰ যুধিষ্ঠিৰৰ কোঠাত আছিল। পূৰ্ব্বে দ্ৰৌপদীৰ বিবাহ কালত দেৱঋষি নাৰদ আসি শয়ন কালত যদি ইজনাৰ লগত সিজনাএ দেখে তেবে সম্বৎসৰ বনবাস খাটিব লাগে। পাচে অৰ্জ্জুনে চক্ষু মুদি গৈ ধনু-শৰ আনি ব্ৰাহ্মণৰ গৰু ৰক্ষা কৰি ফিৰি গৈ গুৰু পুৰুহিতৰ নমি মাতৃ জেষ্ঠৰ ধূলা লৈ কনিষ্ঠ কুটুম্বক সম্ভাষি তপসীৰ বেসে তীৰ্থ কৰিতে গৰিল। কুন্তী, যুধিষ্ঠিৰে ই দোষ আমি গা কৰিলো, তথাপি তোমাৰ যাব নালাগে বুলি অনেক ৰূপে ৰাখিলতো দেৱঋষিৰ বচন আমি যদি নাৰাখিলো আনে কোনে মানিব বুলি তীৰ্থ কৰি ফুৰিতে পূৰ্ব্বদিশক আসিল।

পূৰ্ব্বে চিত্ৰসেন গন্ধৰ্ব্ব ৰাজাৰ জী চিত্ৰাঙ্গদাক একদিন জীযেকক ৰাজাগ্ৰাহী হো বুলি সপিলে। পাচে কন্যা বিস্তৰ তুতি-নতি কৰি বোলে, "পিতৃ মোক সাপৰ অন্ত দিয়া।" ৰাজা বোলে, "যিবেলা পাণ্ডু-পুত্ৰ অজৰ্জুনক লগ পা সেই কালত তোৰ মুক্তি হব।" এতেকে সেই কন্যা সৌমাৰ পীঠৰ উত্তৰবোলে দাঁতি ভাগকৈ এব ৰৰ সৰোবৰ আছিল, তাতে গ্ৰাহীৰূপে পৰিবনহি। এতিয়ালৈ তাকে দল-দলিযনি বোলে।

পাচে অৰ্জ্জুনে তীৰ্থ কৰিতে পূৰ্ব্ব দিশক আসি সেই সৰোবৰ নিকট পাই জল পান কৰিব খোজোতে, সাব পাই খেদি আহি সুন্দৰ বীৰপুৰুষ দেখি তুমি কোন বুলি সুধিলত বোলে, "মই পাণ্ডু-পুত্ৰ অৰ্জ্জুন" বুলি পূৰ্ব্বাপৰ কলত কন্যা আনন্দ বৰি বিস্তৰ তুতি-বিনতি বুলি পূৰ্ব্বাপৰে শাপৰ বৃত্তান্ত কৈ বোলে, "এখন তুমি মোক পৰ্শা, মুক্ত হওঁ" এই শুনি অৰ্জ্জুনে হাতে ধৰি তৰক আনিলত পূৰ্ব্বৰূপৰ বৰি অৰ্জ্জুনৰ সেবা কৰি বোলে, "তুমি মোক বিবাহ কৰোৱা।" তেওঁও কন্যাৰূপে খোভ হৈ গান্ধৰ্ব্বী বিবাহ সম্বৰিলে। তেওঁতে বভ্ৰুবাহাৰ জন্ম হল। তাতে মণিপুৰ নামে নগৰ কৰি চাৰিওদিশৰ ৰাজাক জিনি মহা শক্তিমন্ত ৰাজা হৈল। এতিয়ালৈ সেই নগৰকে ঘুগুৰাগড় বোলে।

তানে পুত্ৰ চন্দ্ৰহাস ৰাজা হৈ তাবপৰা আহি দক্ষিণপাটত নগৰ পাতিলেহি। তেতিয়াৰে পৰা দক্ষিণপাট বোলে। তেতিয়া হিহিঙো মেৰা বিলে গৈ লোহিতত পৰিছিল। তানে পুত্ৰ উত্তৰধ্বজ ৰাজা হল। তানে পুত্ৰ বিক্ৰমধ্বজ ৰাজাৰ দিনত লোহিতে দক্ষিণপাটৰ নগৰ খহালত উজাই আহি বৃহগাচল পৰ্ব্বত পালেগৈ, তাবে চৰাইদেৱৰ পৰ্ব্বত বোলে। চৰাইদেও নীলমাধৱকে বোলে। পাচে পণ্ডিত কাৰণত সুধি শাস্ত্ৰ চাই যেতিয়া

ঈশ্বৰৰ আজ্ঞায়ে নীলমাধৱক সাগৰৰ বালুকাএ আছাদন কৰিলে সেইবেলা নীলমাধৱ বৃহগাচললৈকে অহিল বুলি কলত তাতে নগৰ কৰিব খুজিলে। নিকটাতে পাহাৰ-জঙ্গল দেখি হহকি আছি ঘোড়াৰ খোজে একপৰ বেলাব বাট ভটিযাই বলমাত পূবে-পশ্চিমে মধ্যে নাট-মন্দিৰ কৰি শিলে-ইটায় দৌল-ঘৰ বান্ধি তাৰেপৰা ঘোড়া-খোজে চাৰি দণ্ড বেলাৰ বাট উজাই পানিক ঐশান্য কোণকৈ মূৰকটাত নগৰ কৰিলে, তাকে বিহকৰমৰ গড় বোলে। আতে কতোদিন আছিতে মৃগাঙ্ক নামে ৰাজা দিগ্বিজয় কৰিতে আসি যুদ্ধ খুজিলেহি। বিক্ৰমধ্বজেও লোকজন তিযাৰ কৰি প্ৰাণৰ কাতৰে ঘোৰ যুদ্ধ কৰি বলে নোৱাৰি ভঙ্গ পাই দেশত ৰব নোৱাৰি সেৱক ও ৰাজা সৈতে তিৰি ভাৰ্য্যাসমে ক । ১৮ ॥

ভালুকপাঙ্গ বা প্ৰতাপসিংহ ৰাজা।—এইৰূপে কতোদিন আছিতে ভাৰতযুদ্ধ হল। সেইবেলা ভীমে আসি ঘটতকৰচাকে অঞ্জনপৰ্ব্বাকে চালৰথ সাজি লৈ গলহি। পাচে ভাৰতযুদ্ধে দুযো পৰিলত অঞ্জনপৰ্ব্বাৰ পুত্ৰ বিৰোচন-মতি-ফা ৰাজা হৈ কৰ্লীয়াবড়ৰ নামে বামুণী পৰ্ব্বতত পাট কৰি ৰহিল। তেওঁৰে বীচনমতী নামে ভাৰ্য্যা আছিল বাববাৰ-খাঁ নামে মন্ত্ৰী আছিল। পাচে পটেশ্বৰীয়ে, ৰাজ্যৰ দুৰ্দ্দিনৰ হেতু ৰাজাত বলভা হৈ দমি স্বতন্ত্ৰে আপোনাৰ দুশ্চেষ্টাকে কাৰ্য্য মানি উদণ্ডে প্ৰবৰ্ত্তিব ধৰিলে। সেইৰূপে আছিতে একদিন ৰাজাৰ দৰ্ব্বাৰ বহা ঠাই ঘৰাৰ আগত কোনো এক গছৰ শাখাত কোনো এক পক্ষী বিশেষ সুন্দৰ চৰাই এটি পৰি ৰাও কাটিলে। শব্দানুসাৰে পটেশ্বৰীএ দেখি বোলে, "মোক এই চৰাইটি ধৰি দিযক" পাচে অনেক যন্ত্ৰ-মন্ত্ৰ কৰি ধৰিব খোজোতে চৰাই উৰিল। পটেশ্বৰীএ শুনি বোলে, "কত পৰিছে ধৰি আনি দিযক।" এই শুনি পাত্ৰ-মন্ত্ৰী লোকজন সমন্বিতে বিচাৰি দেখি জনালেহি, বোলে "এক নিকৰত বৰ শিলাৰ মাজে এক ডাঙৰ হোলোঙ্গা গছ গজি আছে। আৰ আগে বাসা কৰি তিনিটি চাৰা জন্মাই আছে, সিও চোট, ডাঙৰ হৈলে আনিবাৰ উচিত, এখনে চোট চাৰা অনাথ হৈলে দোষ আছে।" পটেশ্বৰী শুনি বোলে, "বিশেষ হৈছে বাসা সমন্বিতে গাছ তুলি আনি আমাৰ বহা ঠাইৰ আগত বই দিযকহি।" পাচে বৰা-বৰুক সকলো দেশৰ বিস্তৰ লোক জড়াই আনি গছৰ গুড়িক যাই, খানিবৰ একো উপাই নাপাই ৰাজা-পটেশ্বৰীত জনালেহি বোলে, "গাছো বৃহৎ, শিলাৰ নিমিত্ত খান্দিবাকো নাপাৰি, এতেকে আমি কোন উপায়ে আনিম" পটেশ্বৰী শুনি বোলে, "ৰাজা, তোমাক বন্দীহঁতে পৰিহাসহে কৰে, অত লোকে গাছ পুলি আটা আনিতে নপাৰে, আৰ কি কাম কৰিব?"

ৰাজা শুনি বৰা-বৰুক খুমডাঙ্গ সকলকো দায় ধৰি বোলে, "গাছ আনি দিব নোৱাৰিলে সকলকো গাছৰ গুৰিতে কাটিম।" এই শুনি সমস্তে নিৰুশ্বাস হৈ বৃক্ষৰ গুৰিক যাই কতিপয় দিন চাই-চিন্তি একো উপায়ে থানিব নোৱাৰি পাত্ৰ-সেনাপতি সমস্তে গোষ্ঠি হুই বোলে, "ৰাজা হল স্ত্ৰী-জিত, তিৰি জাতিও কিছু নুবুজে, এতেকে জানো আমাৰ বিনাসৰ কাল হল। এখন আমাৰ কোন উপায় হব? দক্ষিণে আমাৰ গা নুলুকাই উত্তৰ হব পাৰিলে কিছু উপায় আছে।" এই আলচি সমস্তে ইষ্টদেৱতাক স্মৰি বিস্তৰ সম্ভাৰে লোহিতক পূজা কৰি বোলে "হে তীৰ্থৰাজ, আমি আপদে মজিলোঁ, এখন তোমাত শৰণে পশিলো। এতে তুমি কৃপান্বিত হৈয়া পথ ছোড়ি দিয়া আমাক ৰক্ষা কৰা।" পাচে লোহিতেও অনেক প্ৰাণীৰ কাতৰ স্তুতি শুনি প্ৰসন্ন হৈয়া ৰাত্ৰি স্বপ্ন দেখাদি বোলে, "কালি প্ৰাতসে মত্ৰি বৰ পক্ষী হুই আগে আগে যাম, তইঁতে কিছু সংশয় নাহি পাচে পাচে থাকি কিছু পাচক ফিৰি নচাবি।" এই শুনি সকলো মনে ৰঙ্গ হুই বাৰ্ব্বা-খাঁ মন্ত্ৰী সহিতে বহুত কছাৰি সপৰিবাৰে সেইৰূপে হেলচ পৰ্ব্বতৰ পোনে উত্তৰলৈ পাৰ হৈ সেই পৰ্ব্বতকে আশ্ৰয় কৰি ৰহিল। এই কথা কছাৰি ৰাজা শুনি পাচত থকি ৰাজ নাপাই শস্তিশ্ৰীক চিন্তন কৰিহা কৰি আপোন দোষে দেশ উছন্ন দেখি পৰম লাজে মৌনে ৰহিল।

আৰু বাৰ্ব্বা-খাঁৰ শুদ্ধমতী নামে জীয়েক অৰ্টি আছিল। কছাৰি ৰাজা পৰম সুন্দৰী সাধ্বী শুনি বিবাহ কৰিম বুলি বাধি হৈথ বিচনমতীক ভয়ে দিব নোৱাৰোঁতে বাপেকা ঘৰত যুবত হৈ আছিল। বাপেকৰ লগতে সেই কন্যাও গল। পাচে সেই হেলচৰ পৰ্ব্বততে কতিপয় দিন আছোঁতে কন্যাৰ ঋতু-স্নান হৈল। চতুৰ দিবসত লোহিতক যাই ব্যৱহাৰে স্নান কৰি শুচী হুই পৰ্ব্বতৰ কোথৰ বালিত বসি দুখমনে আপোনাৰ ইষ্টদেৱক স্মৰি অদৃষ্ট নিন্দা কৰি কান্দিব ধৰিলে। সেইবেলা কন্যাৰ সভাগ্যোদয় হেতু আকাশ মাৰ্গে মহেশ পাৰ্ব্বতী যাইতে মহামায়া কন্যা দেখি ঈশ্বৰত পুচিলে বোলে, হে প্ৰভু, তুমি সৰ্ব্বজ্ঞ ই কন্যা কি কাৰণ কান্দে? মহাদেৱ বোলে—পূৰ্ব্বাপৰে সাধ্বী কন্যা স্বামীৰ অভাবে ঋতু ব্যৰ্থ শোকে কান্দে বুলি কলত পাৰ্ব্বতী বোলে, স্বামী ঈশ্বৰ হ'ল শুদ্ধ সত্ত্ব আৰ্ত্তজনক কৃপা কৰিতে উচিত। পাচে মহেশ দেৱীৰ বচনে পৰ্ব্বতৰ পৰা ভালুক ৰূপ ধৰি ওলাই আহি ঋতু সাফলি অন্তৰ্হিত হল। কন্যা বিস্ময় মানি দেৱমায়া বুলি আনন্দ হৈ ঘৰক যাই থাকত কলে।

পাচে দশমাস দহদিন অন্তে শুভমুহূৰ্ত্তে বালক জাত হল। শৰীৰত বিস্তৰ ওভোটা লোম দেখি ভালুকপাঙ্গ নাম থলে। এইৰূপে কতোদিন আছিতে সেই দেশৰ ৰাজ সোনপালে এই সকল কথা শুনি বাপেক সৈতে কন্যাক নিমাই সোধপোছ কৰি কন্যাক দেখি মোহ হৈ বালকক‌ো দেৱ-বীৰ্য্য মানি বোলে, এই বালক যদি নিলগত থাকি ৰাজা হয নাজানিতে কিবা আমাকো বিনাশে। পাত্ৰ-পুৰহিতক এই বুজাই সেই কন্যাক সম্বৰি বালকক‌ো পুত্ৰ বোধে ৰাখিলে। পাচে কতোদিন ৰাজ্য ভোগ কৰি সেই বালকক প্ৰতাপনাৰাযণ নাম দি ৰাজা পাতি পৰলোক হল।

পাচে প্ৰতাপনাৰাযণে ৰাজা হৈ জন্মভূমি বুলি উজাই আহি হেলচৰতে পাট কৰি গাত্ৰ খানি শিলে-ইটাএ বান্ধি নগৰ পাতি ভূঞা সকলক‌ো জিনি প্ৰধান ৰাজা হল। তাতে কতোদিন থাকি লোহিতে গ্ৰাম-চহৰ ডুবাই দেখি সেইপোনে দক্ষিণলৈ পাৰ হৈ নাননাটি এডোখৰ পাই কলা দেখি আল্লাৰা নাম দি নগৰ পাতি কতোদিন আছি উজাই আহি বিশ্বনাথৰ কন্যাকাশ্ৰম গ্ৰামৰ নগৰ পাতি চাৰিওদিশৰ ৰাজা ভূঞা সবাকে জিনি প্ৰতাপসিংহ নাম লৈ মহাশক্তিমন্ত ৰাজা হল।

ভালুকপাঙ্গেও ৰাজ্য আক্ৰমি সবাকে বসতি কৰি আপোন দেশক গল। সেইবেলা মৰণক ভয়ে সমস্ত জাতিএ বৰ নৰগুণ লৈ গৰুত উঠি ৰাজাৰ আগ হল। ৰাজা কোন বুলি সোধানত বোলে, আমি ব্ৰাহ্মণ, মহাৰাজাত মিলিছো আসি তেজ শক্তি পৰীক্ষাৰ নিমিত্তে। ৰাজা বোলে, ব্ৰাহ্মণ যে মোক মহিমা দেখক। পাচে সকলো ভয় হৈ মনে একো উপায নাপাই, হে ত্ৰাহি ব্ৰহ্মপুত্ৰ, এই শঙ্কটত তুমি নাৰাখিলে আন আৰু উপায় নেদেখি আজি ৰাত্ৰি এক মহিমা দেখাই আমাক ৰক্ষা কৰা। এইৰূপে অনেক স্তুতি-নতি কৰি বিস্তৰ পূজিলে। পাচে লোহিতোও প্ৰাৰ্থীক কৃপাযে ৰৰকৈ ডোৱাৰ পাতি বৰঢাকৰ হেন এটা শব্দ উঠিল। ৰাজা শুনি কিহৰ শব্দ বুলি সুধিলত বোলে, মহাৰাজা যে মহিমা দেখাব দিছে সেই লোহিতে দেখাইছে। পাচে ৰাজা মানুহ পঠাই চোৱাই প্ৰমাণ পাই সত্য মানি পূৰ্ব্বৱতে থাপি-সাক্ষি থলে। ১৯ ॥

দ্বিতীয় আধ্যা ।

বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায় ।

হাৰিয়া মণ্ডলৰ ভেশত মহাদেৱ ।—কামৰূপৰ বিশ্বসিংহ ৰাজাৰ জন্ম ॥ খুন্টাঘাটত চিকনাই পৰ্ব্বতৰ কোষত পানবৰ ১ ভেদেলা ১ ভেদভেদো ১ বৰিহনা ১, কাঠীয়া ১, গুৱাবৰ ১ মেঘো ১ বৈহাগু ১ জেগৈ ১, গৰুকটা ১, যুদ্ধবৰ ১, ডেখৰা ১, এই বাৰঘৰ মেচ আছিল । আৰে প্ৰধান হাৰিয়া মণ্ডলে চাৰিদণ্ডৰ পৰত কপাত দিছিল । একমত প্ৰথম ভাৰ্য্যা নীলা, দ্বিতীয় ভাৰ্য্যা হীৰা । ঘৈণীয়েক জনীয়ে নিতান্তে গাডিতে ভাত দিযৈগে ।

একদিনা প্ৰতি ঘৈইণীয়েক হীৰাএ ঋতু স্নান কৰি ভাত লৈ যাওঁতে গাডিলৈ এক দণ্ডৰ পথ থাকোতে বৰ গছ এক ডালৰ তলত হাৰিয়া মণ্ডলৰ ৰূপ ধৰি মহাদেৱ বসি আছে । তাতে মদভাত খালে, সেই স্ত্ৰীকো হৰিলে । ঘৈৰিণীয়েকে বোলে 'গাডি এৰি কিয় আহিলি ?' ছদ্ম মহাদেৱে বোলে, "ভাত নপাই ভোক লাগিনত আহিলোঁ ।" এই বুলি গাডিলৈ যাওঁ বুলি অন্তৰ্দ্ধ্যান হল ।

পাচে হাৰিয়া মণ্ডলে ঘৰলৈ আহি ঘৰিণীএকক খং কৰি বোলে—'আজি মোলৈ ভাত কিয় নিনিলি ?" ঘৈণীয়েকে বোলে—'বৰ গছৰ তলতে মদভাত খালি সম্ভোগ কৰিলি খং কৰ কিয় ?" এই কথা শুনি হাৰিয়া বিস্ময় হৈ থাকিল । পাচে ৰাত্ৰি মহাদেৱে সন্যাসী ৰূপ ধৰি স্বপ্ন কৰালে, বোলে,— তোৰ ঘৰিণীক খং নকৰিবি । মঞিহে এনে কৰিলো । তহতে শুদ্ধ ভাবে থাকিবি । মোৰ বীৰ্য্যে যি পুত্ৰ জন্মিব সি মহা বলিষ্ঠ ৰাজা হব । আৰু বৰ গছৰ তলত পূজা কৰিবিগৈ, তাতে ঢাল ১, তৰোৱাল ১ খান পাবি । আৰ গছত বানৰ এটি দেখিবি সেই বানৰ আকাৰে ধ্বজ-দণ্ড এটা সাজিবি । পূৰ্ব্বক মুখে গৃহত থৈ বছৰি পূজা কৰি থাকিবি । যিকালত বানৰৰ মুখ ঘূৰে সেই কালত তোৰ বেটা ৰাজা হব ।" আগধৰিও সেই বৰ গছৰ তলত পূজা কৰিছিল, কোনোৰ মতে শিলিখা গছ বুলি কয় । ২০ ॥

বেহাৰৰ পাটত বিশ্বসিংহ ।—পাচে দিনক্ৰমে কাৰ্ত্তিকৰ বিমুত পুত্ৰ জন্মিল ; বিশু নাম থলে । আগৰ ভাৰ্য্যাৰ পুত্ৰটিৰ নাম শিশু । ৰাত্ৰি হাথী, ঘোঁৰা, বন্দুক, পঞ্চশব্দৰ বাদ্য ভৈল । বৰটিৰ নাও শিহু, সৰুটিৰ নাও

বিহু। এই প্ৰকাৰে বাৰে বৎসৰ হ'ল। অস্ত্ৰ-শস্ত্ৰত বৰ অভ্যাস হ'ল। বিহুৰ ১২ গিৰি মেচৰ ১২ জন চৰাল সহিতে চিকাৰ কৰি ফুৰে। পাচে বইগাওঁ সিগাওঁ মাৰি খুনীঘাটিৰ কৰ্ণপুৰ ভূঞাক মাৰিলে। এই ক্ৰমে কৰৈ-বাৰীৰ কামৰূপ বেহাৰৰ সকল ভূঞাক মাৰি ৰাজ্য বশ কৰি চিকনাইত পাট কৰি ৰজা হ'ল, ১৪৪৯। ২১ ॥

স্বৰ্গদেৱৰ থাপিত-সাঞ্চিত বিশ্বসিংহ।—পাচে এই সময়তে স্বৰ্গমহা ৰাজাৰ চনথাম বৰগোহাঁই কৰতীয়া গঙ্গা মাৰিবলৈ যাওঁতে বিশ্বসিংহে শুনিলে যে, পূৰ্ব্বদেশে ইন্দ্ৰ অৱতাৰ ধৰি ৰাজা ৰাজ্য সকলক মাৰি কাটি বশকৈ লৈ আছিছে। এই বুলি ৰূপ-সোণ দুচৰু লৈ চনথাম বৰগোহাঁইক বৰিলহি। বোলে "মঞি স্বৰ্গমহাৰাজাৰ শৰণীয়া হলোঁ, মোক থাপি-সাচি থোৱা।" পাচে গোহাঁইএ সোণৰ ডলা ফোটাসে বঁটা এডুবি দি বোলে,—"ভাল, ইন্দ্ৰ ৰাজাত জনাই তোক থাপি-সাচি থোৱাম। মই দিল্লী মাৰি আহোঁগৈ।" এই বুলি ভটীয়াই গ'ল। ২২ ॥

বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণ আৰু চিলাৰায়।—পাচে বিশ্বসিংহৰ মাত্ৰ, শুক্ৰ প্ৰথমে দুই বেটা হ'ল। আৰু ১৬ বেটা হৈল, গোহাঁই কমল ৩, গোহাঁই ময়দান ৪, গোহাঁই ৰামচন্দ্ৰ ৫ গোহাঁই সুৰসিংহ ৬, বৃষকেতু ৭, ৰামনাৰায়ণ ৮ আনন্দ ৯ দিগুসিংহ ১০ হোঙ্কৰ ১১, মেঘনাৰাণ ১২, জগত ১৩ ৰূপচন্দ ১৪ হৰিসিংহ ১৫, মানসিংহ ১৬ মেচা ১৭, সূৰ্য্যাসাস ১৮। এই ১৮ বেটাক বিশ্বসিংহে সবাকে অস্ত্ৰ-শস্ত্ৰ শিখাই মৃত্যুকাল সময়ত ১৮ বেটাৰ ১৮টা টোপোলা কৰিলে। লোহাৰ ১ মাটিৰ ১ ধানৰ ১, এইৰূপে ১৮ টোপোলা ১৮ কোঁৱৰক লব দিলে, বোলে যাৰ যি চলে। মাটিৰ টোপোলা মালে ললে লোৰ টোপোলা শুক্ৰে ললে। এইৰূপে গায়ে গায়ে টোপোলা ললে। মাটি দেখি মালক বুলিলে—'তঞি ৰাজা হবি।" লো দেখি শুক্ৰক বুলিলে— তঞি খাণ্ডাইত যুদ্ধাইত হবি।" টোপোলা অনুক্ৰমে আনবোৰকো সিদ্ধান্ত দিলে। পাচে মালক নৰনাৰায়ণ নাম দৈ ৰাজা পাতিলে। শুক্ৰৰ নাম সংগ্ৰামসিংহ থলে। এওঁকে চিলাৰাইও বোলে, যুৱৰাজা দৈল। ২৩ ॥

বিশ্বসিংহৰ অন্তিম অনুৰোধ।—পাচে দুয়ো ভাই ৰাজ্য চৰ্চ্চা কৰি থাকোতে বিশ্বসিংহ পৰলোক হবৰ সময়ত নৰনাৰায়ণ চিলাৰাইক বোলে,— "সুদা কথাতে অসমৰ থাপিত-সাচিত নাম ললোঁ। মোৰ মৃত্যু হব। এটা

খালেৰেহে যাওঁ। তইঁতে যদি পাৰ শৈন উদ্ধাৰ কৰিবি, আৰু যদি নোৱাৰ পুত্ৰ-পৌত্ৰাদিক্ৰমে কৈ যাবি।" এই বুলি পৰলোক হৈল। ২৪ ॥

নৰনাৰায়ণ আৰু চিলাৰায়ৰ দিগ্বিজয়।—তাত পাচে নৰনাৰায়ণ চিলাৰাইএ বাপেৰ কৰ্ম্ম-কায কৰি অৱসৰ হই আসাম ৰাজাক চলিল। ৰাজাৰ আজ্ঞাইএ গোসাঁই কমলে নামদানি ওপৰদানি সমান কৰি বেহাৰৰ পৰাএ নাৰায়ণপুৰ পৰ্য্যন্তে এটা আলি বান্ধিলে। পাচে আসাম ৰাজাৰ পৰা হেডম্বক গৈল তাৰ পৰা জয়ন্তাত আলি পুখুৰী খানি ত্ৰিপুৰালৈ গৈ ওলমাল লৈ আহিল। খৈৰামিৰ, গাৰোৰ ৰাজা আপুনি বৰিলহি। ঘোঁৰা-বাহন দি বিদায় দি বুলিলে— "মোত কি খোজ?" খৈৰামি ৰাজা বোলে—'মোক মোহৰ মাৰিবলৈ আজ্ঞা হক। টেকশাল দি বোলে,—'মোৰ নামে মোহৰ মাৰিবি, তোৰ নামে মোহৰ নামাৰিবি।" খৈৰামি ৰাজা বোলে—'ভাল, তোমাৰ বংশৰ নামে মোহৰ মাৰিম। ২৫ ॥

গৌড় যুদ্ধত চিলাৰায় বন্দী।—তাত পাচে বাৰেবঙ্গলা মাৰিবাক গৈল। তাক মাৰিলত গৌড় পাৎসা সহিতে ঘোৰ যুদ্ধ হৈল। পাৎসাৰ বন্দুকৰ বৰ চাম্ভাল তথাপি চিলাৰায় লোক পাচ নুহে। একল বন্দুকৰ কোবত সকল সৈন্য পৰিল। একলা যি পাৎসাৰ লোকে চিলাৰাইক বেঢ়িলে। দোটোনা কাণ্ড আছিল মানে ধৰিব নোৱাৰিলে। পাচে দুইটোনা কাণ্ড সাং হৈল। তেবে গিৰিধৰৰ বাগৰি একদান আছিল তাকে একোগুল লৈ মাৰিছিল। হাথীৰ গাত পৰিলে উফাল দিয়ান সবাৰে। এইৰূপে দিয়ো সসঙ্গ হৈল। পাচে ঢালে-তৰোৱালে যুঁজিলে অসংখ্য সৈন্য পৰিলে। ঢাল-তৰোৱাল পেলাই দিল যদি নিদিল তেবে বৰ হিলৈ মাৰিম।" তাতে চিলাৰায়ে বোলে' "প্ৰাণৰ কাতৰে ঢাল-তৰোৱাল পেলাই যে দিলিয় ইগোট বোল ১ চিত্ৰ।" এইমতে অনেক যুদ্ধ কৰিলে, যুদ্ধতে ঢাল-তৰোৱাল ছিগিল। পাচে হাতে হাতে যুদ্ধ হৈল। তেবে পাৎসাই লোকে ধৰি সোণাৰ লোৰা লগাই পাৎসাৰ আগ কৰিলেনি। ২৬ ॥

চিলাৰায়ৰ মুক্তি আৰু মৃত্যু।—যাৰ চিলাৰায় যুদ্ধত শকত হেন পাৎসাত জনালে। পাৎসাও লোৰ ধনু এখান টানিব দিলে। যাৰ বলে ধনু টানোতে যি আগে ৰণ কৰা কাণ্ড গাত সোমাই ভৰ লৈ আছিল সেই কাণ্ড চট চট কৰি ওলাই গৈল। পাৎসা দেখি বৰ বিস্ময় হল। উত্তম পুৰুষ জানি ঘোঁৰা-বাহন দি বিদায় দিলে।

চিলাৰায ৰণত ধৰা পৰি আছিল মানে নৰনাৰায়ণে অন্ন এৰি দুগ্ধ আহাৰ কৰি আছিল। দুই ভাই একত্ৰ হৈ অনেক ৰঙ্গ-ঢঙ্গ কৰি বিস্তৰ দান-দখিণা কৰিলে। পাচে কতোদিন অন্তৰে চিলাৰায় পৰলোক হৈল। ২৭ ॥

তৃতীয় আধ্যা।

ৰঘুদেৱ লক্ষ্মীনাৰাযণ আৰ পৰীশিত।

খিলাত ৰঘুদেৱৰ পাট স্থাপন।—চিলাৰাযৰ বেটা ৰঘুদেৱ-নাৰাযণ হয। নৰনাৰাযণে পাট এৰি বেহাৰক গোৰঙ্গৰ ৰাস্তাই পাৰে আহি যেন পাট কৰি থাকিল। ৰঘুদেৱে লগতে আছিল। তেবে চিলাৰাযৰ বৰা-বুৰক — কবীন্দ্ৰপাত্ৰ, যুধিষ্ঠিৰ ভাণ্ডাৰ কাযস্থ, শ্ৰীৰায লস্কৰ কইপুৰ গিৰি, সোণানৰ ৰূপাবৰ চৰদাৰ কবিৰাজ গোপাল চাউলীযা গদাই বৰকাযস্থ, গদাধৰ চাউলীযা পুৰন্দৰ লস্কৰ এবং আনো বৰা-বুৰক ৰঘুদেৱ পাট-কোঁৱৰক বুলিলে —'তুমি এই মতে থাকিলে ৰাজাৰ আজ্ঞাকাৰী হৈ থাকিবা। পূৰ্ব্বে বিশ্বসিংহ মহাৰাজা স্বৰ্গী হবৰ সময বৰসোণকোষ সীমা কৰি বেহাৰ নৰনাৰাযণ ৰাজাক দিছে। ইদিকে চিনাৰায দেৱানক দিছে। এতেকে তোমাক খিলাত ৰাজা পাতো। স্বযং ৰাজা হবা। তোমাৰ পিতৰ হাতী-ঘোঁৰা আহিলা-পাতি উপায কৰি লৈ ফুৰহা খাওঁ বুলি ওলোৱাঁ।' পাচে ৰঘুদেৱে ৰাজাত কহিলেক আজ্ঞা পালে ফুৰহা খাবাক যাবাব খোজোঁ।' ৰাজা বোলে "তাত্ৰি মোৰ পুত্ৰত অধিক স্নেহ পাট-কোঁৱৰ পাতিচোঁ, যি ইচ্ছা তাকে কৰ।" বোলে "মোৰ পিতৰ বৰা-বুৰক হাতী-ঘোঁৰা আহিলা-পাতি নিবাক খোজো।" ৰাজাই বোলে সবে তোৰ সবে মোৰ যাক ইচ্ছা তাকে লৈ যা।" পাচে বাপেকৰ চৰাজানা লৈ ফুৰহা নাথাই সোণকোষ নদীৰ পাৰ হৈ খিলাত বেঙ্গে সাপ খাবাক দেখি পাট কৰিলেক। নৰনাৰায়ণ বেহাৰতে থাকিল। পাচে ৰঘুদেৱে দুটা বৰৱাক নৰনাৰাযণৰ ঠাই পঠাই দিলে। 'মহাৰাজাৰ পুত্ৰ আছে মহাৰাজা থাকে মানে একো নাই, মহাৰাজা নাথাকিলে তেওঁৰ বেটাই সহিতে ভাল হবৰ নুই। এক চোঙ্গত দুই বাঘ নাথাকে। এতেকে আহিলোঁ, যদি ভাল দেখে তেবে পিতামহে ৰাজ্য বিভাগি দিছে। পিতৃৰ ভাগত মোক ৰাজা পাতোক। তেবে কুশলে সবে থাকিম।" এই কথা

শুনি ৰাজা বৰ আনন্দ হল, বোলে, "ভাতিজাই বাৰু ভাবিছে, ই গোট উত্তম কথা।" পাচে দণ্ড-ছত্ৰ সিংহাসন দি খিলাত ৰাজা কৰিলে। মহাৰাজা ৰঘুদেৱনাৰায়ণ সম সুন্দৰ পুৰুষ নাই। বত্ৰিশ বৎসৰ ৰাজাই কৰিলেক। ২৮ ॥

ৰঘুদেৱ আৰ লক্ষ্মীনাৰায়ণৰ বিৰোধ।—পাচে ৰাজা নৰনাৰায়ণে ৰঘুদেৱেত কৰ-ভাৰ খোজে, যেন তাঞ্জিৰ লগত ৰণ একবাৰ মাত্ৰ আছিল। নৰনাৰায়ণ পৰলোক হল। তান পুত্ৰ লক্ষ্মীনাৰায়ণৰ লগত ৰণ হল। বলে নোৱাৰি ৰাজা ভঙ্গ হৈ আছিল। সেই ৰণতে ৰাজা ৰঘুদেৱৰ ছত্ৰখান বেহাৰতে ৰহিল। লক্ষ্মীনাৰায়ণে ৰণ জিনি ৰাখিলেক। ৰঘুদেৱ ৰাজাৰ শিল-খাঁ, ফতে-খাঁ, পুৰন্দৰ লস্কৰ ৰাজা জোঞাই, নিতাইচন্দ্ৰ নাজিৰ ঠাকুৰ পঞ্চানন্দ, কবীন্দ্ৰপাত্ৰ, গদাধৰ বৰুৱা, আনো বৰা-বুৰুক সহিতে মন্ত্ৰণা কৰি বেহাৰ মাৰিবাক যতন হল। আগে শুনি লক্ষ্মীনাৰায়ণ খিলাক খেদি আছিল। ৰাজা ৰঘুদেৱ জিকিল। লক্ষ্মীনাৰায়ণ ভঙ্গ হৈ গোল। ৰঘুদেৱ ৰাজাৰ বৰা-বুৰুক একো হানি নহল। ২৯ ॥

ৰঘুনাৰায়ণৰ পুত্ৰ।—পৰীক্ষিত ইন্দ্ৰনাৰায়ণ যদুৰায ভৱসিংহ, মুকুন্দদেৱ বলীনাৰায়ণ মানসিংহ মহীন্দ্ৰসিংহ, গোহাঞি-মঙ্গল, গোহাঞি-ৰায়চান্দ, সুন্দৰনাৰায়ণ গোহাঞি-ময়দান গোহাঞি-মোহনাৰায়ণ মধুনাৰায়ণ বৃষকেতু অনন্তনাৰায়ণ প্ৰতাপনাৰায়ণ বিজয়সিংহ। পাচে আঘুণ মাসৰ পূৰ্ণিমা তিথিত মহাৰাজা ৰঘুনাৰায়ণ স্বৰ্গী হল। ৩০ ॥

বলীনাৰায়ণৰ মৃত্যু।—পৰীক্ষিতে ইন্দ্ৰনাৰায়ণক মেচ লগাই ধাৰ মুচৰি মাৰি ৰাজা হল। এই গণ্ডগোল শুনি লক্ষ্মীনাৰায়ণ বাগাখ্যা ভৰিৰ দুৱাৰে খিলা সোমাল। বৰ ৰণ হল। সেই ৰণতে লক্ষ্মীনাৰায়ণৰ ভাই বলীনাৰায়ণ পৰিল। পৰীক্ষিতনাৰায়ণৰ ৰূপাবৰ নানী বৰছি হানি মাৰিলেক সন্ধ্যা সময় কোনোবা চৰদাৰ বুলি নাজানি মাৰিলেক। পাচে বলীনাৰায়ণ বুলি জানি, আপোনাৰ তৰোৱাল খসাই বলীনাৰায়ণৰ আগত দিলেক বোলে, "তুমি ৰাজাৰ ভাই, মঞি পাইক হৈ তোমাক মাৰিলো। এতেকে তোমাৰ হাতে মোক কাটা প্ৰায়শ্চিত হোক।" বলীনাৰায়ণে বোলে, "তোক মাৰিলে কি হব? সহজে মঞি জীবাৰ নুই। বিশেষ যাৰ লোণ খাৱ তাৰ কাৰ্য্যত থাকি অকৰ্ম্ম কৰিবাকো পাৱ। আৰ অজ্ঞানত মাৰিছাহঁ, তোৰ একো অপৰাধ নাই।" এই বুলি বলীনাৰায়ণ মৰিল। পাচে পৰীক্ষিতে

ৰলীনাৰায়ণক আনি আগৰ চন্দনেৰে বিধিপূৰ্ব্বক কাষ্ঠসংস্কাৰ কৰি অস্থি বেহাৰক পঠাই দিলেক। সেই ৰণতে পাৰ কাজি সহিতে বাৰজন কাজি ধৰি আনিলেক। ৩১ ॥

পৰীক্ষিত আৰু বেহেৰৰ কাজি।—ৰাজাৰ মহীন্দ্ৰসিংহ হাথী লক্ষ্মীনাৰায়ণৰ ঠাঁই ভঙ্গাইলেক। আৰু লক্ষ্মীনাৰায়ণৰ দুই হাথী পৰীক্ষিতে ৰণত ধৰি আনিলেক। লক্ষ্মীনাৰায়ণে মাতাদি সহিতে ভাগি গল। পৰীক্ষিতৰ লগৰ এক পাঠানে লক্ষ্মীনাৰায়ণক ধৰিবাক খুজিলেক। পৰীক্ষিতে ধৰিবাক নেদিলেক, বোলে, খুড়ী লগত আছে, ৰাজে পৰিহা কৰিবোক।” পাচে লক্ষ্মীনাৰায়ণ ৰণভঙ্গ হই বেহাৰ গল। পাচে ধৰি অনা কাজিসকলে পৰীক্ষিতৰ সেৱা কৰিলেক। পাৰ কাজি সেৱা নকৰিলেক। ৰাজা পৰীক্ষিতে পাৰ কাজিক পুছিলেক, ‘আন কাজি মোক সেৱা কৰিলেক, তঞি দেখোঁ সেৱা নকৰিলি কাৰণ কি?” পাৰ কাজি বোলে ‘এই মুণ্ড মহাৰাজা লক্ষ্মীনাৰায়ণক সেৱা কৰিছোঁ, তোমাক সেৱা কৰিব নোৱাৰোঁ।” সেই খঙ্গে নিতে দহোনা কৰি ডিঙা মাৰিছিল। তথাচো সেৱা নকৰিলেক। অনন্তৰে লক্ষ্মীনাৰায়ণৰ কটকী পৰীক্ষিতৰ ঠাই পঠাই দিলে বোলে, ‘মোৰ কাজিসকলক এৰি দেওক।” পৰীক্ষিতে বোলে মোৰ বাপৰ ছত্ৰ বেহাৰত এৰি আহিছি, মোকো সেই ছত্ৰ দিওক।” পাচে ছত্ৰ দি পঠাইলেক, পৰীক্ষিতেও ঘোঁৰা-বাহন দি কাজিসকলক বিদায় দিলেক। পাচে পাৰ কাজি পৰীক্ষিতক সেৱা কৰিলেক। ৰাজা বোলে, ‘আগে যে সেৱা নকৰিলি, এতিয়া সেৱা কৰিলি, কাৰণ কি?” সি বোলে, মহাৰাজা লক্ষ্মীনাৰায়ণ যেমত তুমিও সেমত। কিন্তু তেতিয়া সেৱা কৰিলি বুলিবা জীউৰ কাতৰে সেৱা কৰে।” এতেকে কাজিসকল বিদায় হ’ল। ৩২ ॥

পৰীক্ষিতৰ বিৰুদ্ধে মকৰম-খাঁৰ অভিযান।—পাচে বৎসৰ বৎসৰ পৰীক্ষিতে বেহাৰ মাৰি আনে। উপদ্ৰৱ সৈবাক নোৱাৰি ঝীয়কক দি পাৎসা বৰিল যায়। আৰু গোচৰিলে, বোলে, পৰীক্ষিতৰ কাৰণ ৰাজাই কৰিব নোৱাৰোঁ।” পাৎসাই নবাব মকৰম-খাঁক আদ্য কৰি, বাইশ উমৰাও লগত দি লক্ষ্মীনাৰায়ণক বিদায় দিলেক, বোলে, ‘পৰীক্ষিতক ধৰি আনিবি, জীউ নামাৰিবি।” মকৰম-খাঁ আহিতে সুষঙ্গৰ ৰাজা ৰঘুনাথ ৰায় গোচৰ দিলেক, বোলে, “পৰীক্ষিতে বিস্তৰ উপদ্ৰৱ কৰে।” তাক আশ্বাস কৰিলেক। সিও

ঠাঁঠ মকৰম-খাঁৰ লগত দি বিদায় হল। লক্ষ্মীনাৰায়ণেও ঠাঠ কটক মকৰম-খাঁৰ লগত দি বেহাৰ গল, বোলে, "মক্রি নগলে শুদা চহৰ পাই বেহাৰ মাৰিবোক।" ৩৩ ॥

পৰীক্ষিতৰ মকৰম-খাঁৰ যুদ্ধ।——মকৰম-খাঁ ধুবুৰীত বল আছি। পৰীক্ষিতেও ঠাঠ কটক দি ফুলগুৰীয়া ফতে-খাঁক পাঁচি দিলেক। মকৰম-খাঁৰ লগত বৰ যুদ্ধ হল। যুদ্ধত ফুলগুৰীয়া ফতে-খাঁক ধৰি নিলেক। ৰণ-ভঞ্জৰা হাথীত পৰমানন্দ দলৈ আছিল, সিও পৰিল। হাথী বিস্তৰ ঠাঠ মাৰিলেক। সি হাথী নৰা পৰিল। তৰ-দুৱাৰে নোৱাৰি নাও-দুৱাৰে যুদ্ধ হল। পুৰন্দৰ লস্কৰ বঙ্গালৰ কুবেৰ-খাঁৰ লগত ঘোৰ ৰণ হল। কুবেৰ-খাঁ যুদ্ধত পৰিল। পুৰন্দৰে বঙ্গালৰ ঠাঠ বিস্তৰ মাৰিলেক। পাচে কুবেৰ-খাঁৰ বেটাৰ লগত যুদ্ধ হল। পুৰন্দৰ ৰণত পৰিল। পুৰন্দৰ পৰিলত ৰাজা উনিলা-উকিলাকৈ পাচ হুচি মানাহ পাৰ হৈ সনাত গড় বান্ধি থাকিল। বঙ্গালেও পাচে পাচে খেচি সিপাৰে থাকিল। ৩৪ ॥

পাৎসাৰ আগত পৰীক্ষিত আৰু লক্ষ্মীনাৰায়ণ।——পাচে পাত্র-মন্ত্রী আপোনাৰ মাজত মেল দি মন্ত্ৰণা কৰিলেক "ৰাজা বঙ্গালত মিলিলে ধৰি নিবোক আৰ ৰাজা হবাৰ নাই। আমি বঙ্গালত মিলি স্বগন্ধপে ৰাজ্য খাম।" এহি যুগুতি কৰি ৰাজাৰ বোলে "তুমি মিলি ৰাজ ৰাখা নাই তেবে বঙ্গালক বলে নোৱাৰিব।' পাচে মকৰম-খাঁক লাগি উকিল পঠালে বোলে, 'বৎসৰত দুইগোণ আগৰ এক শও হাথী দুই শও টাঙ্গনধৰা, পাঁচ শও গঙ্গা-কমলী, গৰু চাৰি শও চোঁৰৰ দিম পাৎসাক। আৰ মকৰম-খাঁকো আৰে আধা ভেঁটী দেও পাচ গুচি যাওক।' মকৰম-খাঁ বোলে, "পাৎসাৰ লোণ হাৰাম কৰিম উচিত নুই। পাচ গুচি নাযাওঁ। ভাল ৰাজা আহোক, পাৎসাক সেৱা কৰিলি সকলে কুশল হবোঁক। আৰ মযো কবুল দিলো,——যদি ৰাজাৰ কোনো বৈওৰা হয়, তবে মোৰ জীউ আগ কৰিব পাচে ৰাজাৰ যি হওক। পাৎসাই ৰাজাৰ নাও শুনি চাহিবাক খুজিছি।" পাচে পৰীক্ষিতে পাত্র-মন্ত্রী লৈ মকৰম-খাঁত মিলিল যায়। মকৰম-খাঁ পৰীক্ষিতক বিস্তৰ মান কৰি, বস্ত্র অলঙ্কাৰ দি নগতলৈ পাৎসাৰ ঠাই গল। ইঠাইৰ নবাব ছৈয়দ বাবাকৰ হাজোত ৰহিল। লক্ষ্মীনাৰায়ণকো মকৰম-খাঁ লগত লৈ গল, পাৎসাত মিলিল যায়। পাৎসাই লক্ষ্মীনাৰায়ণ পৰীক্ষিতক বুলিলে, "তোমৰা দুয়ো মিল হৈ ৰাজাই কৰ যায়। আৰ পৰীক্ষিত, লক্ষ্মীনাৰায়ণ তোৰ চাচা হয়,

পাও চুই সেৱা কৰ।'' পৰীক্ষিতে বোলে, ''যি বুলিছে ইখান বুলিব পায়। প্ৰমত্তসিংহে আপোনাৰ মনমাফিকে হস্তী মাৰি আহাৰ কৰে। স্ত্ৰীগণেৰ আজ্ঞাত থাকি নাহি যাবে। আৰু মহাসমুদ্ৰে আপোনাৰ কালক্ৰমে ৰাস-বৃদ্ধিক পায়। কিন্তু জল-জন্তু আমাত থাকি ৰাস-বৃদ্ধিক নাপায়। আপুনিও তেনত। তেঞ্ঞোৰ মোৰ শক্ৰতা ভাব প্ৰাণ গেলেও সেৱা নকৰোঁ।'' পাৎসাই খং হৈ পৰীক্ষিতক ধৰি ৰাখিলেক। ৩৫ ॥

লক্ষ্মীনাৰায়ণ আৰু পৰীক্ষিতৰ বিদায।—লক্ষ্মীনাৰায়ণক বিদায় দি বুলিলেক, ''তোৰ ৰাজ্যত কি নাই খোজ মোত।'' ৰাজা বোলে, ''মোৰ ৰাজ্যত সকলো আছে, পুৰুদ কালি তৰোৱাল নাই আৰ ইৰাকী ঘোঁৰা নাই।'' ঘোঁৰা, তৰোৱাল দি বিদায় দিলে। পাচে মকৰম-খাঁ খাটি পৰীক্ষিতকো বিদায় দিবাইলেক। পাৎসাই বুলিলেক তোৰ ৰাজ্যত যি নাই খোজ।'' পৰীক্ষিতে বোলে, 'মোৰ ৰাজ্যত সকলো পায়। পাৎসাৰ স্বৰূপ মোক মূৰ্ত্তি লিখি দিওক, তাকে সেবা কৰি থাকিম।'' পাৎসাই বোলে, যাকে তাকে নেদো। আমাৰ বংশৰ লগত বিৰোধ নকৰিবি, তোক দিলোঁ। বিৰোধ কৰাহ নষ্ট হবি।'' পাচে সবিনয় আহিল। ৩৬ ॥

পাৎসাৰ সমুখত পুনৰ্ব্বাৰ পৰীক্ষিত।—পাৎসাৰ ঠাই বিদায় হৈ আহিবৰ শুনি কামৰূপৰ বৰা-বুৰুক ঢকাৰ নবাব ইচ্লাম-খাঁৰ লিখিলেক পৰীক্ষিত আহিলে আমি পলাম।'' নবাবেও লেখা পালে। আৰু পৰীক্ষিত ঢকা আহিলত নবাবে কলে শুনিছোঁ পাৎসাৰ ছবি আনিছি। ছবি এৰি মোৰ ঠাই আহিবেক। ছবি থাকিলে মোৰ উঠি সেৱা কৰিব লাগে।'' পৰীক্ষিতে কথা নামানি ছবি লৈ নবাবৰ আগ হল। ছবি দেখি নবাব আগবাঢ়ি ছবিক সেৱা কৰি ক্ৰোদ্ধ হৈ পাৎসাক লিখিলেব। পৰীক্ষিত হাৰামজাদা বুলি কামৰূপৰ বৰা-বুৰুকৰ লেখাখনকো দি পঠালে। আৰু ওচৰ-পাঁজৰৰ ৰাজা জমিদাৰকো অন্যায় কৰি থাকে সিও সমাচাৰ লিখিলেক বোলে ''পৰীক্ষিতৰ এই সকল দুৰ্গুণ। বনোৰ বাধক ধৰি নি এৰি দিলা। ফিৰি বন পাইলি ৰাজ হইবাৰ নুই।' পাৎসাই নবাবক লিখিলেক, 'ফিৰি মোৰ ঠাইক পঠাই দি।'' পাচে পৰীক্ষিতক দিল্লীক পঠাই দিলেক। ৩৭ ॥

ত্ৰিবেণী তীৰ্থত পৰীক্ষিতৰ দেহত্যাগ।—পাচে ত্ৰিবেণী-তীৰ্থ পালে যায়। ব্ৰাহ্মণত পুছিলেক, ই তীৰ্থৰ কি ফল-শ্ৰুতি ?'' ব্ৰাহ্মণে বোলে, 'যি কামনা কৰি মৰে তাকে পায়। আত আত্মহত্যা পাপ নাই।'' এই

কথা শুনি ৰাজা বোলে, "ই তীৰ্থকেহি নাপায়। কেইদিন জীৱন।" এই সংকল্প কৰি, দান-দক্ষিণা কৰি দেহত্যাগ কৰিলেক। কবীন্দ্ৰপাত্ৰৰ বেটা কবিশেখৰ, শ্ৰীৰাম লস্কৰক আদ্য কৰি, ৰাজাৰ লগৰ মানুহ পাৎসাৰ আগ কৰি দিলেক। পাৎসা শুনি অসন্তোষ হল। পাচে কবিশেখৰক কানুগোই বিষয়-বিলাগত কোঁচ-হাজোৰ দিলেক। আনো ৰাজাৰ লগৰ কাকো চৌধাৰী কেতোকো পাটৱাৰী, লস্কৰ বিষয় দি নবাব বিদায় দিলে। ৩৮ ॥

চতুৰ্থ আধ্যা।

মকৰম-খাঁৰ কোঁচৰাজ্য আক্ৰমণ।

বিজয়পুৰত নগৰ।—কামৰূপ বেহাৰত বিশ্বসিংহ ৰাজা কোঁচৰ। তান পুত্ৰ নৰনাৰায়ণ ৰাজা হল। নৰনাৰায়ণ ৰাজাৰ ভাই শুক্লধ্বজ কুমৰ। তান পুত্ৰ ৰঘুনাৰায়ণ। নৰনাৰায়ণ ৰাজা হৈ আছিতে শুক্লধ্বজ পুত্ৰ ৰঘুনাৰায়ণে নগৰৰ ৰাজ হৈ আপোনাৰ বাহুবলে ৰাজা হয় কামৰূপত। আজাৰা গ্ৰামত খিলানদী তীৰে বিজয়পুৰত নগৰ পাতি ৰহিল। নৰনাৰায়ণে যুজিবাক মনে সাজি গল। পাচে ৰঘুনাৰায়ণে আপোনাৰ যত মহাদৈ আছে সবাকো ঘোঁৰাত তুলি হাতে ধনু ধৰাই সমুখে পঠালে। নৰনাৰায়ণে বোলে, "পুত্ৰ-বধুসকলেহে যুদ্ধক আহে।" ৰাজা লজ্জা হয়া উলটি গল, দ্বন্দ-কন্দল নহল। তাত পাচে দুয়ো ৰাজা মৃত্যু হল। ৩৯ ॥

চা-জাঁহাক সহায় ভিক্ষা।—বেহাৰত তান পুত্ৰ লখীনাৰায়ণ ৰাজা হল। বিজয়পুৰে পৰীক্ষিতনাৰাণ ৰাজা হল। তাত পাচে দুয়ো ৰাজা যুদ্ধ হল। পৰীক্ষিতে আগবাঢ়ি বেহাৰকো মাৰেগৈ। লখীনাৰাণ বলে নাটে। একদিনা লখীনাৰাণৰ ভাই বলীদেৱনাৰাণক ৰণত পাই ততকালে পৰীক্ষিতে মাৰিলে। লখীনাৰাণে কিছু কৰিব নোৱাৰি ভাইৰ শোকে চা-জাঁহা পাৎসাৰ শৰণে-পশিলেগৈ, বোলে, "মঞি কামৰূপৰ ৰাজা, তোমাৰ আমি ভৃত্য ভৈলোঁ। তুমি আমাক পুত্ৰবতে পালা। আমাৰ পিতৃ-পিতামহে সৰ্ব্বকালে ৰাজা আছিল। এখন মোৰ ভাতৃ-পুত্ৰ, পাত্ৰ-মন্ত্ৰী সমে আলচি ৰাজা হৈ মোক দেশৰ ড়াকি খেদে। মোৰ সোদৰ ভাইকো মোৰ আগতে

কাটিলে।" এতেকে পাৎসাযে৷ আগ-পাচ কথা অনেক সুধিলে। পাচে মকৰম-খাঁ নবাবক পাৎসাই পঠাই দিলে। পাৎসা বোলে "ৰাজাক যিগোটে খেদে তাক ধৰি আনগৈ।" ৪০ ॥

কামৰূপত যৱন।---মকৰম-খাঁ আহিবাৰ শুনি পৰীক্ষিতে আগবাঢ়ি ধুবুৰিত গড দিয়া এক বৎসৰ যুদ্ধ কৰিলে। পাচে যুদ্ধ হাৰি ৰাজা ভাগি আহিল। সেই বেলা লখীনাৰাযণ ৰাজাযে পাচে ভেটা দিয়া গড দিলে। তেবে ৰাজা মকৰম-খাঁত বৰিল যায়। ৰাজাকো পাই ধৰি দিল্লীলৈ দিলে। সেই ৰণৰ পৰা কামৰূপ যৱনৰ অধিকাৰ হল, শক ১৫৩৪। অগ্ৰাণত ৰাজা বন্দী হল। পাচে ৰাজা গৈ পাৎসাৰ হজুৰ হল। পাৎসাযে ৰাজাক লখী-নাৰাযণৰ পাৰ পাকুৰিবাক দিলে। ৰাজা পৰীক্ষিতে বোলে, "মঞি ছত্ৰ-ধাৰী ৰাজা কেমনে পাও পাকুৰিম?" তথাপি ৰাজা পাৎসাৰ আজ্ঞা নকৰিলে, পাৎসাযে৷ প্ৰশংসা কৰিলে। ৪১ ॥

পৰীক্ষিতৰ মৃত্যু।—পাচে ৰাজা পৰীক্ষিতে ৭০০০০০ সাত লাখ টকা দিয়া আপোনাৰ দেশক বিদায কৰিলে। আৰ ধীৰনাৰাণ দপ-নাৰাণ, শূৰনাৰাণ, ভীমনাৰাণ, এই চাৰি বেটাক পাৎসাৰ চাকৰ কৰি দিলে। তেবে ৰাজা আহিতে প্ৰযাগত মৃত্যু হল। লখীনাৰাযণ ৰাজাযে৷ পাৎসাৰ আজ্ঞা কৰি আপোনাৰ ৰাজ্যত থাকিল। ৪২ ॥

বলী কোঁৱৰৰ শৰণাপন্ন।—তাত পাচে শিঙ্গৰিৰে পৰা বঙ্গাল ব্যাপি আছে, স্বৰ্গ মহাৰাজাৰো লোকে তৈৰে পৰা সমস্তে আছে। এইমতে দুই বৰিষ গ'ল। সেই বেলা পৰীক্ষিত ৰাজাৰ ভাই বলী কোঁৱৰে বঙ্গালত ভযে পলাই আহি ৺দেৱতাৰ পাৱত শৰণে পশিলহি, বোলে, "আমাৰ বংশে গৰিযা-সাগৰত মজিলে। স্বৰ্গদেৱ, তুমি ৰক্ষা কৰা।" শক ১৫৩৬, মাস ফাল্গুণ। মহাৰাজাযে এই কথা শুনি কিছো গৰিহা কৰিলে, বোলে, "মঞি মানুহ পঠাই কহিবাক দিলোঁ। ককাই ৰাজা মোৰ ঠাইত ভাগি আহোক, মঞি দক্ষিণে থাকিম, ককাই উত্তৰে থাকিব। বঙ্গালক মাৰিম। ককাযে বুলিলে 'দেৱ কুহিত কৰি, মঞি কেঁচা কাম নকৰোঁ, পকা কামহে কৰোঁ। এখন মঞি পাৎসাৰ ঠাইকহে যাম। তেবেসে মোৰ বৈৰীক উচ্ছাদ কৰিব পাৰিম।' এতিযা সকলে কাৰ্য্য-কাম সিদ্ধি হল। তথাপি মই তোমাক ৰক্ষা কৰিম। আৰ বঙ্গালকো মাৰিম।" এই বুলি নিৰ্ভয় দি ৰাখিলে, আৰু কন্যা, গ্ৰাম, হস্তী-ঘোঁৰা, দাস-দাসী, ৰাজযোগ্য অলঙ্কাৰ আনো বিস্তৰ বস্ত্ৰ দিলে, মাস ফাল্গুণ, শক ১৫৩৬। ৪৩ ॥

পঞ্চম আধ্যা।

হাজোত সত্ৰাজিত।

মহাৰাজাৰ বঙ্গাল অনুসন্ধান।—সেই বেলা বঙ্গালৰ ৰতন-ছা নামে এক সদাগৰে শিঙ্গৰিত আগৰ কাষ্ঠ কিনি আছে। মহাৰাজাৰ আজ্ঞাযে তাক তৈত্ৰে পৰা হাবুং চেটিয়াযে খেদি পঠালে আৰ আগৰ কাঠকো কাটি ললে, বোলে "কোঁচ ৰাজাক মাৰি আশ পালি। সেইমতে আমাকো ছলহে চা।" আৰু সেই বেলা মহাৰাজাযে চেংধৰাক পঠাই দিলে বঙ্গালৰ বাৰ্ত্তাক জানিবাক প্ৰতি তাক বচনেও এইখান বুলিলে কাজলীমানে ঘুৰিবিগৈ, বঙ্গালক পালে নেৰিবি।" ৪৪ ॥

সত্ৰাজিতৰ অসম আক্ৰমণ।—তাত পাচে চেংধৰা গৈ বঙ্গালৰ দুখান নাও পাই তাক মাৰিলেগৈ। দুটা মানুহ কাটি তাৰ মাথা আনিলে। এই কথা বঙ্গালৰ লোকে গৈ হাজোত চৈয়দ বাবাকৰ প্ৰমুখ্যে যত ওমৰাও আছে তাৰ আগে সমস্ত বৃত্তান্ত কলে বোলে 'পাৎসাক লাগি যত আগৰ কাষ্ঠ কিনিলোঁ সমস্তে আচামে লুটিলে আৰ দুইখন নাও মাৰিলে। দুই মৰ্দ্দকো কাটি মাথা নিলে।" তেবে চৈয়দ বাবকৰ নবাবে সত্ৰাজিতক পাঞ্চিলে, চেংধৰা, হাবু, চেটিয়া, মদ-নাখোৱা মনপক ধৰি আনেগৈ বুলি। পাচে সত্ৰাজিত তিনিকুৰি নাৱেৰে কলঙ্গে উজাই আহি সলা মাৰিলেহি। চেঙ্গৰ দুই মৰ্দ্দকো কাটি মাথা আনিলে। তেবে চৈয়দ বাবাকৰ নবাবে চেংধৰা হাবুং চেটিয়া মদ-নাখোৱা মনপক চাৰি পানীসিয়া বিশ্বনাথৰ ওপাৰে আতাল-গুৰি সোমালগৈ পলাই ধৰি আনিব নোৱাৰিলে। সত্ৰাজিতে আৰ ৰাজাৰ ভাণ্ডাৰৰ লুটি সকলো সৰ্ব্বস্ব নিলে। সলাৰ দেৱঘৰৰ নটিনীকো নিলে আৰ তিনিদিন ৰহি ভটীয়াই গল। সেই কালৰপৰা বঙ্গালেৰে আহোমৰে যুদ্ধ লাগি গল, শক ১৫৩৬। ৪৫ ॥

যুদ্ধৰ আয়োজন।—বৈশাখ গত জৈষ্ঠ প্ৰবেশ সংক্ৰান্তিৰ দিন। যৈসানি তুৰ্ব্বকক আহোমে মাৰিলে তাৰ পৰাহে কালে আনি যুদ্ধ লগালে। তাত পাচে বঙ্গালৰ বাৰ্ত্তাক স্বৰ্গমহাৰাজা পাই তিনিজনা গোহাঞি প্ৰমুখ্যে যত বৰুৱা, সন্দিকৈ পাত্ৰ, চেতিয়া, সবাকো আজ্ঞা কৰিলে। ডাঙ্গৰীয়াসবো সমস্তৰে সাজু হৈ দিখৌমুখে থানা দিয়া ৰহিলগৈ। বঙ্গালেও এই কথা শুনি গুৱাহাটীক আগ হুয়া ৰহিল। ৮৩ গড়গ্ৰামৰপৰা চিলাতলিত ৰহিলগৈ, আঘোণৰ এক পক্ষ আছিতে। ৪৬ ॥

বঙ্গালৰ আক্ৰমণ।——পাচে চাউলাই কোঁৱৰ প্ৰমুখ্যে খাম্পুত বৰগোহাঞি লাকো বৰপাতৰ আনো ৰজাবৰ্গ সমন্বিতে যত লোক চামধৰাত ৰহিলগৈ। পাচে মহাৰাজাও গৈ আগিয়াবন্ধত ৰহিলগৈ। বঙ্গালেও বাৰ্ত্তাক পাই সাজু হুই আহি ভড়ৰী কাখৰে ৰহিলহি। আহোমো ভড়ৰীক মধ্য কৰি গড দিয়া থাকিল। এইমতে এক মাস দেখা দেখি হুয়া থাকিল। আহোমৰো আগ্ৰ-আন সেনামানে ভড়ৰী কাখৰে গৈ বঙ্গালেৰে মাতামাতি কৰি থাকে। পাচে একদিনা বঙ্গালো খোঁৰা নাৱত তুনি কাপৰে ঢাকি ভড়ৰী পাৰ হৈ আহোমক ধৰিলে। পাচে বৰচেটিয়াৰ পুত্ৰ ৰতীয়া ডেকাক কাটিলে, ৰিংচাপাত্ৰক ধৰি নিলে পিঙ্গলীয়া গোহাঞি পলাই এৰান। আনলোকো কিছু পৰিল পুষ, গল। ৪৭ ॥

আহোমৰ পলায়ন।——শুক্ৰবাৰে মাঘৰ সংক্ৰান্তিৰ দিনা তেৱে সমস্তে ৰকস্তা, আন লোকসবো ভাগি আহি ভড়ৰী গড এৰি চামধৰাত ৰলহি। পাচে ৺ৰে এই কথা শুনি আপোনাৰ দদায়েক চাউলাই কোঁৱৰক সবাৰে উপৰি অধিকাৰ কৰি দিছিলে, তাকো মাৰিবাক মনে ধৰি আনিলে। পাচে আইকুঁৱৰীয়ে মাতিতে এৰুৱালে। আৰু বৰগোহাঞিৰ নেওগ ৰকং চেটিয়াৰ নাতি বুঢ়াগোহাঞিৰ নেওগ লেচাই-ফিচিকা বৰপাত্ৰ-গোহাঞিৰ নেওগ পোৱালি লাখুম গোহাঞি এই সমস্তকে খঙ্গি ধৰি আনিব দিলে। ৪৮ ॥

যুদ্ধৰ যোগাৰ।——পাচে সেই বেলা হাড়ি মহি প্ৰমুখ্যে যত্তেক আনো গডভিতৰিয়া কাড়ী আছিল সবে ৰাজাক বুলিবাক লাগিল 'স্বৰ্গদেৱ! তুমি মহাৰাজা হৈ কি কাৰণে বালিত দুখ পাই আছা, আমাক যুদ্ধলৈ কিয় পঠাই নেদা? আমাক কি কাৰণে বাও-ধনু শিকাইছা?" তেৱেসে লেচাম চিৰিং প্ৰমুখো যত আনো গডভিতৰিয়া কাঁড়ী আছিল সকলোকো পঠাই দিলে, ভড়ৰীৰ গড পুনৰ্ব্বাৰ নবীন হব যেন বুলিলে। এই কথা গোহাঁইবোৰে শুনিলে, বোলে "তিনি নেওগ সমে কোঁৱৰক যে ধৰি নিলে আমাতহে খঙ্গে।" ৪৯ ॥

যুদ্ধ-যাত্ৰা।——পাচে ৰাজাগণে সমে গোহাঞিবোৰে আলচ কৰি ভড়ৰীয়ে উজাই তিনি খন দলং বান্ধিলে ভড়ৰীত পাৰ হৈবাক লাগি। পাচে এই কথা ৺ৰে শুনি চাউলাই কোঁৱৰকো তিনি নেওগকো নামাৰি পঠাই দিলে। পাচে খাম্পুত বৰগোহাঞি, লাকু বৰপাতৰ, তিপাম ৰজা, নাম-ৰূপীয়া ৰজা, চাৰিং ৰজা, কনঙ্ক সন্দিকৈ, ৰকং বৰচেটিয়া, লেচাঙ্গ-পেঞ্জৰ,

পুত্ৰ, মৰাণ কোঁৱৰ শ্ৰীফল বৰা, হাতীবৰুৱা, বেটুৱা বৰা, এই সমস্তে তকন্দা হৈ গল। সেই সকলৰ উপৰি চেংধৰা ৰাজনেওগ হৈল। লেচাম গম্গিকৈ পিকচাই চেটিয়া, লেচাম-পম ভণ্ডাৰী, লাঙ্গু নেওগ, চিৰিংদাং, চাউলাপামা, লাঙ্গি নেওগ ফুলকুমৰৰ পুত্ৰ লালুক গোহাঞি চাওদাং বৰুৱা, এই সমস্তে নাৱে গৈল। আনো যত যুদ্ধাৰু তাৰ কোনে অন্ত পাইব। ক্ষুদ্ৰ বৰুৱা-সবৰো আন সেনাগণৰ বা কোনে অন্ত পায। ১২০ ছকুৰি মৈদাৰ হস্তী আগুৱান হুই যায। ৫০ ॥

যুদ্ধাৰম্ভ।——মাঘৰ ১৫ দিন যাওঁতে শনিবাৰে প্ৰভাতে অৰুণোদয বেলাত নাৱে-তৰে চাপি যুদ্ধ ধৰিলে, হাতীযে আগবাঢ়ি গড় ভাঙ্গি উঠিল। পাচে সেনাসকলো উঠি যাকে যতে পালে তাতে কাটিবাক লাগিল। বঙ্গালো সাজু হুইবাক নাপালে, কতো বিভঙ্গে পলাই কটা গ'ল কতো অস্ত্ৰ-শস্ত্ৰ এৰি যুজিলে। বঙ্গালেও কিছু কৰিব নোৱাৰি বামৰপৰ হুঁহঁকি লোহিতৰ নিকটে বালিত চাপি ৰহিল। সেই সময়ত ১২ টা চিপাহী কেঁৰা গোহাঞি সমে তাৰ কিছু সৈন্য লগত লৈযা ঘোঁৰাযে চৰিযা আহোমৰ বেহু ভাঙ্গি বাজ হুযা পলাই গ'ল। সত্ৰাজিতো দুখন নাৱেৰে ফৈদৰ মাজৰ পৰা এৰাই গ'ল। ৫১ ॥

বঙ্গাল বধ।——আহোমেও পাচে যত বঙ্গাল ভঙ্গাইলে তাক খাগৰিৰ গড দিযা থলে। তাৰ মাজৰ পৰা দান্তে খেৰ লৈ যি আছে তাক নাকাটি পাৱকৈ আনে। সেই বেলা বৰগোহাঞিযেও আখৌ গোহাঞিকো আপোনাৰ ভিতৰ কৰি আনিলে। একৰাতি তেনেমতে বেৰাৰ ভিতৰতে বঙ্গাল আছিল। আন দিনা এক প্ৰহৰৰ উপৰে সবো বঙ্গালক বেঢ়ি কাটিলে। বঙ্গালৰ সবাৰে উপৰি ডাঙ্গৰ যি ছৈযদ বাবকৰ নবাব সিও পৰিল। ভগবান বক্সি, গকুল চান্দ, জাহিৰ-বেগ, মীৰ্জা-মখি জামাল-খাঁ দক্ষিণে আহলাদ-খাঁ এই সব কটা গ'ল। ৰাজা জগদেৱ গন্ধৰ্ব্বৰায, ৰাজাৰায কালাৰাজা হাড়া প্ৰতাপসিংহ, ইন্দ্ৰমণি, নৰসিংহৰায ভগৱানৰায, কৰ্ণ্ণচন্দ, এই সমে ১০ ৰাজা দান্তে খেৰ ধৰি বোলে, "আমি মহাৰাজাৰ শৰণীযা বন্দী হৈছোঁ, আমাক নাকাটিবা।" পাচে তাসম্বাক নাকাটিলে। ৫২ ॥

বঙ্গাল-বন্দী।——এই কথা বৰুৱাবোৰে ৺ৰ চৰণলৈ জনালে। পাচে মহাৰাজা মানুহ পঠাই গলে হেঙ্গুলীয়া ডাকুৰ দিযা গডগ্ৰামক অনালে। আৰু সত্ৰাজিত মোহনগিৰিনামো ভেটি ধৰি আনিলে। আৰু যি বঙ্গাল কাণ্ড

বাৰু এৰি ধৰিল তাকো নাকাটি ধৰি আনিলে। আনো বঙ্গাল সমস্তে কটা গ'ল। আহোমৰো তবে হাতীবৰুৱা পৰিল, শ্ৰীফল বৰা, নমল বৰা পৰিল। নাৱত পৰিল লেচাম সন্দিকৈ, চিৰিংদাং। তেবে সেই বেলা ৺দেৱলৈ জনালে, "বঙ্গাল ৰণত ভঙ্গ হল আৰু খাণ্ডিৰ তিনি তৰপীয়া টাটী দিয়া বঙ্গালক বেটি থৈছোঁ।" পাচে এই কথা মহাৰাজা শুনি তৎকালে খেদা পঠাইলে, বোলে বঙ্গালক নাকাটিব। কেনুবা উমৰাওবোৰে লোক যুজিবলৈ আহি আছে তাক মই চাবলৈ যাওঁ।" এই বুলি খেদা পঠিয়াই দিয়া ৺দেৱে চামধৰালৈ গল বঙ্গালক চাবৰ মনে। ৫৩ ॥

আহোমৰ জয়।—পাচে মহাৰাজাও শুনিলে সমস্ত বঙ্গালক কাটি গোহাঞিবোৰ পাৰ হৈ আহিল হেন। এই দাগতে ৰাজাৰ দদায়েক চাউলাই কোঁৱৰকো মাৰিলে। গোহাঞিবোৰৰো নেওগবিলাকৰো কাটিলে। ৰৰং চেটিয়া পলাইছে এবাল। তিনিজনা গোহাঞিকো খঙ্গিলে। তিনিজনা গোহাঞিয়েও বুলিলে আমি বেলে ৰণ বাঢাই থম।" বঙ্গালক কাটি মাৰি পালে হস্তী ১২ টা, ঘোৰা ৯০০, আৰ যত বাও লাগি মৰিল আৰু বাজত বান্ধু-বন্ধা ঘোৰা কাটিলে, তাৰ কোনে অন্ত পায়? বাচৰ নাৱ ২০০ আৰু বঙ্গালৰ যতেক হিলেদাৰী ততেকৰ ততেক হিলৈ তৰোৱাল বাৰ জমদাৰ, খণ্ডুৱা এই সকলৰ সীমা নাই। সনহা পালে ৮৪, যি কিছু আহিলা-পাতি লোহিতে পৰিল তাকে মাত্ৰ নাপালে। শক ১৫৩৭ মাস মাঘ, ১৬ দিন গতে, দেওবাৰে তেবে সেই বেলা হাবু-পিকচাই সহিতে আহোমে গৈ কাজলীত থানা কৰি ৰহিল। ৫৪ ॥

মহাৰাজা ডিমৰুৱাৰ গৰাকী।—১৫৩৩ শকত, আৰ নৰনাৰায়ণৰ দিনত কছাৰীৰ পৰা ডিমৰুৱা ৰজা চৈধ্য হাজাৰ লোকেৰে ভাগি আহিল। বাঠোৰ ভাই পাস্তীশ্বৰ ৰজালৈ নৰনাৰায়ণে দাঁতিৰ আগ্যাৰে ৰাজা তলপ কৰি দিলে। পাস্তীশ্বৰৰ বেটা চক্ৰধ্বজ ৰাজা হই নৰনাৰায়ণৰ ঠাইৰ নাযায়। পাচে নাযাবৰ ছই ১২ বৎসৰ বন্দী কৰি থৈছিল। চক্ৰধ্বজৰ বেটা পোৱালসিংহ, পোৱালসিংহৰ বেটা ৰত্নাকৰ, প্ৰভাকৰ ৰাজা হল। সেই বেলা মকৰম-খায়ে পৰীক্ষিত ৰাজাক ধৰি নিলে। সেই সময়তে জয়ন্তাৰ ধনমাণিক ৰাজায়ে ডিমৰুৱাক মাৰি প্ৰভাকৰক ধৰি নি বন্দী কৰি থৈছিলে। পাচে যশমাণিক ৰাজা হৈ প্ৰভাকৰক বঁটা দি মেলি পঠালে। পাচে প্ৰভাকৰৰ বেটা মঙ্গল

ৰাজা কাজলীত হাবুং-পিকচাইৰ ঠাইক আসি মহাৰাজাত শৰণে পশিলছি। মহাৰাজাও বঁটা-বাহন হেঙ্গদান্ কন্যা হস্তী দি বিদায় দিলে। সেই কালৰ পৰাহে ডিমৰুৱা মহাৰাজাৰ হ'ল। ৫৫ ॥

দৰঙ্গ ৰাজা ধৰ্ম্মনাৰায়ণ।—তেবেসে মহাৰাজা বলীকোঁৱৰক ধৰ্ম্ম-নাৰায়ণ নাম দিয়া দৰঙ্গত ৰাজা পাতিলে। আৰ চন্দ্ৰনাৰাণ, ৰূপনাৰাণ প্ৰমুখ্যে পৰীক্ষিত ৰাজাৰ যত কোঁৱৰ আছিল সবে আসি মহাৰাজাক সেৱা কৰিলেহি। তেবে মহাৰাজাৰ প্ৰসাদে গ্ৰাম ভূমি লৈ ৺তাক সেৱা কৰি থাকে, কতো দেশক যায়। আৰু দখিণকূলীয়া ডিমৰুৱা আদি কৰি যতেক ৰাজা আছে সবে আসি ৺দেৱক সেৱা কৰিলেহি কোড, কপাহ, কাপোৰ আদি আনো সম্ভাৰসকল লৈ আশ্বিন মাসে, শক ১৫৩৮। তেবেসে ১৫৩৮ শক মাঘত চামধৰাত গড বান্ধিলে। ৰাজাৰ কোঁৱৰ লৰি গোহাঞিৰ মৃত্যু শক ১৫৩৮। ৫৬ ॥

বঙ্গাল ধৰিবৰ ফন্দি।—আৰ পুনৰ্ব্বাৰ দখিণকূলীয়া উত্তৰকূলীয়া, চেকেৰীয়ে ৺তাক উদ্যম কৰালেহি বোলে স্বৰ্গদেৱ মহাৰাজ, আমি যতেক চেকেৰি আছোঁ সমস্তকে ৰাজা পৰীক্ষিতে তোমাৰ দুই পাৱৰ তলে দি গৈছে আৰ বুলিলে মোৰ যত কোঁৱৰ-কুৱৰী আৰ যত বালেক আছে সবাৰো দেৱ-কুমুৰ ঠাইতেহে ভাত আন ঠাইত তাৰ ৰক্ষা নাই।' এখন স্বৰ্গদেৱে যদি আজ্ঞা কৰে হাজোত যিবা বঙ্গালখানি আছে তাক ধৰিবাক শক্তি আমাকো দেৱৰ লোকজনকো পাঞ্চোক, দেৱৰ লোকক পাচ কৰি আমি আগ হৈ ধৰিমগৈ এতেক দখিণকোল উত্তৰকোল সমস্তে ৺তাৰ হব।" এই কথা শুনি মহাৰাজা আনন্দিত হ'ল, ভাল বুলি পলাগিলে। ৫৭ ॥

চামধৰাত গড।—পাচে আহোমত মহাৰাজাৰ আজ্ঞায়ে তিনি জনা গোহাঞি প্ৰমুখ্যে সমস্তে সেনা চেচামুখে গড দিয়া ৰহিলগৈ, মহাৰাজাও চামধৰাতে ৰহিল। এইমতে মাঘ গ'ল। বঙ্গালো ছেক-কমল প্ৰমুখ্যে হাজো পৰ্ব্বত জুৰি আছে। পাচে আহোমে পৰ্ব্বতক বেৰি গড় দিলেগৈ। আৰ দক্ষিণে বা যত নাৱ আছিল, তাক ভাণ্ডাৰী গোহাঞি প্ৰমুখ্যে লোহিতে গৈ ভেটিলে। ৫৮ ॥

বঙ্গালৰ পলায়ন।—বাইবো ধৰ্ম্মৰাজা পূবে-উত্তৰে তিনিজনা গোহাঁঞি প্ৰমুখ্যে ৰহি আছে। বঙ্গালো ভাগিবাক সাজু হৈল। তেবে সেই সময়তে লেচাম-চিৰিঙ্গে তিনিজনা গোহাঞিকো খালি-বচন বুলিলে, "বঙ্গাল যে ভাগে

তোমালোকে নধৰ কিয়?" এই বুলি লোকসকলোকো কোবাই যুদ্ধক সমুখে পৰ্ব্বতত তুলি দিলে বঙ্গালক কাটিবাক প্ৰতি। বঙ্গালো সাজু হই আছে। পাচে মনত দুখে তিনিজনা গোহাঞি আনো সকল আহোম পৰ্ব্বতত উঠি যাওঁতে বঙ্গালে খোঁৰা মেলি যাকে যৈতে পালে তৈতে কাটিলে। থকুবকু বুঢ়াগোহাঞি পৰিল। নাৱ-নাৱৰা, আহিলা-পাতি, যত হিলৈ, সকলে পৰিল। যত লোক পৰিল তাৰ সীমা নাই আৰু হস্তী পৰিল ৮০ কুৰি। কেঁৰা গোহাঞিয়ে খানুৱা কনাই হাতীক ধৰিলে। পাচে তাক আচাৰ মাৰি পেলাই নগৰক আহিল। পাচে যুদ্ধ হাৰি পুনৰ্ব্বাৰ কাজলীত ৰহিলহি, শক ১৫৩৯। ৫৯ ॥

বিষযাৰ শাস্তি।—পাচে ৺ৰে খাম্প্ৰুত ৰৰগোহাঁই তিপাম ৰাজাক লোহাৰ ডিঙ্গৰা ভৰাই আনিলে খঙ্গি, ওপৰে পিকদান ধৰি আহিল। লাঙ্গু নেওগক মূৰত কোবাই মাৰিলে। লেচাম-চিৰিং, লালুক-ফুকন, লাহন, তিনিকো কাঁইটেৰে চেপি মাৰিলে চিনাতলিত। আৰু উত্তৰকোলৰ ভূঞা, মৰঙ্গিৰ হাজৰিকিযা, শইকীয়া, এইসকলক যাক পালে সবাকে মাৰিলে। সেই সময়ত লাঙ্গিক ৰৰফুকন নাম দি কাজলীলৈ পঠালে। সেই সময়ৰ পৰাহে ৰৰফুকন নাম হল। ৬০ ॥

সন্ধিৰ যত্ন।—পাচে মহাৰাজা গড়গ্ৰামক আহিল। সেই বেলা ম্বাৰিকাত পাট ললে। তাত পাচে ছেক-কমলৰ আগত বিৰু-কাজিয়ে বোলে, "নবাবৰ আজ্ঞা হলে আচামক মিল-প্ৰীতি কৰাই হস্তীদন্ত, আগৰ কাষ্ঠ অনাই দিব পাৰোঁ।" নবাবেও ভাল বুলি শলাগিলে। বিৰু-কাজি আছিল আগিয়া-ঠুটিত, আমাৰ লাঙ্গি ফুকন আছিল কাজলীত। পাচে বিৰু-কাজিয়ে আগ-চকী অশ্বক্ৰান্তলৈ আহি লাঙ্গি ফুকনৰ ঠাইলৈ প্ৰীতিৰ কাৰণ কৈ পঠালে আমাৰ চকীযালতকৈ। ৬১ ॥

বিৰু-কাজি বন্দী।—পাচে ফুকনেও এই কথা ৺ত জনালত ধৰাদ্ধৰ কটকীক পঠাই বোলে, "ফুকনেও তাক উপাই কৰি কাজলীলৈকে অনাব।" পাচে ফুকনৰ আজ্ঞায়ে ধৰাদ্ধৰে সত্য-শপত কৰি কাজিক উপাই মন্ত্ৰণাৰ দ্বাৰায়ে নাৱত তুলি আনিলে। পাচে কাজিয়ে উমানন্দৰ সেইখানিতে বুলিলে, "ধৰাদ্ধৰ, দেখ, মোৰ কমৰত দুই তৰোৱাল আছে, তোৰ নাৱৰ দুই বাৰৰ মনুষ্য খৰাপ কৰিলোঁহতে, যাতো তঞো ব্ৰাহ্মণ আৰু পুৰোহিতো, দুয়ো ব্ৰাহ্মণৰ কোনোখান হয় বুলিহে হাত জপাই ৰহিলোঁ। মোৰ কপালে

যিখান হই সেইহে।" পাচে কাজলী পালেহি। ফুকনে কথাবাৰ্ত্তা হৈ বোলে, "ভাল, কাজি যে আহিছে ৺ক সেৱা কৰি আঁহকগৈ। এই বুলি মন্ত্ৰণা কৰি গড়গ্ৰামলৈ পঠালে। পাচে ধৰাহ্মৰে নি ৺ৰাজাক হুজুৰ কৰিলে। ৺এ বোলে, "কাজি এখন থাকক, মোকে বঙ্গালকে মিলাব নোৱাৰে মানে।" এই বুলি বাঘচোৱাত ৰৰ-দুৱাৰ সাজি দি ৰাখিলে, ৰাবলৈ নাপালে, শক ১৫৪০ মাস জৈষ্ঠ। ৬২ ॥

তিনি কুঁৱৰীৰ মৰণ।—তাত পাচে পাৎসাৰ ভাই মীৰ্জ্জা-নাথন দক্ষিণকোল পাৰ হৈ ধৰ্ম্মনাৰাণক ধৰিলেগৈ, তেবে ৰাজা পলাই এৰাল। তিনিজনা কুঁৱৰী হাতীৰ ওপৰত গুলী লাগি পৰিল। পাচে আহোমে খেদি গৈ যুদ্ধ দিলে, তেবে মীৰ্জ্জা-নাথন ভঙ্গ খাই পলাল। হাড়িমহিযে একলে খেদি গৈযা পৰিল। ৬৩ ॥

সত্ৰাজিতৰ আক্ৰমণ।—পাচে সেই সময়তে মামোগোবিন্দেও আহোমৰ লগ লৈযা কবৈৰাৰী সীমা কৰি দখিণকোলে ৰাজা হ'ল। বঙ্গালো দখিণকোলে পাৰ হুইবাকো নোৱাৰে তাৰ লগে মহাৰাজা ২000 কাণ্ডী দিয়া যিহেতু আছে। সত্ৰাজিতে লোক তুলি মামোক মাৰোঁগৈ বুলি আহিল, আহোমৰ কাৰণে নোৱাৰে। সত্ৰাজিতৰ ভতিজাক ইন্দ্ৰনাৰাণ পৰিল আৰু ভৱানীৰায পৰিল। এইমতে উত্তৰে দক্ষিণে বনে লুকাই কডাই মাৰে, দেখাই দ্বন্দ নকৰে, সত্ৰাজিতে দুৱাৰলৈ আহি আছে দণ্ডে হাত ভাগে। ৬৪ ॥

শৰণাগত সত্ৰাজিত।—পাচে সত্ৰাজিতে কিছু কৰিব নোৱাৰি মহাৰাজাক বাপ চাৰি আৰ্দ্দাস কৰি পঠালে উমৰ কানাই দুই মুদৈত কৰি মহাৰাজাৰ ঠাইক লাগি। লাহৰি পামৰ, তাৰ, মুক্তা, প্ৰবাল, আনো বাথৰ সকল দি পঠালে। আৰু পত্ৰত লেখিলে, "মহাৰাজৰ বেটা হৈলোঁ, ৺ৰাজা যদি বেটা বোলে বেটা নফৰ বোলে নফৰ। মঞি যেমতে দুৱাৰত ৰহো তেমত কৰিব।" ৬৫ ॥

সত্ৰাজিতৰ পত্ৰ।—পত্ৰ এই—

স্বস্তি গুণিগণ-গঁণনীয-পৰমপবিত্ৰ-যশোৰাশিমণ্ডিত-
দিগাদিগন্তৰালাৰি-পটলোৎপাটল-শ্ৰীশ্ৰীমহাৰাজা-প্ৰচণ্ডপ্ৰতাপেষু—

দোৱাসসালাম লেখনং কাৰ্য্যঞ্চাগে তোমাৰ কুশল হামেচা চাহো ফেৰ হামাৰে মিয়াৰ খোব হোএগা আৰ তুমি এতবাৰ নওজাগু

শু আমাৰে ষোৰ চোৰো খহোএ শ্ৰীশ্ৰীযুত খুন্দমলুক ৺৶স্বৰে ৺ৰ চৰণত দৰগাতে মই সড়সোড় দেহঙ্কা তোমাৰি খেজমতেত চাকৰি দৌড কৰোহো অতএব ফিলজিমিল্লা ৰায়তেৰ খোচ হানিক হোৱে। মিন্‌জুম্মা ৰায়তেৰ খোচ হানিক হোএ আৰ অধিকালেখানাভিহে পৰ, উমৰ কানাই কহিবেক হাঁজিৰ আপোনে কাজ গুজায হাফিদকাজ হায়, ইতি জিলবাজ। শক ১৫৪১, ফাগুন ১২।

সন্দেশ—দোলচা ২০ কুৰি, লাহৰি ২০ কুৰি, পামৰু ১৩ খন, চিট ৫০ খন, টাৰ ৪০ কুৰি, পোৱাল ২০ ধাৰ, লং ২ মোণ, জাইফল ১ মোণ সফেদ কাঠ ৪ সেৰ, লাল ২ সেৰ, সত্ৰাজিতৰ পত্ৰ লেখা। ৬৬ ॥

মহাৰাজৰ মিত্ৰতা।—পত্ৰ শুনি ৺দেৱে বুলিলে, "ভাল, মোক সি ৰাপ বুলিলে মইও বোটা বুলিলোঁ। পুত্ৰ হলে পিতৃৰ বচন কৰিব লাগে।" এই বুলি কমললোচন কটকীত কৰি সোণৰ নালীযেৰে ৰূপৰ জৰা, তাৰ ভিতৰত উত্তম জল দিয়া পঠালে আৰ উত্তম চাউল, লোণ দিয়া পঠালে। মহাৰাজা বোলে "পুত্ৰ হলে মাতৃৰ স্তন খাব লাগে, এই পানীযে জানিবা স্তন। তাৰ দেশত যিহেতু লোণ চাউল খালে হাৰাম নকাৰে হেন শুনিছোঁ।" পাচে সত্ৰাজিতেও মহাৰাজাকো সাতসেৱা কৰি জৰাতে পানীকো চাউলকো লোণকো খালে। আৰ পাট কাপোৰ চিকণ কাপোৰ, ঝালুক আগৰ কাঠ তাক প্ৰতি দিলে তাৰ মাদৈসকললৈ আইকুঁৱৰীৰ নামে আহোম মেখেলাৰে এক যোৰ কাপোৰ দিলে। মহাৰাজাৰ আজ্ঞা প্ৰাণটাঙ্কিও বৰিছে, এইমতে কতোদিন মিত্ৰৱতীতে আছিল। সেই সময়তে ভেলাইক দুৱাৰলৈ পাক্কিলে তেৰেসে হাট-বাট হ'ল। জাতো সত্ৰাজিতে হাট-বাটৰ কথা কলে কটকীৰো আয়াঘাত হ'ল। ৬৭ ॥

ঢকাৰ কটকীৰ আগমন।—তাত পাচে ঢকাৰ নবাবৰ অনুমতিয়ে হৰিবলছায সোণাৰি মুদৈক বোলে 'ঢকাৰ নবাবেৰে ৺এ একলাস পৃত কৰাইবা' বুলি, বাজিত-খাঁকে গোপালকে সোণাৰি মুদৈৰ লগত পত্ৰ-সন্দেশ দি পঠাই দিলে, টাৰ প্ৰৱাল, সোণাৰ মলমকৰা পীৰা ১খন। পাচে সোণাৰি মুদৈয়ে বঙ্গালৰ কটকীক কুৰুৱাত থৈ কাজলীত বৰফুকনত জনালেগৈ। সত্ৰাজিতে সজাতিত কৰি বৰফুকনলৈ কৈ পঠালে, বোলে, "ঢকাৰ নবাবৰ কটকী আহিলে তোমাৰ আমাৰ প্ৰীতিগোট কেমনে ৰহিব। ঢকাৰ নবাবৰ কটকী যেমনে আহিব নাপাই তেমনখান কৰিব।" পাচে ফুকনে সজাতিকে ফুকনৰ ভায়েক

লেচাম ডেকাক দুইতকৈ ৺লৈ কৈ পঠালে, বোলে, "সোণাৰি মুদৈয়ে ঢকাত বঙ্গালৰ আগত আমাৰ সকলে সম্ভেদ কথা কৈ ৺ৰে প্ৰীতি কৰাব পাৰোঁ।" এই বুলি উকিল-পত্ৰ আনিছে। ৺ৰ বচন হলেহে আনিব পাই।" ৬৮ ॥

মুদৈৰ মৰণ।—পাচে এই কথা শুনি ৺এ বোলে, "সি ব্যপাৰি, ব্যপাৰৰ কাম কৰিব। মোৰ সম্ভেদ কথা কৈ কেমনে উকিল-পত্ৰ আনিছে?" এই বুলি ৺এ সোণাৰি মুদৈক, জযহৰি মুদৈক, নৰহৰি মুদৈক, এই তিনিক কুৰুৱাতে কাটি পটুৱাৰ ভূৰ বান্ধি উটাই পঠালে; আৰু পাইকো কাটিলে দুকুৰি ৪০। কুৰুৱাৰ পৰা বঙ্গালৰ কটকীক ওলটাই পঠালে। ৬৯ ॥

সত্ৰাজিতলৈ কটকী।—তাত পাচে কলীয়া কটকীক সত্ৰাজিতৰ ঠাইক পঠাইছিলে। পাচে কটকীৰ বস্তু চোৰে নিলে, এই কথা সত্ৰাজিতে শুনি পিতলৰ কলহ ১ যোৰ, কাপোৰ ১ যোৰ ৰূপ ২০ সেৰ আৰু খাবৰ বস্তুজাত সহিতে দি পঠালে। নাৱবৈচাক কিছু নিদিলে। পাচে আহিলত নাৱ-বৈচায়ে মহাৰাজত গোচৰ দিলে, বোলে, "৺ৰ কটকী হৈ যে বঙ্গালত বস্তু খুজিব পাইনেকি?" পাচে মহাৰাজা দায়ী ধৰি সুধিলত কটকীযে বোলে, "মোৰ বস্তুজাত চোৰে নিবৰ শুনি আপুনিহে দি পঠাইছে, মই খোজা নাই।" ৺এ বোলে, "এই কথাকে কোনে জানে?" কটকীযে বোলে, "ভেলাইয়ে জানে, আগচকীযালে জানে।" ৭০ ॥

কটকীৰ কাৰ্য্য।—পাচে ভেলাইত লাঙ্গি ফুকনক সুধিব দিলে। কটকীকো ভণ্ডাৰী গোহাঁইক বন্দীকৈ থব দিলে। পাচে সাত কটকীৰ লগত বন্দীকৈ থলেনি। একদিনা মহাৰাজা পৰ্ব্বতৰ পৰা আহোঁতে হাতী-শালত দেখি সাতকো কাটিব দিলে। ভণ্ডাৰী গোহাঁযে যাতো সাতৰ লগত থলে, এতেকেহে সাতৰ লগত আঠকো কাটিবলৈ উঁৰিকা কাখৰলৈ নিলে। কলীয়া কটকীযে বোলে, "সাতোটাহে কাটিব দিছে, মই ইহঁতৰ লগৰ নহওঁ। মোক আন দাইতেহে বন্দী কৰিছে।" তথাপি নেৰাতে টকা যাচিলে, ধৰাদ্ধৰে টকা দি এৰাল। তাত পাচে লাঙ্গি ফুকনে সোধ-পোছ কৰি জনাই পঠালে, বোলে, "হই, সত্ৰাজিতে শুনি আপুনিহে দিলে।" ৭১ ॥

সত্ৰাজিতক ধৰিবৰ উপায়।—পাচে ৺দেৱে কটকীক আনিব দিলে। পাচে ভণ্ডাৰী গোহাঁয়ে কাটিবৰ কথা কলত ৺দেৱে বহু অসন্তোষ কৰিলে, গোহাঁইকো দায় ধৰি খঙ্গিলে। বৈচাৰ-বৰা শইকীয়াকো কাটিলে, চাও-

দাকজো কাটিলে। তদনন্তৰে বৰগুৰুয়ে ৮/ দেৱত কলে, "মোৰ মানুহ এটি আহি ভাটী দিকিৰ বাৰ্ত্তা কৈছেহি। আমাক যুদ্ধক প্ৰতি বঙ্গাল বিস্তৰ আহিছে।" এই কথা মহাৰাজা ভেলাইলৈ সুধি পঠালে। ভেলায়ে বোলে, "মোক স্বৰ্গদেৱে এই কথাৰ ওপৰে থৈছে, মই এই কথা জানিবৰ নাই। বৰগুৰুৱে কেনেকৈ কয় মই নাজানো।" পাচে স্বৰ্গদেৱে বোলে, "তোৰ যি কথা তাক কৰি, তই এই কথা কেনেকৈ কৰ ?" এই দায় ধৰি বৰগুৰু কটকীক কটালে। তাত পাচে সত্ৰাজিতে তাৰ বংশৰ দহেকীয়া পুতেকটিকে তাৰে ধাইকে মহাৰাজাক সেৱা কৰিবলৈ সজাতিৰ লগত পঠাই দিলে। পাচে স্বৰ্গদেৱে পৰ্ব্বতীয়া বৰগোহাঞিক তুলিব দিলে। গোহাঁয়ে বোলে, "জীয়াপোক পঠাবৰ উচিত নহয়, কথা-বাৰ্ত্তাৰো পাত্ৰ নুই, লৰাও একো কথা নেজানে, ইহঁতৰে মই কি কথা হম ?" এই বুলি নুতুলিলে। পাচে স্বৰ্গদেৱে বৰগোহাঁইক খঙ্গিলে, বুঢ়াগোহাঞিকে, বৰপাত্ৰকে তুলিব দিলে, পাচে স্বৰ্গদেৱেও তুলিলে। হস্তী এটা, ঘোঁৰা ২ টা, টাৰ হাৰ, ৰূপ ২০০০, দি ৮/এ বিদায় দিলে। পাচত বৰগোহাঞিক খং কৰি ভাঙ্গিলে। তাত পাচে মহাৰাজা লাঙ্গি ফুকনক আজ্ঞা কৰিলে বোলে, "যেনেকৈ পাৰ উপায় কৰি সত্ৰাজিতক ধৰি দিয়ক, ভেলাইৰে কথা হই।" পাচে লাঙ্গি ফুকনে ভেলাইক বুলিলে, তই যেনেকৈ পাৰ সত্ৰাজিতক অনা আমিযোৰে কথা হবলৈ বুলি। যদি আহে আমালৈ বাৰ্ত্তা জনাবি। আমিও সাজু হই উমানন্দৰ বালিলৈকে যাম।" ৭২ ॥

উমানন্দত সত্ৰাজিতেৰে দেখা-দেখি।—পাচে ভেলাই গৈ বৰফুকনৰ আজ্ঞা সত্ৰাজিতত কলে, "ভাই নবাবেৰে দেখা-দেখি নওহও।" আৰু বুলিলে "যদি আহে আমিযোৰ কথা-বাৰ্ত্তা হবলৈ তেবে আমিও যাম উমানন্দৰ বালিলৈ, তেৰো আহিব তৈকে লাগি, এই বাৰ্ত্তা শীঘ্ৰে আমালৈ জানাবি।" সত্ৰাজিতে বোলে, "একদিনালৈ আমিও যাম।" এই কথা ভেলায়ে বৰফুকনলৈ জনাই পঠালে। পাচে বৰফুকনে কাজলীমুখীয়া যত ফুকন হাজৰিকীয়া সবাকে লগত লৈ উমানন্দৰ বালিত ৰহিলগৈ। সত্ৰাজিতেও তিনিকুৰি বাচৰঙ্গৰেৰে আহি দেখা-দেখি হ'ল।, বামনৈ নুঠিল আহোমে কোনোখান কৰে বুলি। বৰফুকনে সত্ৰাজিতলৈ সোণা এসেৰ, ফোটা ১০০ খান থঙ্গা ৩০ খান কলীয়া পটীয়া ৪০, গান্ধ ৭টা , সত্ৰাজিতে দিলে দলচা ২০ খন, লাহৰি ২০ খন, পামৰি ৪০ খান, চিট ৩ খন, তাৱ ৪০ কুৰি পোৱাল ২০ খাৰ, শক ১৫৪১, মাস চৈত্ৰ। ৭৩ ॥

সত্ৰাজিতৰ ষড়যন্ত্ৰ ।—তাত পাচে কতো দিন অন্তৰে চন্দ্ৰনাৰাণ দুই তিৰি এৰি পলাই গ'ল খাজিৰ পৰা । তাত পাচে মামোগোবিন্দৰ বেটা মধুনাৰাণক ধৰ্ম্মৰাজা এই দায় ধৰি গল মুচৰি মাৰিলে, বোলে, "তোক ৰাজ্য পাতিব দিলোঁ, তই স্বতন্ত্ৰ হবি কিয় ?" পাচে পুত্ৰৰ মৃত্যু শুনি কোনোখান কৰে খুলি লুকীৰপৰা নাহে । মামোগোবিন্দে মহাৰাজাৰ আজ্ঞায়ে কৰৈবাৰী পৰ্য্যন্ত ৰাজ্য খাই আছে । মহাৰাজাও মামোগোবিন্দক মাতি পঠায়, তথাপি নাহে । মামোগোবিন্দয়ে মহাৰাজাত হাৰামখোৰ হৈল, তাক সত্ৰাজিতেও জানিলে । পাচে সত্ৰাজিতে কটকীত কৰি পত্ৰ দি পঠালে, "মহাৰাজাদেৱে যদি মোক আজ্ঞা কৰে মই মামোগোবিন্দক ধৰি নাৰৰ গুডা-পীৰিত বান্ধি দি পঠাম । ৭৪ ॥

সত্ৰাজিতৰ বিশ্বাসঘাতকতা ।—পাচে স্বৰ্গদেৱে এই কথা শুনি ৰত্ন-কন্দলী, জাবৰখৰি [illegible] এই তিনিৰ শীঘ্ৰ কৰি পঠালে, বোলে, "মামোক পালেহে তইঁত আহিবি ।" তদনন্তৰে সত্ৰাজিতে পশ্চিমে মামোক বেঢ়িলে, পূবে আহোমে বেৰিলে । পাচে মামো ভাগি বঙ্গাললৈ গল । সত্ৰাজিতে মামোগোবিন্দক ধৰি ঢকালৈ দি পঠালে । আহোমক নিদিলে আব্দুল-ইচু-ৰামক দৰে । পাৎসাৰ ঠাই মোক দুৰিয়া কৰিব বুলি ইকথা মনতে থাকিল । তদন্তৰে স্বৰ্গদেৱে শুনিলে, ধৰ্ম্মৰাজত জগৰ লগাবৰ কাৰণেহে লাঙ্গি ফুকনে মামোগোবিন্দক লুকীলৈ পঠালে । সত্ৰাজিতকো ধৰি আনিব পাৰিলেহতে, কিন্তু মিত্ৰৰ কাৰণেহে নধৰিলে । আৰু ঢকাৰ নবাবেও সোণকোষৰ মুখত হাট-বাট কৰোঁ বুলি বিস্তৰ বস্ত্ৰ-জাত দি উকিল পঠাইছিল । পাচে ৺ দেৱে শুনি বোলে, "এনে কথাৰে যে কটকী আহিল ফুকনে ইকথা নাক আম কথা কিয় কব ?" এই কাৰণে লাঙ্গি ফুকন পোৱালি লাঙ্গি-ডেকা লেচাম-ডেকা তিনিতো ঝগৰ লাগিল । পাচে খাৰ নিদি কদৰ্থি তিনিকো মাৰিলে । ৭৫ ॥

ষষ্ঠ আধ্যা ।

পাৎসাহী আমোলত কামৰূপৰ পৰগনা বিভাগ ।

কোঁচৰজা ধৰ্ম্মনাৰায়ণ ।—পাচে চৈয়দ বাবকৰ হাজোৰ পৰা চামধৰালৈ খেদি গল, স্বৰ্গ মহাৰাজাৰ ঠাঁঠৈ তাৰে পৰা ধৰি নিলেক । তাত পাচে মীৰ্জা-বাকী আহি হাজোত ৰহিল । সি কতো দিন হাজোত আছিল ।

পাচে তাক খেদি পেলাই বহৰম-বেগ হাজোত ৰহিল। তাত পাচে তাক খেদি নবাব আব্দুল্লা-ইচলাম হাজোত ৰহিল। তাত পাচে স্বৰ্গমহাৰাজাৰ মোমাই তামূলী ৰাজা ধৰ্ম্মনাৰায়ণক লগত দি আব্দুল্লা-ইচলামক ধৰি নি গড়-গ্ৰামক পঠাই দিলেক, ঢেকেৰি ৰাজক ৰাজা ধৰ্ম্মনাৰায়ণক দিলেক। ৭৬ ॥

ছেখ-ইব্ৰাহিমৰ কড়োৰীৰ পৰগনা সংগঠন।—পূৰ্ব্বে কবিশিখৰক আদ্য কৰি বৰা-বুৰুক পাৎসাত বিদায় কৰি আহিল, লগতে ছেক-বিৰাহিম কড়োৰীক ৰাজা বিচাৰ কৰিবাক আহিল। ৰাজাৰ কালত গাওঁ মাত্ৰ আছিল পৰগনা নাই। ছেক-বিৰাহিমে বিলা বন্দী কৰিলেক। প্ৰথমে বিলায়ত কোঁচ হাজো লিখিলেক। তাৰ তলে চৰকাৰ কামৰূপ, চৰকাৰ ঢেকেৰি, চৰকাৰ দক্ষিণকূল, চৰকাৰ বাঙ্গালভূম, এহি চাৰি চৰকাৰ। ৭৭ ॥

কামৰূপ চৰকাৰৰ পৰগনা।—আৰে চৰকাৰ কামৰূপৰ তলে,—পৰগনে কোঁৱৰভাগ, পৰগনে পাতিদৰং পৰগনে বনভাগ, পৰগনে বামা বনভাগৰে একেলগী পৰগনে বৰদৰং, পৰগনে বাঁহবাৰী পৰগনে সাতৰজীয়া, পৰগনে চৌৰাহীখাতা, পৰগনে কাচিমপুৰ, পৰগনে বৰভাগ, পৰগনে দেহোৰ, পৰগনে ক্ষেত্ৰীভাগ, পৰগনে বজালী, পৰগনে বাহেৰ-খাতা বজালী সহিতে একেলগী পৰগনে বাঁউসী পৰগনে বৰনগৰ, পৰগনে পাটিকটা বৰনগৰৰ সৈতে একেলগী, পৰগনে বৰপেটা, পৰগনে বেজিনী, পৰগনে ফুলগুৰি বেজিনী সহিতে একেলগী, পৰগনে বাস্কা, পৰগনে দিগজল।

কসুবে হাজো, কসুবে গুৱাহাটী, ৰিকাব-মোহল, পেছকছ, পানদৰিবাৰী বৰগ-মোহল পুস্বা-মোহল ওদৰা উমানন্দ হেমা-মোহল মাকি-মোহল, চেতল-বাজি, ফৰোইযাত, খেদা-হাথী আগাধুৰি, নিকাহী-মোহল, পাইকান-মোহল, কছাৰী মোহল, চুটিয়া-মোহল, কাৰখানা, এই দুকুৰি এক-মোহল। ৭৮ ॥

চৰকাৰ ঢেকেৰিৰ পৰগনা।—চৰকাৰ ঢেকেৰিৰ তলে,—পৰগনে খুটাঘাট, পৰগনে গুমা, পৰগনে পৰ্ব্বতজোৱাৰ, পৰগনে কসুবে ধুবুৰি, পৰগনে জামিৰা, পৰগনে টাৰিযা, পৰগনে ঘুৰলা, পৰগনে জলকৰ-মোহল, পৰগনে কসুবে ঝিলা, পৰগনে চাপগড়, পৰগনে ৰেছম-তাঁতী, পৰগনে কোঁকলাৰ, পৰগনে খুমাৰ, পৰগনে কাঠ-মোহল, পৰগনে কটোৱালী, পৰগনে ডিম্যালী-মোহল, পৰগনে ধামাদি-মোহল, পৰগনে চুলহট, পৰগনে দস্তক-মোহল, মুঠত উনৈশখন মোহল। ৭৯ ॥

চৰকাৰ দক্ষিণকূলৰ পৰগনা।—চৰকাৰ দক্ষিণকূলৰ তলে,—পৰগনে সাস্তোৰ, আৰ তলে পাঁচ তপা,—তপে বগৰিবাৰী, তপে চামুৰীয়া, তপে বেকেলী, তপে হালজাল ওজাখেলি, তপে তিসিমপুৰ। পৰগনে পাণ্ডু, ইয়াৰ তলে সাত তপা,—তপে বঙ্গেশ্বৰ, তপে মঝিযলি, তপে ছয়নীয়া, তপে বেলতলা, তপে ভড়ুৱা কটা । পৰগনে ডুমুৰীয়া, পৰগনে বাড়ন্তী, পৰগনে মেছপাৰা, পৰগনে কালুম-লুৱাপাৰা, পৰগনে কড়ৈবাৰী, পৰগনে পুষ্যাতলে, পৰগনে গাভো-মহল, পৰগনে গোডকাটী। ৮০ ॥

চৰকাৰ বঙ্গালভূমৰ পৰগনা।—চৰকাৰ বঙ্গালভূমৰ তলে,—পৰগনে বাহেৰবন্ধ, পৰগনে ভিতৰবন্ধ, পৰগনে গয-বাৰী, পৰগনে চকীবৰেতলা, চান্দিযানি। এই চাৰিও চৰকাৰ মিলি ৭৫ মোহল। ৮১ ॥

পৰগনা নামৰ অৰ্থ।—ছেক-বিৰাহিমে হুজুৰৰ পৰা আহি মলুক বিচাৰ কৰি পৰগনা বন্দী কৰিলেক ।

বাঁহবাৰী—আৰ একচাক ৰঙ্গাবাঁহ পাঁচ-ছয় হাত গাঠি ৰাজাৰ ৰক্ষা থাকে, এই কাৰণ পৰগনাৰ নাম বাঁহবাৰী।

পাতি দৰং—ৰাজ্যত ৰঙ্গৰ বাবে যি খৰচ হৈছিল, এই কাৰণে দৰং নাম হল।

কোৱৰভাগ—কোঁৱৰসকলে যিখন খাইছিল মানে কোঁৱৰভাগ নাম হল।

দৰং পৰগনা—আনো পৰগনাৰ দুখন এখন গাওঁ দৰঙ্গৰো গাওঁ উলিয়াই প্যাতি-দৰং পৰগনা কৰিলেক।

কছাৰী-মোহল—যি ঠাইত কছাৰী আছিল মানে কছাৰী-মোহল হল।

চুটিয়া-মোহল—যি ঠাইত চুটিযা আছিল মানে চুটিয়া-মোহল নাম হল।

বনভাগ—বনুৱা কোঁৱৰে খাইছিল মানে বনভাগ হল।

চৌৰাহী-খাতা—ৰজাৰ খাত য'ত য'ত আছিল মানে চৌৰাহী-খাতা পৰগনা হল।

ৰৰভাগ—বৰুৱাসকলে যি খাইছিল মানে বৰভাগ হল।

দেহোৰ—দেৱালয় আছিল মানে দেহোৰ হ'ল।

খেৰ্ত্রিভাগ—ৰজাৰ চাকৰ খেত্রি-চিপাই যি খন খাইছিল মানে সকলে পৰগনে খেৰ্ত্রিভাগ হল।

বজালী—বজালীয়া কোঁৱৰে খাইছিল মানে পৰগনে বজালী হল।

বাহেৰ-খাতা—কোঁৱৰা-কুঁৱৰীৰ খাত মানে পৰগনে বাহেৰ-খাতা হল।

ফুলগুৰি—এক গাচ কনক-চম্পাফুল আছিল, ৰাজহৰ ৰক্ষা খাকে এই কাৰণ পৰগনে ফুলগুৰি হল।

বাঁউসী—ৰাজমাও খাইছিল যেন পৰগনে বাঁউসী।

বেজিনী—কুঁৱৰীৰ নখ-কটা বেজিনী যিখনত আছিল মানে পৰগনে বেজিনী হল। ৮২ ॥

গুৱাহাটীত মীৰ্জা-জাহিনা।—তদনন্তৰে ৰাজা ধৰ্ম্মনাৰায়ণে ৰাজ্য ভোগ কৰিছিল। বঙ্গালৰ চুভা মীৰ্জা-জাহিনা আহি বাৰেপইতাত যুদ্ধ হল। বঙ্গাল ঢেকেৰি অনেক ঠাঁঠ পৰিল। পাচে মীৰ্জা-জাহিনা চামধৰা পৰ্য্যন্ত খেদি গল। স্বৰ্গমহাৰাজাৰ ঠাঁঠ বলে নোৱাৰি ফিৰি গুৱাহাটীত আহি ৰহিল। পাচে আহ্লায়াৰ-খাঁ নবাব কৰি ভাঠীযাই গ'ল। ৮৩ ॥

সপ্তম আধ্যা।

অসম বঙ্গালৰ ৰণ।

গাভৰুৰায়ৰ শৰণাপন্ন।—পাচে ৺দেৱে অভয়পুৰীয়া নেওগ গোহাঁইক বৰফুকন পাতি পঠালে। মামোৰা ন'ৰা, তিৰোতা, বন্দী-বেটী যি আছিল জাখালিৰে তুলি নিলে। তাত পাচে গাভৰুৰায়ে চন্দ্রনাৰাণ খানায়েৰে হন্দ কৰি নেওগ ফুকনলৈ কৈ পঠালে বোলে, "স্বৰ্গমহাৰাজৰ পাৱত শৰণে পশিলোঁ। মই পূৰ্ব্বে খপা ধৰ, খানায়ে মোক বঙ্গালক ধৰি দিয়ে, লোকজন

দি ৰক্ষা কৰা ।" এই কথা ৺দেৱত কৈ তাক নির্ভয় দিলে। ৰূপ দিলে ২000, সুৱর্ণৰ টাৰ হাৰ বড়িয়া ১ যোৰ ৰূপৰ বটা ১টা জৰা ১টা, কাঁহি ১ খন, কাপৰ ৫0 যোৰ, দলিচা এখন। আকে পাই দখিণবোলৰ ঢেকেৰি লগত লৈ কউবাৰীৰ পৰা ১৫৪২ শকত বঙ্গালক খেদি ৰাজ ললেগৈ। বঙ্গালৰ দুই-চাৰি মানুহ কাটে। এই কথা সত্ৰাজিতে কৈ পঠালে বোলে "৺ৰ লোকে ঢেকেৰিৰ লগ লৈ আমাৰ দুই-চাৰি মানুহ কাটে। ৺দেৱতাই শুনি বোলে "ঢেকেৰিয়ে কেনেকৈ কাটে মই কি জানোঁ"। এই এক কথা । ৮৪ ॥

বঙ্গালৰ লগত বাজিয়া।—সেইবেলা ঢেকেৰিৰ হৰিকেশ বৰুৱা বঙ্গালৰ পৰা পলাই দৰঙ্গলৈ আহিল। তাক আব্দুল-ইচ্‌লাম নবাবে ৺দেৱলৈ খুজি পঠালে, বোলে "মোৰ হৰিকেশত পাঞ্চ শত টকা পাব লাগে। স্বৰ্গ-দেৱ ৰাজা দি পঠাওক। তোমাৰ আমাৰ প্ৰীতিৰ এহিসে কাৰণ।" পাচে মহাৰাজা হৰিকেশক শৰণাগত বুলি নিদিলে। কদলৰ বীৰ্য এই এক কথা হল। সেই সময়ত বঙ্গালৰ পহুমৰা হেঙ্গল এটা মানহা পাৰ হৈ আমাৰ পানীত সোমালহি। বঙ্গালে আমাৰ চকীয়ালত খুজি নেপাই চকীৰ পৰা মানুহ দুটা ধৰি নি জিহ্বা কাটিলে আনেক লাঞ্চনা কৰি মাৰিলে। আমাৰো চকীয়ালে খৰি-পাত অনা বঙ্গালৰ জুমি জুমি কটিয়ালে। আৰে পৰা বঙ্গালাৰে আহোমৰে প্ৰীতি ভাগিল। এই এক কথা বদলৰ বীৰ্য। পাচে বঙ্গালৰ ছেখ-ফৰিদ নবাব, ফটাই মামুদ এই দুই বড়লীয়াই উজাই খেদি আহিল হৰি-কেশৰক ধৰিবাক প্ৰতি । পাচে কলঙ্কু সন্দিকৈয়ে আগভেটি কণ্ডিয়াই খেদিলেহি। পাচে বঙ্গালেও কিছু কৰিব নোৱাৰি দখিণকোললৈ পাৰ হৈ অসুৰ-আলিৰ পৰা আচামৰ মানুহ তিনিটা ধৰি নিলে। তাৰে দুটা হাজোত কাটি শালত দিলে এটা কুকুৰে খুৱালে শক ১৫৫৭। ৮৫ ॥

বঙ্গাল বন্দী।—তেবেসে খাংলাই চেটিয়াই দিমিহাত বঙ্গালৰ গড মাৰিলে। ঘোঁৰা পালে ৯টা তৰোৱাল ১৪ খন। তাত পাচে হৰিডেকাই চামুৰিযাৰ গড় মাৰিলে। কম-খাঁ মোগল পৰিল ঘোঁৰা পালে ৩টা হিলৈ ১৭ টা তৰোৱাল ৪0 খন আৰ বন্দীতো যি বঙ্গাল আছিল সিও পাৰ হৈ উত্তৰ-কোললৈ গ'ল । সেইবেলা জেঠ মাহত চন্দ্ৰনাৰাণ মৰিল। খাংলাই চেটিয়াই সোন্দাত গড় দিলে। সেই গড়ত আহোম ১৪000 হেজাৰ লোক দিলে। আৰু ধৰ্ম্ম ৰাজাৰ ঢেকেৰি বৰকাঠ বৰুৱা সমে সোন্দাৰ গড মাৰিলেগৈ। বঙ্গালো ছেখ-ফৰিদ, হৰিৰাম-ৰায়, বৰদেউনীয়াৰ জয়সিংহ কোঁৱৰ, এই তিনি

সমুখে যুঁজে। তাত্রত যবন ভঙ্গ হল, হৰিৰাম-ৰায়ত কাণ্ড লাগিল, আহোমে খেদি তিনি পৰৰ বাট কাটিলে। ছেখ-ফৰিদক, জয়সিংহ ৰাইক নাকাটি আনিলে। ঘোঁৰা পালে ১৪০, মৰিল ১২০, পিতলৰ কামায়ন ১ টা, তুৰুকি হিলৈ ২৪০, বাৰু ১২০, তৰোৱাল ৪৪০, ভাদ্রমাস, শনিবাৰে ২০ দিন যাওঁতে। ৮৬ ॥

যুদ্ধ আৰু আহোমৰ জয়।—তাত পাচে শৰাইঘাটৰ থানা ললেহি। অশ্বক্রান্তৰ আগচকীত আছিল বিৰাম-খাঁ, শৰাইত খোচাল-বেগ, পাণ্ডুত ইয়াৰ-কুলি, সাত্রজিত মাজালিৰ বালিত আছিল। পাচে শৰাইঘাটৰ চকীমানে মাৰিলে। পাচে খোচাল-বেগ পৰিল। পাচে আহোমে কাজলী এৰি শৰাই-ঘাটত গড় দিলে। লান্মাখৰ ডেকা দুৱৰা এই দুই পাণ্ডুৰ গড়ত আছিল। সত্রাজিত আদি কৰি যত বঙ্গাল পাণ্ডুত আছিল তাক এৰি আগিয়াঠুঠিত মাজালিলৈ গ'ল। সবাৰো উপৰি আব্দুল-ইচ্‌লাম নবাব, মুছদি নবাব, দুই ভাগি হাজোত আছিল। বৰ্ম্মবাজা নামে খাংলাই চোটিয়াৰো তৈতে গড়, পাণ্ডু-শৰাইঘাট আহোমে ললে পাণ্ডুত পিতলৰ হিলৈ এটা পালে। পাচে বঙ্গালে নাৱে-তৰে উলটি যুদ্ধ দিলে। আহোমে চাপি নবাৰ বাখৰৰ পৰা কাণ্ড-গুলী মাৰে মাত্র বঙ্গালে পাজে উজাই জুৰীয়া পৰ্ব্বত পালেহি। সেই বেলা হাবুং চোটিয়া বৰ, চোটিয়া নাৱতে থাকি নাৱ মেলিবাকো নোৱাৰিলে। দিহিঙ্গীয়া গলাণিক পলাল। আনো নাব বাখৰক চপাই মানুহ উঠিল, বঙ্গালে নাৱ তিনিখন পাছ দিলে। আনো নাব পাটৌতা নভৈল। বাখৰ পৰা কাণ্ড-গুলী মাৰোঁতে বঙ্গাল উলটি গ'ল। সেইবেলা অভয়পুৰীয়া নেওগ বৰফুকন আমৰাজুৰীৰ বৰশিলত উঠিলগৈ। বঙ্গালে দেখি গুলী মাৰিলে, মুখত গুলী পৰি মৰিল মাস আশ্বিন শুক্রবাৰে ১৫৫৮ শকত। ৮৭ ॥

অভয়পুৰীয়াৰ পলায়ন।—পাচে সবলো আলচি লান্মাখৰকে বৰফুকন পাতিলে। লোকজনক চলাবৰ নিমিত্তে। আৰু সৰু-চকুৱা বৰগোহাঁইয়েও কাজলীৰ লোকজনক দণ্ড কৰি সবাকে লগাই দিলে। এইমতে দুয়ো লোক-জনক চলাইছিল। পাচে ফুকন ৰাজখোৱা, সবলেও মহাৰাজাৰ চৰণলৈ জনালত সকলৰো কথা ৰাখি লান্মাখৰকে ফুকন নাম দিলে। পাচে বঙ্গালে আগিয়াঠুঠিত থাকিল তিনি দিন। পাচে তাৰ পৰা দৌঁইকি তৰে যুদ্ধ দিলে। দুয়ো ভিতিৰ লোকৰ যুদ্ধ সমান হল। তথাপি অহোমৰ গড় তুলিব নোৱাৰিলে। কলঙ্কু সন্দিকৈ পৰিল, চাৰিঙ্গীয়া ফুকনৰ ভায়েকৰ গলত কাণ্ড লাগি মৰিল,

নেচামদাং তামুলী গুলী লাগি এৰাল, মীৰ, সত্ৰাজিত তাতে থাকিল। তাত পাচে বঙ্গালে বাৰখান গোৰাপ-নাৱ আগ কৰি নাৱে যুদ্ধ দিলে। আহোমৰো সমস্ত লোকে দিন দিন নাৱে-তৰে প্ৰধান যুদ্ধ কৰিছে। পাচে কাণ্ডুগুলীও চুকাল কতো বেলি অন্তৰে ৰহিব নোৱাৰি অভয়পুৰীয়াৰ নাৱ-মানুহ যুদ্ধ এৰি পলাল। তাকে দেখি আনো নাৱ এৰি পালাল। পাচে বঙ্গালে পাই পেটকটা হিলৈ ১টা, নাৱ ১০ খন নিলে। এইমতে একমাস যুদ্ধে কাৰো ভঙ্গ জয় নাই। কতো কতো আহোমে জুমি জুমি বঙ্গালৰ পৰি কাটি মূৰ আনিলো বুলি বাটা নমায়। এই যুজৰ বেৱস্থা ৺দেৱে শুনি সকলোকো খঙ্গি লিকচোৱানৰ বৰুৱাক পঠালে। যি অভয়পুৰীয়া পলাল তাৰ শইকীয়া-বোৰক কাটি মূৰ আনিব দিলে, আৰু নাৱে-তৰে ধৰিব দিলে। উপৰি টেকেলা হাৰি-চাওদা* দিলে। ৮৮ ॥

মাজুলীৰ বালিত বঙ্গাল।—পাচে নাৱে টিংচু সন্দিকৈ, অভয়পুৰীয়া, শলগুৰীয়া, সবলোৱে যুগুতি হৈ প্ৰভাতে নাৱে-তৰে চাপি যুদ্ধ ধৰিলে। বঙ্গালেও সচকিত হৈয়া ভাগি পলাল মাজুলী বালিত পৰিল, আহোমে নাৱে-তৰে খেদি নি যাকে পালে তাকে কাটিলে। বত আহোমে নাৱেৰে খেদি ওচৰ পাইগৈ, বঙ্গালো এৰাব নোৱাৰি টাৰ নাহৰি পামৰি, দলচা এইসকল পানীত পেলাই এৰাই যায। তাকো বঙ্গালে কাটিবাক ডৰে আহোমে নধৰে। কতোনাৱে যদি নবৈল চাই তাতো আগ হুযা বঙ্গালে পলাই যায মাজুলী বালিত পৰিল। সত্ৰাজিত ৰাজা ইয়াৰকুলি, এই দুযো পলাই গল। আৰ সাত দিন আগে সত্ৰাজিতেৰে দ্বন্দ কৰি মীৰ হাজোক গল। গোৰাপ-নাৱ ৭ খন পৰিল বাচৰু ৩০, বৰহিলৈ ১০০, তুৰকি ৫০০, তৰোৱাল ৩০০, বৰছা ১০০, জামদাৰ ৪৪ খণ্ডৰা ৪০ নাৱৰ কোঙ্কোৰা ৪ টা। এইমতে সমস্তে পলাই গ'ল। সেই সময়তে ঢকাৰ পৰা ছেৰ-খাঁযে মীযাৰচান্দ ৮০ বাচৰু নাৱেৰে বগৰিবাৰী পালেহি। তাক পাইহে সত্ৰাজিত, ইয়াৰকুলি এৰাল, লান্মাখৰু চেটিযা পাণ্ডুত বৰফুকন হৈ থাকিল। ৮৯ ॥

হাজোত যুদ্ধ।—পাচে সমস্তে বৰুৱা গৈযা, হাজোক বেঢ়ি গড় দিলেগৈ। বঙ্গালেও গড় সাঙ্গ নোহঁওতেই হস্তী আগ কৰি টিংচু সন্দিকৈৰ গড়ত ধৰিলেহি, ছয় দণ্ড মানে যুদ্ধ হ'ল। পাচে যুদ্ধত আব্দুল-ইচ্লাম নবাবত কাণ্ড লাগিল, মুহুদি নবাবৰ ঘা হ'ল, আৰু হস্তীৰ কম্পালত গুলী লাগিলত হস্তী উলটি পলাল। হস্তীৰ ভঙ্গে বঙ্গালো পলাল, ঘোঁৰা পৰিল ৯টা। তেবে বঙ্গালে আপোনাৰ গড়ত ভঙ্গ হুয়া ৰহিল, আচামেও বঙ্গালক বেঢ়ি গড দিলেগৈ। বঙ্গালে

ওলাই যুদ্ধ নিদিলে, পাচে এৰাব নোৱাৰি কাকুতি কৰি বাট মাগে, বোলে, "আমি যুদ্ধ এৰিলোঁ, তোমৰা ধৰ্ম্মপথলৈ চাই এৰি দিয়া, আমাৰ দেশলৈ যাওঁ।" তথাপি বৰফুকনে নেৰিলে, মহাৰাজাক ভয়ে। এইমতে এক মাহ হ'ল। বঙ্গালে খাইবাক নাপাই গড়ৰ ভিতৰতে শুখাই মৰে। ৯০ ॥

হাজোত বঙ্গাল।—পাচে একোমতে নোৱাৰি মুহুদিয়ে গড়ৰ ওলাই লাংমাখৰু বৰফুকনত ধৰিলহি। তাত পাচে আব্দুল-ইচ্লাম নবাবক প্রমুখো মীর্জা-নাইক, মীর্জা-হুচন-চা, ৰাজা ফজুল-বেগ মহমল্ল ৰামচা কৰ্ম্মচান্দ এই সকলোৰে ধৰিলহি। পাচে বৰফুকনে সমস্তকে গড়গাওঁলৈ দি পঠালে। আৰু মীৰে বোলে, পাৎসাৰ লোণ চাউল খাই কেনে হাৰাম কৰিম?" এই বুলি গড়ৰ ভিতৰতে যুদ্ধ দি মৰিল। সেই সময়তে হাজো উচ্ছাদ কৰি বঙ্গালৰ আহোমে ধৰি আনিলে। হস্তী পালে ৯টা, ঘোঁৰা পালে ৮০, হিলৈ ৬০০ তৰোৱাল ২০০, পিতলৰ কামান ৯টা, শক ১৫৫৮, মাঘ মাস। ৯১ ॥

বৰুৱা বন্দী।—তাত পাচে লাংমাখৰু চেটিয়াক ৺ত গোচৰ দিলে "নিদানৰ বেলা বঙ্গালে পেৰা ভিতৰ কৰি কাপৰেৰে ঢাকি মহাৰাজালৈ পাৎসা কিবা দি পঠালে তাক মহাৰাজা পালে কি নাপালে আমি নেজানিলোঁ। আৰু শুৱালকুছিয়া ১৬০ ঘৰ তাঁতীয়ে পাৎসালৈ কাপৰ বৈছিলে তাকো লুট কৰি দক্ষিণকোলত পাতিলেনি, পাৎসাৰ কাপৰ আপুনি ৰাখিলে। মহাৰাজাৰ ৰাজ্যত নেকি ঠায়ে নাটিলে?" এই কথাতে লাংমাখৰ চেটিয়াক মাৰিলে। বৰবৰুৱা, গণকৰ বৰুৱাক বন্দী কৰিলে ১৫৫৮ শক। ৯২ ॥

মধুপুৰত বঙ্গাল।—তদনন্তৰে পিকচাই চেটিয়াক বৰফুকন পাতিলে। তাৰ পাচে পুনৰ্ব্বাৰ বঙ্গাল মধুপুৰত গড় দি ৰহিলহি। তাক সমুখে ডেকা-দুৱৰা, টংচু সন্দিকৈ সোন্দাত গড় দিলেগৈ। বঙ্গালেও খেদি আহি সোন্দাতে তিনি প্ৰহৰ বেলা যুজিলে। পাচে, বঙ্গালে আহোমৰ গড় দাঙ্গিব নোৱাৰি আপুনি ভঙ্গ হৈয়া বাৰেপইতাৰ গ'ল ১৫৫৯ শক, জেষ্ঠ মাহ। ৯৩ ॥

বেঁকীত বঙ্গাল।—ধৰ্ম্মৰাজায়ে, থাংলাই চেটিয়ায়ে উত্তমক ভঙ্গালে। উত্তমো পলাই বৰনগৰক গৈল, বৰনগৰতো খেদি গৈ ঘৰ পুৰিলে, তাৰ ভণ্ডাৰ সবো লুটি আনিলে, তাৰ খুৰীয়েক সৈতে চৰা-কুৰ্ম্মাকো ধৰি আনিলে। পাচে উত্তমেও দগা দিয়া আহোম বিস্তৰ কাটিলে। পাচে আপামামোদ, অম, দুই আহি চুণৰিত গড় দিলেহি। তেবে লাইফংজাং ফুলবৰুৱা, ডেকা-দুৱৰা, ধৰ্ম্মৰাজা সমে চুণৰিত গড় ভঙ্গালে। বেঁকী, পোমৰা, জাখলিখনা,

এই তিনি ঠাইত থানা দিলে। আচামে তাৰো পৰা কাটি-মাৰি খেদিলে। তাত পাচে বঙ্গালে ভাটোকুচিত গড় দি ৰলগৈ। লাইফংজাং, ফুলবৰুৱা, খাংলাই চেটিয়া, ধৰ্ম্মৰাজা, এই সমস্তে কালপানীত গড দিয়া সন্মুখে ৰলগৈ যেন কাণ্ড-গুলীয়ে নেপাই, মতামতি হৈ থাকে। এই মতে দুই মাস গ'ল। ৯৪ ॥

পিকচাই বন্দী।—সেই সময়তে ৰত্নকন্দলী, মাধৱকন্দলী, বিৰিণা, তিনি কটকীক ৺দেৱে পিকচাইৰ ঠাইলৈ পাচিলে বোলে, "ফুকনে যে গুৱাহাটীত মাছ পছু, মাৰি ব-আনন্দ কৰি বিশ্ৰেষ্টাৰূপে খাই থাকে, থাকিব পাইনেকি? আৰ বঙ্গালো বৰনগৰতে আছে। যদি তাৰে পৰা আহি আমাৰ লোকজন কাটে তেতিয়া কিৰূপে ৰক্ষা পৰিব পো-নাতিলৈ বা কোন আপাহত চাউল-কানি বৰ্হাব?" এই ৰূপে তিনি কটকীয়ে কলত ফুকনে অসন্তোষ কৰি কটকীক নুসুৰিলে ৰোজবাড়া একো নিদিলে। পাচে তিনি কটকীও সন্তোষ নেপাই গুৱাহাটীত একৰাতি থাকিয়েই গ'ল। পাচে ৰত্নকন্দলী, মাধৱকন্দলী, বিৰিণা, তিনি কটকীয়ে ১৫৫৯ শকত পিকচাই চেটিয়াক মহাৰাজত গোচৰ দিলে বোলে দুই তিনিজনা ফুকনৰ দ্বন্দ লাগে, আৰু দুই তিৰোতাৰ কন্দল লাগে তাক ভাঙ্গিব নোৱাৰে আৰু ফুল পিন্ধি থাকে, ৺ৰ কাৰ্য্য-কাম কি কৰিব।' এই দায়তে লোহা লগাই আনি গডৰ কাখৰৰ হাতীশালত থলেনি। পাচে সৰুচকুৱা বৰগোহাঁইৰ পূৰ্ব্ব কথা স্মৰি পাণ্ডুত বৰফুকন পাতি থলে। ৯৫ ॥

কালপানীত যুদ্ধ।—সেই সময়তে ফুলবৰুৱাই ৰাতি দগা দি কালপানীত বঙ্গালৰ দুখান গড মাৰি আপোনাৰ গডলৈ আহিল। লাইফংজাঙ্গে বিস্তৰ গালি পাৰিলে। ফুলবৰুৱাক বোলে "গড মাৰিলি যে কিয় এৰি আহিলি?" পাচে ফুলবৰুৱা উলটি ভঙ্গোৱা গডতে দুখননে থাকিলগৈ। আন দিনা বঙ্গালে ফুলবৰুৱাকো আনো যিবা গডত আছে তাকে ধৰিলেগৈ, তিনি বেলি মাৰি হোঁহোঁকালে। হাতে হাতে কটা-কটি কৰিছে ঘোঁৰাৰ শৱে মানুহৰ শৱে খাৱৈ উপচিল, তথাপি যুদ্ধ নেৰিলে। এইমতে তিনি প্ৰহৰ বেলা গৈল, তথাপি গড় দাঙ্গিব নোৱাৰিলে। পাচে তাৰ যি ওমৰাওবোৰে যুদ্ধ কৰাইছিল, সেই সমস্ত ধৰিলেহি। আহোমৰ লোকৰ ভাগৰ হৈ আছিল সেপ ঘুটিবকো নোৱাৰে, কাণ্ড-গুলীও ঢুকাল, কাৰো কেৱে মধ্যস্থ নহ'ল

তেবে সমস্তে গড ভাঙ্গি পলাল আৰু দুখন গড় বঙ্গালৰ মাজতে নেভাগি ৰল, তাকো মাত দিহে ৰাতি আহোমে আনিলেগৈ ১৫৫৯ শকত, মাহ কাতি, তাৰিখ ২৮, ৰবিবাৰ। ৯৬ ॥

অসমীয়া সৈন্যৰ পৰাজয়।—তেবে দুই দিন অন্তৰে ফুলবৰুৱাৰ দুই ভায়েক পলাই আহিল। তাত পাচে মীৰ্জা-জইনা, আহ্লায়াৰ-খাঁ, মহম্মদ-জোমা মাচু-খাঁ ৰামচন্দ্ৰ কাৰ্জি উত্তম মীযাচাদ সবে একত্ৰ হৈয়া বাৰে-পইতাৰ আচামৰ ফৈদক খেদিলে। তথাপিতো এক প্ৰহৰ বেলা যুজিহে এৰাল। আচামে বিস্তৰ লোক পৰিবাৰ দেখি বোলে নোবাৰি ভাগিল। পোলোঙ্গা কোঁৱৰ পৰিল চিংচু সদিকৈ লেচাৰ হাৰি-বৰুৱা, এই দুই এৰাই আহিল শক ১৫৫৯, মাহ আঘোণ দিন ৫। ৯৭ ॥

কলিয়াবৰৰ যুদ্ধ।—যি কিছু ভগনীয়া লোক এৰাই আহিল সিও পাণ্ডু-শৰাইঘাট পালেহি। যিবা সৰুচকুৱা গোঁহাই সেনাপতি হৈ আছিল, তেওঁকো বাতে ধৰিলে। বঙ্গালেও চেপি আহে। পাচে মহাৰজা শুনি মৰঙ্গিৰ পাত্ৰ, খাণ্ডাৰৰা কোঁৱৰ দুইকো সপুৰচা বাণী সৈতে পঠাই দিলে, সিবোৰো গৈ পালেগৈ। সেই সময়তে মীৰ্জা-জাহিনা প্ৰমুখ্যে বঙ্গালো আহি পাণ্ডু-শৰাইত তত্ৰবালে ধৰিলেহি। মাজত দিন ৰাতি গোটিহে হৈল, সন্ধুৰিবাকো নাপালে। পাচে ভগনীয়াৰ লগতে মৰঙ্গিৰ পাট খাণ্ডাৰৰা কোঁৱৰ দুয়ো কাজলীক চাৰি কলিয়াবৰ পালেহি। পাণ্ডু-শৰাই-ঘাটত একাঠী কাণ্ডো মাৰেঁতা নহল। আৰু যত নাৰ-নাৰৰীয়া পাণ্ডুত আছিল সবে বঙ্গালে নিলে। সেই বেলা পৰ্ব্বতীয়া বৰগোহাঁই দিহিঙ্গীয়া বুঢ়াগোহাঁই লাকো বৰপাত্ৰ গোহাঁই সলাৰ পৰা গৈ কলিয়াবৰতো গড দিয়া ৰহিল। বঙ্গালেও ১৬ খন নাৱেৰে গো-ভিঠাৰ আহি ভডৰীতে পানী চাই উনাটি কাজলীকে গল। পাচে তিনিজনা গোহাঁয়ে স্বৰ্গদেৱৰ চৰণলৈ কৈ পঠালে বোলে 'বঙ্গালে মাৰি-কাটি কাজলী পালেহি, স্বৰ্গদেৱে আজ্ঞা দিয়ক কাজলীতে আমি বঙ্গালক ধাৰেঁগৈ।" পাচে মহাৰাজা শুনি পিকচাই চেটিয়াৰ বৰফুকন পাতি লুইতে পঠালে ৯৮ ॥

আহোম সেনাৰ পলায়ন।—গোহাঁইবোৰক হাক দি পঠালে বোলে "আন বৰুৱা-ফুকনক মাত্ৰ পঠাব চামধৰাগড আওতাই তাতে থাকোকগৈ, গোহাঁইবোৰ নাযাব।" পাচে গোহাঁইবোৰে মহাৰাজাৰ কথা নলৈ পিকচাই চেটিয়া নৌপাওতেই সসৈন্যে সহিতে খেদি গল। পাচে ৰাজা শুনি গোহাঁই-

বোৰক ভাল নুবুলিলে। বৰুৱাবোৰে গৈ আঠ দিন বঙ্গালেৰে যুদ্ধ কৰিলে। দিনে দিনে শত-পঞ্চাশ পৰিল ইযাৰকুলি পৰিল। পাচে গোহাঁইবোৰে বোলে "একে দিনে বঙ্গালক মাৰোঁ।।' এই বুলি খেদি গল। ৰৰবৰুৱা পিকচাই প্ৰমুখ্যে নাৱে-তৰে বঙ্গালক ধৰিলে। প্ৰথমতে বৰবৰুৱাৰ নাৱ আগে মেলি গল। বঙ্গালৰ নাৱ ঘুনিত আছিল, তাক কেৰে নেদেখিলে। তৰেও হতাহতি যুদ্ধ লাগিল। পাচে বঙ্গালে ঘুলিৰপৰা ওলাই পাচৰ পৰা বৰবৰুৱাক ভিৰিলেগৈ। মোমাই-তামুলী বৰবৰুৱাও পানীত জাম্প দি পৰিহে এৰাল। পাচে সকলো নাৱ ভঙ্গ হ'ল, তৰুৱা লোকো পলালে। গোহাঁইবোৰো নাৱ এৰি ভঙ্গ খালে কিংচু সন্দিকৈও তৰোৱালৰ ঘা পাই যেন-তেনকৈ এৰাই আহিল। চিৰিংদাং পৰিল, বুঢ়াগোহাঁয়ে পাচত থাকি নাৱৰ লগ নেৰিলে। বিস্তৰ লোক পানীত পৰি মৰিল। পাচে সকলোৱে নাও চপাই তৰ উঠি পলালে। নাৱৰ আহিলা-পাতি বিস্তৰ পৰিল, যেনতেনমতে কলিযাবৰ পালেহি। ৯৯ ॥

বিষযাৰ বিপদ।—পাচে মহাৰাজা শুনিলে নুযুজি পলাই অহা লোকক কাটিব দিলে। ৰুৰুং চেটিযাক, বিছুৱা বৰাক গলমণিকক, হালোৱা হাজৰি-কিযাক কাটিলে আনো হাজৰিকীয়া শইকীয়া, বৰাক বিচাৰ কৰি কাটিলে, তিনি গোহাঁইকো খঙ্গিলে। ৰজাৰ হস্তী, ৰজাৰ লওযা নাৱ-নাৱৰা, আনো লোক কাটি আনি বৰবৰুৱা পিবচাইৰ হাতত দিলে। গোহাঁইবোৰক আপো-নাৰ বিলতীয়া লোকেৰে চামধৰাত থাকিব দিলে, শক ১৫৬০, মাস ভাদত। ১০০ ॥

বঙ্গালৈ কটকী।— তাতপাচে মীৰ্জা-জাহিনা বৰকৰযনিত বলহি। আচামৰ বৰুৱাবোৰে চামধৰাৰ পৰা বঙ্গালৰ গালৈ মানুহ পঠালে বোলে, 'সিবোৰ যে ইঠাইক আহিছে, লোগাযিক মনে আহিছে কি আন কিবা কামে আহিছে তাক আমালৈ কৈ পঠাওক।" বঙ্গালে বোলে "সিবোৰে যদি বনৰ হস্তী, বনৰ আগৰ কাঠ, সোণা মৰিচ দিয়ে তেবে আমি লোটাই নকৰো ই কথা এটা উকিলত কৈ সত্য-কবুল কৰি কৈ পঠাব।" পাচে সেই সময়ত মোমাই তামুলী বৰবৰুৱায়ে অভয়পুৰীয়া বাৰুৰতীৰ ভিতৰৰ সনাতনক আনি কটকী কৰি পঠালে। বৰুৱাবোৰে বোলে "ছয় মহিনাৰ পথ দেৰ মহিনালৈ দিন দিলোহে স্বৰ্গদেৱত জনাই সিবিলাকৰ বাঞ্ছিত পূৰ্ণ কৰিব পাৰোঁ, আন অৰ্থে কি কন্দল কৰিম?" নবাবে বোলে, "ভাল দেৰ মহিনাতো আমি এই জাগ্যাতে ৰহিম, তুমিও শীঘ্ৰে স্বৰ্গদেৱত জনাও।" এই বুলি আমাৰ কটকী পঠালে। ১০১ ॥

নাওবৈচাৰ বিশ্বাসঘাতকতা।—কটকীৰ নগৰ এটা নাওবৈচা পলাই নবাবত কলে, বোলে, "কটকীয়ে যি কৈছে, সকলে মিছা, গড় আওতাই যুদ্ধলৈছে দিন লৈছে।" পাচে নবাবৰ মনতে থাকিল। পাচে বঙ্গালক ৰাখি গড়-প্ৰাঙ্কী তিয়াৰ কৰিলে। পাচে আচামে বঙ্গালৰ গালৈ সনাতন কটকীক পঠালে, বোলে, "বনৰ হস্তী যি খুজিছে হস্তী চাৰি লাদকো নিদিওঁ, বনৰ আগৰ কাঠ যি খুজিছে কাঠ চাৰি ভগাকাঠকো নিদিওঁ, ঝালুক যি খুজিছে ঝালুক চাৰি চেৰকো নিদিওঁ, সোণা যি খুজিছে, সোণা চাৰি ৰালিকো নিদিওঁ।" ১০২ ॥

কটকীৰ অপমান।—এই কথা বঙ্গালে শুনি নাওবৈচাক আগলৈ আনি হাদিৰাই সুধি জুৰি বাত কঁহ বুলি দুই সীমাৰ মাজত আমাৰ চকীৰ আগত কটকীক পানীত বান্ধি পেলালে। পাচে আমাৰ চকীয়ালে দেখি নাও মেলি ধৰি তুলি আনিলে পানীৰ পৰা। দখিণকোলে বৰবৰুৱা চৰ্দাৰ, তিনিজনা গোহাঁই চামধৰাত পূৰ্ব্ববতে আছে, পানীত পিকচাই চোটিয়া চৰ্দাৰ। প্ৰথমে বঙ্গালে উত্তৰকোলে চামধৰাত নাৰে-তৰে বৰগোহাঁইৰ গড়ত ধৰিলেহি। তাৰ লগে ৰাজা প্ৰাণনাৰাণো আহিছিল। চাৰি দণ্ড বেলাৰ পৰা গধূলিহে এৰিলে। বৰ ৰাইল যুদ্ধ হ'ল। বঙ্গালৰ শৰে উত্তৰাকোলৰ গড়ৰ খাৰৈ উপচিল। সেইপোনে বঙ্গাল এটা জাখৰ পিন্ধি গড উঠিলহি। পাচে আচামে হিলৈয়েৰে কোবাই মাৰিলে। দখিণকোলে যুদ্ধ নহ'ল। নাৰেও যুদ্ধ নোৱাৰিলে। সিদিনা নোৱাৰি গধূলি ভড়ৰী পাৰ হৈ ৰহিল, শক ১৫৬০, মাস মাঘ। ১০৩ ॥

বঙ্গালৰ পৰাজয়।—আনকাদিনা বঙ্গালে উত্তৰকোলে চাৰি দণ্ড বেলাৰ বাট জুৰি বুঢ়াগোহাঁইৰ গড়ত ধৰিলেহি। আমাৰো তিনিজনা গোহাঁই, ৰূপ সন্দিকৈ, মৰঙ্গিৰ পাতৰ, আনো যত ফুকন, ৰাজখোৱা, হাজৰিকীয়া, শইকীয়া, এই সমস্তে প্ৰাণটাকিও যুদ্ধ কৰিলে। বঙ্গাল যদি ইফৈদ পৰে আৰু ফৈদ উঠি ধৰে, এইমতে বাৰম্বাৰ যুজি বঙ্গাল হাৰিল। ছৈয়দ কাঙী এক চিপাই মৃত্যুকো নগণি গড় উঠিলহি। তাক তত্কালে মাৰিলে। আৰ দিকৰাই নদী, গডখাৰৈ বঙ্গালে উপচিল, । আৰ নাৱৰ যুজত বিস্তৰ বঙ্গাল গুলী লাগি মৰিল। তেবে তিনি দিন অন্তৰে যুজে নোৱাৰি মীৰ্জা-জাহিমা, আহ্লায়াৰ-খাঁ, আপামাযোদ, জোমা, মাচিম-খা, ইচ্পিঞ্জৰ, মীৰচান্দ, প্ৰাণনাৰাণ, ৰামচন্দ্ৰ, কাঞ্জি, উত্তম, এই সমস্তে বিমুখে গল। পাচে গুৱাহাটীত ৰহিল, ১৫৬০ শকত, মাঘ মাস। ১০৪ ॥

দুই বৰুৱালৈ বঙ্গালৰ পত্ৰ।—কাজলীৰ দুই বৰুৱাৰ গালৈ কেমলজান উকিলক পঠাই সন্দেশ-পত্ৰ ৺ৰ নামে দি পঠালে।

পত্ৰ এই—

মহামহিম শ্ৰীযুত বৰবৰুৱা ও চেটিয়া গোহাঁই মহাশয়েষু—

সগৌৰৱ লেখনং কাৰ্য্যঞ্চ আৰ তোমাৰ ৰাজোন্নতি হামেচা চাহি, ওপৰং ৺শ্ৰীশ্ৰীযুতেৰ থানে উকিল কেমলজান এক আদমিকো ভেজোহে, তোমৰা দুই জনৰ বকিছুদতে খাতিৰ খুচি হইবেক, আৰৰ চৰ্কৰাজ দুই জনেৰ সাথ অৰ্দস্ত কৰিলে শ্ৰীশ্ৰীযুত ৺প্ৰসন্ন হৈবেক, অতএব আমি তোমাৰ চাগিৰ হৈলোঁ, তুমি আমাৰ সলাহকৰ, আৰ তোমাৰ দিকিৰ বৰম্বদৈ সওদ আমাৰ মল্লুকেৰ চা-মহাজন সাউদেৰ টৌল বতাযা খৰিদ বৰ, যে জৌখ-জোখো বস্ত লাগে সে ভাগায়া পয়দা কৰ। ইহাকৰ কাজ-কাম, মাল্লুম হৌযে, অধিক কি লেখিম। আপুনি জানন্তা হোগা, ইতি—জিলকাজ ১৫৬০ শক, মাস ফাল্গুন, ১০ দিন গতে। ইতি।

সন্দেশ—,ঘোঁৰা ২ চন্দন কাষ্ঠ ২ মোনা, টাৰ ২ মুঠা, লাহৰি ২০ কুৰি পামৰু ৩০ কুৰি, চিত ৫ খন। আৰ বচনে বুলিলে, '৺দেৱ ৰাজাক আমি বাপ টাকিলোঁ। ৺ত কৈ আমাকো হাট-বাট দিযোক।" এই বুলি উকিল পঠালে। ৺ও সকল ঠাইৰ মানুহ আহিব দিলে। পৰ্ব্বতীয়া নগাও আহিল। পাচে ৺ৰে শুনি তাৰ যি বস্তুজাত আনিছিলে, সকলোকে ওলোটাই দিলে। ৺দেও তাক অনেক বস্তুজাত, টকা, বাহন দি বিদায দিলে। ১০৫ ॥

স্বৰ্গদেৱলৈ আহ্লাযাৰ-খাঁৰ পত্ৰ।—পাচে মাচিম-খাঁ, মীৰ্জা-জাহিনা, ইসব প্ৰমুখ্যে ভটীযাই গল। গুৱাহাটীত আহ্লাযাৰ-খাঁক থৈ গল প্ৰীতিৰ ওপৰে। আহ্লাযাৰ-খাঁ নবাব আহোমৰ সমুখে ৰহিল। তাত পাচে বৰ-বৰুৱা, পিকচাই চেটিয়া, আহ্লাযাৰ-খাঁযে উত্তৰে বৰনদী, দক্ষিণকোলৰ অসুৰালি সীমা কৰি ৺দেৱৰ ঠাইক পত্ৰ-শন্দেস দি ছেক্-মেদা কটকীক পঠাই প্ৰীতিয়ে থাকিল।

পত্ৰ এই—

স্বস্তি সকলমঙ্গলাগাৰ-বিবিধ-গুণালাঙ্কৃত-সুৰ-নদী-সলিলং নিৰ্ম্মল-যশোৰাশি পৰিপূৰিত-কলেৱৰ শ্ৰীযুত বৰবৰুৱা সুচাৰু-চৰিত্ৰ-বিচিত্ৰ মন্ত্ৰীবৰেষু—

সৌহার্দ্দপূর্ব্বক লেখনং কার্য্যঞ্চ ইথানেৰ কুশল, তোমাৰ কুশল মঙ্গল হামেচা বাঞ্ছি, পৰং তোমাৰ ফৰমাণ নজৰেত জানিলোঁ, নও দিন দিন দোস্তি হামৰ হইবেক, অতএব তোমাৰ আমাৰ মাজে কিঞ্চিত দিলগিৰ নেস্ত, আৰ তুমি বুলিছ উত্তৰে বৰনদী দক্ষিণকোলে অসুৰালি ইতি মধ্যত তোমাৰ আমাৰ লাকাৰণ ফিৰিবেক, আৰ দুই দলৰ গো-ব্ৰাহ্মণৰ সুখে ৰহিলে এই ধৰ্ম্ম তোমাৰ যশ প্ৰতিষ্ঠাতেসে সুমান দুইহানাৰ যুগাদি হৈলে ওগযৰস মল্লুকে খোৰমি হৈবেক। আৰৰ বদনাম কিছু নাৰহিবেক। আৰ তোমাৰ উকিল সনাতন ও কানু শৰ্ম্মা ইহানাৰ সঙ্গে ও আমাৰ আদমি ছেক-মেদা ও ঝাৰখাণ্ডৰ ও আকাদশ তোমাৰ থানে ভেজিতেছি, শ্ৰীশ্ৰীযুতেৰ থানে হুজুৰ কয়া দশ-পাঞ্চ ৰোজত ফিৰি পহুছাইবা। এমত হৈলে তোমাৰ আমাৰ কিছু সন্দিগ্ধতা নাৰহিবেক। আৰ এমৰাৰ মুখে সমস্তে জানিবেক অধিক কি লেখিম। আপুনি সমস্তে জান।

তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—বাপ্তা ১ খন, লং ২ মোনা, চিনি ২ মোন, ৰূপোৰালী পটুকা ৩ গচ, সোণোৰালী ৩ গছ, সুগন্ধ বালা ২ সেৰ, জাইফল ১ মোন, ঘোঁৰা ২টা। ইতি, শক ১৫৬১ মাস মাঘ। ১০৬ ॥

আহ্লাযাৰ-খাঁৰ পত্ৰৰ সিদ্ধান্ত।—ছেক-মেদা ও আকাদশৰ লগত সনাতন, কানুৱে আহ্লাযাৰ-খাঁৰ পত্ৰৰ সিদ্ধান্ত নিযে।

পত্ৰ এই—

স্বস্তি নিখিল-গুণৈকধাম-সৰ্ব্বোপমাযোগ্য শ্ৰীযুত নবাব আহ্লাযাৰ-খাঁ শুভাশয়েষু—

সস্নেহপূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ এথা কুশল, তোমাৰ কুশল সৰ্ব্বত্ৰ চাহি। পৰং সমাচাৰ এই, তোমাৰ উকিল ছেক-মেদা ও আকাদশ, এই দুইজন মনুষ পঠাই দিছিলা। সে আছি পহুছিল, ইহানাৰ মুখে তোমাৰ কুশল শুনিয়া পৰম সন্তোষ হৈলোঁ। আৰ তুমি বুলিয়াছা উত্তৰে বৰনদী, দক্ষিণে অসুৰালি এমত বন্ধনিবন্ধানুক্ৰমে হদ্‌কৰাৰ হলে উভযান পক্ষে ৰক্ষা হৈল, সে ধৰ্ম্ম তোমাৰ আমাৰ যশ প্ৰতিষ্ঠা দিন দিন অন্যস্তানুৰূপে বাঢ়িতে যাইব, খালি নাহইবেক। এমত যে সুপাৰিচ লিখিছ ইগোট উত্তম লিখিছ, কিন্তু বৰ মনুষ্যৰ প্ৰীতি-কৰাৰ কদাচিত্ নাফিৰে। সেই যেমনে উত্তৰোত্তৰে ৰক্ষা পৰে তাক কৰিবা। আৰ তুমি যি বুলিছ দশ-পাঞ্চ ৰোজত উকিল পহুচাইবা

সেই বচনত থাকি আমাৰ সঙ্গত ৶ৰ চৰণত সমুজাই হজুৰ কৰিলোঁ। ৶ও যেমত কথা হৈল তাক তোমাৰ উকিল সমস্তে কহিবেক। পৰং পূৰ্ব্বাপৰেও নবাব সকলেৰে গুৱাহাটীত থাকি কথা-বাৰ্ত্তা অনেক হোৱা যায়। অদ্যাপি সেখানৰ কাৰ্য্য কৰিতে ভাৰ তোমাৰ ওপৰ, ই ঠাইৰ আমাৰ ওপৰ, অতএৱ তোমাৰ মনে যেমত ভাল প্ৰতিবাসে তাৰ প্ৰত্যুত্তৰ তৎকাল লেখিবা। এমন্ত হইলে তোমাৰ আমাৰ মৈত্ৰী কিসক নাৰহিবেক্। আৰ বাকী সমাচাৰ সনাতন ও শ্ৰীকানু এমবাৰ মুখে জ্ঞাত হইবা। কিমধিকম্ বিজ্ঞাবৰেষু।

আৰ তোমাৰ অৰ্থে সন্দেশ,—হস্তীদন্ত ১৪টা, গান্ধ ২৭ টা, কলীয়া চামৰ ২০ টা, মৰিচ ১০ সেৰ, খড়্গ ২টা, সোণেৰে মলমা কৰা কটাৰী ২ খন। শক ১৫৬২, মাস জ্যেষ্ঠ, তেৰিখ ১২। ১০৭ ॥

মোমাই-তামুলীৰ প্ৰশংসা।—সেই সময়তে ছেক-মেদায়ে আহ্লায়াৰ-খাঁৰ আগত বোলে, "৶ৰ ৰজা নহয় সাক্ষাৎ মহাদেৱ, মোমাই-তামুলী নহয় সাক্ষাৎ নন্দীশ্বৰ, যি থানত থাকে সি থান কৈলাস। এই দুই জন থাকে মানে কোন সাহস কৰিবেক?" আহ্লায়াৰ-খাঁযে বোলে, "যি কৈছ সকলে সত্য, কৰ্ম্মানুসাৰে দুইৰো একোটা জন্ম।" তাত পাচে শিঙ্গৰিৰ ওচৰ গোৰাকুচি গ্ৰামত আমাৰ চকী আছিল, তাতে ভোট ডফলাৰে কিনা-বিকা কৰিছিল। এনেতে আমাৰ ছয়গুণ মানুহ সহিতে দুৰাৰ্দ্দাৰৰ বেটা শত্ৰুসনে শিঙ্গৰিৰ গোপেশ্বৰ ৶৶ৰ ঠাইত থাকি ভোট, ডফলা, দৰঙ্গীৰ চুটিয়া কোঁৱৰৰ মানহ-দুনুহতো সহিতে সকলেও অন্যো-অন্যে কিনা-বিকা কৰিছিল। ১০৮ ॥

ভিতৰুৱা মনান্তৰ।—এনে সময়তে ব্যামত-খাঁ বঙ্গালে গোপেশ্বৰ ৶৶ৰ ৰূপৰ খুৰী ৰূপৰ নালেৰে ঠুঙ্গুৰি সোমাই লৈ আহিল। পাচে শত্ৰুসনে বোলে, "৶৶ৰ বস্তু কিয় নিব?" বঙ্গালে বোলে, "ভোটে দিয়া বস্তু, আমায়ে যে বাধে সিঁহতে বাধিবৰ কি?" এই বুলি তিনিটা মানুহ মাৰি ধৰি গোৰাকুচি গ্ৰামত এৰি গল, বস্তুকো নিলে। এই কথাতে থাকি আমাৰো শত্ৰুসন দুৱৰীয়ায়ে ৰমন পৰ্ব্বতৰ কোমৰ পৰা দুটা শেন, তিনিটা তুতিৰা, বঙ্গাল ২৩টা ধৰি বন্দীকৈ থলেনি। তাৰ লগত পহলন কেইটামান পলাই আহি কামৰূপৰ সোধ-পোছ কৰিবাক মুৰ কৰি পৰমাই ব্ৰাহ্মক দিছিলে। সি গৈ তাত কলে, , সিয়ো মীৰ-খচলু কানগুই চান্দ-খাঁ দেৱানেৰে আলচি, আহ্লায়াৰ-খাঁত কলে, বোলে, "চাহাবে আচামেৰে এখন একলাখ প্ৰীতিৰ কাৰণ কি? পাৎসাৰ তামচাৰ বাজ-তুতিৰা সহিতে মানুহ ধৰি দুখ দিলেই, এমন্ত

হলে উভয় দলৰ মধ্যত কেমন প্ৰীতিৰ সৰিয়ত ৰহে, ৰাৰম্বাৰ এমত কৰি থাকে, তত্ৰাপি চাহাবে যে এমত বুজ নাকৰে ইগোট ভাল নহব। এতিয়া তোমাক আমাকো নাজানি কি কৰে আচামে।" এই প্ৰকাৰে অনেক নবাৰত কলে। এই কথা শুনি নবাবেও মনে বিমৃশা কৰি নবাবৰ নাতিয়েকক মীৰজা-ভেলাক পত্ৰ-সন্দেশ দি ৰৰবৰুৱাৰ ঠাইত উকিল কৰি পঠালে। ১০৯॥

নবাবৰ পত্ৰ।—পত্ৰ এই—

স্বস্তি সকলগুণৰাশিসম্পন্ন-অশেষ-বিদ্যাবিদবিনোদ-বিশাৰদ-সুকুল-কমল-বিস্তাৰিত-ভাস্বত-সাদৃশ্য-জ্যোতিৰ্ম্মান-সদ্‌কীৰ্ত্তিনিকৰ-শুভ্ৰ-পৰিত্ৰ-নিৰ্ম্মল-কলেবৰেষু, শ্ৰীযুত বৰুৱা গোহাঞি বৰফুকন জিউ মহানুভাৱ-সচচৰিত্ৰেষু—

শিবশুভসতঃ প্ৰযোজন লেখনং মুদা কাৰ্য্যঞ্চ পৰং ও এথানে খুব দৌলত হ্যাদা মাকেঞি ৰখেৰস্ত, ওপৰসে হাযালেও হকিকৎ স্বৰ্‌জিয়ান ও এক্তাসাঞী আফিযত, ৺চাদিমে জাহিৰ সুমাকেঞ দাহানিদেস্ত। ও আগৰ বিশেষ তোমাৰ প্ৰীত-পত্ৰ স্বনুসন্নাহ যে জৌথ চেলামি সমেৎ ও সন্দন ও শ্ৰীমাধ মজুন্দাৰ দোনা মাতব্বৰ্কো আদমি ইতৰ্ফকো ফেৰিস্তান বোধ, তাহলে দহন তামাম্ খবৰকে গোস্তান চুমাকে দোস্ত ৰফায়েত, দোতৰককে চিফতচফায়ত পৰস্পৰে ইসব ৰোজ চুমা মামাম তথ বদাৰদ ওদিগিৰ ভোট, ডেফনাসে শ্ৰীশ্ৰী৺৺ চাহেবকা চৰকাৰী দিনমাহমুদ ও গয়ৰহ ২৩ আদমিকো বুৰিদস্ত এমত জবাব বাৰ বাৰ লেখ। এইৰূপ দোষ্টি সবুত্তৰে আজ জানিব, মালুমা ছুৰিযদ মদাৰ, বিশেষ তোমাৰি দুৱাৰদ্দাৰে লাড়কা ৺কে খোচহাল শিকাৰী-ছয়কে বাজ ও আগৰ চাহেব চাদিমাস তুতিৰা সুমাত্ত আদমি চিবাকে নামে গুজাৰৎ, ও বাজ ও তুতিৰা ও গয়ৰসকো আদমি ও কিছু আস্তে মেৰন্দদ্, ও আবৰ্ষ হায়ান মুৰদেস্ত ও আমাৰে এতবাৰি চান্দ-খাঁ ও বাজ-চেকাৰ পহিলমে জবাব ৰতায়ত তথাচ ও বাজ ও তুতিৰা ও গয়ৰসকে আদমি সব হাৰামখোৰ নিগা দাস্ত, নয়ো হাৰায়ালা মেকুনদ ন বাজমে গৰ্দ্দদ। আৰ আমাৰ কেমনে একলাস-বাতে খাতিমে কুনদ, আৰ যে কৰিছ সে তোমাৰ ভালাই, দৌলত নিগাদাস্ত। ই অলপ কাৰ্য্য। তাহাৰ সমাচাৰ এই, আৰ অধিকত কহিব হামাঠেৰ নবিৰস্ত। ও মীৰ্জা-ভেলা যেৰূপ বাকী হকায়ক খেৰখেৰ জাহিৰায়ে সেৰূপ আমাৰ মলুকেৰ কামেৰ সৰ্দ্দাৰ আদমিকো খাহেদ গুজাস্ত। ইতি সহৰ, জুমাদিৰোল, শক ১৫৬২, আমৰ্দ্দাদ ভাদ্ৰ, তেৰিক্ষ ১১।

সন্দেশ,—বানত ১ খন, পালেঙ্গপোচ ২ খন, লং ৪ সেৰ, বাঘথলীয়া দলিচা ২ খন, হোমকাস বাখৰ ৩ সেৰ, চিনি ২ মোন, লোণ ৭ মোন। ১১০॥

কটকীৰ আশ্বাস।—সেই সময়তে আমাৰ দুই কটকী আহ্লায়াৰ-খাঁৰ ঠাইক পাঠাইছিলে। আমাৰ দুই কটকীক ছাহবুৰুজৰ ওচৰত থৈছিলে, সিইঁতক ৰোজ দিছিলে,—চাউল ২০ মোন মচুৰ ৫ মোন, মুগ ২ মোন, মাহ ৩ মোন, ঘিউ ১০ সেৰ, ঝালুক ২ চৰু, লোণ ২ মোন, পাণ ২ পাচি, তাতৰ ২ পাচি, আদা ৪ চৰু, মাছ ২০ কুৰি, তেল ৪ কলহ, চিনি ৪৬ সেৰ, খাহি ২টা গুৰ ৪ কলহ। এইৰূপে ৪ দিন অন্তৰে ৰোজ দিছিলে। ৪ দিন অন্তৰে নবাবৰ ভিতৰ কৰি নিছিলে। সেই সময়তে এক দিনা আহ্লাযাৰ-খাঁযে বোলে, "গড়গ্ৰামলৈ কেতি ৰোজৰ পথ?" আমাৰ সনাতন উকিলে বোলে "চাহাব, গড়গ্ৰামক লাগি ২ মহিনাৰ পথ।" এনেতে দুৱাৰদাৰৰ বেটা জযানন্দে বোলে "চাহাব ৮ ৰোজৰ পথ,—উকিলে মিছা কহে।" পাচে নবাবে বোলে, "এখন তোমাৰ বৰমুদৈ দুৱাৰদাৰে ৮ ৰোজকে বাট কহে, তুমি কিছুৱাস্তে দোমাহিনাকে বাট জুট কহ?" সনাতনে বোলে "উদয়-গিৰিৰ স্বৰ্গ দেজা অস্তগিৰিৰ দিল্লীৰ পাৎসা দুই জনাও পূৰ্ব্বাপৰ উকিল যি কহে তাকেহে সত্য মানে। এখন তুমি যে দুৱাৰদাৰ মুদৈ সে মহাজন আৰ মুখেহে সম্বুজ কৰহ। আত আমাৰ খানিকো দিল্পিৰ নাহি কৰোঁ। তুমি আপোন মাফিক খুচি কৰ আমি যো কুছবাদ কহো সব সত্য কহোঁ।" পাচে আহ্লাযাৰ-খাঁযে বোলে, "উকিল যো কুছবাদ কহ সব সত্য। সিটো ব্যাপাৰি তাৰে বাদ্ নাসম্বুজ বৰো।" পাচে আমাৰ উকিলক বঁটা-বাহন দি বিদায দিলে। বিদায দিযো তেওঁ পত্ৰৰ সিদ্ধান্ত পত্ৰতে পাই পুনৰ্ব্বাৰ-চন্দ্ৰনাৰাণৰ কথা একো নকলে। আমাৰ উকিলৰ লগে পুনৰবাৰ ছেক-মেদাক পঠালে। ১১১॥

আহ্লায়াৰ-খাঁৰ বৰবৰুৱালৈ পত্ৰ।—পত্ৰ এই—

স্বস্তি সকলমঙ্গলালয়-পৰম-সুপ্ৰতিষ্ঠিত শ্ৰীযুত বৰবৰুৱা গোহাঁই ও শ্ৰীচেটিয়া গোহাঁই মহামহোগ্ৰ-প্ৰতাপেষু—

লিখনং কাৰ্য্যঞ্চ আদৌ তোমাৰ কুশল সৰ্ব্বথা চাহে, সাম্প্ৰত তোমাৰ মেহৰবানি দিন দিন নজিক আবাজেমাম হামৰাহ হৌৱে। আৰ তুমি যি পত্ৰ মনুষ্য তাগিদ ভেজিলেক সিটো চিতাপ পহুছিল। তাহনাৰ মুখহত শুনি, সাক্ষাৎ ৰূপ পত্ৰচালামি চসমদিদ কৰিযা জানিলাম। পত্ৰাৰ্থবিদ প্ৰস্তুত কাজ-

ৰূপ উচিত, যাতো তোমাৰ আমাৰ একতা-মৈত্র ভাৱৰূপ কাপ্রতিষ্ঠা আৱক্তাব সদৃশ সাক্ষাত ৰহে ইসোওঁ আস্তে। অতএব খুব হকিকতনা ভেদ দৌৰ-দোস্ত কফদস্ত চড়হা উভয়পক্ষ নাভেদ দোহান মধ্যজোৰ তমন্নিল পৰম খোদাই-পেকম্বৰ সব মাফ কাৰ । একাৰণ আমাৰ দৰবাৰেৰ অহোৰ ধাৰাণ ৰহে, তোমভি এমত্ত কৌলি কৰন্নাৰে সব দোজখ নবচৰ্চ্চ খোদজাতে মুৰ্ছিদ, গোস্ত যেজৌথ ধৰ্ম্মজাহান ওপৰ তোমাৰ আমাৰ দৌলত একৈতা দোস্তৰহে। এতে উভয়দি গদৰিযা ৰায়ত গো-ব্রাহ্মণ পৰোযৰ পালনকৰণতা সৰ্ব্বত্র বলবৰ্ত্তিতা হোৱে এমত্ত হৈতে তোমাৰ আমাৰ যে যে দুস্মন তাহে অন্তঃকৰণ যে মগৰুৰ গৰ্ব্ব সেহি সাহজিক চগজাৰ যাহে কাঁহি জান অধিক কত কত কহিব। তোমাদেৰ উকিল সনাতন ও শ্রীকানু শৰ্ম্মা আমাদেৰ ও ছেক-মেদা এমৰা সাৱশেষ কহিবেক যাতে প্রীতিৰ ওপৰ ৰহে কমিতা নাৰহে তাৰেক কৰ। ইতি সহৰ সৌংতন, ১৫৬৪, পৌষ মাস।

সন্দেশ,—বানত ২ খন, সোণাৱালী পাগজমা ২ গজ, পটুকা ৪ গচ, লং ৩ সেৰ, জাইফল ১ মোন, স্বফেদ কাষ্ঠ ২ সেৰ, বাণ্ডা ২ খন, চিনি ২ মোন, লোণ ৫ মোন। ১১২ ॥

স্বৰ্গদেৱ আৰু কটকী।—পাচে ছেক-মেদাক বাবাণে তুলি বৰুৱাৰ ঠাইতে ৰাখি আমাৰ দুই কটকীক সেই বাৰ্ত্তাযেৰে ৺ৰ ঠাই পঠালে। ৺ও এৰূপ কথা-বাৰ্ত্তা শুনি সন্তোষক পালে। সেই সময়তে দুই উকিলক ৺ৰে বোলে, "বামুণীৰ পুতেক তইঁতত আৰু কোনো কথা-বাৰ্ত্তা আছেনেকি ?" সিবোলাকে বোলে, "দুই আমাৰ মান কথা আছে। ৺যে যদি পুনৰ্ব্বাৰ নোসোধে আমি বন্দীইঁতে কব খোজোঁ।" ৺এ বোলে, 'নোসোধোঁ।" পাচে সনাতন কটকীয়ে বোলে 'বনৰ হস্তী অনেক যত্ন কৰি আনি ৺ৰ শালত গলত চেপা দি থৈছে। তাক মেনি দিলে শানতে থাকে কি বনলৈকে যায় ?" আৰু বোলে '৺ৰ বন্দী-বেটী বিদেশলৈ পাঞ্চে তৈতে মৰিলে তাৰ লৰা-লুৰিটো ৺ৰে ৰাজ্যত থাকে কি বিদেশলৈ এৰি দিয়ে ?" আৰু বোলে, "পিতৃ, মাতৃ, ভাতৃ, সকলোৰো একে শৰীৰ একে অঙ্গ যাতো বস্ত্রে আৱৰি থাকে, এই কাৰণেহে সকলোৰে মৰ্য্যাদা ৰহে। আমি বন্দীইঁতে কিছু নাজানো, যি কৈছোঁ সকলো অশুধ। ৺দেৱৰ চৰণে যদি বাচ-বিচাৰ কৰি ৰাখে তেহে।" এই বুলি সিবোলাক চাঙ্গৰ পৰা নামি আহিল। ৺দেৱেও পুনৰ্ব্বাৰ বঙ্গালনৈ পাঞ্চিলে। ইবোলাকেও যাওঁতে

বৰুৱাৰ ঠাইত সকল সম্ভেদ লৈ বোলে, "৺এ ব্ৰাহ্মণক বাখিব তেবেসে আমাত ব্ৰহ্মবধ নালাগে।" সেই সময়ত অভয়পুৰীয়া লেতেৰা দাধৰাৰ পুতেকক ৺এ জগলু সহিতে বৰুৱাৰ ঠাইলৈ পঠাই সুধি আহিল। ৺দেৱে বোলে, "কটকীইঁতে যি কৈছে তাৰ কথা-বাৰ্ত্তাৰ যুগুতি আশয় জেঠৈৰীয়ে মোলৈ কৈ আহোঁক।" পাচে বৰুৱায়ে ৺দেৱৰ চৰণলৈ প্ৰাৰ্থনা কৰি ব্ৰাহ্মণৰ অৰ্থে জনাই আহিল। ৺ও ভাবাছোঁ বুলি বোলে, "কাটিলোঁহতে যাতো জেঠৈৰীয়ে মাতি আহিছে, বামুণীৰ পুতেকে মাতি গৈছে, এই কাৰণেহে নাকাটিলোঁ। তথাপি জেঠৈৰীয়ে ভালৰূপে শিখাই দিযক।" এই বুলি চাঙ্গৰপৰা ৬ সজাতিক গোটাই খেদিলে, তাৰ পুতেক জযানন্দক নিতান্তে জগলুৰ হাতে অনাই ১০টা ১০টা কিল মাৰিছিল যাতো পূৰ্ব্বে ৺ৰ আগত সনাতন কটকীক কুটাৰ পো বুলি সজাতিয়ে গালি পাৰিলে। তাকো উলটি গালি পাৰিলে। ৺দেৱে দুইকো গোটাই খেদিলে। সেই কথা সনাতনৰ মনতে আছিল। সেই কথাতে ছল পাই তাকো এই ৰূপ কৰিলে। পুনৰ্ব্বাৰ ছেক-মেদাকো ৺এ ধাৰাণে বিদায় দিব দিলে, বৰুৱাও বঁটা-বাহন দি বিদায় দিলে। পুনৰ-বাৰ আহ্লায়াৰ-খাঁয়ে ৰচিপ-খাঁ, মুহুৰ-খাঁ, দুই উকিল আমাৰ কটকীৰ লগত পঠাই দিলে। ১১৩ ॥

আহ্লায়াৰ-খাঁৰ বৰবৰুৱালৈ দ্বিতীয় পত্ৰ।—পত্ৰ এই—

স্বস্তি সকলমঙ্গলৈক-নিলয-পৰম-সুপ্ৰতিষ্ঠিত-কলেবৰ লিখিতং

শ্ৰীযুত বৰবৰুৱা গোহাঁই ও চেটিয়া গোহাঁই সুহৃদয়ৰ চৰিত্ৰেষু—

সৌহাৰ্দ্দপূৰ্ব্বক লেখনং কাৰ্য্যঞ্চাগে আগেয়ে তোমাৰ দৌলত খুব মঙ্গল জাহানকেৰৰ নমিত্ত উপযুক্ত ৺৺ৰে ৰাখতাহো। পৰে তোম্ভি আশিস আমাৰা, সৰ্ব্বথা চৰবছৰ ওপৰ মাফিক হৈয়া জাহিৰ, তথা সমেত হোৱে এখন তোমাৰ একইত দোস্তকে বাৰ্ত্তা হামি-চ ঘেৰ ঘেৰ ও আমাৰ সাথ ভেজিতে বহ। আমিও পূৰ্ব্ব পূৰ্ব্ব ওমৰাওসকলেৰ যে সৌহাৰ্দ্দি অভিমত্ত সেসব খাতিৰ ৰছিদকে খোৰমি হৈয়া ৰচিপ-খাঁকে ও মুহুৰ-খাঁ, দুই জন আদমি তোমাৰ পাচ ভেজিতেআছি। আহনাৰ সঙ্গে জনেক মনুষ্য সুচাৰকৰে গুজাৰ হঁক ৰচুলকে পহুছাৰ উচিত ৰহে। এমন কৌলিকে যেহি যেহি প্ৰযোজন চিত্তকে ওপৰ বাঞ্চিত চিত্ত সেহি তমাম্ দোভি দলেৰ সীমনা ৰহে। পাহাৰ-শক্কাস চুপজ গুদজানিতে ৰাখতাহো। এতেকে তোমাৰ আমাৰ চিত্ত বিকৃতভাৱ নাহি ৰহে। যি কাৰ্য্যত দোপক্ষৰ ৰায়ত গো-ব্ৰাহ্মণে ছৈয়দ সুখি তা খুৱ মিত ৰহে সেহি ভাৱ উভয় পক্ষাভিৰত কৰ্ত্তব্যতা ৰাৰেৰ সব গৰজ দিলাগিৰ

বদকৌলি তাৱত সাবশেষ তোডকাহে, নাযাতাহোঁ, ফেৰ ওঁ আবৰ সাম্প্ৰত যাতাহে। অতএব তুমি আমাৰ যেখন যি কাৰ্য্য তাগাযত হুকুম কৰ সেহি ৰূপ অভিলাস আভিৰত হৈবেক। এত দোস্ত প্ৰীত্যৰ্থ সারকাশ বহে। আৰ এখন যে লিখিযাছ লাঁল-খাঁ তোমাৰ নজিক বহে। এহিৰূপ ভেদতা তোমাৰ দুৱাৰদাৰেৰ বেটা নামাকুল শক্রসেন ও জয়ানন্দ অন্য শত বাৰম্বাৰ দাচুচ কেমত হজুৰ কৰহে এক হেঙ্গল ছেৰৰাই মিত্র নবাব সে আদমিকো বোকচাকে খানা গুস্তেতু তাবেক হৈতে এমত অপৰিতোষ না বিচাৰ কৰ অপৰীযাৰ্মিত ৺পাৎচাহাবৰ মলুকেৰ লোকসৰম্র সারকাশ হৈযাছে। কোনো জনে কাক ৰাখিতে সামৰ্থ বহে আপোন মাফিক বহে কৰ্ম্মানুসাৰে, দৌৰ চড়ে আসিতো কোন ওজকে যাতাহোঁ, নিবর্স নাজনন্তাহে, আৰ অধিক কি কহিম। হামাৰ চিত্তকে অশন্ত থানিক নাহিবৈ। এথা আৱৰ যেকি বাকীত বহে তোমাৰ উকিল সনাতন ও শ্ৰীকান্ত সাৱধানে হজুৰ কহিবেক। তুমি আপোন বিচাৰপূৰ্ব্ব দানিস্তমন্দ হোঁতাহেঁ, ইতি, সৰবৰিছ শ্যানি ১৫৬৫, শ্ৰাৱণ, তেৰিক্ষ ১১।

সন্দেশ—বানাত ১, পানেঙ্গপোচ ৫, লং ২ সেৰ, জাইফল ১ মোন, চিট ২ খন, হেমশশ ২ খন, বকবাখৰ ৫ সেৰ চিনি ২ মোন লোণ ৮ তোম। ৰচিপ্‌-খাঁ, মুঙ্গৰ-খাঁ দুই উকিলক ৺ত জনাই বৰফৱাযে বিদায দিলে বঁটা-বাহন দি। ১১৪ ॥

ভিতৰুয়া কাজিয়া।—এই কথাৰ আগে জাহিনা-যুদ্ধৰ সময়ত ৺পাৎ-সাব চৰকাৰি দিন-মহম্মদ নাম বঙ্গাল ১ টা ৰচিপ-খাঁ ১, নন্দৰাম-খাঁ ১, এই তিনি প্ৰমুখ্যে ২৩ বঙ্গালৰ বেহনীয়া মানুহ শিঙ্গৰিব কোখে গোৰাকুচি-গ্ৰামত ভোট ডফলা সহিতে তাতে কিনা-বিকা কৰি আছিল আমাৰ মানুহ সহিতে। আমাৰ মানুহ ১ টাক দ্বন্দ কৰি ছুৰী হানি মাৰিলে, গাভৰ নায়কৰ লগৰ ১ টাৰ মূৰ ফালিলে নকুল লস্কৰৰ লগৰ এক ঢেকেৰিক কাটিব খুজিলে, পলাই তিনিও এৰাই বৰৱাৰ ঠাইত গুচৰিলে। বৰৱায়ে বোলে, "আমাৰ খাওাৰ চেৰবঙ্গাল দাঁতি-কচৰা সোমাই এৰাইছে পলাই, সি যে আমাৰ মানুহক এনে কৰে তাক ভোটে কটা ভাৱে ত'তে কাটোক, জগলিকো দিলে লগত ঢেকেৰিয়ে সহিতে গৈ কাটিলে। তাৰ লগৰ লাল-খাঁ বঙ্গাল পলাই আহুলাযাৰ-খাঁৰ ঠাইক গ'ল। সকলে সমাচাৰ নবাবত কলে। নবাবেও বঙ্গালৰ জমিদাৰ মাচিম-খাঁৰ বেটা ৰচিপ্‌-খাঁ আৰ বাইৰবন্ধৰ ৰঘুৰাই চৌধাৰী এই দুই জনক পত্ৰ-সন্দেশ সহিতে এই কথাৰ উকিল কৰি পঠালে। ১১৫ ॥

নবাবৰ উকিলৰ বিবাদ।—আহলায়াৰ-খাঁৰ পাচত নবাব খাঙ্কাৰি আছিল থানা গুৱাহাটীত ১, তাৰ পাচত চৈয়দ হাচান নবাব ১ তাক খেদি মীৰ্জা-হাঁচান নবাব হ'ল, সিও ১ বৎসৰ আছিল ১। তাকো খেদি চৈয়দ-হাচান নবাব হল ১, সিও গুৱাহাটিতে মৰিল। তাতো পাচে চৈয়দ-কুটুক নবাব হল। তাকে নাক-কটা হুচনো বোলে ১। তাত পাচে নবাব চৈয়দ কুতুব আসিল, সিও ৩ তিনি বৎসৰ ভোগ কৰিলে ১। তাত পাচে চৈযদ-চালাহ সিয়ো ২ বৎসৰ থাই মৰিল ১। তাত পাচে মীৰ্জা-নাথুলা আহি ৫ বৎসৰ ভোগ কৰিলে। নাথুলাযে বোলে 'আহলাযাৰ-খাঁ নবাবৰ কাল পৰ্য্যন্তে আমাক অৱধি কৰি প্ৰীতিসে চলিছে এক বিংশতি বৎসৰ। এখন আমিও সেইৰূপে থাকিলেহে ভাল।" এইৰূপে সমালোচন কৰি কলিযাবৰলৈ মহমদ-খাঁকে পহলনাকে পঠাই দিলে পত্ৰ-সন্দেশ সহিতে। ৬লৈ যিখান লেখিছিলে সি খানত মহমদ-খাঁৰেহে লেখিছিল পহলনক লেখা নাছিল। এই কথাতে মহমদ-খাঁযে বোলে 'মইহে পাৎসাৰ উকিল পহলন যে ইটো নবাবৰ বৰ-কান্দাৰিহে, মোৰ সমান নহয়।' এই কথাতে পহলনক কলিযাবৰতে ৰাখিলে গড়গ্ৰামৰ নেনিলে। পহলনে বোলে, মই যে সামান্য, মহমদ-খাঁনো কিমান ডাঙৰ? মহমদ-খাঁযে বোলে 'সত্য কথা কহিলে কিয় ভুট বোল।" দুযো উকিলৰ দ্বন্দৰ সমাচাৰ ৬ৰ ঠাইত জনালে। পাচে ৬ৰ আজ্ঞাযে চোৰিযা গোহাঁইযে বোলে আমাৰ ঠাইত দুযো উকিল তহঁতৰ মুখত যে বিপৰীত শুনা গ ল ৬ৰ ঠাইক বাপাতিকি পত্ৰ ভেজিছে। সিখানক চাহিলে মহমদ-খাঁহে উকিল। পুনৰ্ব্বাৰ পত্ৰত মিত্ৰ নবাবে যদি তোক লেখে মহমদ-খাঁই যিৰূপে ৬ৰ চৰণক সেৱা কৰিলে তোৰো যদি ভাগ্য থাকে তেখন তইও হাজিৰে সেৱা কৰিবাক পাৰি।" এই বুলি বঁটা-বাহন দি আমাৰ পত্ৰ-সন্দেশ সহিতে উকিল চতুৰ্ভুজ একাদহক পঠাই দিলে। পাচে নবাবত পহলনে কলেগৈ বোলে, 'তোমাৰ চাবৰ মই মোক সামান্য বুলি মহমদ-খাঁয়ে গড়গ্ৰামলৈ নেনি আচামৰ আগৰ সকাল সম্ভেদ কহে।" পাচে এই কথাতে থাকি নবাবে বোলে, "একাদহ চতুৰ্ভুজ, সুত্ৰত নানান মুকুতা প্ৰবাল, স্বৰ্ণাদি কৰি গ্ৰান্থি থাকে। সুত্ৰ নাচিঙ্গিলে মণিধাৰ হেন নাম

বোলাই, সূত্ৰ চিঙ্গিলে সমস্তে ঠাই ঠাই হই। ৺প্ৰীত-সূত্ৰ মধ্যত আছোঁতে কেমনে এক ভাৱ নাহি?" পাচে আমাৰ একাদহে বোলে, "চাহাব, বন্ধন পালিত একতাৰ নিবান্ধ সমস্ত সিন্ধুৰ প্ৰমাণ, চাহাৰৰ যে সিন্ধ-পাত্ৰৰ মধ্যাতো যে কোনোটা কেঁচাযো থাকে, পাৎসাই লোকৰ মগলিফন্দ ইবাৰহে বুজা গেল।" এই সিদ্ধান্ত পাই নবাবে খোচাল হৈ বটা-বাহন দি পুনৰ্ব্বাৰ মহমদ-খাঁক পঠাই দিলে দুই কটকীৰ লগত। ১১৬ ॥

নবাবৰ পত্ৰ।—পত্ৰ এই—

শ্ৰীযুত ৺ৰ শ্বশুৰ বৰনবাব গোহাঁইজিউ পৰমাহাহ্লিত চৰিত্ৰেষু—

নিবেদঞ্চ পূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ আৰ এথা কুশল, তোমাৰ কুশল মঙ্গল সদা সাৰশেষ চাহি। পৰং তোমাৰ ফৰমান দিদ কৰিতে ও মন জানিলাম হাৰাম অশুস্কৰণ দোস্ত বক্তাতেৰা ইস্তাদ হোৱে। অতএব পৰস্পৰে যেমন প্ৰতা আযা তেমন কৰিবেক আৰ আমিও তোমাৰে যে প্ৰস্তুত জবাব সন্তুষ্টটা হয তাবেক কৰিম। এখন আমাৰ নাজিকি ও বিবাদৰ মহমদ-খাঁ তোমাৰ দহলি জবৰ ফিৰস্তাদ হৈতেসে ও আস্তে তোমাৰ মানুষ অনুকুল কৰিয়া তুমিও প্ৰেম-পত্ৰ সহিত ইহানাৰ সঙ্গে প্ৰত্যুত ভেজিবেক। এতেকে পূৰ্ব্বা-পৰ মাফিক মৰ্য্যাদা ব্যৱহাৰ উভয তৰাফেত না কিছু কমি ৰহিবেক আৰৰ আমিও তোমাৰ একাদহ চতুৰ্ভুজ এমৰা দুই জনেৰ সাক্ষাত যি কাৰ্য্যত সোষ্টৱ সাম্প্ৰত সাহাজিক পাচিবেক। সে কাৰ্য্যৰূপ সাবশেষে জ্ঞাপন কৰিবেক। অধিক কি কহিম। আপুনি বিচাৰপূৰ্ব্বকে খাতিৰ খুচি কৰিবেক। ইতি, সন ১৫৮০।

সন্দেশ—তাৰ ২ মুঠা সুলতানি ১০ খন বানত ২ খন, মিশ্ৰ ৩ সেৰ, পালেঙ্গপোচ ৫ খন স্বফেদ কাঠ ২ সেৰ, লং ১ মোন, জাইফল ২ মোন, চৰবন্ধ কাপৰ ৫ খন ভিন মোনত দিছিলে। এইৰূপে অনেক বাৰ নাথুলা নবাবৰ দিনত উকিল-পত্ৰ গতাগত কৰি প্ৰীতিতে আছিল। ১১৭ ॥

অষ্টম আধ্যা।

হাজোত ফৌজদাৰ মীৰ্জা-নাথুলা।

আহোমৰ পাণ্ডু অধিকাৰ।---সেই সমস্ত লোকজন মৰিবৰ নিমিত্তে কালৰূপী ৺৺ৰ ইচ্ছা হ'ল। দিল্লীত চাজাহাঁ পাৎসাহ মৰিল তাৰ বেটা দাৰা-শুক্র পাৎসা হ'ল। পাচে অৰং-জাযে মুৰাদবক্সে আনাচি যুদ্ধ কৰি দাৰা-শুক্রক মাৰিলে। তাত পাচে খানখানা নবাবলৈ মাতি মুৰাদবক্সকো মাৰি পাৎসা হৈ তাৰ বৰ ভাতৃ চাহ-চুজাৰ ৰাজ মহলত ধৰিবলৈ নবাব খানখানাক প্রমুখ্যে লোক লস্কৰ পঠালে। সেই বেলা বঙ্গালৰ ভিতৰত আউল দেখি প্রাণনাৰাণে বোলে "কেৰেৰি উত্তমৰ বেটায় দুলভনাৰাণ নাম কেমনে লবে নফৰ হৈ বৰ নাম লব পাযনেবি?" প্রাণনাৰাণ ৰাজাৰ মনে নসলে।" এই বুলি তাতে নিপিচ দি তাক ধৰিবলৈ ভবানাথ কাজিক গুৱাহাটীলৈ পঠালে। দুলভনাৰাণেও এই কথা জানি দৰঙ্গলৈ পলাই আহি জয়ধ্বজ মহাৰাজৰ শৰণাপন্ন হ'লহি। এই কথা গুৱাহাটীৰ নবাব নাথুলাযে জানি তাৰ বেটা জাৰুল্লাক গুৱাহাটীৰপৰা মহখুলিত ভবানাথ কাজিযেৰে যুদ্ধৰ লাগি পঠালে। পাচে যুদ্ধ ভঙ্গ খাই পুনর্ব্বাৰ গুৱাহাটীকে আহিল। তাত পাচে ভবানাথ কাজি হাজো পালেহি। পাচে মীৰ্জা-নাথুলাযে ভবানাথ কাজিক আগভেটি যুদ্ধ দিলে। ৰণে নোৱাৰি নাথুলা নবাব ভঙ্গ হৈ পলাই গুৱাহাটীক আহিল। সেই সময়ত টিংচু সন্দিকৈযে আপোনাৰ মানুহ আহা যোৱা কৰিবলৈ কলঙ্গত দল বান্ধিলে। আৰ দুলভনাৰাণে বৰবাৰোলৰ ঠাইক আহোতে তাক ৰাখিবাক প্রতি নাৱ-নাৱৰা তিযাৰ কৰি নাৱত হিলৈ বান্ধি অস্ত্র-শস্ত্রে আগ বাঢ়ি ৰহিল। তাক দেখি মীৰ্জা-নাথুলা মহাভয় হল, বোলে, "পচিমেও ভবানাথ কাজিযে বেঢ়িছে, পুবে দেখো আচামে নাৱ-নাৱৰীয়া তিযাৰ কৰি দলং বান্ধে, আমাকেহে ধৰিবাক ইচ্ছা কৰে আমি অল্প সৈন্যেৰে আচৌ কেমনে দুযোদিকি আটিম?" এই বুলি মনে গুণি মীৰ্জা-নাথুলা ৰাতি ভাগি পলাল। পাচে প্রভাতে গুৱাহাটী পাণ্ডু-শৰাইঘাট আহোমে ললেগৈ সেনাপতি টিংচু সন্দিকৈ সহিতে, শক ১৫৮০ মাস ফাল্গুন ১৫ দিন গতে। ঘোঁৰা পালে ১৪০ বৰ-কামাগন হিলৈ ৪০, খুদ্র হিলৈ ২০০, আৰু পাৎসাৰ ভণ্ডাৰৰ যত বস্ত্রজাত আছিল সমস্তে পালে, ফাল্গুন মাস, ১৫৮০। ১১৮ ॥

জয়নাৰাযণ ৰজা।—পাচে পাণ্ডু-শৰাইঘাটত বৰফুকনে পিকচাই চৌদিযায়ে থাকিল। টিংচু সন্দিকৈ লাপেতি ফুকন প্রমুখ্যে বৰুৱাবোৰে চেচাত গড বান্ধি ৰহিল। ভবানাথ কাজিও হাজোত ৰহিল। সেই সময়ত প্রাণনাৰাণে

চক্ৰপাণি খাঔৰবাক ৺দেৱৰ ঠাইলৈ পঠাই দিলে, বোলে, "মহাৰাজা লোক দক্ষিণকোল, মই লওঁ উত্তৰকোল, তোমাৰ লোক আমাৰ লোকে এক ঠাই হুই থাকিলে বঙ্গালে কি কৰিব পাৰে ?" এই কথা ৺এ নামানি কটকীক আহিব নিদি বৰুৱাবোৰক ফিৰাই পঠাব দিলে। তাত পাচে প্ৰাণনাৰাণ ৰাজাৰ ভবানাথ কাৰ্জিয়ে আহোমক যুদ্ধ দিলে ওৱাহাটীক লৈবাব প্ৰতি। আচামৰ ভোতোলা বৰুৱা পৰিল, আৰু বাৰবতী ২ টা পৰিল। তাত পাচে ৭ দিনৰ অন্তৰে ভবানাথ কাৰ্জিও যুদ্ধে নেবাৰি ভাগি গৈ চম্পাগুড়িত ৰহিল, চন্দ্ৰনাৰাণকে চিৰাম বৌবৰবে লৈ বেহাৰক গ'ল। আচামৰ লোকে হৰি-ডেকাৰ বেটা প্ৰমুখ্যে মদন্তিত ৰহিলগৈ, বৈশাখ মাস, শক ১৫৮১। সেই-বেলা ৺এ টংচু সন্দিকৈক দায় ধৰিলে বোলে বঙ্গাল যে ভাগি গ'ল তাক বিয় গৈ নধৰিলে, আৰু বঙ্গালৰ বস্তুজাত মইহে পাব লাগে, সিহঁতে কিয় ললে ?' এই বুলি টিচু সন্দিকৈৰ দুৱৰা গোহাইৰ পুতেকৰ সদায় ডেকাক, কৌশতীনাক এই সকলক গড়গাৱঁলৈ আনি ৰজাহাতত লোৱা দি থালে। চতুৰ্ভুজ কটকীকে একাদহবে বোলে, বঙ্গালৰ ঠাইত যে আছিলি বঙ্গাল যে ভাগি গ'ল আক জানি বৰনাবোৰত নকলি কিয় আৰু বঙ্গালক দক্ষিণ-কোললৈ পাৰ নকৰিলি কিয় ? এই বুলি দুইৰো একোটা চপু কাটিলে স্বৰাও নানিলে। তদন্তৰে আচামৰ একৈদ লোক কলিয়াবৰত ৰহিলগৈ। সেই সময়ত বৰদেউনীয়াৰ চন্দ্ৰনাৰাণৰ বেটা জয়নাৰাণ কোঁৱৰে বঙ্গালৰপৰা আহি জয়ধ্বজ মহাৰাজাত শৰণাপন্ন হলহি। ৺ও তাক বৰজনা আই-পুৰৰীৰ হাতে বিয়া দি বিস্তৰ বস্তু দিলে। আৰু তাৰ মাথাত পাৰ দিয়া কামৰূপৰ ৰাজা পাতিলে, শক ১৫৮১ শাওণ মাস। ১১৯ ॥

পাণ্ডু-শৰাইত আহোম।—পাচে বাদুলি ফুকন প্ৰমুখ্যে চম্পাগুৰিৰ গড় মাৰি মাৰিলে, চন্দ্ৰনাৰাণ পৰিল। লাপেতি ফুকন, ফুলবৰুৱা ফুকন প্ৰমুখ্যে নাৱে গৈ বিজয়পুৰৰ গড় মাৰিলেগৈ। পাচে তামুলী-দলৈৰ পুতেকে নাৱে গৈ সোণকোহ পাৰ হই গুলী মাৰি পুনৰ্ব্বাৰ বিজয়পুৰকে আহিল। পাচে জয়নাৰাণ ৰজাক প্ৰতি আচামৰ লোক পাণ্ডু-শৰাইঘাটলৈ আহিল, আশ্বিন মাস, শক ১৫৮১। ১২০ ॥

বিষয়াৰ শাস্তি।—ফাল্গুন মাস পুনৰ ভবানাত কাৰ্জি আহি মানাহ্ৰ সীমা কৰি ৰহিলহি। পাচে জয়নাৰাণে বোলে "তোমাৰ লোক মানাহা পাৰ হব নালাগে, বৰদেউনীয়াক মই মিলাই দিম।" পাচে মিলাব নোৱাৰিলে। সিপাৰৰ পৰা তিনি দিন গুলী মৰা মৰি কৰি পুনৰ্ব্বাৰ চৈত্ৰ মাস বেহাৰক

গ'ল। এই কথা ৺ৰে শুনি বোলে, 'বৰদেউনীয়া যে ভাগি গ'ল তাৰ পাচে বৰুৱাবোৰে ভাগি নগ'ল কিয় ?" এই বুলি লাখটকীয়া বৰুৱা, চিৰৈৰৱা, এই দুই নেওগক গাৰিসৱ সজাত ভৰাই আনিব দিলে। জয়নাৰাণকো দায় ধৰিলে, বোলে, 'সি যে বৰদেউনীযাক বৰাযী দেওঁ বুলি কিয় নোৱাৰিলে ?" বৰফুকনেও তাৰ তামূলী এটা কাটিলে এই কথাতে। ১৫৮১ শকত চৈত্ৰ পাঞ্চৰতনৰ পৰা হাৰাম-খোৰ ছুই জয়নাৰাণ পলাই গল। ১৫৮২ শক, মাগ বৈশাখ বাদুলি ফুকন দিহিঙ্গীয়া লাপেতি ফুকন ফুলবৰুৱা প্ৰমুখ্যে হাতীচলা, বৰীতলা মাৰিলেগৈ। বৰফুকন পিকচাই চোটিয়া বালিত থাকি কামৰূপৰ যত দেবেৰি আছিল সবাকে সৰু সোণবোহ পৰ্য্যন্ত ডকাই আনিলে। সেই সময়ৰ পৰা ডেৰ বৎসৰ দেকেৰি ৰাইজ্য হাবি হৈ আছিল। আৰ সেই সময়ত ৺ৰে কাৰ্য্যৰ বিসঙ্গতি হব যেন জানি ছান্তা-খাৰ ঠাই উকিল পঠাবৰ মনে চাংমেল ছুই ডাঙ্গৰীযাসবলত পুছিলে বোলে 'ঢকাৰ নবাবে যে আমাৰে সমান পত্ৰ লেখে লেখিব পাযনেকি ?' পাচে ফুকন বৰুৱা সহিতে সকলেও অনুমোদন কৰিলে বোলে '৺ৰে যি বুলিছে উত্তমতে বুলিছে। উদয়গিৰি স্বৰ্গৰাজা অস্তগিৰি দিল্লীশ্বৰ এই দুইজন হৈ গৰিষ্ট ব্যবহাৰ সমান লেখন উচিত হব ঢাকাৰ নবাবতো ৺ৰ বন্দী বৰবৰা ফুকনৰতে যোগ্য।" তাত পাচে সনাতন মাধচৰণ দুই কটকীত সুধিলে দুই কটকীযো সেইৰূপে কলে। পাচে ৺ও শং ছুই মেল ভাঙ্গি দুযো কটকীক বন্দী কৰি থব দিলে। পাচে পুনৰ্ব্বাৰ চাৰি দণ্ড মাৰিলত পৰীয়া বহাৰ পৰা সনাতন মাধচৰণ, দুই কটকীক ভিতৰক নি ৺ৰে বোলে 'কটকী ছুই তহঁতে যুক্তিপৰ কথা মোত কিয় নবলি ?' পাচে দুই কটকীযে বোলে 'আমি দুই বন্দীযে ৺দেৱৰ আগত মাতিব পাৰোঁনেকি ? ৺দেৱৰ তেজ-শক্তি স্বৰূপত তিনি-জনা ডাঙ্গৰীযা বিশেষত বৰবৰুৱা বৰফুকন ৺ৰ দুই বাহু নবৰত্নৰ সদৃশ আনো যায়-ফুকন বন্দী-বেটা অনেকো ৺ৰ সভাত আছিতে আমি দুই বন্দীযে একো নামাতিলোঁ হাতী-ধাঁহী ঘোঁৰা-ধাঁহীৰ লগৰ মানুহ আমাৰ কথা কত ৰয় আৰ ৺যে যিৰূপে সুধিলে সেইৰূপে কলোঁ।" ১২১ ॥

ছান্তা-খাঁলৈ কটকী।—পাচে ৺ৰে দুই কটকীক বোলে "তাৰ দেশ-লোকজন চামানক চাহিলে আমাৰনো কোনৰূপে বঢ়া হব ? যি কৈছ ঢকাৰ নবাবেৰে ফুকন বৰুৱাহে সমান হেন, ইটো অযোগ্য।" পাচে দুই কটকীযে বোলে, '৺ৰ ঠেং-তলত মৰা বন্দী মেলৰ মাজত যে তাৰ উন্নতিক কহিম ৺ৰ বন্দী-বেটা আনো লোক আছে। সেই সকলৰ উৎসাহ শক্তি শুনিলে

কিৰূপে ৰাখিব, এতেকেসে সেইৰূপে কৰোঁ। বিশেষত ৺দেওনো কাৰ অধীন ঈশ্বৰে কৰিছে ? আপোনাৰ ৰহস্য বুজাত ৺ৰে যি বুজিছে কথাও সেইহে ।" আৰু সেই সময়ত ৺ৰে বোলে, "শুনিছোঁ অৰং-ছা পাৎসা হৈ মুৰাদবক্স দাৰাৎ-ছাহক মাৰি তাৰ বৰ ভাই চাহ-চুজাক খেদি গোল-কুণ্ডাৰ পৰা এক জৱোৱান নবাবক সেই চামানে পাৎসা আজ্ঞা কৰিছে, বোলে, বোঁচৰেহাৰ আৰ আচাম মলুক তই গাই চাফ কৰি দে।' মীৰ্জা-হানাৰ বেটায়ে বোলে ভালা সেই ৰাজ্য চাফ কৰি দেওঁগা । আৰ শুনিছোঁ, ছাস্তা-খাঁৰ ঠাই পাৎসা চুকি আহিবাক বুলিছে। এতেকে আমাৰ উকিল-পত্র ছাস্তা-খাঁৰ ঠাই গলে সকল সমাচাৰ সি ঠাইৰ বুজা যাব । আগেও ছাস্তা-খাঁৰ ঠাই প্ৰীতি সূত্ৰ ৰহিছে। " আৰু ৺ৰে বোলে 'যি সময় অৰং-চায়ে দাৰা-ছাহাক খেদি যাবাক লোক-লস্কৰ পঠাই দিলে সেই সময়ত অৰং-ছায়ে বোলে বাবক গোৰ দি তক্তত বহোঁ মানে ভণ্ডাৰৰ টকা খৰচ কৰিব নাপায়। কিৰূপে চিপাহী লোকক ৰাখিম ? পাচে এই কথা মীৰ্জা-মুলায়ে শুনি ৬০০০ সোণৰ মোহৰ দি পঠালে অৰঙ্গজেবৰ ঠাই। অৰং-চায়ে। খৰচ দি আগ কৰি চিপাহী-লোকক পঠাই দিলে দাৰাৎ-ছাহক লাগি। পাৎসা হৈ বিদেশী মোহৰ কিৰূপে ললে ? এতেকে কাৰ্য্যৰ বলাবল বুজি হীনেৰেও সময়ত কৰ্ম্ম কৰি সিতো পাৎসাৰ সন্ধি তাক কোনে হীন বোলে ?' এই-ৰূপে সমালোচন কৰি শ্ৰীশ্ৰীজয়ধ্বজসিংহ মহাৰাজায়ে ছাস্তা-খাঁৰ ঠাই সনাতন নাৰচৰণ দুই কটকীক পঠাই দিলে পত্ৰ-সন্দেশ সহিতে । হস্তি-দন্ত ১৪টা গান্ধ ২৭টা কলীয়া চামৰ ২০টা মৰিচ ৬০ সেৰ, খৰগ ২টা সোণৰ মলমকৰা কনীৰী দুখন, সোণৰ মোহৰ ৬০ কুৰি আৰ স্থখ সমাচাৰেও শিখাই বুজাই পঠালে। ১২২ ॥

কটকীৰ সমালোচনা।---পাচে দুই কটকীয়ে ৺দেৱৰ ঠাইৰ পৰা আহি কলিযাবৰত ১০ দিন আছিল । ছাহবুৰুজত ৫ দিন তাৰপৰা হাজোত ২ ৰাতি তাৰপৰা কুকুৰাকুচিত ৩ ৰাতি তাৰপৰা মানাহমুখত ৩ ৰাতি তাৰপৰা বঙ্গামাটিত ২ ৰাতি তাৰপৰা চান্দ্ৰায় চৌধাৰীৰ বিলাতত ২ ৰাতি, তাৰপৰা চেৰপুৰত ২ ৰাতি দগৰকাত ২ ৰাতি, তাৰপৰা লখীযাৰ গোঁতায়ে সোমাই ১ ৰাতি, ডেমেৰাত ১ ৰাতি নাৰাণদিয়াত ১ দিন । পাচে তাৰ-পৰা বগচৰিয়া নিলেহি ২টা ভুৰুকি ঘোঁৰাৰে। ৰোজ-দেৱানত বহি পাৎসাহী কাৰ্য্য কাম সোধ-পোচ কৰোঁতে নবাবৰ হজুৰ কৰিলেনি। পাচে দুই কটকীয়ে দলিচাৰ ওপৰত হাতযোৰ কৰি ৰহিল। পাচে নবাবৰ আদেশে মুৰাৰিধৰে

পত্র মাতি শুনালে । পত্র শুনি বচন-সমাচাৰ কব দিলে। পাচে দুই কটকীযে কলে বোলে 'পাৎসা শুনিছোঁ ছাস্তা-খাঁৰ বচন নাবালে এতেকে দুযো ঠাইৰ প্রীতি হৈ যদি ৰহিল, দুযোদলৰ গো-ব্রাহ্মণ সুখে ৰহিব।' আৰ বোলে, 'ছাস্তা-খাঁও সামান্য নহয। জন্মাবধি পঞ্চ-হাজাৰী নবাব, সকল কথা-বার্ত্তা ছাস্তা-খাঁ পাৎসাৰ ঠাই জনাব পাৰে। আৰ অতি পূর্ব্বে তোমাৰ যে ৰাজা সত্রাজিত আমাৰ ঠাই বৰফুকন সহিতে যিৰূপ প্রীতি হৈ আছিল তদনুপ্রীতিৰহে নবাব আহ্লাযাৰ-খাঁ শ্রীযুত ৰৰবৰৰাৰ চাতে তদধি হৈল। ইদানীক তোমাৰ হার্দ্দসৌগন্ধ আমাৰ চাতে যেমন ৰাখে আৰ আমাৰ সম্রাট যিৰূপ তোমাৰ নজিক বাচে যে কর্ম্মে প্রীতিৰ বীজ বার্দ্ধতা হৈযা পুষ্পিত ফলবিত হইবে এতেকে বার্ত্তা উভযথা হামেচা কর্ত্তব্য ইদানীক।" আৰ বোলে আমি দুই পাৎসাৰ সমস্ত কালে প্রীতিতে গৈছে এখন চেকেৰিযে মাজত কন্দল কৰাযা গুৱাহাটীৰ পৰা খেদাই। এই কথাকে মীর্জা-নাথুলাও কলে বোলে হয মোক ভবানাথ বাজিতে গুৱাহাটীৰ পৰা ভয দেখাই পঠালে। এইৰূপ দুখ-সমাচাৰ ছাস্তা-খাঁত কলে। পাচে ছাস্তা-খাঁও পাৎসা দিযা নাম কেশোৰ-খাঁ পুতেক বোলে ৬কে দোনা উকিলকো বক্সিচ্ পাযো।' পাচে আগৰ নাম মীর্জা-দুখী পুতেকে ছাস্তা-খাঁৰ আজ্ঞাযে সুলতানী তাবৰ জামা ২টা সোণৰ দহিযেৰে শুক্র পাগ ২টা কলীযা পটুকা সোণৰ ফুলেৰে ২ পাচ ইজাৰ সহিতে ২ খন পানৰ বিচিত্র সোণোবালী পাটি ২ পাচ দুই কটকীৰ পাৰি বাচোৱান বঁৰীযা সোনোকাই কাণত জেঠীৰ ডিমাৰ মান মুকুতা সুবর্ণৰ ৰজত্ প্রবাল সহিতে কর্ণভূষণ কৰিলে। সিদিনা আন একো বা। বচন কথা ছাস্তা-খাঁ নবাবে দুই উকিলত নুসুধিলে আৰ বোলে 'ৰায-নন্দলাল দেৱানৰ বাসা দিওক নি।' ৰায-নন্দলাল দেৱানৰ ঠাই ৭ দিন আছিল। ৰোজ এগোটাকে ১০ ৰূপিযা পকা কৰি দিছিলে দুই উকিলক নিতে। লগৰ মানুহক নিতে এবোটাকো ৫ ৰূপিযা কৰি দিছিলে। ১২১ ॥

ছাস্তা-খাঁৰ উৰে।—আৰ নবাবৰ নিয়ম এই—বিহানে নেমাজ কৰি বহে সেই সময়ত স্ত্রী-বাকতী গুৱাকানবিচ ভিতৰৰ নবাবৰ হাস্য-পৰিহাসা তাকে লেখি খব তাৰে শুনায তাৰ সিদ্ধান্ত অনুক্রমে দিযা খিলৰত খানাত বহেহি। চাৰি দণ্ড দাস্তোৱান কৰি মুখ দুই ওজু কৰে। পাচে পীৰ-ফকিৰক খানা খাব দি আপুনি ভোজন কৰে যায। সেই প্রস্তৱত আমাৰ দুই কটকীৰ অভ্যাস্তৰক নি অনেক কথা-বার্ত্তা হৈছিল। সেই সময়ত ছাস্তা-খাঁ নবাবে

বোলে, "সনাতন, মাধচৰণ, তোমাৰি ৺ৰাজা আৰ ভাই বৰনবাৰ প্ৰীতি-বান্ধা হয়া আছে। আমাৰি অৰং-ছা পাৎসা আপোনাৰ ভাতৃসকলক জবদ কৰি অৰং-ছা পাৎসা হয়া আছে। অৰং-ছাৰ মান কূটস্থ কোনো পাৎস নাহি, বৰ ৰাজ্যলুভী পাৎসা, আৰ বিশেষতঃ শুনি আছোঁ, আসামমলুক আৰু কোঁচবেহাৰ চাফ কৰি দিবাক খানখানাক পাৎসাৰ আজ্ঞা হৈছে। সি যেখন তোমাৰ সমুখে যাই, তেখন তোমৰা অনেক তাৰ ঠাই সুপাৰিচ কৰিছ, কৰিবাক লাগে, তেবেসে দুই দলৰ গো-ব্ৰাহ্মণ সুখে ৰহে। যিৰূপে খানখানা ফিৰে সেৰূপ কৰিবা। খানখানা জৰোৱাল নবাব, ভাল মন্দ কিছুকো নাজানে।" পাচে আমাৰ মাধচৰণে বোলে, 'চাহাবে যি বুলিছে, সিতো এমতহে হয় পূৰ্ব্বে ৰাজা যুধিষ্ঠিৰক পাঞ্চ ভাই ভাৰ্য্যা সহিতে কূট-মন্ত্ৰণা কৰি ৰাজ্য-সম্পত্তি চুৰিযা লৈলেক দুৰ্য্যোধনাদি সকলে, তত্ৰাপি কালচক্ৰৰ গতিৰ দ্বাৰায়ে যুধিষ্ঠিৰেহে চক্ৰবৰ্ত্তী ধৰণীমণ্ডলীৰ ৰাযৰাজেশ্বৰ হৈযা ৰহিল। দুৰ্য্যো-ধনাদিৰ কূট-মন্ত্ৰণা আপোনাৰ লগতহে গ'ল, যশ-ধৰ্ম্ম কিছু নৰহিল, এতেকে লোভ কৰিব নাপায। ঈশ্বৰে যাক দিযে সেইহে পায। আৰু চাহাবে যে বোলে, খানখানা জৰোৱাল নবাব, ভাল মন্দ কিছু নাজানে। যাই বৰলোক হৈযা ভাল মন্দ নজৰ নাহি কৰে, তবে সিতো মৰ্দ্দ-চাতে কেমনে সুপাৰিচ ৰহে। সিটো জৰোৱাল নাহি হয নামৰ্দ্দ হোৱে। পাচে ছাস্তা-খাঁ বোলে "হা হা উকিল, যেখন্তো খানখানা আমাৰ চাতে আইসে তেখন্তো খোদাই যে হুকুম কৰে, পাৎসাতো হুকুম এখন খানখানাৰ ওপৰত চৰিছে।" এইৰূপে অনেক কথা-বাৰ্ত্তা হৈ আছোঁতে সেই সময়ত ছাস্তা-খাঁ সানেকিত খানা খাইছোঁতে বোলে, "সনাতন, মাধচৰণ, তোমাৰি স্বৰ্গৰাজা অতনা খানা খায?" তাৰ অৱশেষ যি সানেকিত আছে, তাতে হাতেৰে চাপৰ মাৰি দেখালে। ১২৪ ॥

অসমীয়া কটকীৰ বিদায।—নবাবৰ বচন শুনি মাধচৰণে বোলে, "চাহাব স্ব৺ য'ত খানা খায তাক আমাৰ নজৰ কৰিবাক নাহি পায। ৺ খানা খাইছোঁতে যে বৰগোহাঁই আৰু বুঢ়াগোহাঁই আৰ বৰপাত্ৰ-গোহাঁই বৰবৰুৱা, বৰফুকন যাক বৰনবাব বোলে, আৰ ফা-ফুকন ৰাজখোৱা, এইসকল সহিতে অভ্যান্তৰত ৺য়ে সুৱৰ্ণৰ সিংহাসনত থাকিতে যাক যিৰূপ সুৱৰ্ণৰ ৰজতৰ স্থালত ক্ৰমে খানা দেয, সেই সকল সহিতে ৺য়ে সুবৰ্ণৰ স্থালত খানা খায়, যাৰ নাম মাইহাঙ্গ বুলি প্ৰসিধ কহে। কিন্তু চাহেবৰ সানেকিত যতমান ৰাহিছে অতমান খানা ৺এ হেঞ্জলাকো বাহিৰাৱে, চাহেবৰ সানেকিত যতমান

খানা দিছিল, হেঙ্গলেও আৰ অৰ্দ্ধমান খাই আকেহে আমি দেখোঁ।" পাচে ছাণ্ডা-খাঁযে নিৰুত্তৰ হৈ বৰ প্ৰশংসা কৰি ৰূপোৱালী জামাৰে কাপোৰ ২ যোৰ, সোণৰ পটিযেৰে দুই কটকীক দুই শকৈ ৪০০ ৰূপ দি বিদায় দিলে। আন মানুহ লৈ ১০০ শ ৫ খন ভাৰী নাৱেৰে, লগত গৈছিল আমাৰ ২ কটকী ২ খন চৰাত, বাচৰু নাবেৰে বঙ্গালৰ কটকী বৈশাখ মাস পালেহি পত্ৰ-সন্দেশ সহিতে। পাচে গুৱাহাটীত ৰাজাৰ শ্বশুৰ বৰফুকনে ধাৰাপে তুলিলে। ১২৫ ॥

বৰফুকনলৈ ছাণ্ডা-খাঁৰ পত্ৰ।—পত্ৰ এই—

স্বস্তি মহামহিম ৺ৰাজাকে শ্বশুৰ ভাই বৰনবাবক প্ৰতি—

লেখনং কাৰ্য্যঞ্চাগে তোমাৰ এনাযত মেহৰবানুদ নামাসহিত তোমাৰ উকিল সনাতন ও মাধবচৰণ আপোন কৰ্ম্মাইত এখানে আগৰ তাগাযত বগচাযাল পহুছিলে আমিও পৰম সম্যাইত ভাব হৈয়া ইযাদ্ হকিকত্ পৰং সাদৰে পুৰুচিদান, আৰ তুমিও আমাৰ কাৰণ হাস্তম ৮ আচৰ্ফি সন্দেশ ভেজিছিলা, আমাৰ তোমাৰ প্ৰীতি ইয়াত আচৰ্ফিৰ কি কাৰ্য্য? অসাৰ কামৰূপ কৌচনকে ৰাযাত সব উজাৰ তুমিতো আপোন মলুকে ঘাইল কৰ্কে বস্তনুদন ইসো আস্তে। শ্ৰীশ্ৰীযুত আলাম পাৎসা চাহেবকে আহালদিল পুৰখাস্যাপাদ আকাখদ চিত্তাপ হুকুম কে বাৰাক্ত। আকলাস্ত শ্ৰীযুত ৺ৰাজাৰ শ্বশুৰ বৰনবাৰকে একবাৰ গিওঁ নবকৰ্দ্দন আচামকে ৰাযত। বায়-বৰুৱা ফুকন তামাম সজিযান চাৰদস্তন ৰাজাকে শ্বশুৰ-বৰনবাবত ও বিবৈ কাৰ লিস্ত ইসুকো হুকুম হোযে হাল আৰ তুমি বুলিয়াছ চেকিৰিহে তোমাৰ আমাৰ মধ্যে অ'ঙ্গাব দেই, থানা বিগাৰ কৰে আমিতো দিল নাজাস্তাহে, এমনতে৷ বাৰম্বাৰ জবাব লেখি আছ। আমিতো আহাল নামে দানী আৰ তোমাৰ নিমিত্ত সন্দেশ দোজন উকিলৰ হাতে পাঠাইতেছি। আৰ ৰাইবাৰ কৰ্ম্ম যাফিক সমাজি লৈবেন, ওঁ আগে ৭০০ ৰূপযা পঠাইছিলা সন্দেশীয়া গুণা গাডী আনো উপায়ন বকচিযা, কিন্তু যদি এখন তোমাৰ ৺কৰ্ম্মাই হৈয়া তবে গডাই পাঠাইবেন, কি কাৰ্য্য ছিল তোমাৰ ও আমাৰ, ৰূপযা দুই নাহয়, ৭০০ ৰূপয়া উপাযন তাৰ বানছীয়া লৈবেন। ও এখন আমীৰোল-উমৰাও মীৰ্জা-হেনাৰ বেটা মীৰ্জা-মুলা নবাব তাগাযত আচম মহিমকে মঞ্জিল-বমঞ্জিল চুদওৰাহ চৰে, আৰ তুমিও একলাসবাতে আপোন খাত্তিৰ জমা ৰাখিবা। এই নস্ত সব যেমত নহাদিদ্ দিলগীৰ চোৰযাযে, এমত জুধাবেত্ত, তোমাৰ আমাৰ মধ্যে লোকজনৰ আজাৰ বন্ধক চনা তাৰিখ নৰাথ, ৰূপ-

জত্রে সৰ আজাব দুৰ পিৰে পাচ আবৰদ এ সব নচিখত তামাম দিল কুচিয়াৰা চাদ। পত্র শুনি বোলে, "পত্রত যে উকিলক নেলেখিলে কাৰণ কি?" এই বুলি ৺লৈ জমালে।

তাৰ অন্য সন্দেশ,—বানাত ৪ থন, তাব ২ মুঠা, নং ৭ সেৰ, কমৰবান্ধ ৭ গজ, শক ১৫৮২। ১২৬ ॥

• অসমীয়া সৈন্যৰ কাৰাজ।—পাচে মহাৰাজাও ছাস্তা-খাঁৰ ঠাইৰ কথা বাৰ্ত্তা শুনি বিধাৰণ দেখি বঁটা-বাহন দি জাগাল-খাঁক ওলটাই পঠাব দিলে। তাত পাচে ৺ৰে তিনিজনা গোসাঁই প্রমুখ্যে বৰুৱা ফুকন ৰাজখোৱা হাজৰি-কীয়াটো প্রযত্নে আপোনাৰ যাৰ যি ভাগি সেই সেই ৰূপে কাণ্ড কাঠী-ধনুখন ভালৰূপে মৰাব, দুয়ো বেলা অভ্যাষ কৰিব দিলে, আৰ হিলৈদাৰী বাৰুৰতী এইসকল প্রমুখ্যে আনো অস্ত্র-শস্ত্র অভ্যাস কৰালে। ৺ও ৰূপৰ কেৰু বস্ত্র কৰি অনেকৰূপে দিয়ো প্রজাৰ মন বান্ধাই ৰং-তামচা কৰি চাই প্রজাৰ মধ্যত দোলায়েৰে ফুৰি থাকে। এই ৰূপ অনে প্রকাৰ কৰি ডা-ডাঙৰীয়াসকলৰ ঠাইতো চা-চৰিয়া দি অনেক প্রবন্ধে দণ্ডি কৰিও শিখাইছিসে। আৰ কাল ঈশ্বৰৰ ইছাযে লোকজনৰ দুখৰ কাৰণে অনেক অদ্ভুত মিলিল। দিগচুঙ্গীয়া মেধিৰ ঘৰত পাঞ্চ বালক জন্মিল এক প্রীত। কি ৺দেৱৰ গড়-কোশত অনেক শৃকাল বলিযা হৈ অনেক মনুষ্য কামুৰিলে। আৰ ৺ও কাঠৰ তৰোৱাল সাজি, ধনুত কৰিঙ্গা দি হিলৈত গুলী নিদি বৰঘাটত আপোনাৰ লোকেৰে ৰং কৰি বঙ্গাল পাতি ৰণ কৰালে, শক ১৫৮২। নিশা ১০ দণ্ড গতে দেৱগাওঁৰ মহাদেৱৰ ঘৰত হস্তী ঘোঁৰা মানুহ ওলাল, সকলে দেখিলে ৺ৰে শুনি এক কৌটি হোম দান কৰালে ২০০। ৰাজমাৱ মৃত্যু। ১২৭ ॥

আহোম বঙ্গালৰ কটকীৰে কথা-বাৰ্ত্তা।—তাত পাচে খানখানা নবাবে চাৰি কুৰি হাজাৰ চিপাহী সহিতে আৰ অনেক নবাবসকলেৰে চুজাক খেদি বিচাৰি নাপাই পাৎসাৰ আজ্ঞাযে সুকিলে ছাস্তা-খাঁৰ ঠাই। ছাস্তা-খাঁয়ো সকল সমাচাৰ কলে। পাচে খানখানা নবাবে ছাস্তা-খাঁৰ ঠাই অপমান পাই ঢকাত ৰহি লালোৱা, হৰাম দুই কটকীক পঠালে, বোলে, "আমাৰ হাতী-চলা, বৰীতলা, গুৱাহাটা সিবোৰে কেমনে মাৰে? যদি হাতীচলা, বৰীতল। গুৱাহাটা সিবোৰে এৰি যায় তেবে গো-ব্রাহ্মণ, নৰ-নাৰী, প্রজাৰ কুশল হই; যদি চাৰি নিদিয়ে, এই সমস্তৰ বধভাগী সেই সবে হব।" এই বলি দই কটকীক পঠাইলে। দুই উকিলো আহি লাপেতি-ফুকন, বাদুলি ফুকনৰ

ঠাই পালেহি। তৈতে দুই কটকীক ৰাখি বৰফুকনলৈ জনালে। পাচে বৰফুকনেও ৴লৈ জনালে। ৴ৰ আজ্ঞায়ে বৰফুকনে এই বুলি বিদায় দিলে। পাচে লাপেতি ফুকনেও লালোৱা, হৰাম, দুই কটকীক তুলি বোলে, "ঐ লালোৱা, হৰাম, তইঁততকৈ গো-ব্ৰাহ্মণ ৰাইজাৰ কাৰণ যি কৈছিল ই কথা আমাৰ ঠাই কব নাপাই, বৰদেউনীযাতহে কব পায়। আমি বৰদেউনীয়াকহে মাৰি লৈছোঁ। তাঞিৰ আমাৰ কন্দল নাই প্ৰীতিতহে আছোঁ।" এই বলি তাৰ লগে দুটা ভাল মানুহ দি বিদায় দিলে। পাচে লালোৱা, হৰাম, দুই উকিলো গৈ নবাবত জনালত নবাবে বোলে, "আচামৰ দুই আদমিক পঠাই দে," এই বুলি। "ভাল, এখেতো আমি মহিমক যাওঁ, বৰদেউনীয়া চাফ হলে ইহাৰ খবৰ পাবি।" এই বুলি পঠাই দিলে। পুনৰ্ব্বাৰ বৰদেউনীয়াক মাৰি লালোৱা, হৰাম, দুই কটকীক পঠাই বোলে পত্ৰ সহিতে বোলে, "এখন বৰদেউনীয়া চাফ হ'ল। আমাৰ হাতীচলা, বৰীতলা, গুৱাহাটী এৰি দিওঁক।" এই কথা লাপেতি ফুকনে বৰফুকনলৈ জনাই তুলিলে। ১২৮ ॥

ছান্তা-খাঁলৈ বৰফুকনৰ পত্ৰ।—পত্ৰ এই—

স্বস্তি সকলমঙ্গলাগাৰ শ্ৰীশ্ৰীযুত দিল্লীশ্বৰ পাৎসাকে নাৰচাৰাল জিয়াদা হুকুম আওৰাদস্ত চৰবাচ কমৰ বস্তম,

এক আয়মাকো মহকুমকৰ্দ্ধ শ্ৰীযুত খান খানা চিপহচালা আমীৰোল-উমৰাও নবাব অজৰোই, ওমৰ-কবিব, তোহ্ণ গুণাগাৰ, দৰিয়ায়ে অপৰকাৰ, আমালৈকে সপৰ, বহুতেৰগাঢ শূল-প্ৰতাপ, আৰ কোঁচবেহাৰ পহিলোকো আচাম বিলায়ত কুচ দগেহে পাণ্ডু, গীৰদাস্ত মহকুমকৰ্দ্ধ তেগৰ বচৰ চোৰ্দ্ধ। শ্ৰীযুত ৰাজশ্বশুৰ বিশিষ্টগণাগণ দিনকুহাল পাত্ৰাধিপাত্ৰ মহামাত্যক জ্ঞানাধিসঙ্কাশ ও আগৰ কামৰূপ বিলায়ত এওকু মেৰাবদ ওবাক আপোন ইয়াক প্ৰীতসৌগন্ধ বালকজদ হকিকত খতকিতাৱত মেচোপৰাদ, অতএব দো তৰফ খোচমে দাস্তানদ এতেদো হাল, যেনামাৰোক্ত পৰ্ব্বৰেক সেনা ফিৰিব, আমিও তাকেসে বাঞ্চে, পূৰ্ব্বপ্ৰীত আন্দাস্ত, সনাতন ও মীৰ বগলান ও মাধচৰণ তাকাছত অলপ নাকৰিবেক। ইতি শক ১৫৮৩, মাস ফাল্গুন। ১২৯ ॥

নৱম অধ্যা।

মীৰজুমলাৰ অসম আক্ৰমণ।

মীৰজুমলাৰ আক্ৰমণৰ এটি উপকথা।—পাচে লাপেতি-ফুকনে তুলি পুনৰ্ব্বাৰ বিধাৰণ দেখি শ্ৰীসূৰ্য্যৰ পৰা ওলটাই পঠালে। আৰু বুলিলে, 'ৰাজ্যৰ কাৰণ যি কৈছে, পৰমেশ্বৰ বিধাতা অনুকূল হৈ আক দিছে, তাক্রি খুজিলে কিয় পাব? হস্তীৰ দন্ত ওলাইছে পুনৰ্ব্বাৰ সোমাবৰ কৈত দেখিছ? এই খান নবাবত কবি।" লালোৰা হৰামে বোলে, "উত্তম জনে বচন বুলিলে ৰক্ষা কৰণেহে যুক্ত, বচনতো ৰক্ষা নহল, হস্তীও পশুহে।" পাচে লালোৰা, হৰাম, দুযো বাসাক আহিল। সিহঁতক ধাৰাণে ৰোজ দিলে। ৰোজত জীয়া পহু দিলে ১টা। পাচে দুই কটকীয়ে আন সিধা ৰাখি পহুৰ গলৰ দোল মেলি বনৰ মাজক খেদিলে। পাচে আমাৰ ৰোজ দিয়াইঁতে বোলে, "পহু তোমালোকক ভোজনলৈ দিছে বনক খেদিলি কিয়?" পাচে দুই কটকীয়ে বোলে, 'ভাই দিনচাৰেক হৃষ্ট-পুষ্ট হৈ থাকক। অনেক হস্তী, অনেক বন্দুকধাৰী, অনেক ঘোঁৰা, এই সকলৰ আগত কাঁহা যাব, খাব পাম। আৰ এক উপকথা কওঁ শুনিবি—দুটা বাহ ম'ৰা চৰাইৰ যুদ্ধ লাগিল, ই গছৰ পৰা সি গছলৈ যায়, তাত বৰ নোৱাৰি ঝোটাঝুটিকৈ পৰ্ব্বতত পৰিল। তাৰো পৰা পৃথিৱীত পৰি মূৰ্চ্ছিত হৈ আছিল। দুই পখীৰ যুদ্ধ হস্তী-সকলে দেখিছে। তাৰ এক বুঢ়া হস্তীয়ে বোলে 'ই ঠাইত থাকিবলৈ আমাৰ ভাল নহয়। ই ঠাইত থাকিলে কল্যাণ নাই।" তাৰে এক মযদাৰ হস্তীয়ে বোলে, 'এনে ঠাই এৰি কলৈ যাম? যদি পখী আহে তাক মাৰিবাক নোৱাৰিমনেকি?" এনেতে দুই পখী ঝোটাঝুটিকৈ হস্তীসকলৰ আগতে পৰিল। চক্ষু কৰ্ণত নখ লাগি ঘা লাগিল চক্ষু মুদি হুলস্থূল লাগিল। খালে জোঙ্গে দোপে বোকাযে পৰি অনেক মৰিল। দুই চাৰি পলাই এৰাল। এই-ৰূপে বুঢ়াৰ কথা নলৈ মৃত্যু হ'ল। এতেকে হাতী-ঘোঁৰাৰ আন্দোলত জল-সংঘটত জলৰ শোণিত জ'ম্বল বালা, যূথে যূথে আইব পশুৰ পালা।

> খাটাখুটা মাজুম-খা মুখে চাঁব ডাড়ি।
> থানা বেহাৰ ভঙ্গে যাইব গুৱাহাটা বাৰী॥"

এইৰূপে বুলি দুই কটকী গ'ল। ১৩০ ॥

আহোমৰ পৰাজয়।—পাচে লালোৰা, হৰাম, দুই কটকীয়ে মাজুম-খাঁৰ ঠাই সকল সমাচাৰ কলেগৈ। মাজুম-খাঁও সকল সমাচাৰ পাই সসন্যে সহিতে

আহোমক খেদি আহি প্ৰথমে বেহাৰ মাৰি প্ৰাণনাৰাণক খেদালে। পাচে আচামে মাজুম-খাঁ আহিবৰ শুনি হাতীচলা, বৰীতলা এৰি মানাহমুখত গড় বান্ধি বাদুলি ফুকন ৰহিল। পাঞ্চৰতনৰ ফুলবৰুৱা ফুকনে, লাহন ফুকনে ৰহিল, ৰাজাৰ শহুৰেক পিকুচাই চেটিয়া ৰহিল পাণ্ডু-শৰাইঘাটত। তাতে কিছুমান যুদ্ধ কৰি ৰহিব নোৱাৰি পাণ্ডু-শৰাইঘাটত ৰহিলহি। বঙ্গালো আহি সন্মুখে ৰহিল। তাৰো একো ফৈদক পাচলৈ ছাহবুৰুজত ৰহিবৰ দেখি সেই ৰাতিয়ে আচাম আহি নাপাতি এৰি চামধৰালৈ ভাগি আহিল। কাণ্ড-কাঠীয়ো মাৰিব নোৱাৰিলে পাণ্ডু-শৰাইঘাটত। আৰ যৈতে যি থাকিল তাকো আনিব নোৱাৰিলে মাস ফাল্গুন, শক ১৫৮৩। পাচে ৺ৰাজা সমস্ত লোক চামধৰাক ভাগি আহিবৰ দেখি নেওগৰ পুতেক শহুৰেকক খঙ্গি বৰফুকন ভাঙ্গিলে। উত্তৰকোলে চামধৰাত বানৰুকীয়া বৰগোহাঁইক সেনাপতি পাতিলে মুখ্য কৰি। দক্ষিণে ঘোঁৰা-কোঁৱৰ প্ৰমুখ্য বুঢ়াগোহাঁই বৰপাত্ৰগোহাঁই, নামনিয়াল ৰাজাৰ শহুৰ বৰচেটিয়া চাৰিংৰজা, ৰূপসন্দিকৈ, আনো বিস্তৰ লোক আছে। পাচে বঙ্গালো আহি নাৱে-তৰে গুটিঘুৰুৱাত ৰহিলহি। লাপেতি-ফুকন তামূলী-দলৈৰ পুতেক প্ৰমুখ্যে কৰি গড়ৰ পৰা ওলাই নাৱে খেদি গৈ ধৰি ধৰি ভঙ্গ খাই চামধৰাকে আহিল। পাচে ঘোঁৰা-কোঁৱৰ ফুকনে দখিণকোলে যুদ্ধ দেখি বৰগোহাঁইলৈ লোকজন খুজি পঠালে, বোলে, "উত্তৰে দেখো যুদ্ধ নাই। আমাৰ লগত ভৰ দিবলৈ লোকজন পঠাওক।" বৰ গোহাঁইও লোকজন নিদিলে, বোলে, 'দক্ষিণতহে লোকজন বিস্তৰ আছে। লোকজন পঠাই মই অকলে কি কৰিম ?" দখিণে পাঞ্চদিন যুজে। তাত পাচে বঙ্গাল আহি পোতাবলঙ্গৰ পোনে কিছু যুদ্ধ কৰিলে। লেচাম হাতী-বৰুৱা গড়ৰ ওলাই বঙ্গালক ধৰি পৰিল। তাত পাচে দ্বিজোৰ পোনে বঙ্গাল গড়ত উঠিলহি। তেবে আচামৰ লোক নাৱে-তৰে সমস্তে ভাগি গলাত ৰহিল-হি। পাচে আচামো সনাৰ পৰা নাৱে গৈয়া কুকুৰাকটাত যুদ্ধ কৰিলেগৈ, তাতো ভঙ্গ হ'ল। বঙ্গালো সন্না পালেহি। তেবে তিনিজনা গোহাঁই প্ৰমুখ্যো যত ৰাজাগণ, ফুকন ৰাজখোৱা হাজাৰিকীয়া সমস্তে ভাগি আপোনাৰ চাৰা-কুৰ্ম্মা লৈ-যেই পোনে পালে সেই পোনে ভাগি গ'ল। আৰ হাতী, ঘোঁৰা, বাৰু, হিলৈ আৰু যত আহিলা-পাতি সমস্তে বঙ্গালে পালে, উত্তৰ কোলে যুদ্ধ নহল, শক ১৫৮৩, মাস চৈত্ৰ। ১৩১ ॥

বিষয়াৰ ঠাই সলনি।—পাচে বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰৰ গোহাঁই, নামনিয়াল ৰাজাৰ শহুৰ ভিতৰুৱাল গোহাঁই, তামূলী-দলৈৰ পুতেক

এইসকলক গড়গ্ৰামত থৈ ৮জা নামৰূপলৈ গল। তাত পাচে গড়গ্ৰামৰ পৰা ডাঙৰীয়াসকলে বাঁহবৰীয়া কটকী, ভেলাইৰ পুতেক, লম্বন তামুলীক, ভাৰৰীয়াল বায়ুণক, চৰাল মুদৈক, এই পাঞ্চক বঙ্গালৰ গালৈ পঠাই দিলে, বোলে, "আমি যি হয় পেচবোচ দিয়োঁ, সিবোৰ নাহোঁক।" পাচে সিবোৰ গৈ দেৱৰগাওঁত এই কথা বঙ্গালৰ আগত ক'লে। বঙ্গালে বোলে "তইঁত শুদা মানুহেৰে কি কথা হয় ? নাই ৩ জনা গোহাঁই, নহইবা ফুকনবোৰৰ এক জনা আহিব তেবে আমি কথা হয়।" এই কথা ডাঙৰীয়াবোৰে আলচি ফুলবৰুৱা ফুকনক, কৌপতীয়াক সনাতন কটকীক, খেত্ৰিৰ পুতেকক। এই চাৰিক পঠাই দিলে সন্দেশ-পত্ৰ দি পূৰ্ব্ব ধাৰাণে, সিবোৰ গৈ গজপুৰত লগ পালেগৈ। এই কথা খানখানা নামানিলে। কলিযাবৰ, লখৌ, দেৱৰগাওঁ, গজপুৰ, চিনাতলী, এই পাঞ্চ ঠাইত পাঞ্চ আমীৰা থৈ গড়গ্ৰামলৈ উজাই গ'ল। পাচে বুঢ়াগোহাঁইক নামনিয়াল ৰজাৰ শহুৰেকক ৮তা তিপামৰ পানীফাটত থাকিব দিলে। পুংঙ্গত থাকিব দিলে। গডগয়াঁ ৰজাৰ শহুৰেকক চেংধৰা বৰবৰুৱাক ৮ৰ লগত বুঢ়াগোহাঁইৰ পিতৃ বাঁহগৰীয়া গোহাঁই নেওগ, আনো দুই এক বৰুবাক থাকিব দিলে। পাচে বঙ্গালেও গৈ চৰগুৱা, চাৰিং, শিলপানী, গডগ্ৰাম, পৰ্ব্বত, এই পাঞ্চ ঠাইত পাঞ্চ আমীৰাক থৈ খানখানা নবাব বাকোবাৰীত ৰহিলগৈ। তাৰ পৰা এক উমৰাও বলকতুমত ৰহিলগৈ। তদন্তৰে আষাৰ মাস বলকুমৰ ফৈদক খেদি পূবে তাওৰ্বাক উত্তৰে দিল্লীহ সীমা কৰি বুঢ়াগোহাঁই ৰহিল। কেন্দুগুৰিত গডগয়াঁ ৰজাৰ শহুৰ ৰহিল ডঁৰিকাৰ পোনে। পাচে আচামে বঙ্গালৰ দুই চাৰি লোক যাকে যৈতে পাই তৈতে কাটে। তথাপি বঙ্গালৰ বল খীণ নহল। তবে শৰাগুৰিৰ পোনে তামুলী-দলৈৰ পুতেকক ভঙ্গালে। সেই ভঙ্গে সমস্ত লোক ভঙ্গ হ'ল। দিহিং আগ কৰি বুঢ়াগোহাঁই ৰহিল মূৰকাটত ৰজাৰ শহুৰ ৰল তিপামত। পাচে চিনাতলীৰ, চাৰিঙৰ, শিলপানীৰ পৰ্ব্বতৰ গডগ্ৰামৰ, চৰগুৱাৰ, এইসকলৰ সমস্তে বঙ্গাল একঠাই হই শিলিখাতলত বৈ বুঢ়াগোহাঁইৰ পোনে মূৰকটাত এক প্ৰহৰ বেলা হ'লত গড়ত ধৰিলেহি। বঙ্গালৰ এক আমীৰা পৰিল। আনো লোকজন পৰিল বিস্তৰ। পাচে কাণ্ড-গুলী টুকালত ৬ দণ্ড বেলা আছোঁতে বুঢ়াগোহাঁই ভাগি তিপামৰ পানীফাটত ৰহিলগৈ। সেই সময়ত বাদুলি ফুকন গৈ শিলিখাতলত খানখানাত বৰিলগৈ। বাদুলিক লগত লৈ খানখানাই শলগুৰিত ৰহিলগৈ। পাচে বাদুলিয়ে ৰাজাৰ ঘৰত থাকি বোলে "মোক যদি এই ৰাইজ্যতে অধিকাৰ পাতি দিয়া তেবে আনো লোকজনক বৰাই আনো, আৰ ৮তাকো, ৰাজমন্ত্ৰী বৰগোহাঁইক, বুঢ়াগোহাঁইক

ফুকন বৰুৱাকো ধৰি দিম।" খানখানা নবাবে বোলে, "ভাল, মই তোক অধিকাৰ কৰিলোঁ।" আনো লোকজন বিস্তৰ বৰিল যৱনত। দয়ঙ্গীয়া লুখুৰি চেটিয়াক দয়ঙ্গীয়া বৰগোহাঁইক আপোনাৰ লোকে ধৰি দিলে, শক ১৫৮৪। তেবে নেওগৰ পুতেক ফুকনে বঙ্গালৰ দিলাল-খাঁৰে সখি বান্ধি প্ৰীতি হল। সেই বেলা বেজদলৈৰ পুতেকে নেওগৰ পুতেকেৰে দ্বন্দ কৰিলে। পাচে নেওগৰ পুতেকে ৰজাত লগালে বোলে, 'বাদুলিক ৰাজ্য দিবৰ জানি বেজদলৈৰ পুতেকে বাদুলিযেৰে ভিতৰি কথা হৈ বঙ্গালত বৰিবলৈ কথা-বাৰ্ত্তা হৈছে।" পাচে ৺ৰজাযে শুনি এই কথাতে বেজদলৈৰ পুতেকক কাটিলে। ১৩২ ॥

আহোমৰ বল ক্ষয়।—সেই বেলা বৰচেটিয়া পৰ্ব্বতৰ পৰা কছাৰীলৈ ভাগি গ'ল শক ১৫৮৪। আহোমৰো বল ক্ষীণ হ'ল, যুজ এৰিলে। আৰ হাতীচলা, বৰীতলা পৰ্যান্তে যত ঢেকেৰি আনিছিল তাক বা যত কাটিলে তাৰ সীমা নাই। যি কিছু ঢেকেৰি পালে বঙ্গালে নিলে ওলোটাই। আৰ বিস্তৰ লোকেও মহাৰাজাক এৰি যেন যৱনকে আশ্ৰয় কৰিব হেন মন হ'ল। এই কথা জানি ৺ও ৰাজা ৰক্ষা কৰিবৰ নিমিত্তে বুঢ়াগোহাঁইকে গড়গয়াঁ ৰাজাৰ শহৰবে ৺ৰাজা বোলে, তোমালোকে বঙ্গালৰে কথা-বাৰ্ত্তা হৈ যেনেকৈ পাৰা পঠাই দিয়া।" পাচে সিবোৰেও ৺ৰ আজ্ঞাযে চুলতান চান্দৰাই, মনু, চতুৰ্ভুজ কাকতী এই চাৰিক পঠাই নবাব খানখানা দিলাল-খাঁৰ ঠাইক অনেক কথা-বাৰ্ত্তা কৈ পঠাই দিলে। ১৩৩ ॥

তিপামত বঙ্গাল।—পাচে দিলাল-খাঁযে বোলে, "কেঁকোৰাদোলা দি ৰাদুলিক ৰাজা পাতিছে, তেও যে বৈছে গো-ব্ৰাহ্মণৰ কাৰণ এইখন সিদ্ধ হব।" পাচে এই কথা বাদুলিযে শুনি, মীৰ্জামূলালৈ কলে, বোলে, "এতিয়া ৰাজমন্ত্ৰীয়ে মোক শক্তিমন্ত হৈ ৰবব দেখিছে এতেক কথা কয় পূৰ্ব্বেনো মোক কিয় এই ৰাজ্য লই দিলা? যদিহে ৰাজ্য দিয়া তুমিযে মোক কাটা।" পাচে পূৰ্ব্ব কথাক স্মৰি মীৰ্জামূলাযে বোলে 'ৰাজা, ৰাজ-মন্ত্ৰী, চাৰি পাত্ৰক ফুকন-বৰুৱাক ধৰি দিম বুলিছু, ভাল এতিয়া ধৰি দিয়ক। পাৎসাই ঠাঁঠকো আচামৰ লোককো তোক দিলোঁ, ৰাজমন্ত্ৰী আদি কৰি সবাকো ধৰি দে।" পাচে বাদুলিৰ ভাযেকে মৌপিয়ায়ে পাৎসাই লোক লৈ মেকুৰীখোৱাত আচামেৰে লেঢ়াই কৰিলে। বঙ্গালৰো লোক পৰিল, আচামৰো লোক পৰিল। পাচে বঙ্গাল ভাগি তিপামত ৰহিলগৈ। ১৩৪ ॥

দিলাল-খাঁৰ ৰাজমন্ত্ৰীলৈ পত্ৰ।——পাচে মীৰ্জামূলালৈ দিলাল-খাঁয়ে বাদুলিৰ সাহ-বল জুটবাত হেন জানি কৈ পঠালে, "আচামৰ গো-ব্ৰাহ্মণ পাৎসাই লোক ৰক্ষাৰ কাৰণে কথা-বাৰ্ত্তা হলোঁ। একেলাডিকা বাদুলিৰে বলে ৰাজমন্ত্ৰীয়েৰে লেৰ্‌হাই কৰিলোঁ।" মীৰ্জামূলায়ে বোলে, "ভাই দিলাল-খাঁ কেমনে বুজিলে? হাৰামজাদা বাদুলিয়ে যত কৰিলে সৱ জুটবাত।" পাচে দিলাল-খাঁয়ে গদাইকে বহিৰ্মুলাকে ৰাজমন্ত্ৰীৰ ঠাইলৈ পঠালে, বোলে, "যেমনে তাৰাৰো গো-ব্ৰাহ্মণ সুখে ৰহে তেমনখান কৰিব। চাৰি পাত্ৰৰ বেটা, ৰাজমন্ত্ৰীৰ বেটা, ৰাজাৰ জী পাৎসালৈ দিয়া যোক ফিৰাই পঠক।" পাচে ৰাজমন্ত্ৰীয়ে বোলে, "ভাল, চান্দ্ৰায়, চুলতান, মাধচৰণ, মিত্ৰত কহ যাই, যদি তাৰা সত্য কৰি বোলে, আমিও পাৎসাই লোকক প্ৰীতি কৰি পঠাও।" এই কথা দিলাল-খাঁয়ে শুনি বোলে, "ভাল, পাৰ্থসাই লোক কুশলে ফিৰি যাওক। তাৰাৰো ৰাইজ্যৰ গো-ব্ৰাহ্মণ সুখে ৰহোক।" এই বুলি দিলাল-খাএ তিনিৰ হাতত লিখা দি পঠালে। লেখাওএই——

স্বস্তি নিজতনু-সৌন্দৰ্য্য-গঙ্গাজল-সদৃশ-পৰমপবিত্ৰ শ্ৰীযুত ৺ৰাজাৰ শুশুৰ বৰনবাবকে জঙ্গবেগাৰ কাৰ কৰ্দ্দম পৰম খুচ চফৰবাজ তোমাৰ নিগাদ মোৰ সম্মত, হালহজুন স্বদাখদ চৰিয়ত, গোস্তন সাকবো নাম ভেজিছি, ও তোমাৰি কমৰগাৰি যেবা দুনা হাৰামজাদা সিতো তোমাৰি ৺ৰাজকৰ্ত্তা ডাঙ্গৰীয়া ওগয়ৰচকো পাইকান ধৰকি গাল মাৰিতে চাস ও অপৰ তোমাৰ বেজদলৈকো বেটা যো কোচু জবাব পহিলেক বতাযতহে ভেজ হৈতেছিল সে জোথবাত সব জুথ আছিল। আকে দোভছিয়াৰহে যদি সে আমাৰ সাথ একলাস থাকিত বদকোলি নাকৰি তেবে কেনে তাৰ এমত হৈবেক আমাৰ শুনিয়া আসে, যে ৰাজমন্ত্ৰী সিতো বয়সতো বৃদ্ধ জ্ঞানতো জানন্তাহে, তাইতো কদাপি নাক-বেল ফিৰিবেক, ভালাতো গো-ব্ৰাহ্মণ ৺তো ৰাজায ৰাখিয় আমাৰে সহজায়া ৺মহাৰাজাকো বেটী ৰাজা-তিপামোৰ বেটী পা৺ মহলাকে খেজমতত দেয়গা। শ্ৰীযুত নবাব আমীৰ-অল্-উম্‌ৰাও ঠাই আৰজদাস্ত কৰিয় হদ-কৰাৰ তালি কিয়া যেন্ব পাঠাইবেক এতে ম ৺পাত্ৰ-মন্ত্ৰী ৰায়তকো ৰাজাক হজুৰদ এমাফিক প্ৰীত দোদলকো মধ্য আলহাদানা সৱ মেকুনি ইতি সন ১৫৮৪, মাস পৌষ। মাধচৰন, চান্দ্ৰায, চুলতানে অনা দিলাল-খাৰ কাকত তিপামৰ খিলাজাৰি ঘাট। ১৩৫ ॥

মহাৰাজাৰ পাৎসাৰ লগত বৈবাহিক মিত্ৰতা।——পত্ৰ চাই বুঢ়াগোহাঁই শ্ৰীযুত ৰাজাৰ শুশুৰৰ ৰাজমন্ত্ৰীয়ে ৰাজ্যখন ৰক্ষাৰ কাৰণে নবাব খানখানা দিলাল-খাঁৰে কথা-বাৰ্ত্তা হৈ ৩০০০০০ তিনি লাখ টকা, নবৈ হাতীৰ কাৰণ

বান্ধিলে আৰু মহাৰাজাৰ জীকো পাৎসাজাদালৈ দিলে। ৰাজাৰ জীৰ লগে অলঙ্কাৰ সহিতে সোণা বিংশ হাজাৰ, ৰূপ ছয়কুৰি হাজাৰ, বিংশ হাতী। পাচে দিবলৈ থাকিল তিনি লাখ টকা, নৱৈ হাতী। তাৰ নিমিত্তে সোতা বুঢ়া-গোহাঁইৰ, বৰগোহাঁইৰ, বৰপাত্ৰ-গোহাঁইৰ, ৰজাৰ শহুৰৰ, এই চাৰি জনাৰ পুত্ৰ যৱনক লাগি ওল দিলে। প্ৰতি বৎসৰে বিশ হাতীৰ নিবন্ধ কৰিলে। ৰাজমন্ত্ৰীয়ে পাৎসাই লোকক ফিৰাই পঠালে। দিলাল-খাঁও ৮/ লৈ তাও, মুকুতা, বাখৰ পতা সোণাৰ মলমকৰা তৰোৱাল ১ খন, জমদাৰ ১খন, সোণাৰ মলমকৰা হিলৈ ২ টা, এই সকল সহিতে ১৫ হাজাৰ টকাৰ বাব দি গদাইক পঠালে, বোলে, "ৰাজমন্ত্ৰীহে হৈ তাৰাৰ বচন নৰলিল।" পাৎসাই লোকেও বিস্তৰ প্ৰশংসা কৰিলে। পাচে মীৰ্জামূলা প্ৰমুখ্যে বঙ্গাল ভটীয়াই গ'ল, শক ১৫৮৪, মাস মাঘ। ১৩৬ ॥

খানখানা ভটীযালে।—আৰ বঙ্গালৰ লগত বাদুলি ফুকন, তাৰ ভাই মৌপিযা, হৰিডেকাৰ পুতেক ৰঘুনাথ, উধ দুৱৰীয়া, ৰঘুনাথৰ বেটা মনোহৰ কাকতী, কেওদাংধৰা, এইবোৰ আপুনি গ'ল। তাত বাজে দয়ঙ্গীযা বৰ-গোহাঁই, ৰাজখোৱা, লুথুৰি চেটিয়া, নাৰেঙ্গ চেটিযা, লালুক গোহাঁই, দীঘলা হাজৰিকীযা আৰু যতক হা-হাজৰিকীযা লহৰৰ বাগৰ পুতেক ভেলাইৰ পুতেক এইসকল প্ৰমুখে আনো অনেক লোকক ধৰি নিলে। গুৱাহাটীত ৰদিচ-খাঁকে, তিনিজনা গোহাঁইৰ বেটাকে ৰজাৰ শহুৰৰ বেটাকে থৈ নবাব খানখানা ভটীযাই গ'ল। ১৩৭ ॥

বিষযাৰ শাস্তি।—পাচে গুৱাহাটীৰ পৰাহে মাধচৰণৰ হাতত ধৰি নিয়া ৰুকুৱাবোৰক দি পঠালে। আৰ মীৰ্জা-মূলাৰ ভাগিনেকৰ হাড আছিল বাকোঁ-বাৰীত, তাকো খুজি নিলেহি। আৰ ৰাজমন্ত্ৰীযে দিলাল-খাঁযে দিয়া তাও মুকুতা, তৰোৱাল, জমদাৰ, হিলৈ, এই ভেটীসকলক বৰপাত্ৰ-গোহাঁইৰ বেটা বৰগোহাঁইৰ বেটাতকৈ ৮/লৈ দি পঠালে। আৰু বোলে, "৮/ৰ আজ্ঞা শিৰত লৈ ৰাজ্যখান ৰক্ষা কৰিলোঁ।" পাচে ৮/ৰে বোলে, "যি কাৰ্য্যৰ ওপৰে থলো সি কাৰ্য্যৰ কৰিলে ৰাজমন্ত্ৰীত ক যাই। আমি পৰ্ব্বতৰ বাসাত বৰ দুখ পাওঁ। আমাক টংচাঙ্গত ঘৰ সাজি নিয়োকহি।" এই কথা ৰাজ-মন্ত্ৰীত কলেহি। ৰাজমন্ত্ৰীয়েও শীঘ্ৰ কৰি ঘৰ সাজি ৮/ক শিৰত কৰি আনি লেচাঙ্গৰ পৰা টংচাঙ্গত থলে। তাৰ পৰা মেকুৰী-খোৱাক ওলাই আহিল কান্তনত। উত্তৰকোলে, দক্ষিণকোলে, পৰ্ব্বতৰ ওপৰে পাত্ৰ-মন্ত্ৰী, যৰা-ৰকুক ভাগি গৈছিল, সবাকে কোচাই আদি একে ঠাই কৰি ৮/ত ৰাজমন্ত্ৰীয়ে চৈত্ৰত

ভেটালে। পাচে মেকুৰী-খোৱাৰ পৰা চৈত্রত বকতালৈ আহিল। তাতে ৺এ ৰাজমন্ত্রীক আজ্ঞা কৰিলে, "মোৰ ৰাজ, কাজ-কাম কেনমতে নষ্ট গ'ল? পাত্র-মন্ত্রী, বৰা-বৰুক এক ঠাই কৰি সুধি দিওঁক।" পাচে সুধি ৺দেৱত যোগালত ভিতৰুৱাল গোহাঁইক, তামুলী-দলৈৰ পুতেকক লোৱা দিলে। হাতী বৰুৱাক চবকিয়ালে। লগ এৰিবৰ নিমিত্তে সোণামুৰাক হাডি কৰিলে। ধোঁৱা কোঁৱৰক লোৱা লগালে। পাচে ধোঁৱা কোঁৱৰে গোচৰ দিলে। বান-ৰুকীয়া বৰগোহাঁইক বোলে, 'বৰগোহাঁয়ে যদি ভৰ দিযে আমি কিয় এৰিম।" পাচে ৺এ বৰগোহাঁইক দায় ধৰিলে, বোলে, "চামধৰাৰ উত্তৰকোলে যে বঙ্গাল নাহিল, দক্ষিণকোললৈ লোকজন নেদিলে কিয়?" এই বুলি ৺ৰে আপোন হস্তে বৰগোহাঁইক দগিযাই বন্দী কৰিলে। সেই সময়ত জয়ন্তা ৰজা ৰগাই কটকীক ৺ৰ ঠাইলৈ পঠাইছিল, ৺ও তুলিলে। ১৩৮ ॥

শ্রীকৃষ্ণায় নমঃ। বুৰঞ্জী পুস্তক। শক ১৫৮৫, মাঘ মাস, ৰাজ্য মাৰিলত পাৎসালৈ দিয়া লেখা—

পাৎসালৈ স্বৰ্গদেৱৰ পত্র।—লেখিতং শ্রীশ্রীযুত জয়ধ্বজসিংহ ৰাজা আচাম চুলতান সুজাকে খলাকে উজু বিশ্বনাথ হমিদা লোকোকে কহে, সোঁ ৰাজবিলাসত ৺ৰায়তকো দেউল কৰকে আচামে নিযাখা। ইসো আছে ৺হুকুমসে সকল মঙ্গলালিঙ্গিত নানাগুণালঙ্কৃত সগুণৈৰ্ধ্বামে নিজতনুসৌন্দৰ্য্য ধৰ্ম্মযুধিষ্ঠিৰ গঙ্গাজলনিৰ্ম্মলপবিত্র কলেবৰ মহামহিম মহিমাৰন্ত শ্রীযুত নবাব খানখানা চিপহ চালাৰ ৺ফৌজাম কৰকে আচাম সাব বিলায়ত নিয়াখা, হামাকো জলাউণ্ডন কৰণে লাগা, তব যাইকে আপনা জীলেকৰকে পাহাৰকে অচিলা কবকে নবাব খানখানা চিপুহ চালাৰ জীউকে পাচ আৰজকিয়া কি, মোৰ গুণাবক্স আচাম মুল্লুক মুজে দিও। মই এতিবেৰ মোৰ আপোনাক বেটী আৰৰ ৰাজা তিপামাক বেটী ৺মহলকে বিসখেজমতকো দেযেঁ। (আৰ সোণা ২০০০০, ৰূপ ১২০০০০ তোলা, আৰ বিশ হস্তীৰ ১৪ দন্তাল, ৬ হস্তিনী। ১৫৮৫ শকত অৰংচা পাৎসাৰ অহদি দুৰ্বেগকে, ৰস্তম-বেগকে দিলে সোণ দুশৈক ৪০০। দলিল-খাঁৰ কটকী গদাইক সোণ ১০০ তোলা বিদায় দিওঁতে। দুই অহদিক ৰূপ হাজাৰ, গদাইক ৫০০ ৰূপ।) আৰ দৰং মলুক উত্তৰ-কোলকি তৰফ দৰিয়াও ৰাযত ভডৰী আওৰ মলুক ৰাজা ডুমৰীযাকা আওৰ বেলতলীযা দক্ষিণকোলকে তলফ দৰিয়াও ওকং সীমনা কৰকে পেচকচ কৰতাহো, আৰ ইচসে পিচু মক্রি কবুল কিয়া জমা দিয়া দি, সন ১০৭৩, মাঘ মাস কো লেকৰকে ৩০০০০০ চাৰ চাৰ মহিনে একো লাখ কৰকে

বাৰ মহিনাৰে দেওঁগা, আৰ ৯০ হাতীৰ ১০ খৰ দন্তাল, ১০ চন্নাদন্তাল, ১০ হস্তিনী, এই তিচ হাতী ইনকো তিন মহিনা পিচো দেওগা। আৰ ৬০ হস্তীৰ খৰদন্তাল ২০, চন্নাদন্তাল ২০, হস্তিনী ২০, ইচমে ছ মহিনা লেকেৰকে বাৰ মহিনা মে ভৰা দেওঁগা। যব তেক্ৰি ৰূপয়া হাতী দিনেকো ওৱাদাকি আছোঁ তবতই বৰগোহাঁইকা বেটা, বুঢ়াগোহাঁইকা বেটা, বৰপাত্ৰকা বেটা, গড়গৰ্য্যা ফুকনকা বেটা, মোৰ মলুকে বিস ই চাৰ আদিমি বৰা, আৰ মদাৰ ভিন্নকে, উঁপৰই সো আন্তে, এহি চাৰ আদমিকো ওঁল দিয়া, তোমাৰ পাস আৰ যো কুছ ৺ বিলায়তকে ৰায়ত আচামকে মলুক বিস ৰহি হয় সৰহায়ালে কৰদেওঁ। আৰ মইনে কবুল কিয়া ইস পিচে হৰবৰিষ ২০ হাতী—১০ দন্তাল, ১০ হস্তিনী, ৺ সৰকাৰকো পেচকচ পহচায়া কহো। আৰ মেৰা এতবাৰি এক গোমোস্তাকে তেক পাইকো সে গুৱাহাটীকি ফৌজ-দাৰকে হমেচা হাজিৰ ৰহে। যো কুছ্ কবুল কিযা হোতি সবকে ভি সমাপন কৰেঁ। আৰ ৺ ৰাজ গিফৰমাণ বৰদাৰি বিস ৰহোগা, ১৫৮৫ শক, মাস মাঘ। ১৩৯ ॥

জয়ধ্বজসিংহৰ পাৎসালৈ কৰ-কাটল আৰু মৃত্যু।—এই শকতে দিয়া থাই হাতী, আৰে লেখা,—গাভৰুৰ লগত ২০ হাতী দিবৰ কবুল, আৰে তিপামতে দিয়া যায় হাতী ১০ নখৌত দিলাল-খাঁৰ হাতত ৪, আৰে হাতত ৰবীতলাত ২, সেই শকতে চৈত্ৰ মাসত গদাইৰ হাতত মেকুৰীখোৱাত ৩৫ হাতী, আৰে বাটত ১৯ পাৎসাৰ হাৰলে হৈল ১১টা, শক ১৫৮৫, মাস ফাগুন। কলিযাবৰত পিৰোজ-খাঁৰ হাতত ৪০ পাৎসাৰ মুজুৰ কৰি দিয়া ৫, নবাব দলিল-খাঁলৈ দিয়া যায ২ হাতী, শক ১৫৮৬, আষোণ মাস। ছৈযদ পিৰোজ-খাঁৰ হাতত দিযা যায হাতী ১১, ৰচিদ-খাঁ নবাবক হাতী ১টা, ৰূপ সুবৰ্ণৰ লেখা, শক ১৫৮৪। তিপামত পাৎসালৈ গাভৰু নমাই দিওঁতে চান্দ্ৰায কমল গজলা গুৰিযাযে দিয়ে গৈ নবাব খনাখানাৰ হাতত সোণা ২০০০০ তোলা, ৰূপ ১২০০০০ টকা, শক ১৫৮৫, কাত্তিকত। পাৎ-সাৰ অহদিক আনোতে লাখটকীযা বৰুৱাযে, লাউ-ডেকাযে, শকৰ বৰায়ে, চতুৰ্ভুজ কাকতীয়ে দিযেগৈ ৰূপ ১০০০০০। সেই শকতে ফাল্গুনত কলীয়া কুকুৰাচোৱা বাঁহবৰীযা কটকী, কৌপতীয়া কটকী, কণাই কাকতীয়ে দিয়েগৈ ৰূপ ৪০০০০। ১৫৮৬ শকত কাত্তিকত পাঠকচন্দ্ৰ, চতুৰ্ভুজ কাকতী, কলীয়া কটকী, টেঁকিয়াল হাজৰিকীয়া দিযেগৈ ৪০০০০ হাজাৰ। ১৫৮৭ শকত ভাদ্ৰ মাসত ৰূপ ২০০০ হাজাৰ মাৰি দিয়া যায়। হস্তী ১০,

আৰে পাচ হস্তী ধৰিল, ৰূপ ১000 খৰিদ লৈ হাতী বিকি দিয়ে ১0000 ১৫৮৮ শকত জেষ্ঠত পিৰোজ-খাঁৰ তত লাখ ৰূপীয়াত মাৰি দিয়া যাই হস্তী ৫0, দুই হাজাৰ কৰি ৰূপ ১00000 খৰিদৰ হাতী মৰিবৰ হৈ হাতী ১, ছাস্তা-খাঁ নবাবক প্ৰতি ২, ৰচিদ-খাঁক প্ৰতি ১। তাত পাচে লাং-ডেকা, কৌপতীয়া, মাধচৰণ, বাঁহবৰীযা, চতুৰ্ভুজ কাকতী, এইসকলত কৰি ৫ হস্তী, ৰূপ কিছু দি পঠালে। সিবোৰেও গুৱাহাটীত ৰচিদ-খাঁক হজুৰে দিলেনি। তদন্তৰে ভগনৰ পাচৰ, ১৫৮৫ শকত পাৎসাযে জযধ্বজ মহাৰাজালৈ জামা-যোৰায়ে যমদাৰ সহিতে কাপৰ ১ যোৰ দি পঠালে দোৰ্বেগ, ৰস্তম-বেগত কৰি। গুৱাহাটীৰ পৰাও ৰচিদ-খাঁয়ে পঠালে তাজ-খাঁকে, ছেক-কমলকে সিহঁতো আহি দেৰৰগাওঁ পালেহি। সেই সময়ত বকতাত জয়ধ্বজ ৰাজা মুদ্গৰ ৰোগ হৈ স্বৰ্গী হ'ল। ১৪0।

দশম আধ্যা।

অসম আৰু বেহাৰৰ পত্ৰ সমাচাৰ।

প্ৰাণনাৰায়ণ ৰজাৰ কুশলা-কুশল।—শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰাযণদেৱ জয়ধ্বজ-সিংহ মহাৰাজাএ নামৰূপৰ পৰা একপত্ৰ দি গোপালচৰণক পঠাই দিলে, এইখান বুলি, "মই গড়গাওঁত ৰহিব নোৱাৰি নামৰূপত ৰহিছোঁ। খানখানা আসিতে যে বেহাৰ মাৰি আহি ৰাজা প্ৰাণনাৰাণ কোন ঠাইত কেনেকৈ ৰহিছে তাক জানি আহগৈ।" গোপালচৰণ গৈ বাস্বাৰ পৰ্ব্বতত ৰাজা প্ৰাণনাৰাণক লগ পাই এই কথা-বাৰ্ত্তা কহিলে। ৰাজা প্ৰাণনাৰাণে বেহাৰক আসি বোলে, "টকা মালকো দি ভযকো দশাই ইস্পিন্দিয়ক পঠালোঁ, ইহাকে কহি ৰামচৰণক লগত দি পঠালে, বোলে, "স্বৰ্গমহাৰাজাৰ ভাল-মণ্ড পুনৰ্ব্বাৰ আসি কহিবি।" এই দুই কটকী আসি ৰাইচাত স্বগমহাৰাজাক দিলেহি। স্বৰ্গদেৱেও এখান পত্ৰ দি ভকতচৰণ সহিতে তিনি কটকীক ৰাজা প্ৰাণনাৰাণৰ ঠাইলৈ পঠাই দিলে। ১৪১ ॥

জয়ধ্বজসিংহৰ পৰা প্ৰাণনাৰায়ণলৈ পত্ৰ।—অথ সমাচাৰ সহিতে পত্ৰ।

৮৭ স্বস্তি সমস্তুঙ্গাভঙ্গ মঙ্গলাগাৰ হৰ হাৰ হীৰ হীণ্ডিৰ পিণ্ড পাণ্ডুৰ কীৰ্ত্তিপুৰ পৰি পুৰিত দিগান্তৰ বৈৰিবাৰণ নিবাৰণ পঞ্চানন বিবিধ বিদ্যা বিদ্যোতিভাস্তস্কৰণশেষ গুণৈকধাম নৰনাথ বিশ্ববিখ্যাত শ্ৰীশ্ৰীমৎ কমতেশ্বৰ ৰাজমহোদাৰ চৰিত্ৰেষু—

পৰম সৌহাৰ্দ্দপূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ। এথাত আমাৰ সমস্তে কুশল, তোমাৰ কুশল নিৰন্তৰে চাহি। পৰ, উকিলত কৰি যি কহি পঠালা তাক আমি সমস্তে শুনিলোঁ। অতঃপৰ বিশেষ , কিন্তু বিপদ কালত আমাৰ বাৰ্ত্তা লৈলা ইহাক শুনি পৰম সন্তোষ লভিলোঁ। আৰ দেখ বিপদ সম্পদ কালে যি কুশলক বাঞ্চে তাকে মিত্ৰ বুলি। পৰ, তুমি যি পত্ৰৰ কাৰণ কহিলা, কহিবাক পোৱা, কিন্তু তুমি আমি সবে দৈবাধিন এতেকে দৈব গতি তোমাৰ আমাৰ প্ৰীতি নাহৈলে ইহাত কিছু ভাব নাকৰিবা। ইদানীক তোমাৰ আমাৰ যেমনে প্ৰীতিগোট হয় তেমন খানি কৰিবা।

আৰ দেখ, তুমি যি জয়নাৰায়ণৰ মকৰধ্বজৰ কাৰণ কহিলা, কহিবাক পোৱা, কিন্তু ৰাজা ৰঘুদেৱৰ ৰাজা পৰীক্ষিতৰ গোষ্ঠিহেন জানি তোমৰাৰো যশস্যা হুইব, আমাৰো যশস্যা থাকিব বুলি জয়নাৰায়ণক দক্ষিণকোলে, মকৰধ্বজকো দক্ষিণকোলে ৰাজা পাতিব খুজিলোঁ। আৰ দেখ ইহাক ৰাজা পাতিবৰ নিমিত্তে তুমিএৰেও প্ৰীতিগোট নাছিল। মকৰধ্বজে দুয়ো ৰাজ্য নাপায়া ৰোষ কৰি দুও ৰাজ্য নালিলে। পাচে জয়নাৰায়ণে মকৰধ্বজে দুয়ো আমাত হাৰামখোৰ কৰিলে। তাৰ নিমিত্তে কোঁচৰ ৰাজ্যখান যেমন বিপত্তি হৈল তাক তুমি আপুনি জানিছে।

আৰ দেখ, আমাৰ তুমি যি বাৰ্ত্তা পুছিলা কিন্তু আমাক বিধাতাএ বঞ্চিলে। চামধৰাত আমাৰ সাত দিন লেটাই হৈল। আমাৰ লোক বঙ্গালত মিলি তোমাকো যেমনে পাচলৈ ভঙ্গালে আমাকো তেমনে মিলা মানুহে পাচেদি বঙ্গালক নি পাচ লৈলে। এতেকে আমাৰ লোক ভাগিল। বঙ্গালে আহি

নগৰ লৈলেহি। আমাৰ সবলোক ভাগি পাহাৰত উঠিল। বাৰিষা কাল হৈলত আমাৰ সবলোক বঙ্গালক ধৰিলে। তাৰ এক বাচডুও আসিবাক নপাৰে হেন কৰি। পাচে হৰিডেকাৰ বেটা বঙ্গালত মিলি পথ চুৰি দি লখৌৰ পৰা বঙ্গালক আনিবাক গৈল। আমাৰ পাচা ভিতৰুৱাল গোহাঞিয়েৰে তিনিদিন লোৰাই কৰিলে। নপাৰি তাৰ লোক জনক ফিৰাই নিম বুলি নাৰ-নাৱৰা আনিলে। সেই নাৰ-নাৱৰাএৰে আমাৰ লোক ভঙ্গাই ভটিয়াই যায়। এনে সময়তে আমাৰ শালা বাদুলি বঙ্গালক ফিৰাই আনিলে। পাচে আমি ৰহিব নাপাৰি পাহাৰত উলটি পাতি ৰহিলোঁ। আমাৰ লোকজন কিছু দুখী হৈল। এই নিমিত্তে গো-ব্ৰাহ্মণক ৰাখি ৰাজ্যখানৰ কাৰণে যি কিছু হয় দি প্ৰীতি কৰি পঠালোঁ। আৰ মই অধিক কি কহিবো আপুনি সমস্তে শুনিচা। ইতি শঁক ১৫৮৪। তাং ১০ ফাগুন। ১৪২ ॥

প্ৰাণনাৰায়ণৰ পৰা জয়ধ্বজসিংহলৈ পত্ৰ।—গোপালচৰণ, ৰামচৰণ ভকতচৰণ, এই তিনিও নিযে। এই পত্ৰৰ প্ৰত্যুত্তৰ স্বৰ্গদেৱলৈ "যা ঘোষা" ইত্যাদি।

৮৭ স্বস্তি জ্যাঘোষঘোৰ নিনাদ-শৰ কুলিশ-গৰ্জ্জিত সংগ্ৰাম বিবাদ কাণ্ড-তাণ্ড ৰত পৰপণ্ডিত পৰম্পৰা কটক কদন ঝৰম্মদ বিহৰি-নিদৃক সৰলীকৃত সাবিত্ৰী শ্ৰীমন্ত মহামাণিক্য তনয সৰ্ব্বদা ৰাজবিৰাজমান লৌহিত্য বৈৰিবেতণ্ড। গণ্ডবিদাৰণ শোণিতা শোণিকৃত বজ্ৰাসাতাৰ প্ৰাক্ত ৰম্ভা গৰ্জাভিৰাম দন্ত দ্বিতীয ধামৰম্ভ্যধ্বজ ভীম সুনন্দ সৰ্ব্বতো ভদ্ৰ ৰবাৰোহ সুবীৰ সুস্থিৰ সুৰাষ্ট্ৰ মঙ্গল। গম্ভীৰ বেদি গজগ্ৰাস বজ্ৰ গৰ্জাতি ভীম সুপুষলংবিত কুলশীল স্খলনাস্ত্ৰ জাগৰুক নৌনিকৰ খৰ্ব্বিতা পতন ডিম্ভিশভট পাটন গৰ্ব্ব মহাসানোন্নত শৰাগ্যাগ্ৰগণ্য ধন্যাতি ধনাসাৎ কুল মহাসিত্ৰ স্বৰ্গীয স্বৰ্গনাৰায়ণ বংশাৱতংশ বিপুল ভুজভূতি কঠিন কোদণ্ড দুস্সহ টঙ্কাৰ শঙ্কিতাৰাতি ৰাজনা মুকুট মণি মৰিচি ৰাজিনী ৰঞ্জিত চৰণ পদ্মৰ কনকিত নিকট মঙ্গনাগ্ৰ দলিতাৰি বেতণ্ড গণ্ডভট প্ৰকট মৌক্তিক প্ৰকৰ তুলিকাৰ পীতাম্বৰ ৰাখৰণী নক্ষৰণ চতুৰ দো প্ৰতাপ সম্ভূত বিজয বৈভৱ হিম হাৰ হৰ হাস কাস কৈলাস ধৌত কল ধৌত কীৰ্ত্তি মণ্ডল পাণ্ডুৰিতানেক দিগ্মণ্ডল মলয মালৱনাচাৰ কেবল তৈলঙ্গ বঙ্গ কলিঙ্গ বিবিধ বাণিগ্মীযমান গুণ সঞ্চয় সান সীম ভীম পৰাক্ৰম ৰাজ ৰাজেশ্বৰ স্বৰ্গবংশধৰ স্বৰ্গনাৰায়ণ শ্ৰীশ্ৰীজয়ধ্বজসিংহ সৰ্ব্বদা সমৰ বিজযী সুবিজ্ঞাপয়ত স্বস্তি সুখোয়ং ভূতভব্যমিহ ভৱতাং তদ্বিহামহে—

পৰন্তু পূৰ্ব্বাপৰ ব্যৱহাৰমতে তুমি যে আমাক লিখিলা ইহাতে তুমি মোক কিনিয়া আপোনাৰ বশ কৰিলা। তুমি কৃষ্ণদেৱ, মঞি তোমাৰ বশঙ্কৰ অৰ্জুন হেন জানিবা বুজিয়া যেখন যে বোল তাক মই সৰ্ব্বথা কৰিম। ইহাত তুমি অন্যথা নাজানিবা। আৰ যে লেখিছ, বিপদ কালত যে কুশলক বাঞ্চে তাকেশে মিত্ৰ বুলি, সে মিত্ৰ হয়। তোমাৰ আমাৰ আজিৰ মিত্ৰ এনে নহয়। আমাৰ প্ৰপিতামহক তোমাৰ বহু স্বৰ্গীয় স্বৰ্গনাৰায়ণ শপত কৰিয়া প্ৰীতি কৰিছে। তোমাৰ আমৰা মন্দ নাকৰিব। আমৰাকো তোমৰা মন্দ নাকৰিব। পৰস্পৰেৰ উপকাৰ পৰস্পৰে কৰিব। এমন মোৰ চিত্তে আছে। তোমাৰো এমত ৰখাহে উচিত হয়। ইহাৰ মাজতে যে অনাথা হৈছে সে মন্ত্ৰীদোষেই হৌক বা দৈৱদোষেই হৌক বা তোমাত হস্তে হৌক বা তাক তুমিও জানিছ। পূৰ্ব্ব শপতে পুনু ফল ধৰাইলেক। মোৰো ৰাজ্যচ্যুত হৈল, তোমাৰো ৰাজ্যচ্যুত হৈল। কিন্তু মোৰো মনে নাহি কৰে, তোমাৰো মনে নাহি কৰে, ইহাতে মঞি ৰাজ্য ফিৰি পালোঁ, তোমৰাও ৰাজ্য পাইলা।

আৰ পূৰ্ব্বে লাংচা দেশ, পশ্চিমে গৌড়, উত্তৰে ভোটান্ত, দক্ষিণে ওৰেষা, ইতি মধ্যত তোমাৰ তুল্য মহত্তৰ মহীমহেন্দ্ৰ মৰ্য্যদা পাৰবাৰ কে আছে। মঞি তোমাৰ মিত্ৰ, কুশল বাঞ্চিবাকে পাওঁ। আনো ৰাজা সকলো তোমাৰ কুশল বাঞ্চে। আৰ তোমাৰ যে ৰাজ্যচ্যুত হৈছে ইহাৰ কাৰণ তোমাৰ কোনো মনে দুখ কৰিবাক উচিত নাহয়। দেখ, ৰামচন্দ্ৰ সুৰথ, যুধিষ্ঠিৰ এইসকলৰো ৰাজ্যচ্যুত হৈছিল। কিন্তু তামৰা সকলে উদ্যোগ কৰিয়া ফিৰিয়া লৈলেক নিমিত্তে তাহাৰাৰ অকীৰ্ত্তি নাহৈল। সম্প্ৰতি আমাৰ তোমাৰ ৰাজ্যচ্যুতি হৈছিল। ইহাত যদি আমৰা সময়ত উদ্যোগ নাকৰি তবে আমাৰ অকীৰ্ত্তি হৈবেক।

আৰ যেখান লিখিছ, ইদানীক আমাৰ তোমাৰ যেমনে প্ৰীতি হয় তেমন কৰিবা। যে গোট হৈব হেন কৰিবা। যে অপ্ৰীতিৰ বীজ সে আপদ দূৰ হৈল, হৈতেছে, ফিৰিয়া নাসা যায় হেন কৰিবা। তাক পূৰ্ব্বাপৰ দেখায়া লেখি। আমাৰ গোষ্ঠিত প্ৰধান স্বৰ্গমহাৰাজা তাৰপুত্ৰ বঙ্গ, মোৰঙ্গ, মিথিলা, গৌৰিকৰ, গ্ৰাহ্ম, প্ৰৌঢ, ধনুৰ্চ্চৰ্য্যা, ধৰি কৃতপাৰ্শ যাবৎ কামৰূপ কম্ৰতাধিনাথ ৰাজাধিৰাজ স্বৰ্গদেৱ যাবৎ দেশ তাৰ অধীন আছিল। তাৰ ছোট ভাই চিলাৰায় কোঙৰ। তাৰ বেটা বাপা মহাৰাজ জেঠোৰ ঠাইত হাৰামখোৰ হৈয়া খিলাত ৰাজা হৈছিল। নাড়ি কাটিয়া পুষিছিল, কাৰণ যাবত জীয়া আছিল তাবত মহৰাজা ক্ষেমা কৰিছিল। পাচে মহাৰাজা স্বৰ্গীয় হৈল, মোৰ পিতামহ

মহাৰাজা হৈল। তাঞো ৰঘুদেৱ ৰাজাই নসহিয়া কামৰূপৰ নিমিত্তে বিৰোধ কৰিতেছিল। তাতে বাপা মহাৰাজা স্বৰ্গীয় হৈল। তাৰ বেটা জেঠো ৰাজা হৈছিল, মোৰ পিতামহ। তাৰা ৰাজাই নসহিয়া তাৰ উপৰ আপনেও চৰিয়া বঙ্গালক চৰায়া তাক উৎখাত কৰায়া আমাৰ আপনাৰ ৰাজা নাপাযাও বঙ্গালক ৰাজ দেৱাইলেৰ। একে ৰাজাৰ যে ধাৰা তাঞি সে ৰাজাকোঞৰ ধাৰা, ৰাজা নাহয, এতেকে স্বৰ্গদেৱ তামাৰা ৰাজা নাৰাখিলেক। তাৰ পাচে জেঠো পৰীক্ষিতেৰ চোটভাই দাদা বলীদেৱ পালায়া তোমাৰ বৃদ্ধ স্বৰ্গদেৱৰ ঠাই গৈল। আমাৰ পিতামহ মগলৰ বশ হৱা আছিল, কাৰণ তোমাৰা প্ৰীতি না দেখাইলেক। এতেকে আমাৰ সম্বন্ধে তোমাৰ বৃদ্ধস্বৰ্গদেৱ দৰঙ্গ দেশত ৰাজা পাতিলেৰ। বিস্তৰ লোৰ, হাতী ঘোঁৰা, সোণা, কণ্যা, দিলেক। মহন্তৰ শৰণাগতক যেৰূপ ৰৰিবাৰ উচিত তেমনে ৰৰিলেক। আৰ জেঠো পৰীক্ষিতেৰ বেটা ৰাকো চন্দ্ৰনাৰাণ দক্ষিণকোলেৰ পৰ্ব্বত আশ্ৰয কৰিয়া আছিল, তাকো বহুত অনুকুল কৰিলেক। তামৰাও আপনাৰ নাম লৈয়া পৰম সুখে আছিল । তাৰ পাচে তোমাৰ বৃদ্ধ স্বৰ্গনাৰাণ তোমাৰ চন্দ্ৰকন্দলী, আমাৰ হৰবল্লভ ডেকা কাজিৰ দিয়া ব্যৱহাৰ লেখিয়া ও কথা পঠাইলেক তোমৰা আমৰা মিলি বঙ্গালক মাৰিয়া খেদায়া ৰাজ্য লৈযা শৈল উদ্ধাৰ ৰৰি। তাত তখন মঞি বালক আছিলো। আমাৰ প্ৰধান ৰামচন্দ্ৰ ৰাজ-জামাতা আছিল। তাঞি এগোটি নামানিলেক। এতেকে তোমাৰ বৃদ্ধ স্বৰ্গদেৱ দাদা বলীদেৱক ৰাজ্য দিবাৰ ৰাৰণ বঙ্গালেৰ উপৰ ফৌজ চাহিলেক। তাৰ পাচে যে বৃত্তান্ত হৈল সে বহুত ৰত লেখিম। তোমাৰ সে কালৰ যে লোক আছে তামৰা সাৱশেষ জানে। তোমাৰ আপনা অনেক হানি ৰৰিয়া তাৰ ভালাইৰ যত্ন কৰিছেন। শৰণাগতেৰ কাৰণ যে কৰিছেন এ তোমাৰ অনিত্যা কৰ্ম্ম । ইহাকতো অনেক দোষ শ্লাঘা ৰৰে, আমৰাও কৰি, তাৰ পাচে কৰাইলেক ।

দিল্লীৰ পাৎসাৰ গণ্ডগোলত আমৰা চাহিলোঁ, তোমাৰ সহিত প্ৰীতি কৰিয়া আমাৰ প্ৰপিতামহৰ কামৰূপ আৰা লএগ। তাহাত তোমাৰ কু-মন্ত্ৰীযে তোমাক যে বিনয লেখিলোঁ তাক বিপৰীত বুজালেক। কহিল যে, এৰাজ্য তোমৰা নাপাযেন। ৰাজা ৰঘুদেৱ, ৰাজা পৰীক্ষিতেৰ এ ৰাজ্য, তামৰা গোষ্ঠি বলীদেৱৰ বেটা মকৰধ্বজ চন্দ্ৰনাৰাযণ, তাৰ বেটা জয়নাৰায়ণ, তামৰাসে পায। এবুলিয়া তামৰাসে সাহায্য ৰৰিলেক। আমাৰ সহিতে বিৰোধ কৰিলেক। তাৰ পাচে পূৰ্ব্ব শপথ স্মৰিয়া তোমাৰ সহিতে আমাৰ বিৰোধ উচিত নাহয়। এতেকে আমৰা ৰাজ আসিলোঁ।

তাৰ পাচে আমাৰ ওপৰ মগোল চৰিল, তাৰ সহিতে আমৰা যুঁজিতে-ছিলো। তাৰ পাচে তোমাৰ ফৌজ মানাহাত থাকিতে ও জয়নাৰায়ণ আসিয়া মগোলিত মিলিল। তাৰ পাচে দাস্ত সহুয়া মীৰজুমলাক আনায়া তোমাৰ ওপৰ চৰিল। পাচে মকৰধ্বজো আসিয়া মীৰজুমলাক মিলি তাৰ পাচে তোমাৰ ৰাজ্য-সম্পৎ লোৱাইলেক, তোমাকো ধৰিবাৰ যত্ন কৰিলেক। তাত মহাৰাজ ৰাজ্য তোমাক দিলেক।

এতেকে তোমাৰ হেন যে উপকাৰী তাত উমৰা যে এমন কৃতঘ্নতা কৰিলেক এমত সংসাৰত কেহো নাকৰি। এখন তোমাৰ ধৰ্ম্ম নাসহিলেক। মকৰধ্বজো মৰিল, জয়নাৰাণো দণ্ডুকা টানিতেসে। এতেকে ফিৰিয়া যদি তোমৰা তাহাৰ সাহায্য নাকৰ তেবেসে বীজ যিৰিযা নাগজায়। তেবে তোমাৰ আমাৰ মৈত্ৰী দিন দিন বাঢ়িবেক। আৰ তুমি আপনাৰ ব্যয কৰিযা আমাৰ ভালাই কৰিছ। মই আপনাৰ ব্যয কৰিযা তোমাৰ ভালাই কৰিম। ইহাৰ কাৰ্য্য প্ৰভাৱে প্ৰমাণ পাইবেন। আৰ মোৰ যে জোখো বিপত্তি হৈবাক নালাগে সে জোখো বিপত্তি হৈল মোৰো আপোনাৰ লোকত হন্তে, ইহাক মযো বুজিলোঁ, তুমিও বুজিলা। তথ্রিও দোষানুৰূপ অনেক দণ্ড কৰিলো, অনেক শাস্তি কৰিলোঁ, অনেক কাটিলোঁ। আৰ সমযত দোষানুৰূপে দণ্ড কৰিম, শাস্তি কৰিম, কাটিম। তোমাতো চাহি দোষানুৰূপে দণ্ড কৰ শাস্তি কৰ, কাট। আৰু সমযত দণ্ড কৰিবেন, শাস্তি কৰিবেন কাটিবেন। তেবেসে ৰাজ্যত ৰাজা হ'। ৰাজাৰ দণ্ড প্ৰধান।

মোৰ মতে এখন যে ঠাই দুৰ্গস্থল কৰিছ তাত তুমি যত লোক সহিতে থাইবা তত লোকৰ তিনি বৎসৰৰ ভক্ষ তুলিবা। আৰ বাহিৰত যুজিবাৰ সবে হাথীযাৰ ৰাখিযা যাবৎ হাথীযাৰ তোল। আৰ যেসব লোক তোমাৰ আত্মীয় হেন কহয তাৰ বুৰ্ম্মাবিলাকো তোল। তাত যাবৎ কুৰ্ম্মা কৰি না-তুলিবাক নোখোজে, তাঞ্চি তোমাৰ হাৰামখোৰ, তাক দণ্ড কৰ। আৰ সে ঠাইৰ পাশ্বৰ্বৰ্ত্তীয লোক তাক খোৱাই-পিন্ধাই আও কৰ, ইহাতে তোমাৰ যে ইছা। মই এৰূপ কৰিছোঁ, কৰিতেছোঁ। আৰ প্ৰীতিৰ বীজখনি তোমাৰ উকিলৰ ঠাই লেখিয়া দিছোঁ, কহিছোঁ, তাক তুমি কৰিবা। তেবে পল্লবিত পুষ্পিত, ফলিত হৈবেক। অধিক কি কহিব, সকলো উকিলে কহিবেক।

আৰ তোমাৰ ৰাজ্য যেমনে বা যাৰ গৈল যেমনে বা পাইছেন তাক তোমাৰ পত্ৰৰ দ্বাৰায়ে জানিল। আৰ আমাৰো ৰাজ্য যেমনে বা যাৰ গৈছে,

যেমনে বা ফিৰি পাইছি, তাক তোমাৰ গোপালচৰণৰ ঠাই লেখিয়া দিছি, তাঞি জনাইবেক। আৰ সমযত উদ্যম কৰিবাক চাহি। এতেকে তোমাৰ খড়ি-খড়িৰ বাৰ্ত্তা আমৰা যেমনে পাই, আৰ আমাৰ খড়ি-খড়িৰ বাৰ্ত্তা যেমনে তোমৰা পাইবেন তাক কৰিবাক লাগে। ইহাতে সকাৰ্য্য সিদ্ধি হৈবেক।

আৰ আমাৰ নজিকি শ্ৰীকানাই যায। আৰ শ্ৰীগোপালচৰণ ও শ্ৰীভকতচৰণ ও শ্ৰীৰামচৰণ, ইযাৰ মুখে সকল সমাচাৰ জানিবেন। আৰ বিশেষ এক-আদ কথা তাক শ্ৰীগোপাল চৰণ ও শ্ৰীকানাইএ কহিবেক। ইতি, চন ১৫৮৪ ৫ আষাৰ। পালেহি শক ১৫৮৫, তাং ৬ মাগ ভাদ্ৰ। ১৪৩ ॥

প্ৰাণনাৰাযণে দিযা উক্ত পত্ৰৰ সামৰণি অংশ।—আৰ আমাৰ দেশ যেমনে বা মৰা গৈছে যেমনে বা ফিৰিযা লৈছি তাক পহিলে লেখি—

সাহসুজাক মাৰিযা খেদাযা যেখনে মাজুম-খাঁ ঢাকা গৈল তখন আমাৰ উকিল ফতে-খাঁক মাজুম-খাঁৰ ঠাই পঠালোঁ। ইহাতে পাৎসা সাহেবেৰ ঠাই আছে যে ৰাজা জযসিংহ তামাৰ পূৰ্ব্বে মানসিংহ ৰাজা সহিতে আমাৰ পিতামহ মহাৰাজ সম্বন্ধ কৰিছিল। সেই সম্বন্ধৰ অনুবন্ধে ৰাজা জযসিংহ মাজুম-খাঁক আমাৰ হৈযা সুপাৰিচ লেখিচে। সে সুপাৰিচ লেখা পাযা মাজুম-খাঁ ৱেপা-গোসা কৰিযা আমাৰ উকিল ফতে-খাঁক শোলশাঠিশাযা ৰাজা সুজানসিংহক ১০০০০০ আসোৱাৰ ২০০০০ বন্দুক সি সমেত আমাৰ ওপৰ চৰাইলেক। তাৰ সহিতে আমাৰ লোৰাই কৰিলোঁ। তাৰ ৰাত্ৰিৰ দাগাত কোতাৰ মাইৰত আমাৰ অনেক লোক মাৰা গেল। জঙ্গলত তীৰেৰ মাইৰত অনেক মাইৰ গেল। আমাৰ বাগখাৰৰ কোঠত লাগিতে তীৰেৰ বন্দুকৰ মাইৰত ২০০০ আসোৱাৰ মাৰা গেল পাইকৰ গণনা কে কৰে? পাচে সুজানসিংহ নাপাৰিযা কহিলেক ---মোৰ সহিতে সালাহ কৰ। পূৰ্ব্বাপৰ যেমনে পেচ-কচ দিছিলেন সেই ধাৰণে পেচকচ দিযা ৰাজ্য ভোগ কৰ। পাৎসাহীত তোমাৰ বদনাম ওচোক। তাত আমৰাও সালাহ কৰিবাক কবুল কৰিলাম। আৰ আমাৰ ৰাজ্যৰ লোকৰো ইচ্ছা আছিল যে সলাহ হৌক। তাত আমাৰ প্ৰধান শ্ৰীভবানাথ বাজি সেগোট নাকৰিলেক, যুদ্ধহে কৰিলেক। নফৰৰ মধ্যত তাঞি বৰ জোতাবৰ আছিল। মগলাগণ আসিলত এতেকে তাক জানাগেল। তাৰ মনত আছিল পাৎসাহী সলাহ হৈলেক। আমাৰা পাৎসাহীত মলুক মাৰিছি। তাৰ দাযত পাৎসাহী লোক হস্তে আমৰা মাৰা যাইব।

ৰাজা পেছ্‌কছ দিয়া এৰাইবেক আৰ আমাৰ যেসকল মল্লুক পৰগনাত যাৰা ভাগ কৰি তাৰ পেছ্‌কছো আমাৰে ওপাৰে দেয়াইনেক। এইসকল কুমন্ত্ৰণাত যুদ্ধসে কৰিলেক সলাহ না কৰিনেক।

পাচে মাজুম-খাঁ আপনে চৰিয়া সমস্ত ওমৰাও লোক সমেত মিত্ৰ-পথেৰ দ্বাৰাএ আছিল। তেখন ফৌজ দেখিয়া ভৱনাথ কাজি আপনে আগে পালাইল। তাতে কুমন্ত্ৰণা কৰিছে যে মহাৰাজক মগোলে ধৰিয়া লৈয়া যাইবেক। আমৰা পাচত মগোলত মিলিয়া এদেশে ৰাজকৰ দিবাক লাগে তাক মগোলক মঞি এ দিয়া আমৰাএ ৰাজ্য ভোগ কৰিব। তাত মঞি দেখিলোঁ, যে মগোল আছিল। সৰদাৰ সকলো মোৰ সাথ নাদিলেক। তেবে ইমৰা কুমন্ত্ৰণাকোসে কৰে মোক ধৰি দিবাক চাহে। এতেকে মই আপোনাৰ কুৰমা কৰি বা সমেত ভোটৰ ধৰ্ম্মৰাজা মোৰ সখি। তাৰ সীমা বাস্কা পৰ্ব্বতত যায়া উত্তৰিলোঁ। মোৰ লাগেৰ আঠাৰ ডাবুৱাৰ এক ডাবুৱালোক সমেত। তাৰ পাচতে মাজুম-খাঁ আপনে আসিয়া আমাৰ বেহাৰ সোমায়া দেশ লৈলেব। আমাৰ বাস্কাৰ পৰ্ব্বত যাবাৰ শুনিয়া সখি ধৰ্ম্মৰাজা আপনাৰ আগুৱাক পাঠায়া আমাক বহুত আশ্বাস কৰিলেব বহুত ভক্ষ-ভোজ দিয়াইনেক। আৰ লোক-জন দিয়া আমাৰ পালা-পহৰীয়া দেৱাইনেক। দিন-দিন আমাৰ খবৰ লৈতেছিল। আমৰা মাজুম-খাঁ এক ভোটক ধৰিয়া লৈয়া যায়া ধৰ্ম্মৰাজাক দিলা। আশা দিয়া লোভ দেখায়া দ্ৰব্য দিয়া পাঠাইয়া লেখিলেক যে ৰাজা আমাৰ হাৰামখোৰ তাক তোমৰা ধৰিয়া দিও। তাত সখি ধৰ্ম্মৰাজা মহামহন্তৰ শৰণাবৎসল তাঞি মাজুম-খাঁক জবাব লেখিলেক আমাৰা ৰাজাক ডকায়া নাহি আনিলি। আমাৰ সখি হয় বিপত্তিত তাঞি আছিছে। ইহাক আমাৰা কেমনে ধৰিয়া দিবাক পাৰি? এগোটা আমাৰ ধৰ্ম্ম নহয়। আৰ কি দোষে বা তোমৰা ৰাজা মলুক আসিয়া লৈলেন ইহাকো আমৰা নাজানি। যদি ৰাজা কোনো দোষ কৰিয়া থাকে তেবে তাৰ গুণগাৰি আমৰা দিব। আৰ পেছ্‌কছ যে লাগে তাকো দিব। তোমৰা ৰাজাৰ মলুক ৰাজাক ছাৰিয়া দিওঁ।" ধৰ্ম্মৰাজাৰ এই ধৰণে জবাবত মাজুম-খাঁ নিহকৰ্ষ কৰিয়া জানিলেক যে ৰাজাক নেদেই। তখন মাজুম-খাঁ ভোটক বিদায় দিলেন আৰ ভোটৰ ৰাজাৰ উকিলক কহিলেক "ভালা, এখন মই আসাম যাম। সি ঠাই হন্তে ফিৰিয়া আসিলে ৰাজাৰ নিশা কৰিম।"

ইহাতে ভৱানাথ কাজি যে মন্ত্ৰণা কৰিয়া আমাৰ সাথ নকৰিয়া আন পথে পলাইছিল, তমাম মাজুম-খাঁৰ লোক ধৰিয়া নিলেক। ইহাতে আৰ

যে সময় সৰ্দ্দাৰ যে ঠাই পলাই আছিল তামাৰা কোহা মোৰ ঠাই নাসিল। সাগ যায়া মগলুত মিলিল। ইয়াতে মাজুঁম-খাঁ জানিলে যে, দেশ পাইলোঁ। আৰু প্ৰধান ভবনাথ কাৰ্জিক কয়েদ কৰিলোঁ। আৰ সমস্ত ছয় সৰ্দ্দাৰো এহাতে চৰিল। কেৱল ৰাজাসে একলাএ পাহাৰত ৰহিল। এতেকে আমৰা মলুক খালিছা কৰিয়া বেহাৰ ফৌজদাৰ ইস্পিন্দিযাৰক ৰসাযা যাযগহ কাৰাতি। থানাদাৰ পঠাযা মগলু সাধিবাক হুকুম কৰিয়া তোাৰা দেশক গেল।

পাচে আমাৰ দেশত মগলুৰ কৰোডি বিলাগত বিলাযতে বসিযা খলিচা মতে খাজনা তহসিলক লাগিল। ইহাতে মগোন ৰাজাৰ তহসিলত লোক বহুত। আজাৰ পাযা খাজনা ভৰিবাক নাপাৰিযা পাইকান ও ঠাকুৰীযা সমস্ত লোকেৰ উকিল হৈযা কতগুটি লোক বাস্কাৰ পৰ্ব্বতত যাযা আমাৰ ঠাইত আৰ্দ্দাস কৰিলেক। আমাৰ লোণ খাইছিল। মগোল আসিবাৰ সময় ৰবৰকৰা সৰ্দ্দাৰ সমে পলাযা গেল। কাৰণ লইবাক নাহি পায। এখন আমাৰা মগলু ৰজাৰ তহসিল সহিবাক নাপাৰি খাজানাও ভৰিবাক নাপাৰি মহাৰাজাৰ হুকুম হয তবে আমৰা মগলোক মাৰিযা খেদাই। মহাৰাজাও যাযা ৰাজ্য কৰোঁক। তাত সখি বৰ্ম্মাৰাজাও মগোল সহিতে বিৰোধ কৰিবাক সম্মত নাদে। তাঞিৰ ইচ্চাযে মাজুম-খাঁ ফিৰিযা আসিলে। মঞি সন্যাসী কৰিযা যে লাগে তাক দিযা জানো দ্বন্দ-বাদ নাহয এতেকে বৰ্ম্মৰাজা আওৰা ভোট আছে তাৰাক নাজানায় মনে মনে দোচৰ লোকক আশ্বাস কৰিলোঁ। তোমৰা এখন একথা চোৰ নাকৰিবেন। আমৰা মাজুম-খাঁৰ খবৰৰ মানুহ পাঠাইতেছি। মাজুম-খাঁৰ যদি খবৰক গাএ। যাযা পহুচিল তাৰ খবৰ আসিযা পহুছিলে আমাৰা তোমৰাক হুকুম কৰিব। তখন মোগলক মাৰিবেন। এখন তোমৰা সবে এক বাক্যতা হুযা দিন কাটি কৰিযা গযাবেন। ইহাতে কতো দিন অন্তৰ মানুহ আমাৰ মাজুম-খাঁৰ লস্কৰ আসিযা পহুছিল। তাঞি কহিলেক 'মাজুম-খাঁ গডগ্ৰাম গ'ল।'' তখন আমৰা মনে বিচাৰ কৰিলি মাজুম-খাঁ দৰ হৈল মদত কৰিবাক নাপাৰিবেক। এতেকে আমৰা আপনাৰ দেশৰ লোকক মনে মনে হুকুম কৰিল যে তোমৰা মাইৰ বৰ। এ হুকুম পাযা আমাৰ দেশৰ সমস্ত পাইকলোক এক বাক্যতা হুযা যাৰ যে ঠাই পাইলেক মগোলৰ কৰোৰিক ও থানাদাৰক ও ফৌজদাৰক ঘেৰিযা দাগা কৰিযা ও সৰিয়ণ কৰিযা কাটিলেক। ইহাতে বহুত মৰা গেল থোৰা কিছু পাইল।

এহি ধাৰণে বিলাৰতে বিলাযতে মগোলুক মাৰিযা চাফ কৰিযা বেহাৰত যে ফৌজদাৰ ইস্পিন্দিযাৰ প্ৰভৃতি আছিল তামকে আসিযা ঘেৰিযা ধৰিলেক।

"আমৰা পাৎসাহী লোক, মাজুম-খাঁৰ নাহয় মাজুম-খাঁৰ যে লোক তোমাৰ বিলাযতত বসিছিল তাক মাৰিলেক। আমৰা তোমাৰ লগত বিৰোধ নাকৰি আমাক ধৰ্ম্মদ্বাৰ দেও, আমৰা আপনে তোমাৰ ছাৰিযা যাই।" এহি বুলিয়া আমাৰ লোক সহিতে বিৰোধ নাকৰি বুলিযা সৌগন্ধ কৰিলেক। একথা আমাৰ লোকে বাস্কাতে কহি পাঠাইলেক। ইযাক শুনিয়া আমৰা বিচাৰ কৰিলাম, মগোলে আমাৰ দেশক বিনাযুদ্ধে লৈছে। অখন আমৰা মাৰিযা লৈলাম। আমাৰ এহি কীৰ্ত্তি চন্দ্ৰ দিবাবৰ লাগিযা ৰহিল। আৰ মোগলৰ ফৌজ বহুত ঘিৰাইলেক ইমাক নামাৰিযাও মাৰিলাম। আৰ আখেৰ পাৎসাহী সহিত আমাৰ ৰহিবাক লাগে। এতেকে আমাৰ লোকৰ হুকুম কৰিল তামাক ধৰ্ম্মদ্বাৰ দেউ আমাৰ দেশ ছাৰিযা যাউক। এতেকে উমৰা আমাৰ লোকত হস্ত ধৰ্ম্মদ্বাৰ পাযা নিকলিযা গৈল। সকলো লোকত আমাৰ কীৰ্ত্তি ৰহিল যে ৰাজাএ সকলো লোকক জীউ দান দিযা চাৰিযা দিলেক।

তাৰ পাচে আমৰাও বাস্কাৰ হস্তে নামিযা আপনাৰ বেহাৰ-পানি দেশ আসিলাম। পৰ্ব্বতত আমৰা যাই সাথ দিছে, যাযো যেমনে মগোলক মাৰিলেক তাৰ তেমনে বা দিলাম। আৰ যে মিত্ৰ পথে মাজুম-খাঁ দেশ সম্প্ৰাথিছিল সে পথত পৰ্ব্বতস্থানৰ গড কৰিলাম। আৰ বা যে ঠাই যে ছিদ্ৰ আছিল তাকো মাৰিলাম। ইহাতে শুনিলাম যে মাজুম-খাঁ গুৱাহাটীক গডগাঁও হস্তে আসিল এতেকে আমৰা ৰাত্ৰ-ৰাতি ঠাই-ঠাই গডত লোক সৰ্দ্দাৰ বসাইলাম। আৰ মাৰ্জুম-খাঁযো খবৰৰ চাৰ পঠাযা যত সা-সনো পহিলে আহিছিল সে সমান মাজুম-খাঁৰ নাহি। ইহাতে আমাৰ বহুত ভৰষা হৈল যে এবাৰ আসিযা সলাহ নাকৰিলে লড়িব। তাত আমাৰ চাৰে আসিযা কহিলেক যে "মাজুম-খাঁ শৰণাপন্ন নাপৰা পৰিযা নাৱে ভটীযাই বৰিতলা গল। এ খবৰ হকিকত জানিবাক আমাৰা মানুষা পঠালোঁ। বৰিতলাক তাগ্ৰি আসিযা কহিলেক যে "মাজুম-খাঁ মৰিল, দলাল-খাঁও সমস্তে ফৌজ সহিতে ঢকাৰ লাগিযা গেল। আৰ দলাল-খাঁ আমাক বহুথ দিলসা কৰিযা পঠাইছে। এতেকে আমৰা সলাহেৰ কাৰণ তাৰ ঠাই ঢকাক লাগিযা আমাৰ পৰম আপ্ত শ্ৰীকবি-কিশোৰক উকিল পঠাযা দিলি সলাহ হৈবেক। আমাৰ বিপত্তি এৰূপ হৈছিল, অন্তকো পাইলেক।

তোমাৰ এব বাদুলি ফুকন নিদানত বিগাৰ কৰিলেক। আমাৰো এমন অনেক নফৰে আদি-অন্তে বিগাৰ কৰিলেক। মোৰ আপোনাৰ ধৰ্ম্মবল আৰ সখি ধৰ্ম্মাৰাজাৰ সহাই বলে এ ঘোৰ বিপত্তি তৰিয়া তোমাৰ হেন মহা-

ৰাজা পূৰ্ব্বাপৰ মিত্ৰতাক পাইলোঁ। অখন ঈশ্বৰে তোমাৰ আমাৰ ভালে কৰিবেক। যেমনে দুখ গেল তেমনে সুখ হৈবেক।

এঠাইৰ সমাচাৰ শ্ৰীগোপালচৰণ ও শ্ৰীকানাই ও শ্ৰীভকতচৰণ, ও শ্ৰীৰামচৰণ, ইমৰাএ কহিবেক । ইতি শক ১৫৮৫, তাৰিখ ৫, মাসে ভাদ্ৰ । ১৪৪ ॥

জয়ধ্বজসিংহৰ পৰা প্ৰাণনাৰায়ণলৈ পত্ৰ ।—শ্ৰীশ্ৰীজয়ধ্বজসিংহ মহাৰাজাএ পুনৰ্ব্বাৰ ৰাজা প্ৰাণনাৰাণৰ ঠাইলৈ দি পঠোৱা পত্ৰ ।—

স্বস্তি সকল মঙ্গলালিঙ্গিত কলেবৰানঙ্গ সাগৰাঙ্গনীনূৰ আলয়ণ বৰ তাৰ্চিচত দ্বিজদেৰ মহামহিম শ্ৰীশ্ৰীমৎ কমতেশ্বৰ ৰাজ মহোদাৰ চৰিত্ৰ বিচিত্ৰিত গুণ সমুহেষু ।—

সৌহাৰ্দ্দপূৰ্ব্বক লেখনং প্ৰয়োজনঞ্চাগে । এথাত আমাৰ সমস্তৰে কুশল। ৰাজা প্ৰাণনাৰাণৰ কুশল নিৰন্তৰে চাহি । পৰং তুমি যি পত্ৰ লেখিলা উকিলৰ মুখেও যে কহি পঠালা তাক শুনি আমি পৰম সন্তোষ লভিলোঁ। আৰ তুমিৰ প্ৰীতিৰ কাৰণ যি লিখিলা লেখিবাক পোৰা । কিন্তু প্ৰীতিগোট আজিৰ নহই, পূৰ্ব্ব ধৰি বিশ্বসিংহৰ দিন হন্তে এই প্ৰীতি গোট চলি গেছে। এখনো আমি সেই প্ৰীতিতেসে ৰহিছি । যেখন তোমাৰ ভবানাথ কাজি হাজোক আসিল সি আমাত ভাৰসা নাদিয়া বগাই লিখিলেক । সে কাৰণে যি খানি তোমাৰ আমাৰ অপ্ৰীতি হৈল তাক আমিও মনে এৰিছি তোমৰাও মনে কিছু গুণাহ নাকৰিবা। ইদানীক তোমাৰ আমাৰ যেমনে অভেদ প্ৰীতি গোট হয় তেমন খান কৰিবা।

আৰ দেখ তুমি যি জগনাৰায়ণৰ মকৰধ্বজৰ কাৰণ বাহলা কহিবাক পোৰা। কিন্তু পূৰ্ব্বত তাক আমি বিজযপুৰত ৰাজা কৰিম বুলিযা কবুল কৰিছি। এতেকে আপোনাৰ পূৰ্ব্ব কবুলক সাফল কৰিযা তাক আমি ৰাজা কৰিলোঁ। তথাপি সি আমাৰ লোণহাৰাম কৰিলেক। এতেকে সি কবুল কৰিছিলে, সমস্তে তাৰ ভ্ৰষ্ট হৈল। আমিও তাক পৰিত্যাগ কৰিলোঁ।

এতেকে তোমাৰ দোসমন হৈলে আমাৰো দোসমন, আমাৰ দোসমন হৈলে তোমাৰ দোসমন। সিটো অপ্ৰীতিৰ কাৰণ, ইহাক জানি তুমিও আদৰ নকৰিবা। পৰং তুমি যি ৰাজ্যচ্যুত নহৈবাৰ উদাম কৰিবৰ কাৰণ কহিলা কহিবাক পোৱা। কিন্তু সূৰ্য্যক ৰাহুএ আগ্ৰহণ কৰিয়া থই, তথাপিতো সূৰ্য্যৰ পুনৰ প্ৰকাশ নাকৰে ? এতেকে আমিও বলা-বল জিজ্ঞাসা কৰিয়া যতন কৰিছি, তুমিও ইহাক লাগিয়া যতন কৰিবা। বিশেষ অগ্নি, বায়ু, সংযোগ হয়া যেমন তৃণসকল দহি চন্য কৰে, তুমি আমি তেমনে প্ৰীতি হৈলে শত্ৰুক দমন কৰি নষ্ট কৰিবাক পাৰি, তেমনখান কৰিবা। আৰ তোমাৰ মঙ্গলৰ বাৰ্ত্তা আমৰা পাই থাকিম, আমৰাৰো বাৰ্ত্তা তুমি পাই থাকিবা। এমত পথগোট যেমন ছেদ নহয় তাহা কৰিবা।

আৰ তোমাৰ অৰ্থে সান্দেশ,—গজদন্ত সম্ভব মুক্তাএ স্বৰ্ণ গ্ৰন্থিত বাখৰ পতা সোণৰ কৈমি ১ ভদ্ৰবস্ত্ৰ ১৯ খান। শক ১৫৮৫, ২৬ ভাদ্ৰ। ১৪৫ ॥

জয়ধ্বজসিংহে দিয়া উক্ত পত্ৰৰ সামৰণি অংশ।—এই পত্ৰৰ লগতে লেখিছিল পৃথকে, পূৰ্ব্বাপৰ দশায়া।—

শ্ৰীশ্ৰীমত স্বৰ্গনাৰায়ণদেৱ মহাৰাজা গজসম্ভৱ ৰাজাধিৰাজ আছিল। পূৰ্ব্বে খেড, পশ্চিমে গৌড দক্ষিণে কংখাঙ্গ, উত্তৰে লালু' যাবত্ তাবত্ ৰাজাধিৰাজ আছিল। তাঞ্ৰিৰ দুই পুত্ৰ হৈল। এক পুত্ৰক পূৰ্ব্বে লাগনা দেশত থাপিলে এক পুত্ৰক আসাম দেশত থাপিলে। দাদোৰ বৌৰাক কখাঙ্গ দেশত থাপিলে। সেই কাল হন্তে আমাৰ অন্যোঅন্যে প্ৰীতিগোট আছিল। পাচে শেষ কালে যবনে অতিক্ৰম কৰিলে কাৰণ আমি তোমাৰ খবৰ নাপাঞো। ইদানীক যেমনে খবৰ পাঞো তেমনখান কৰিবা। যাতো তোমাৰ নক্তিকি গোপালচৰণ পৰমানন্দ। ১৪৬ ॥

প্ৰাণনাৰায়ণৰ পৰা জগধ্বজসিংহলৈ পত্ৰ।—মহাৰাজ প্ৰাণনাৰায়ণে স্বৰ্গদেৱ জয়ধ্বজসিংহলৈ দিয়া পত্ৰ।—

স্বস্তি জ্যাঘোষ কুলীষনাদ তুলি পুৰকৃত চামৰাদ বপ্ৰঘোটা বদন্ত দুযাভিৰাম স্বপ্ৰতি কাঞ্চনুজ শত্ৰুৰ ৰম্ভাধ্বজভিম-স্বন্দন সৰ্ব্ব সুভদ্ৰ বৰাৰোহ সুবিৰ সুস্থিৰ স্ববস্ত্ৰ মঙ্গল গম্ভিৰ বেদিগজগ্ৰাম হিৰকৰ হাৰ হামকাস কৈল্যাণ কুন্দকুন্দ কপুৰ ধোত বলধোত বিমল দিগ্তলয গিযমান সুসন্দোসিত সিত ভুজঙ্গ ভুজভূষণ কঠি কৃপাণনিস্ক পণিপাত নিৰ্য্যাদ হবিকট কঙ্কটকৃষাণুৰোছিৰ মিলিত সান্দ্ৰ সিন্দুৰমণি বানাত পৰিনিসিলিত বিপুল কুমুদকানন বহু

পৰাক্রমদৰ্পাভিভুজ নমদৰিদ্ৰ মৌলিমান-মৰিচিৰাজিনিৰজিত চৰণ সমৰশিমভিম পৰাক্রম সদাচ্যাহাত মহামহিম সৌমাৰ নৰনায়ক ৰাজাধিৰাজ শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰায়ণ দেৱ জয়ধ্বজসিংহ বিষম সমৰ জাগৰুক প্ৰচণ্ডপ্ৰতাপেষু স্বস্তি সুখয়ং সাভিমতসাৰে দয়ত ভবাদীহ ভবতাং তদ্বিহামহে।

পৰঞ্চ তুমি যে পত্র লেখিলেন আৰ উকিলৰ মুখে যে কহি পাঠাইলেন তাক শুনিয়া পৰম সন্তোষ হৈলাম। আৰ পূৰ্ব্বেৰ প্ৰীতি কথা যে লেখিছ সে তোমাৰ আমাৰ সহজ প্ৰীতি আসিতেছে তাত তুমিও আছ আমৰাও আছি। আৰ মধ্যত যে ভৱানাথ কাজিৰ কথা লেখিছ তাঞি আমাক ভাৰযা নাদিয়া বঢ়াই লেখিলেক সে কাৰণ যেখানি তোমাৰ আমাৰ অপ্ৰীতি হৈল তাক আমিও এৰিছি তোমৰাও মনে কিছু গুনাহ নাকৰিবা। এ ভাষাই লেখিছ। তাঞি আমাৰ নফৰেসে এতেকে তোমাৰ নফৰত হস্তে হৌক বা আমাৰ নফৰত হস্তে হৌক যাত অপ্ৰীতি হয তাক তোমৰাও বুজিবেন আমৰাও বুজিলাম। এতেকে সে লেখ নফৰক আমৰাও চাৰিলাম তোমৰাও চাৰিবেন। আৰ যে লেখিছ ইদানীক তোমাৰ আমাৰ অভেদ প্ৰীতি হয যেন তেমন খান কৰিবা। এ লিখিবাক পায়। এতেকে তোমাৰ মানুহ লেখা-পঢ়া লৈযা আমাৰ ঠাই আসিবেক, আমাৰ মানুহো লেখা-পত্র লৈ তোমাৰ ঠাই জাইবেক। এই ধাৰণে দুওঁ ঘৰেৰ মানুহ গতাগত কৰিলে উত্তৰোত্তৰে তোমাৰ আমাৰ প্ৰীতি বাঢ়িতে যাইবেক। ইহাক লাগিযা আমৰাও যত্ন কৰিতে ৰহিব তোমৰাও যত্ন কৰিবেন।

আৰ যে জযনাৰাযণৰ কথা লেখিছ তাক জানিল। আমৰাও তাক প্ৰথমে লোৱা দিছিলাম। তাঞি না আমাৰে কামতে আছিল। এতেকে তোমাৰ তাক যেমনে পৰিত্যাগ কৰিবেন আমৰাও তাক তেমনে আদৰ নাকৰিব। আৰ যে লেখিছ তোমাৰ দুসমন হৈলেও আমাৰ দুসমন আমাৰ দুসমনেও তোমাৰ দুসমন সে মনে হয়, ইহাক কাৰ্য্যৰ গতিএ জানিবেন।

আৰ আমৰা যে উদ্যম কৰিবাক লেখিচি তাত যে তোমৰা সূৰ্য্যক দৃষ্টান্ত দিয়া লেখিচ ইহাক শুনিয়া বহুত সন্তোষ হৈলাম। তোমাত হস্তে সবে পুৰুষাৰ্থ হৈবেক। আৰ যে লেখিছ আমিও আপনাৰ বল জিজ্ঞাসা কৰিয়া যতন কৰিছি তুমি ইহাক লাগিয়া যত্ন কৰিবেন। বিশেষ অগ্নি, বায়ু, যেমনে এক সংযোগ হৈয়া তৃণ সকলক দহি চূৰ্ণ কৰে তেমনে তোমৰা আমৰাও একলাগ একপ্ৰীত হৈয়া শত্ৰুক যেমনে হ্ৰাস কৰিবাক পাৰি তেমন-

খান কৰিবা এ উচিত লেখিছ। আপনাৰ বলাবল বুজিয়া দেশ-কাল জানিয়া শত্রুৰ ছিদ্র জানিয়া যেমনে তোমাৰ আমাৰ এক বাক্যতাএ উদ্যম কৰিব তাক ঈশ্বৰে নিবাহ কৰিব। তেবেসে দুও ঘৰে যশ প্রতিষ্ঠা সুখ সন্তোষ পাইব। ইহাক জানিযা আমাৰা তাৰ উদ্যোগতে আছি আৰ তুমিও তেমনে কৰিয়া থাকিবেন।

আৰ যে লেখিছ তোমাৰ কুশল কথা আমৰা পাই থাকিব। আমাৰ কুশল মঙ্গল তোমৰা পাই থাকিবেন। এমত পথগোট যেমতে ভেদ নাহয় তেমতে তাক কৰিবেন। এ বহুত উত্তম লেখিছ। আমাৰো মনৰ এহি বাঞ্চা। তাত পথে সঙ্কটেৰ কাৰণ যাইতে আসিতে মনে সংকোচ কৰে আৰ তোমাৰ যোগ্য বস্তু আমৰা দিযা পাঠাইবাক নাপাএ আমাৰ যোগ্য বস্তু তোমৰাও দিযা পঠাইবাক নাপাইযেন আৰ মানুহও কেও গতাগত কৰিবাক নাপায়। বহুত সন্ধানেসে বহুত সংকোচেসে এক পাদ মানুহ খানি আসা যোৱা কৰিছে। এহি কথা তোমাৰ আমাৰ শত্রুয়ে শুনিছে ইহাতে আৰো লোকে গতাগত কৰিবাক অধিকো সংকোচ কৰে। এতেকে আমাৰ মনে দৰঙ্গক পোচচাড়া দিয়া পাহাৰ তুলি দিযা যদি পথগোট চলাইবাক পাৰেন ঝাৰে-জঙ্গলে, তেবে নিসন্দেহ হৱা মানুহ গতাগত কৰিবাক পাৰে। এগোট হৈলে তোমাৰ আমাৰ সকলো কথা-বাৰ্ত্তা হয, যেমনে চাহি তেমনে কৰিবাক পাৰি। এতেকে ইহাক লাগিযা তুমিও যত্ন কৰিবেন আৰ আমাকো লেখিবেন।

আৰ সকল সমাচাৰ শ্রীপৰমানন্দ শৰ্ম্মা ও শ্রীগোপালচৰণ ও শ্রীৰাম-চৰণ ইহাৰাৰ মুখে জ্ঞাত হৈবেন। যেমনে তোমাৰ কুশল-বাৰ্ত্তা আমৰা তৎ-কালে পাই তাক কৰিবেন। আৰ পত্র-চিহ্ন তোমাক লাগিযা মুক্তা দুই, মৰজাই গোটে বায়ন ৫২ আৰ কাপৰ ৪ চাৰি, পাগৰা ৪ জায়। ইতি শঁক ১৫৮৫, তাং ২০ ফাগুন। পালেহি তথা শঁক মাস বৈশাখ। ১৪৭ ॥

চক্রধ্বজসিংহৰ পৰা প্ৰাণনাৰায়ণলৈ পত্ৰ।—স্বৰ্গমহাৰাজাৰ ৰাজা প্ৰাণনাৰায়ণলৈ প্ৰতি লেখা।—

স্বস্তি নিখিল মঙ্গলালিঙ্গিত কলেবৰ পৰম গম্ভীৰ ধীৰবীৰ বিবিধ বিদ্যা-বিদ্যোতিতান্তঃকৰণ দান মান বিচাৰণ সন্তোষিত নানা দেশস্থিত বিদ্বৎ প্রবৰ জনপ্রবৰ তপোনল জ্বাল সংশোষিত ঋপু তুল গ্রহণ সতত মনোৰত দিগান্তৰ গতাতিসয় মহামহিম শ্ৰীশ্ৰীমৎ কমতেশ্বৰ ৰাজা মহোদাৰ মহানুভাব চৰিত্ৰেষু—

সৌহার্দ্দপূর্ব্বক লেখনং প্ৰযোজনঞ্চ। এথা কুশল। তোমাৰ কুশল সৰ্ব্বদা চাহি পৰং তুমি কহি পঠাইছা বোলা সুবাএবে বঙ্গালৰ লোৱাই লাগিছে। সুবাএ বঙ্গালক মাৰি কুবিদিনৰ পথ হোঁহোঁকাইছে। আৰ দাউদ-খাঁ পৰিল আৰ দিলেল-খাঁ বায খাইছে আৰ পাৎসাও দিল্লীৰ পৰা আগবালৈ আহিছে। এইখান কহিছা। এতেকে পাচত কাৰ ভঙ্গ জয় ইহাকতো নাজানি আৰু বুলিচা আমিও গড়-খাৱৈ প্ৰযত্নে কৰিছোঁ, তুমিও গড় বান্ধা লোক মুলুখকৰো মহলা কৰা হয় বুলিবাক পাবা। কিন্তু বাবেকাদি দেৱতাবো ভঙ্গ জয় আছে। একবাৰ ঘাটিছোঁ বুলি নেকি আমি যত্ন নকৰিম আৰ সিটো একেবাৰেসে আমাক এমত কৰিছে তাক আমি বাৰম্বাৰ যেমত কৰিছোঁ তাক তুমি আপুনি সমস্তবোৰ জানা আৰ শ্ৰীগোপালচৰণক পঠালোঁ সি মোৰ ঠাই নপহুছিলেহি। তাক পথত পাণবৰীযাই কাটিছে বুলি শুনিছোঁ। এতেকে ইহাকে চাই আমিও অধিক কৰি মানুহ নপঠাইছোঁ আৰ সি ঠাইৰো অধিক আসিবাক নালাগে। আৰ বাকী সমাচাৰ যি হয় শ্ৰীভীমা ও শ্ৰীনন্দন কহিবেক। ইতি শক ১৫৮৭, তা° ২৪ মাঘ। ১৪৮॥

প্ৰাণনাৰায়ণৰ পৰা চক্ৰধ্বজসিংহলৈ পত্ৰ।—ৰাজা প্ৰাণনাৰায়ণৰ লেখা স্বৰ্গমহাৰাজালৈ অনা এইখান।—

তোমাৰ উকিল অৰ্জুন শৰ্ম্মা ও শ্ৰীগোপালচৰণ আসি পাইলেক। তোমাৰ পত্ৰৰ বযান ও এই সকলৰ মুখ জবানেও সকল সমাচাৰ প্ৰীত পূৰ্ব্বকে জানিলো তাত যে লেখিছেন তোমাৰ আমাৰ প্ৰীতিগোট নবীন না হয়, পূৰ্ব্বাপৰ চলিয়া গৈছে। ইদানীকো সেহি প্ৰীতিগোট যেমনে বৃদ্ধি হব তেমন কৰণেসে যুগুত, এ উত্তম লেখিছেন। ইহাৰ শুনিয়া মন সন্তোষ পাইলোঁ। মনত এমন বোধ পাইলো যে তোমাৰ আমাৰ সেই প্ৰীতিগোট চলিয়া যাইবেক।

আৰ যে লেখিছেন তোমাকো মগোল বহুত দুঃখ দিছে ইহাক শুনি আমি বহুত সন্তোষ পাইচি। এ উচিত হয আৰ তুমি সমস্তে জান আমৰা যেমনখান কৰি ফিৰিয়া আপনাৰ ৰাজ্য লৈযা যেমনখানি সন্তোষ পাইছি এমন সন্তোষ তোমৰাও একথা শুনিয়া পাযা থাকিবেক। আৰ তাকেসে মিত্ৰ বুলি, মিত্ৰৰ দুঃখেৰ সময দুঃখ পহুচে সুখেৰ কথা শুনিলে সন্তোষ হই। আৰ মগলুৰ সময় তোমাৰ দুক্ষে যে আমৰা দুক্ষি হৈছিলি তাক যে প্ৰশংসা কৰিয়া লেখিচি ঈশ্বৰে যদি আমাক একবাৰ ঘটাইচে বাৰম্বাৰ নিকি এমত হৈবেক।

ই ভালই লেখিচ তুমি নিকি নাজানা কাল বলৱন্ত, যি কিছু হৈছে কাল-ক্ৰমেই হৈছে। কালকহে অতি দুক্ষ কৰিব লগা, ইয়াক আক্ৰমণ কৰিবাক কেহো নাপাবে, কিন্তু সেহি কাল ফিৰিলে সময়ত অল্পলেও বলৱন্তক সবে কৰিবাক পাৰে, এতেকে যে লেখিচ শত্ৰুকে যেমনে হ্ৰাস কৰিবাক পাৰি তেমনখান যত্ন কৰিবা যেন শত্ৰুৱে ছিদ্ৰ লখিবাক নাপাৱে। এনীতি লেখিছা। এ অৰ্থত আমাৰো এহি কথা। আৰ তোমাৰা আমৰা এক হৈলে শত্ৰুএও কোনো অৱকাশ নাপাইবেক। আৰ তোমাৰা আৰ আমাৰা সময়ত শত্ৰুৰ ছিদ্ৰ পাইব। এতেকে তাক লাগিযা যত্নে ৰহিব। আমাৰ ফতেপুৰ নামে পৰগনা যে মগোল খালিচা কৰিযা স্বাধীন কৰিছিল সে বশ পালিয়া তাকো আমাৰা পেড়াযা লৈলি অখন তাত স্বাধিন হৈব। ইহাতে মিত্ৰেৰ উপচয শুনিযা তোমৰা যেমত সন্তোষ পাইবেন আৰু তোমাৰো যে সকল পৰগনা মগোল স্বাধীন কৰেণ তাকো তোমৰা চোডাযা লৈযা লেখিলে তেমনে আমৰাও সন্তোষ পাইব। অধিব কি লেখিম আপুনি সমস্তে জানা।

এ পত্ৰ আগে শ্ৰীঅৰ্জুন শৰ্ম্মা শ্ৰীগোপালচৰণৰ হাতে দিছিল তাঞিও নপহুছিল কাৰণ পালেহি। ইতি শঁক ১৫৮৮, তাং ৫ মাঘ। ভীমা ও নন্দে অনা এই পত্ৰ। ১৪৯ ॥

চক্ৰধ্বজসিংহৰ পৰা প্ৰাণনাৰাযণলৈ পত্ৰ।—বেহাৰৰ ৰাজা প্ৰাণ-নাৰাণক প্ৰতি চক্ৰধ্বজসিংহ মহাৰাজাএ দিযা এই লেখা।—

এথা কুশল। তোমাৰ কুশল সৰ্ব্বদা বাঞ্চি। পৰং তোমাৰ লিখ আনিল। সমাচাৰ প্ৰীতপূৰ্ব্বকে জানিলোঁ আৰ দেখ মগোলে মিত্ৰৰজাৰ আমাক যেমনখান কৰিছে আমিতো তাক তেমনখান কৰিবাক নৈ পাৰো। ইদানিক আসি কাল উপস্থিত হৈচেহি। এতেকে গুৱাহাটীত যি কিছু লোক-জন আছে ইহাক মঞি ধৰো, মিত্ৰ ৰজাৰ সীমাত যি কিছু আছে তাক মিত্ৰ ৰাজাই ধৰক।

আৰ বাকী সমাচাৰ শ্ৰীভীমা ও শ্ৰীনন্দনেৰ প্ৰমুক্ষে জ্ঞাত হইবা। ইতি শক ১৫৮৯, তাং ২৮ শ্ৰৱণ। ১৫০ ॥

একাদশ আধ্যা।

ৰামসিংহৰ অসম আক্ৰমণ।

ৰাজপাটত চক্ৰধ্বজসিংহ স্বৰ্গদেৱ।—কাত্তিকত, বুদ্ধবাৰে, শক ১৫৮৫, তেবে জয়ধ্বজ ৰাজাৰ পুত্ৰ নাই, অৰাজক ভয়ে বাঁহগৰীয়া বুঢ়াগোহাঁই, বাৰু-কীয়া বৰগোহাঁই, কেন্দুগুৰিয়া বৰপাত্ৰ-গোহাঁই, ৰজাৰ শহুৰ চেংধৰা বৰুৱা, বুঢ়াগোহাঁইৰ পিতৃ বাঁহগৰীয়া ফুকন, ভিতৰুৱাল গোহাঁই, এইসকলে আলচি ৰাজাৰ দদায়েকৰ পুতেকক চাৰিং ৰজাক মুৰত তুলি আনি মহাৰাজাৰ আজ্ঞায়ে ৰাজা পাতিলে। শ্ৰীশ্ৰীচক্ৰধ্বজ মহাৰাজা হ'লত পাচে দোৰ্বেগ দ'লৱ গাৱতে থাকিল। ৰস্তম-বেগ ভটীয়াই গুৱাহাটীত ৰচিদ-খাঁত কলে, বোলে, 'যি ৰাজালৈ বঁটা-বৰুচিচ্ দিলে সি ৰাজা মৰিল। এখন আমি কি কৰিম?" পাচে ৰচিদ-খাঁযে বোলে, ৰাজাৰ ভাই ৰাজা হ'ল, আত ভিন্ন আছেনেকি? সই ৰাজাকে দেগৈ।" পাচে দোৰ্বেগ, ৰস্তম-বেগৰ লগত দিলাল-খাঁয়ে বাঁহবৰীযাকে, গদাইকে পঠাই দিলে। সিহঁতক কোৰেখনাত থৈছিলে। ৺এ নোতোলে দেখি ৰাজমন্ত্ৰীয়ে অনেক মন্ত্ৰণা কৰি চাঙত ৺ক বুজাই উচচত সিংহাসনত বহুৱাই আঠু পোনকৈ দুই চৰণ দলিচাৰ ওপৰত থৈ ঠিয় হব নালাগে হেন কৰি নবাবৰ উকিলক বাজতে ৰাখি পাৎসাৰ দুই অহদিক জখলামুখতে ৰূপৰ শৰাযেৰে ৪০০ সোণৰ মোহৰ দিযালে মাধচৰণৰ হাতে, আৰু ৰাজমন্ত্ৰীয়ে বচনে এইখান কব দিলে, বোলে, '৺ৰাজা ঈশ্বৰ ব্যতিৰেকে কাক সেৱা কৰে? যি কাৰণে উদয়গিৰি ৺ৰাজা ঈশ্বৰাংশ বিভূতি, অস্তগিৰি পাৎসাও ঈশ্বৰাংশ। এতেকেহে দুই জনৰ স্নেহানুৰূপ চলিছে। এতেকে বৰলোকৰ যিৰূপ সন্মান তাকে কৰিব লাগে। মহাৰাজাও লেচাঙত আছে।' এইৰূপে অনেক কথা-বাৰ্ত্তা কৈ দুই অহদিক ৺ৰ আগক নিলে। সিহঁতে ৺ক সেৱা নকৰি তচমিল কৰি বঁটা-বৰুচিচ্ দিলে। পাচে ৰাজমন্ত্ৰীয়ে পাৎস বৰুচিচ্ ৺ৰ আগত সুবৰ্ণৰ শৰাযেৰে দিলেনি। ৺ও দুই হাত মেলি ধৰি থলে। ৰাজমন্ত্ৰীয়ে পুনৰ্ব্বাৰ পাচফালে আতৰাই থলে। পাচত সিসকল কটকীকো ৺ৰ আগ কৰিলে, আগত থৈ ৰাজকথাকো ৰাজমন্ত্ৰীযেহে নিশেষ কৈছিলে। আৰু ৺ৰাজা বোলে, 'মোৰ বেটী, তিনি লাখ টকা, নবৈ হাতী, লোকজন নাৰাখিবৰ কাৰণেহে দিলোঁ। এখন লোকজনকো নাপালোঁ, আৰ সীমনাকো নাপালোঁ। এই বুলি এক লিখা দি চন্দ্ৰকন্দলীকে, সনাতনকে দোৰ্বেগ, ৰস্তম-বেগৰ লগত পঠালে। সন্দেশ দিলে—গান্ধ ১০টা, কটাৰ ২০ খন, সোণৰ দাবেৰে ফণী ২ খন, হস্তীদন্ত ৬টা। ১৫৮৫ শকত ৯ পুহ ৰাজমন্ত্ৰীয়ে পাৎসাই অহদি উকিল সহিতে বিদায় দিলে। ১৫১ ॥

পাৎসালৈ আহোম কটকী।—পাচে আমাৰ দুই কটকীয়ে ৰাজমহলত নাও থৈ ৭ মানুহ ৰখীয়া থৈ পাৎসাই ৰাহেগড়িত চড়ি, আগৰাত ৪ দিন ৰহি দিল্লী পালেগৈ। পাৎসায়ে অহদিয়ে জনালত হাচান-আলি নবাবৰ হাৱলী যমুনাৰ নিকটত আছে, সি যুদ্ধক গৈছিলে, তাৰে হাৱলীত তুলি থলেনি। সনাতন কটকীয়ে দোৰ্ৱেগ, ৰস্তম-বেগক বোলে, "আমি ব্ৰাহ্মণ, কেমনে আহাৰ ব্যৱহাৰ কৰিম ই জাগাত?" পাচে দোৰ্বেগ যাই দেৱানত জনাই লোকজন আনি যমুনাৰ নিকটত দুই কটকীলৈ ভিন্নে ভিন্নে বাসা কৰি দিয়ালে। দুই দিনৰ পাচত দেৱানে সিদ্ধা দিলে। দুই কটকীক চাউল ৬০০ মোন, মেহি চাউল ৮০ মোন, মুগু ৪০ মোন, কলা ২০ মোন, মচুৰ ২০ মোন, মাহ ৬০ মোন, ঘিউ ৪০ সেৰ ঋালুক ৮ সেৰ, হালধি গুৰি ৪ সেৰ, হিং আদসেৰ আদা ১০ সেৰ, গাখীৰ ৮ মাঠি, লোণ ২০ মোন চিনি ২০ মোন, তেজপাত ১ ভাৰ, টাটৰ ৭ পাচি, বিলাতি পাণ ৮ পাচি, হৰিণা ৩ টা। তাত পাচে পাৎসাৰ সিদ্ধা পাঞ্চ দিন অন্তৰে দিলে। ৫০০ ৰূপ লোকজনক ২০০। তাত পাচে ৮ দিনৰ অবসানে আমাৰ দুই কটকীক পাৎসাৰ হুজুৰ কৰালেনি। পাৎসাও তক্তৰ ওপৰে বহিছিল। তক্তৰ তলে তিনি খলপাৰ নামে পাৎসাৰ দাহিনে সুবৰ্ণৰ লাখুটি ধৰি জাফৰ-খাঁ দেৱান আছিল, বামে উজিৰ। সেই ক্ৰমে ৰাজপুতৰ ৰাজা বামে যশমন্তসিংহৰ ধাৰা, তাৰ পাচ ৰাণা হাডো, বাৰহাজাৰী, সপ্তহাজাৰী। তাৰ পাচে ৬, তাৰ পাচে ৫ তাৰ পাচে ৪ তাৰ পাচে ৩, ২ ১, এই ক্ৰমে অমাত্যবৰ্গ হাতী, ঘোঁৰা, চিপাহী, বন্দুক-দাৰী, ঢালী ধনুকী পায়হাথীয়াৰ সহিত চিত্ৰ-বিচিত্ৰ লালজৰ্দ্দ কশাটি ফটিক নানান পাথৰে ৰচিত দুৰ্গ, আলি, তক্ত অভ্যন্তৰতে পকা পাথৰৰ গৃহ, তাহাত সুবৰ্ণৰ পত্তৰা কৰি ঠাং ঠাই কাম কৰিছে। চিত্ৰ-বিচিত্ৰ সিভিটিক আমাৰ কটকীক নি নেনিলে। তক্ত বাহিৰে ৭ আলি হৈ চতুৰ্ভিতি সমস্ত লোকে আছিল। সেই সময়ত দুই উকিলে আশীৰ্ব্বাদ কৰি হাত কৰযোৰে থাকিল। ১৫২ ॥

স্বৰ্গদেৱলৈ পাৎসাৰ উত্তৰ।—পাচে পাৎসাও শ্ৰীশ্ৰীদিল্লীৰ পতি শ্ৰীশ্ৰীযুত মহাৰাজা শ্ৰীযুত আমীৰ-অল্-উমৰাও আলমগীৰ পাৎসা পত্ৰ শুনি বোলে, "কোঁচৰ সীমনাত কৰি আমাৰ যদি বাটকৈ লৈছে মই এৰি দিব দিম আৰ লোকজন যদি আমাৰ লোকে পাকুৰি আনিছে তাকো ছাড়ি দিব দিম।" এই বুলি উকিল নিদি লিখা এখনি দিলে আৰ পাণ তামোল খাব বুলি ১০০০ ৰূপয়া দি পঠাই দিলে দেৱানে চন্দ্ৰকন্দলীকে, সনাতনকে দিল্লীৰ পৰা। আৰ

দুই উকিলক দুই যোৰ শুক্ল বঁটা জামা ২, পাগ ২, পটুকা ২ গচ, চিট-পামৰু ২ খন, পেচগচ ২ গচ, পাৎসাৰ ঠাই কিছু নিদিলে। পাচে ঢকাৰ ছাস্তা-খাঁ নবাবে দুই কটকীৰ লগত পণ্ডিত-ৰায়ক পঠাই দিলে ৺ৰ ঠাইক। ৺ও লিখাকে জামাযোৰাকে ওচৰলৈকে নি পত্ৰ শুনিলে।

ছাস্তা-খাঁৰ লিখা এই,—

স্বস্তি সদুত্তজনিকতেন-নানাগুণালংকৃত-নিজকুল-কমল প্ৰকাশ নৈক-ভাস্কৰ শ্ৰীযুত বুঢ়াগোহাঁই সুচৰিত্ৰেষু—

সৌহাৰ্দ্দপূৰ্ব্বকলেখনং কাৰ্যঞ্চ আগে ই থানে সমস্তে কুশল, সি থানেৰ কুশল লেখিয়া সন্তোষ কৰাইবা, আৰু তোমাৰ দুই উকিল সনাতন ও চন্দ্ৰ-কন্দলীক ৺ৰ হজুৰ ভেজিছিলা তাত আমিও তোমাৰ কাৰণে উমৰাওৰ ঠাই লেখিছিলোঁ। উমৰাও তোমাৰ ৺ৰ বহুত মেহৰ-স্নেহ কৰিয়া তোমাৰ দুই উকিলক পাৎসাৰ হজুৰ ভেজিছিলে তাত তোমাৰ সেৱা-খেজমতত পাৎসাৰ তোমাৰ ৺ৰ ওপৰ জেমত স্নেহ জেমত মেহৰ তাক তোমাৰ দুই উকিলৰ মুখে জানিবা। আমাৰ উমৰাও তোমাৰ ৺ৰ উপৰে বহুত স্নেহ কৰি এক যোৰা জমদাৰ শিৰপাও দিয়া আপোনাৰ এতবাৰী আদমি শ্ৰীপণ্ডিতৰায় উকিলক ভেজিছে। অতএব তোমাক লাগি লেখোঁ, তুমিও ৺ যেমনে উমৰাও খোচহাল হয় তেমত কৰিয়া শ্ৰীপণ্ডিতৰায়ক চিতাপে বিদায় দিবা। আৰু এমত ব্ৰাহ্মণ এমত পণ্ডিত তোমাৰ ভাগ্যে সে ৺তোমাৰ অনুকূল কৰিয়া যায, ইহাক খোচহাল কৰাবা। তোমাৰ বহুত ভাল হব ধৰ্ম্ম-কৰ্ম্ম দুয়ো হব। আৰু পেচকচ বাদ হস্তী ৰূপধা সি কিছু বাকী ৰহিছে তাকো চমস্ত হাল কৰিয়া তাকিত পঠাই দিবা দিৰঙ্গ কৰিয়া ৰাখন ভাল নুই, আৰ তোমাৰ আমাৰ প্ৰীতি একলাসৰ কাৰণে আমাৰ দিল বহুত ধোণ্ডে, তোমাৰ দিলতো সি নেদেখোঁ। আজি ডেৰ বৰিষ হল আমি ইখানক আসিলোঁ তথাপি আমাৰ ভাবুৰা ছই জবাব নালিখায় কেমন তোমাৰ। আমাৰ একলাস আৰু দুনিয়াইটো দুই প্ৰীতি-একলাস বহে পিছু নাৰহে। আমি যে তোমাৰ ভালকেহে ইছা কৰোঁ। আমাৰ লগত প্ৰীতি-একলাসটো ভাল নোহে, আৰ আমি তোমাৰ ভালৰ কাৰণেহে কহো। পাৎসাৰ সেৱা-খেজমতেত দৰোস্ত কৰিলে তোমাৰ ৺আৰ বহুত ভালহে হব। অতএব পাৎসা যেমত তাক আপুনি জানা আৰ এমত কৰিবা, যেমনে তোমাৰ নৰনাৰী গো-ব্ৰাহ্মণ সুখে থাকে তেমত কৰিবা, আৰ বাকী হকিকত তোমাৰ উকিল মাধবচৰণ

ও পূৰ্ণানন্দৰ মুখতহস্তে শুনিবা বহুত, কি লেখিব আপোনে জ্ঞাতা। ইতি সন ১০৭৪, তাং ২৯, শক ১৫৮৫ পালেহি। ১৫৩ ॥

ফুকনলৈ দিলাল-খাঁৰ পত্ৰ।— আৰু দিলাল-খাঁৰ এই লেখা—

স্বস্তি সৰ্ব্বমঙ্গলানাং কৃতপৰমপ্ৰিয়দৰ্শী-বিজ্ঞাবৰ শ্ৰীযুত ফুকন বা
ওঁ গোহাঁই সুহৃদবৰেষু—

শ্ৰীনবাব দিলাল-খাঁ নম্য-দোৱা বিজ্ঞাপকাযং ধৰ্ম্মাদৃতঃ, এথা কুশল। তোমাৰ দিগেৰ কুশল লেখিযা প্ৰীতি কৰিবা পৰং তোমাৰ ৺ৰ কাৰণ আমি ৺ দৰগাতে যেমত উচিত সুপাৰিচ লিখিছিলাম অনুসাৰে ৺ অত্যন্ত কৃপানুভাৱে সানুগ্ৰহে পূৰ্ব্ব কৰাৰ জীউৰে চুৰূপ ও জৰাও-জমৰদ যে এনাযেত কৰিছেন দোৰ্বেশ, ৰস্তম-বেগ হজুৰহান লৈয়া আসিতেছেন ইহাৰো পৌচিলে। ৺ৰে অত্যন্ত প্ৰণতি হৈয়া নৈবাদ জ্ঞাপন কৰিবা। আমাৰ দিগেৰ গদাই তোমাৰ দিগেৰ ভোৱানন্দ ব্ৰাহ্মণ কেহ ইহানাৰ সঙ্গে চলাযা দিছি। গদাইৰ হস্তে ৺ৰ কাৰণ আমাৰ নিজ নফৰ হাল এক-জড়াও, ধুকধুকি একজডাও পহুঁছি, কৃষ্ণ এক পোৱাল মালা দিতে পাঠাইতেছি, পৌছিব। আৰ পূৰ্ব্বহা ন লেখিছি হস্তী ও ৰজত যে পেচকোচ বাবত ৺ৰ থানে তলব ইহাৰ ওৱাদা সম্পূৰ্ণ হ'ল। যদ্যাপি বৰ্ষাৰ কাৰণ, নওৱা হস্তী বনহনে নবীন আছিছে ইকাৰণ ইযাৰ পৰিশোধত ব্যাজ হৈছে, কিন্তু ৰজত আপুনি আছিল। অখন উচিত আপোনাৰ ওৱাদামাফিক হস্তী ও ৰজত যে নিয়মে পেচকচ বৰে বাকী তাহা পৰিশোধ কৰিযা আপনাৰ পুত্ৰৰ ইখা হাল নেবাওঁ। আৰ নিযমেৰ পেচকচ ব্যতিৰেক যে হস্তী ও কৃষ্ণ দৰগাতে ৰাজা ইহানাৰ সঙ্গে চলাযা দেন ইহাঁত ৰাজাৰ অত্যন্ত প্ৰণতি বিনয় ৺ দৰগাতে জ্ঞাপন্য হব। ইতি, সন ১০৭৬ তা ২২ বাইচা, মহৰম্, ইতি বাকী গদাই কহিব। আৰ তোমাৰ কাৰণ এক বাজুবন্ধ, পযযাৰ এক, চলাযা দিতেছি, পৌছিব। সিযো পালেহি, শব ১৫৮৫। ১৫৪ ॥

দিলাল-খাঁলৈ ফুকনৰ পত্ৰ।—পাচে তাক তুমি বিদায় দিলে, পত্ৰে এই— স্বস্তি পৰমোদাৰ-গুণাৰ্ণব-নিজকুলকমল-প্ৰভাকৰ-নৰ্দ্দপৰ্খৰ্ব্ব-বৃডাঙ্গ-ললিত-কলেবৰ-নবৰতাস্মি-ধীজদেৱজলধিসম মহামহিম শ্ৰীযুত নবাব দিলাল-খাঁ মহোদা-ৰচৰিতেষু—

সৌহাৰ্দ্দপূৰ্ব্বক লেখনং, প্ৰযোজনঞ্চ, এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি, আৰু দেখ তুমি গদাইত কৰি কৈ পঠালা ৺ বোলা ৺

তোমাৰ ৶ক প্ৰতি ৰস্তম-বেগ, দোৰ্বেগৰ হাতত বকচিচ্ কাটাৰী ভেজিছে, তাক তুমি অত্যন্ত প্ৰণতি যুগুত হৈয়া জ্ঞাপন্ন কৰাইবা। ইহাকো তুমি কি নিমিত্তে কহিছা, কিন্তু আমাৰ কুশলক বাঞ্ছাহে কহিছা, এতেকে আমিও তোমাৰ বচনক ৰাখি যেগনে সাদৰপূৰ্ব্বকে লৈবাৰ লাগে তাক সমস্তে কৰিলোঁ আৰু গদাই ৰস্তম-বেগ, দোৰ্বেগতো নজৰে দেখা। আৰ তুমি যি হস্তী, ৰূপীগাৰ কাৰণ কহি পঠালা তাক আমি কাত্তিক মহিনে গদাইৰ হাতত ৰচিদ-খাঁৰ ঠাই লাখ ৰূপীয়া ভেজিলোঁ, এখনো ই অহাদিৰ সাতে চৌৱাল্লিস হাজাৰ ৰূপীয়া, চৌৱাল্লিস হস্তী ভেজিলোঁ, আৰ যি কিছু হস্তী, ৰূপীগা বাকী ৰহিছে তাৰা তালাস কৰিছোঁ। তিযাৰ কৰিবাক নৌ-পাৰেঁ, যেখন তিযাৰ হয ইহাকো তেখন ভেজিম আৰ ইমানো কি নিমিত্তে দিৰঙ্গ হৈছে, যাতো সমস্তে পোখ উজাৰ এই কাৰণেহে দিৰঙ্গ। আমি যদি দিবাক পাৰোঁ তেবে আমাৰহে ভাৰ গুচে। ইহাকতো আমি জানোঁ, আৰু দেখ, তুমিও পূৰ্ব্ব সীমনাৰ নিমিত্তে বচন বুলি গৈছা, সি যেমনে ৰক্ষা পাৰ তেমতখান কৰিবা। আৰ আমি অধিক কি কহিম, আপনি সমস্তে জানা। আৰ তোমাৰ অৰ্থে কস্তুৰী ২০, দস্তাল ২, স্বৰাগা গুৰি ১ সেৰ, কটাৰী ২০ খন। আৰ তোমাৰ কুশলাদি লেখিয়া সন্তোষিবা। ইতি, শক ১৫৮৫, তেৰিক্ষ ৮, মাস ফাগুন। ১৫৫ ॥

তিনি গোহাঁইৰ ৰচিদ-খাঁলৈ পত্ৰ।---সনাতন চন্দ্ৰকন্দলীয়ে নিয়ে ৰচিদ-খাঁলৈ তিনি গোহাঁইৰ এই লেখা---

এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি। খোচাল হৈবাৰ কাৰণ যি লিখিছিলা, কিন্তু পণ্ডিতৰায ধাৰাণে নাহিল। তথাপি আমি তোমাৰ বচনত ৶ চমখাগ হজুৰ কৰাইলোঁ। ৶ও যেমন কথা-বাৰ্ত্তা হ'ল তাক পণ্ডিতৰায় ছেক-কমলৰ মুখে জানিবা। পৰং পূৰ্ব্বাপৰেও নবাবসকলেও গুৱাহাটীত কথা-বাৰ্ত্তা আমাৰ হোৱা যায, এখনো সি ঠাইৰ কাৰ্য্য-কামৰ ভাৰ তোমাৰ ওপৰে, ই ঠাইৰ কাৰ্য্য-কামৰ ভাৰ আমাৰ ওপৰে। অতএৰ ৶ যেমনে খোচহাল হয়, তেমন কৰিবা, তুমি বিশেষ মন বিধাৰণ

গোট হল, কিবা কাম ভাল হয, কিবা চূৰা হয, ইহাকতো নাজানি। এতেকে পূৰ্ব্বধাৰাণ গোটাহে ভাল, ইহাকে আপুনি জানা। আৰু হস্তী কপয়াৰ কাৰ্য্য যে কহিলা হাঁ কহিবাক পোৱা, কিন্তু যি কিছু হয় আমি আওৱা দিছোঁ। আৰ যি কিছু দিবলৈকো আছে তাকো আমি খৰুণা হৈলে দিব। ইহাত কিছু অসন্তোষ নকৰিবা। আৰ বাকি সমাচাৰ যে কিছু হয তাক উকিল-সকলে জনাইবেক। বুঢ়াগোহাঁয়ে সন্দেশ দিয়ে,—গাঙ্ক ১০, কিম্মিজি কতিপ ৫, কটাৰী ১০, ঝালুক ৬ টোপা, হস্তিদন্ত ২, ডুবাকাঠ ২ সেৰ। বৰপাত্ৰ গোহাঁইৰো গাঙ্ক ৮, কিম্মিজি কতিপ ২, কটাৰী ১২, ঝালুক ২ টোপা। বৰগোহাঁঞিৰো এই ধাৰণে সন্দেশ। ইতি, শক ১৫৮৭, শ্ৰাবণ মাস, চলা-গম্ভীযাযে নিযে। ১৫৬ ॥

স্বৰ্গদেৱৰ ওচৰত ৰচিদ-খাঁৰ উকিল।—মহাৰাজাও লিখাকে, জামা-যোৰাকে ওচৰলৈকে নিব দিলে। শীঘ্ৰে পণ্ডিতৰাযক তুলি বিদায় দি পঠালে। তাত পাচে ৰচিদ-খাঁযে হস্তী কপয়াৰ কাৰণে মহাৰাজাৰ ঠাইলৈ ছেক-কমলক পঠাই দিলে। লেচাঙ্গত ৺এ ছেক-কমলক তুলিবলৈ আনিব দিলে। বৰদুৱাৰ পাট ছেৰ-কমলে বোলে, 'মই দোৰ্বেগ, ৰস্তম-বেগৰ লগত আহি ৺ক তচলিমহে কৰিছো সেৱা কৰা নাই, এখনো মই তচলিমহে কৰিম সেৱা কৰিব নোৱাৰে।।" এই কথা ৺ও শুনি বোলে, "সি পাৎসাৰ অহদি, পাৎসাৰ আগাৰে আহিছিল নিমিত্তে সেৱা নকৰি তচলিম কৰিলে। ই কিয় সেৱা নকৰিব?" এই বুলি খং কৰি তাক ওলোটাই বহালৈ নিব দিলে। পাচে ছেৰ-কামলেও ৺ৰ খং দেখি দুই চাৰি দিন অন্তৰে বোলে, "মই সেৱা কৰিম।" এই কথা শুনি ৺এ মেললৈ নি তাক তুলি বিদায় দিলে। তাত পাচে ৰচিদ-খাঁক তোলাই ছৈয়দ পিৰোজ নবাব হৈ ছৈয়দ জাফৰ উকিলৰ পত্ৰ-সন্দেশ দি পঠাই দিলে। ১৫৭ ॥

চক্ৰধ্বজসিংহৰ ৰাজ্যাভিষেক।—পাচে ৺দেও তাক তুলি ৰাখিলে। মাঘ মাস বুঃ ২৩, শক ১৫৮৫। আযোণত লেচাঙ্গত পাট পাতিলে, নেওগৰ পুত্ৰ-নাতিসকলক মাৰিলে। বৈশাখে ৰাজা অভিষেক হল, শক ১৫৮৬। পৌষে ৰাজা গড়গ্ৰামলৈ আহিল। বাসা গৃহ কৰি তুম্বি সাৰত পূৰ্ব্ব পাটত গৃহাৰম্ভ কৰি ৰহিল শক ১৫৮৬। ৰাজা হয়া নেওগৰ জীয়েক দুইজনা কুঁৱৰীক মাৰিলে। বৰবৰুৱাৰ জীয়েকক বৰকুঁৱৰীৰ পৰ্ব্বতীয়া কুঁৱৰীৰ বিষয়

দিয়া কুঁৱৰী পাতিলে। কুঁৱৰীয়ো ৰাজ্য পাই কিছু গৰ্ব্ব বাঢ়িলহেন মহাৰাজা চক্ৰধ্বজে জানি গৰ্ব্ব চুৰ কৰি মেচাখৰীয়া বৰগোহাঁইৰ জীয়েকক বৰকুঁৱৰী পাতিলে। বৰবৰুৱাৰ জীয়েকক পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। শক ১৫৮৬ চৈত্ৰ মাস। ১৫৮ ॥

চক্ৰধ্বজসিংহৰ যুদ্ধৰ আয়োজন।—আৰ পুনৰ্ব্বাৰ বঙ্গালে মহাৰাজাত ৩ লাখ টকা, নহয় হস্তী খুজি অধিক গৰ্ব্ব বচন বুলিলে ছৈয়দ জাফৰ কটকীত কৰি। এই কথা শুনি ৰাজা চক্ৰধ্বজে মহাক্ৰোধ কৰি বচন বুলিলে, — "বঙ্গালৰ অধীন হৈ থাকিবতকৈ মৰণেহে উচিত।" তাত পাচে মহাৰাজা পাত্ৰ-মন্ত্ৰী সহিতে আলচ কৰিলে বঙ্গালক ধৰিবাক প্ৰতি। সেই বেলা বৰবৰুৱাৰ পুতেক লাচিত-ডেকাক বৰফুকন পাতি পঠালে কলিয়াবৰলৈ কুবুৰাঠেং চাই। ই ঠাইতে বঙ্গালৰ কটকীকো বাধিলে। যুদ্ধ কৰিবাকো আজ্ঞা দি পঠালে বৰফুকনলৈ। আৰ বৰগোহাঁই, বুঢ়াগোহাঁই, বৰপাত্ৰ-গোহাঁইকো যুদ্ধলৈ পঠালে। সেই বেলা বৰগোহাঁই ফুকন, চাৰিঙ্গিয়া ফুকন, বৰবৰুৱাৰ পুত্ৰ নিমাতী ফুকন দিহিঙ্গীয়া ফুকন নাওবৈচা সন্দিকৈ-ফুকন, এইসকল প্ৰমুখ্যে সমস্তে লোক পঠালে গুৱাহাটী মাৰিবলৈ ভাদ্ৰ মাস, শক ১৫৮৭। প্ৰথমে দিহিঙ্গীয়া ফুকনে বাঁহবাৰীত কোঠ মাৰিলে, লাল-বেগ, ৰোচন-বেগক ধৰিলে, ঘোঁৰা পালে ২টা চাল তৰোৱাল পালে কিছু। ১৫৯ ॥

যুদ্ধ আৰু বঙ্গালৰ পৰাজয়।—তাত পাচে সমস্ত লোকে গৈয়া কাজলীত যি কিছু বঙ্গাল আছিল, নিশেষ কাটিলে। যি পঞ্চ সৰ্দ্দাৰ আছিল সিয়ো পৰিল। উত্তৰ কোলে যি বঙ্গাল আছিল তাকো কাটিলে। তেবে গুৱাহাটীত ধৰিলে যাই আহোমে। দিহিঙ্গীয়া ফুকনে নাওবৈচা ফুকনে দুখন কোঠ ছাহবুৰুজত উত্তৰকোলে দিছিলে। এই সময় বঙ্গালেও ইটাখুলি বাজ হৈ আহোমক ধৰিবাক গ'ল। পাচে তাৰে এক কোঠত বঙ্গালে ধৰিলেহি। কলঙ্গুৰ পুতেকে আগবাঢ়ি খেদি ধৰিলে দুইকো দুই সমুখ হ'ল, হাতে হাতে কটাকটি কৰিলে। পাচে কলঙ্গুৰ পুতেকক ঘা মাৰিলে ধৰণপিহে জীলে। পাচে উত্তৰকোলে বিস্তৰ লোক কাটিলে। লালমাখৰৰ পুতেক অভয়াপুৰীয় ৰাজখোৱা, কলঙ্গুৰ পুতেক দিখৌমুখীয়া ৰাজখোৱা দুই প্ৰমুখ্যে আনো-লোক দুই-চাৰি পৰিল। তথাপি মহাৰাজাৰ ভয়ত থাকি ফুকনবোৰে নেৰিলে। তাত পাচে আমাৰ লোকে ইটাখুলিত পুৰতি নিশা গড়ত উঠিলহি সেই যুদ্ধত নোৱাৰি বঙ্গাল ভাগিল। বঙ্গালেও দিন-চাৰেকৰ পাচে নাৱে ধৰিলেহি।

নোৱাৰি বঙ্গাল ভাগিল। সেই ভঙ্গে গুৱাহাটীৰো লোকো ভাগিল। কাত্তিকৰ ১৬ দিন যাওঁতে ইটাখুলি মাৰি আহোমে ললে। যত বঙ্গাল আছিল তাকে কাটিলে। গুৱাহাটী এৰি বঙ্গাল পলাল, শক ১৫৮৭। হাতী, ঘোঁৰা, হিলৈ, টকা, মাল যি কিছু পাৎসাৰ ভণ্ডাৰত আছিল সমস্তে আহোমে পালে। আৰু ছৈয়দ পিৰোজ-খাঁ নবাব, ছৈয়দ চালা সৰ্দ্দাৰ, মীৰ-বক্‌চিক আৰ যত লোক ভাগি পলাল তাকো আহোমে খেদি গৈ মানাহামুখত ভেটি ধৰি আনিলে কতো কাটিলে, আৰুবোৰ গড়গাৱঁলৈ আনিলে। আহিলাপাতি বিস্তৰ পালে ছৈয়দ পিৰোজৰ বেটা পাহৰ-খাঁ। ছৈয়দ হুচন এৰাই গ'ল। আৰু আমাৰ লোকজন যি খানখানায়ে আগে ধৰি নিছিলে তাকো পাই আনিলে। বঙ্গালক মাৰি ৰণ জয় হ'ল। তাত পাচে ৺দেৱে গোহাঁইবোৰেৰে আলচিলে গড় বান্ধিবলৈ। ১৬০ ॥

গুৱাহাটীত গড।—পাচে বাঁহগৰীয়া বুঢ়াগোহাঁইক ৺ৱে পাছিলে বোলে, "গুৱাহাটীতে আমাৰ লোক যিমতে ৰহিব পাৰে তাকে ছল চাই গড়খন বান্ধাইক যাই।" পাচে গোহাঁযে ৺তাৰ আজ্ঞাই আহি বৰগোহাঁই, বুঢ়া-গোহাঁই, বৰফুকন, এইসব প্ৰমুখ্যে যত ফা-ফুকন আছিল সমস্তে সমালোচনা কৰি মহাৰাজা চক্ৰধ্বজৰ আজ্ঞায়ে বিশ্বকৰ্ম্মে নিৰ্ম্মিত হেন উত্তৰকোলে, দক্ষিণকোলে গড বান্ধিলে। বৰফুকনো নিতান্তে সাস্তমে ৰহিল, শক ১৫৮৯, মাস ফাগুন। ১৬১ ॥

শৰাইঘাটত ৰামসিংহ।—তাত পাচে অৰং-ছা পাৎসা শুনিলে, পুনৰ্ব্বাৰ আচামে গুৱাহাটী শৰাইঘাট ললেহেন, ছৈয়দ পিৰোজ-খাঁ নবাব আদি কৰি সমস্তে উমৰাও লোক ধৰি নিলে আহোমে, আৰ পাৎসাৰ মানুহ সকলো পৰিল। আৰ মান্ধাতাৰ নাতি জয়সিংহৰ বেটা ৰাজা ৰামসিংহক পঠালে গুৱাহাটীৰ গড় দাঙ্গি আহোমৰ দেশ উজাৰ কৰিবলৈ। পাচে ৰাজা ৰামসিংহে আহি চৈত্ৰে প্ৰৱেশ হ'ল, শক ১৫৮৯। ৰামসিংহই শৰাইঘাটত দেখা দিলেহি, শক ১৫৯০, মাস ফাল্গুন। ৰামসিংহ আহি যুগুৰি যোপাত থাকি পিৰোজ-খাঁক ১৪ মানুহ সহিতে পত্ৰ-সন্দেশ দি সৰুজনা ফুকনলৈ বীৰত্ব বচন লেখি পঠালে, বোলে, "শুনিছোঁ, তযো বৰবৰুৱাৰ বেটা, ডাঙৰ মানুহ। মযো অৱেৰৰ মান্ধাতাৰ নাতি ৰাজা ৰামসিংহ।' বোলে, "তাক্তি মোক দুই খৰি লেৰ্চাই দিব। আৰ কোনো বস্তুৰ যদি কমি থাকে আমাৰ ঠাই লেখিব, তাক আনি চলাম।" ১৬২ ॥

যুদ্ধৰ সমাবোহ।—পাচে ফুকনে তাক আনি দপদৰত তুলি ইটাখুলিত উকিলক ৰাখিলে। পাচে ফুকনে ৮ জনাই বোলে, "দুই বৰি লেৰ্চাই দিব হেন যি বুলিছে আমি দুই বৰিষ লেৰ্চাই কৰিম। আৰ দুৰ দেশৰ পৰা তাঞি আহিছে, যদি কোনো বস্ত নপহুছেহি আমাৰ ঠাই লেখিব, আমি দি পঠাম।" এই বুলি কোমোৰাখোৱাকে, সোন্দৰকে পত্ৰ-সন্দেশ কিছু দি পঠাই দিলে। তাক আগচকীয়ালে পাই হাতত জৰি দি বান্ধি ঘোঁৰাৰ জীনত আৰি ৰামসিংহৰ আগ কৰিলে। পাচে ৰামসিংহে দুই উকিলত সুধিলে, বোলে, "তহঁত কোন?" বোলে, "আমি উকিল।" "যদি উকিল, চিহ্ন কি?" বোলে, "চাহেব, পত্ৰ-সন্দেশ আমাৰ লগত আছে।" পাচে মেলি দেখালত প্ৰমাণ পাই, ঘোঁৰাৰ জীনত আৰি যিটে নিলে তাক দায় ধৰিলে উকিলক কিয় এমত কৰে। সি বোলে, "চাহাব, এমত কথা আমাত কোৱা নাই দাচুচ বুলিহে পাকুৰি আনিলোঁ।" মহাৰাজা চক্ৰধ্বজেও বৰগোহাঁই প্ৰমুখ্যে ডাঙৰীযাবোৰকো যুদ্ধক লাগি পঠালে। শৰাইত বুঢ়াগোহাঁই ৰহিল। পাণ্ডুত বৰগোহাঁই, কুৰুৱাত বাঘ-চোৱাল বৰপাত্ৰ-গোহাঁই, শৰাইত দিহিঙ্গীয়া ফুকন পানীত নাওবৈচা ফুকন, পাণ্ডুত বৰগোহাঁই ফুকন, অস্তৰ-আলিত কলিযাবৰীয়া ফুকন, ৰংমহলত চাৰিঙ্গীয়া ফুকন, আন্ধাৰুত বৰফুকন এইক্ৰমে সকলো যুদ্ধক সমুখে সাৱধানে ৰহিছে। ১৬৩ ॥

শৰাইঘাটত যুদ্ধ।—তাত পাচে বঙ্গালে যুদ্ধ দিলে। আমাৰো বৰ-ফুকন প্ৰমুখ্যে সবে ফুকনবোৰে, শুক্ৰবাৰে ১১ দিন গতে বৈশাখ, জেষ্ঠ, আষাৰ, শ্ৰাৱণ, এই চাৰি মাস মহা যুদ্ধ কৰিলে। তথাপি বঙ্গালে লব নোৱাৰিলে গুৱাহাটী। যৱনো স্থস্তি ৰহিল গুৱাহাটী আবৰি গড় ভাঙ্গিবাক মনে। পাচে বঙ্গালে পাণ্ডুযেদি গাত খানি গাতত খাৰ ভৰাই এক বেঞ্জ গড় ভাঙ্গিলে। সেই বেলা ধূম্ৰ অনুকূল হ'ল। এতেকে আচাযে তৎকালে উপায় কৰি গড় বান্ধিলে। পুনৰ্ব্বাৰ সাৱধানে ৰহিল। পাচে পাণ্ডুয়েদি নোৱাৰি শৰাযে গাত খানি খাৰৈ পুতি চাৰিটা বঙ্গাল গড়ত উঠিলহি। আচাযে ডাঙৰ কাঠ বগৰাই পঠালে। কাঠৰ লগতে বাগৰি চাড-মূৰ ভাগি মৰিল, উঠিব নোৱাৰিলে। আৰ বৰদেউনীয়া আহি লঠিযাতে কাণ্ড-গুলী নোপোৱা ঠাইত কাঠ-গড় দি থাকিলহি। গড় আধাবান্ধা হুইছোতে বুঢ়াগোহাঁইয়ে লোকজনক গড়ৰ পৰা ওলাই ধৰিব দিলেগৈ। তেবে বৰদেউনীযা ভাগি পলাল। কটা এৰি জীযা মানুহ পালে ৫১ টা, ভীমৰাই বৰুৱাক পালে, আহিলাপাতি পালে কিছু। পাচে বঙ্গালে হুঁইকি আগিয়াঠুঠিৰ পৰ্ব্বতত

ৰহিলগৈ , আষাৰ মাস, শক ১৫৯১ । পাচে গোহাঁইবোৰে ৰহিল গড়ত ফুকন বোৰক ঘোঁৰাকোঁৱৰে ৺ আজ্ঞাযে আহি দুৰ্ব্বচন বুলিলত পুৱতী নিশা গড়ৰপৰা ওলাই আলাবৈত বঙ্গালক ধৰিলেগৈ, বঙ্গালো ভাগে হেন হ'ল। পাচে ঘোঁৰা মেলি বঙ্গালে ধৰিলেগৈ, বিস্তৰ লোক পৰিল । আচাম ৰহিব নোৱাৰি পুনৰ্ব্বাৰ গডতে ৰহিলহি। পাচে আগিযাঠুঠিৰ পৰা চেচানৈকে জুৰি বঙ্গাল ৰহিল । আচামেও ওলাই শ্ৰাৱণ মাস, বৃহস্পতিবাৰে, ২৮ দিন গতে আলাবৈত পচতীযাত বঙ্গালক খেদি ধৰিলেহি। আহোমৰো দশ হাজাৰ লোক পৰিল । বলে নোৱাৰি আহোমেও উলটি গড ভিতৰত সোমালেহি, শক ১৫৯১ মাস শ্ৰাবণ বৃহস্পতিবাৰ, ২০ দিন গত । ১৬৪ ॥

চক্ৰধ্বজৰ মৃত্যু ।—পাচে বঙ্গাল দৰঙ্গলৈ উজাই গ'ল। সেই বেলা পানীত বৰ যুদ্ধ হ'ল। আহোমকো হোঁচোঁকাই আমৰাজুৰিলৈ আনিলে। পাচে বৰফুকনে খেদি গৈ পাচৰপৰা মানুহ গদিযাই যুদ্ধ কৰালে বঙ্গাল অনেক পৰিল । পানী সৰ্দ্দাৰ ৰচিদ-খাঁ পৰিল ফিৰিঙ্গি পৰিল । তাত পাচে তিনিবটিযাত যুদ্ধ হ'ল। তাতো বঙ্গালে নোৱাৰিলে ১৫৯১ শক। ৰাম-সিংহে আপোনাৰ জাগ্যাত ৰহিলহি। এই কথা ৺ত কবলৈ বৰফুকনে ৰাম কটকীক পঠালে। ৺ও আনন্দ হৈ ডাঙৰীযাবোৰক যোগ্য প্ৰসাদ দিলে। যৱনে উচাদিত ৰাজ্য ৰাজা চক্ৰধ্বজে পূৰ্ব্বৱতে থাপি পাৎসা সমুখ হৈ ৰহিল। তাত পাচে বনমালী দেৱৰ নিযা মহাৰাজা তাঞ্জিৰ হাতত সমস্তে আগ কৰি ঈশ্বৰত মন সমৰ্পিযা ভাযেককো শিখা-বোদ্ধ দি ৰাজ্য ভাৰ দি চক্ৰধ্বজ ৰাজা স্বৰ্গী হল ১৫৯১ শকত ভাদ্ৰ মাস । ১৬৫ ॥

তাত পাচে ৰামসিংহে মীৰকে ৰামহৰি কাজিকে পত্ৰ-সন্দেশ দি পঠালে বোলে 'আমাৰক গুৱাহাটী চাৰি দিযক, পূৰ্ব্ব ধাৰণে প্ৰীতি হৈ থাকোঁ।" এই বুলি পঠাই দিলে।

ৰামসিংহৰ লাচিত বৰফুকনলৈ পত্ৰ ।—পত্ৰো এই—

স্বস্তি সমস্তাৰিকুল-কুম্ভকাৰণ্যদাৱাগ্নি-সদৃশ-সকল-দিগ্‌সুন্দৰী-কৰ্ণপুৰীকৃত-কীৰ্ত্তিপুষ্পক সকলশক্ৰমস্তকমণি-নিৰাজিত-চৰণকমলযুগলস্ব-কুশলশতপত্ৰ-প্ৰকাশকৈকাদিত্য সমস্তাসা-কৰ্ণস্ফালন-সমীৰণ-স্বনিত-প্ৰতাপানল-ৰাজবল্লভতৰেষু শ্ৰীমৎবৰুৱা- স্বজেষু ফুকনেষু—

পৰম প্ৰীতিপূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ আৰ বিশেষ আমৰা লিখা সমেত তোমাৰ সেখানে ও এখন চাজুআ ও আবদুলা দোলা মনুষ্যকে

ভেদ কৰিয়া আছি, এতেকে এমত প্ৰীতি লাল নাসে তোমাৰ পিতাৰ চাতে নবাব আহ্‌লায়াৰ-খাঁৰ সঙ্গে প্ৰাচুৰ্য্য কৰিছিলেন। ও এখন যদি তোমৰা তবে কৰিতে যত্নে থাক তবে তেবে তোমাৰ যশপ্ৰতিষ্ঠা নাহৈবাৰ নাহি, বৰাই হৈবেন। আৰ দোদলৰ্ম্মধ্যে স্বৰ্বৰ্ণকে ৰূপযা স্তম্ভনিৰ্ম্মায়ত কাৰণ হদক ভাৰিবেন তবে যি প্ৰীতি সকল ভাৰ কৰিছ তে প্ৰীতি ইহ ভাৰ তোমৰা যে কাৰ্য্য কৰিবেন ইথানে হাম প্ৰতিষ্ঠা সব তোমাৰ, যাতে এই প্ৰীতি চন্দ্ৰ-সূৰ্য্যাবধি অতএব প্ৰীতিবিৰ্জখনি সান বৈসবেন সেৰূপ সাৰহিত চাৰুত কৰিছা ইহাৰ প্ৰত্যুত্তৰ চিতাপ পহুচাইবা। আৰ অধিক কি লেখিম। আপুনি সমস্তে জান, ইতি, শব ১৫৯১। সন্দেশ---বানাত ১ থন, কাচৰ বান ৪ টা। ১৬৬ ॥

বৰফুকনৰ ৰামসিংহলৈ পত্ৰ।---আৰ পাচে বৰফুকনেও মীৰকে ৰামহৰি কাজিকে তুলি কুশলাদি বাৰ্ত্তা পুচি বোলে, "ভাল, মোৰ পিতৃয়ে আহ্‌লায়াৰ-খাঁযে যি প্ৰীতিগোট কৰিলে সেই যশস্যা অদ্যাপিও কহে। এখনো যদি তেমন খান কৰিব পাৰা তোমাৰ আমাৰ প্ৰীতিগোট চন্দ্ৰ-দিবাকৰ থাবেমানে যশস্যা ৰহিব। এতেবে এই প্ৰীতিক যদি ইছা থাকে তেবে পণ্ডিত ৰায়ক পঠাব। এই বুলি এব লেখা দি নিমকে ৰামচৰণকে মীৰ, ৰামহৰি কাজিৰ লগত পঠাই দিলে।

পত্ৰো এই---

স্বস্ত্যশেষ-গুণবিভব-পাণ্ডুৰ-যশ-বৃন্দাস্যাইত-প্ৰবৰদ্বিজন-শান্তাশ্বান্ত-
সন্তোষসংস্কাৰক শ্ৰীশ্ৰীযুত মীৰ্জাৰাজা জয়সিংহাত্মজেষু---

সুশয লেখন পৰং কাৰ্য্যঞ্চ আদৌ এখানে কুশল। পৰং তোমাৰ মঙ্গল, পৰং তোমাৰ মঙ্গলৰূপ কুশলব সদা পৰিৱাঞ্ছি। আৰ অপৰ বিশেষ তুমিতো এখন চাক্তুআ আৰ আব্দুলাক পঠায়া যিৰূপ বাৰ্ত্তাক কহিছা সিৰূপ মিত্ৰাতিপথ যদি এখন তোমাত হস্তে ৰহিত তবে মিত্ৰৰ সাপেক্ষ ভজিব যে মিত্ৰৰ মোক্ষ কাম এইহে যোগ্য। শ্ৰীযুত বৰবৰুৱা মোৰ পিতৃযে আহ্‌লায়াৰ-খাঁ সহিত প্ৰীতিগোট কৰিছিলে সেই যশস্যা অদ্যাপিও প্ৰকাশ কৰে এখনো যদি তেমন খান কৰিব পাৰা তোমাৰ আমাৰ চন্দ্ৰ-দিবাকৰমানে যশস্যা ৰহিব। এতেকে এইহে প্ৰীতিক ইছা থাকে যদি তেবে মোৰ ঠাইক পণ্ডিতৰাইক পঠাই দিবা। আৰ অধিক কি কহিম। তুমিও অম্বেৰৰ অধিপতি জয়-সিংহৰ বেটা মান্ধাতাৰ নাতি। এমন জনৰ যে কড়াৰ কৰি প্ৰীতি যে কৰা

যাব একে চাৰু সুযোগ্য ব্যৱহাৰেসে হয়, অন্যমত নাহয়। আৰ আবাৰ ঠাঁইৰ সমাচাৰো শ্ৰীনাৰাণ আৰ ৰামচৰণ তোমাৰ হোৱালে কহিবেক। ইতি, শক ১৫৯১।

সন্দেশ দিলে,—হস্তিদন্ত ৪ টা গান্ধ ৬ টা, কটাৰী ৪ খন, আগৰ কাষ্ঠ ১০ সেৰ, গাঠিযান ১ যোন। ১৬৭ ॥

ৰামসিংহই গুৱাহাটী খোজে।—পাচে নিমকে ৰামচৰণকে দৰ্ব্বাৰলৈ নি তুলি ৰামসিংহে কুশলাদি বাৰ্ত্তা পুচি বোলে, "ভালা, মই মীৰকে পণ্ডিত-ৰায়কে পঠাই দিম। তোমালোকে বৰফুকনলৈ জনাই পঠা।" পাচে নিমে ৰামচৰণে বৰফুকনলৈ জনাই পঠালে। ফুকনেও পণ্ডিতৰায় আহিবৰ হেন জানি কৌপতীয়া কটকীত কৰি ৺লৈ জনাই পঠালে। ৺ও শুনি বঙ্গালৰ কটকী তুলিবলৈ চন্দ্ৰতাপ, দলচা, কটকীক তামোল-পাণ সোণৰ-ৰূপৰ কাঁহি যতন কৰিলে। বঙ্গালক দিবলৈকো সন্দেশ,—হস্তিদন্ত, গান্ধ, আগৰ কাষ্ঠ গাঠিয়ন, কটাৰী, ঝালুক, পাট-কাপোৰ, এই সকল দিবলৈ যত্ন হল। পাচে ৰামসিংহে নিমকে ৰামচৰণকে পুনৰবাৰ দৰ্ব্বাৰলৈ নি বোলে 'বাৰম্বাৰ উকিল গতাগত কৰে, কাৰ্য্য কামতো কিছু নহল। ইবাৰ মই উকিল নপঠাওঁ। সৌগন্ধ কৰি বোলো, ইহাক কবি যাই মোক গুৱাহাটী চাৰি দিয়ক। আৰু ছৈয়দ ফিৰোজৰ বেটাকে ছৈয়দ চালাবে এৰি দিযক। আত কৰি যদি মই অধিক খোজো বাগকৈ বোলো, এই হাতৰ তৰোৱালে কাটিব, এই পৰমেশ্বৰীয়ে মোক খাব।" আৰু কণ্ঠৰ মুক্তামণি হাতে ধৰি বোলে, "এই মহালক্ষ্মীয়ে মোক এৰিব, আৰ মোৰ উৰ্দ্ধপুৰুষসকল নৰ্কগামী হব। এই কথাও যদি সঞ্চাত নাযাব তেবে লোহিতৰ মাজত মাধগোসাঁই আছে, মণিকূটত শপত কৰিম। বৰফুকনে যদি এই কথা মানে, তবে যাকে খোজে তাকে দিম।" এই বুলি উকিল-পত্ৰ নিদি নিমকে ৰামচৰণকে যিৰাই পঠালে। ১৬৮ ॥

বুঢ়াগোহাঁয়ে গুৱাহাটী নেৰিলে।—এই কথা ৺এ শুনি যি বস্তু আওঁ-তাইছিল তাকো ৰাখিলে, বৰফুকন প্ৰমুখ্যে সমস্তে লোকে গুৱাহাটী এৰি দিবলৈ ইচ্ছা হ'ল। পাচে বুঢ়াগোহাঁয়ে বোলে, "আমি গুৱাহাটী এৰি দি কোন ঠাই ৰহিম? পাৎসা নেকি ৰামসিংহৰ শপততে ৰহিব?" পাচে ৺ও বুঢ়াগোহাঁইৰ পক্ষকে ৰাখিলে, গুৱাহাটী এৰি নিদিলে। তাত পাচে বঙ্গালেও নাৰে-তৰে পাণ্ডু-শৰাইঘাটত ধৰিলেহি। পাচে যুদ্ধ ভঙ্গ হৈ বঙ্গাল ভাগিল। ভাটীয়াই আগিয়াঠুঠিত ৰহিলগৈ, চৈত্ৰ মাসত, শক ১৫৯২। তাত

পাচে ৰামসিংহৰ পুত্ৰক পাৎসাৰ ঠাইত মছলমানিক কৰেহেন দুঃকীৰ্ত্তি শুনিয়া গৈল, যেন যুদ্ধ নকৰি এই এক কথা কয়। তাত পাচে ৰামসিংহে মিত্ৰ হওঁ বুলি গড় খুজি পঠালে কটকীত কৰি। পাচে উদয়াদিত্য ৰাজা প্ৰীতিযো নহল, গড়ো নিদিলে। পাচে ৰামসিংহে আগিয়াঠুঠিৰপৰা ৰঙ্গামাটীলৈ গল। পাচে এই কথা কৰাৰ ৰাম কটকীক পঠালে। ৺ও শুনি আনন্দ হৈ সমস্তকে যথাযোগ্য প্ৰসাদ দিলে। ১৬৯ ॥

লাচিত বৰফুকনৰ মৃত্যু।—তাত পাচে বৰফুকনো মৃত্যু হ'ল। তাঞিৰ ককাযেক নিমাতী ফুকনক বৰফুকন পাতিলে। উদয়াদিত্য ৰাজাও তিনিজনা গোহাঁই আদি কৰি সমস্তকে বৈৰাগীত শৰণ লগালে। মোৰামোৰা আদি কৰি সমস্তে ঠাকুৰবোৰক শৰণ লগাবলৈ ধৰিলে। পাচে সকলজনা গোহাঁয়ে মনে মনে সমস্তেৰে সমালোচনা কৰি ৰাত্ৰিযে উদয়াদিত্যকে ধৰিলেগৈ। চাৰিঙ্গীয়া বৰবৰুৱাক, পাপং নেওগক খিতাতে কাটিলে। ১৫৯৫ শকত, ভাদ্ৰ মাসত, মধ্যে-ৰাত্ৰি সব গোহাঁযে উদযাদিত্যক মাৰি ৰাজা হ'ল। পাচে বৈৰাগীকো মাৰিলে, লোহিত্যাতো যজ্ঞ কৰিলে। তাত পাচে অভিষেক হৈ ৰামধ্বজ নাম সলে, শক ১৫৭৬। ১৭০ ॥

ৰামধ্বজৰ মৃত্যু।—চুনিযাকো মাৰিলে তাত পাচে অনেক উৎপাত হল। নগৰ তল গল। উঁৰিকাত ভানুক পৰিল। চাৰিং ৰাজা, ৰাক্কীয়া বৰগোহাঁই, দুইকো মিছা বাদ মাৰিলে। তাত পাতে ৰামধ্বজ ৰাজাৰ ভস্মগাৰ হল। মৃত্যু হব হেন জানি ফুকনবোৰ সমন্বিতে আলচ কৰি উদয়াদিত্যৰ পুত্ৰ কনীয়া গোহাঁইক ৰাজা পাতিবলৈ যুক্তি কৰিলে। পাচে ডেৱেৰায়ে জানি ফুকনবোৰকো বৰাবুৰুককো ৰাত্ৰিযে কাটি শালত দিলে। পাচে ৰামধ্বজ ৰাজা স্বৰ্গী হল ১৫৯৬ শকত আষাৰ মাস, বুধবাৰে ১৮ দিন গতে। ১৭১ ॥

ডেৱেৰাই পতা ৰজাসকল।—তাত পাতে ডেৱেৰায়ে লাউক পাক্তিলে শৰাইঘাটলৈ, বোলে "ৰাজা নিৰ দিছে বুলি কৈ যোঁৰাবোঁৰৰ ফুকনক ৰাটতে মাৰি আহিবি।" পাচে লাউৰেও ৺ৰ কথা কৈ শৰাইঘাটৰপৰা আনি ফুকনকো, বৰা-বৰুৱককো সৰিয়হতলীত মাৰি আহিল। পাচে ডেৱেৰায়ে চামগুৰিৰ পৰা কুমৰ আনি ৰাজা পাতিলে ১৫৯৬ শকত, মাস আষাৰ, বৃহস্পতি বাৰে ১৯ দিন গতে নিশা। বৰবৰুৱাৰ জীয়েকক কুঁৱৰী পাতিলে। পাচে তিপাম ৰাজায়ো ডেৱেৰাক মাৰি ৰাজা হবলৈ আহিল। তাকো ডেৱেৰায়ে পৰ্ব্বতীয়া আনিত্ত

খেদিগৈ মাৰিলে, নামৰূপীয়া ৰজাকো মাৰিলে। পাচে ৰজা, কুঁৱৰী, চেংধৰা ফুকন, তিনিও আলচিলে ডেবেৰাক মাৰিবলৈ। এই কথা ডেবেৰায়ে জানি তিনিকো ৰাতিয়ে মাৰিলে, শক ১৫৯৬ মাস শ্ৰাৱণ। তাত পাচে ডেবেৰায়ে তুঙ্খুঙ্গৰ পৰা কুমৰ আনি ৰজা পাতিলে ১৫৯৬ শকত। এই কথা শৰাই-ঘাটত বুঢ়াগোহাঁই, বৰফুকনে শুনি ফুকন ৰাজখোৱা সকলেৰে সমালোচন কৰি বুঢ়াগোহাঁইক ৰজা পাতি ডেবেৰাক মাৰিবলৈ উজাই গ'ল। ডেবেৰায়ে সকলো উজাবৰ শুনি লাউ-ডেবাব কাটি যাত্ৰা কৰি বাঁহগৰাত যুদ্ধৰ সমুখে ৰহিলগৈ। পাচে বুঢ়াগোহাঁই বৰফুকন পাবৰ শুনি ৰজাৰ জোৰাই বৰগোহাঁই গড় বান্ধ হই ৰহিলগৈ। পাচে ডেবেৰা পলাল ৰজাও হাইঠাওৰিত ৰহিলগৈ। পাচে বৰফুকনে ৰজাকো ডেবেৰাকো মাৰিলে, শক ১৫৯৬ মাস আঘোণ। তাত পাচে বুঢ়াগোহাঁয়ে বোলে, 'পূৰ্ব্বাপৰেও আমি পাত্ৰহে ৰাজ-গোষ্ঠীহে ৰজা হব পায।" এই বুলি দিহিঙ্গৰ পৰা কুমৰ আনি ১৫৯৭ শকত ৰজা পাতিলে। আঘোণত ৰজা অভিষেক হ'ল। আকাশত অগ্নি জ্বলিল ধূম কেতু পৰিল। পাচে বুঢ়াগোহাঁইক ধৰিবলৈ কুমৰবোৰে যত্ন কৰিলে। পাচে বুঢ়াগোহাঁয়ে জানি দিহিঙ্গীয়া ৰজাক ধৰিবলৈ দোলায়েৰে গড়ভিতৰ সোমালে গৈ। পাচে দিহিঙ্গীয়া ৰজাই জানি নৰিবি বুলি খেদি আহিল গোহাঁয়ে ৰব নোৱাৰি পলাল দোলা এৰি দিহিঙ্গৰেদি উজাই ভটীয়াই গ'ল শক ১৫৯৭। পাচে বুঢ়াগোহাঁই শালকুমৰত ৰৈ উত্তৰকোল দক্ষিণকোলৰ লোক ৰখাই বৰফুকননৈকো জনাই পঠালে। ফুকনও মেচা বৰবৰুৱা আদি কৰি ফুকন ৰাজখোৱা হাজৰিকীয়া লোকজনক বুঢ়াগোহাঁইৰ ঠাইক পঠালে। দিহিঙ্গীয়াৰজাও সাধুসবো সত্য কৰি বুঢ়াগোহাঁইৰ তলৈ পঠালে। পণ্ডিতসকলকো পাঠিলে তত্ৰাপি গোহাঁই নাহিল। ৰজাও যুদ্ধক মনে সিংহ দুৱাৰত ৰহিলগৈ। পাচে দুইৰো প্ৰধান যুদ্ধ হ'ল। ৰজাও যুদ্ধ ভঙ্গ হই নগৰত ৰহিলহি। চাৰিও কোঁৱৰ পলাল। গোহাঁযো আহি শাক-বাৰী নাওশালিত থিত হল, ৰজাৰো চক্ষু কাঢ়িলে এতেকে ৰজাও স্বৰ্গী হ'ল, ১৫৯৮ শকে, বুধবাৰে। চাৰিও কোঁৱৰক মাৰিলে। পাচে পৰ্ব্বতীয়া কোঁৱৰক আনি ৰজা পাতিলে। বুঢ়াগোহাঁই জীয়েকক কুঁৱৰী পাতিলে, শক ১৫৯৮, বৃহস্পতি বাৰে। বৰফুকনৰ জীয়েকক পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। বুঢ়াগোহাঁয়ে জপং গোহাঁইক বৰগোহাঁই পাতিলে। কেন্দুগুৰিয়া বৰপাত্ৰৰ নাতিয়েক বৰপাত্ৰ পাতিলে। উদয়াদিত্য ৰজাৰ পৰা পাত্ৰৰ অধীন হল। ১৭২ ॥

নবাব আৰু স্বৰ্গদেৱৰ পত্ৰ ।—তাত পাচে মেটেকিয়াল বুঢ়াফুকন আছিল। এক বৎসৰ পাচে ঢকাৰ পৰা ছাস্তা-খাঁ নবাবৰ বেটা আবদুল নাছিৰ খাঁ নবাবলৈ কৈ পঠালে বোলে, 'পাৎসাৰ বেটা সুলতান সাজুনে ১,০০,০০০ ঘোঁৰা, ৩০০ হস্তী সহিতে ৰাজমহল প্ৰবেশ হৈছোঁ বুলি সোলৈ বাৰ্ত্তা দিছে, আৰু বুলিছে, মামাশ্বশুৰ বৰফুকনলৈ একযোৰ চিৰপায এক লেখা দি ইযাক কৈ পঠাইছে। পূৰ্ব্ব সীমানাত সিবোৰ ৰহিব আমিও পূৰ্ব্ব সীমানাত ৰহিম। পূৰ্ব্বে যেমতে ধাৰণে একলাগ প্ৰীতি চলিছিল এখন তেমত হব যদি এমত নহয তবে যি কিছু গো-ব্ৰাহ্মণ হানি হয তাৰ ভাৰ বৰফুকনে পাব। ইহাৰ প্ৰত্যুত্তৰ শীঘ্ৰ কৈ পঠাব।" এই বুলি এখনি ফাৰ্চি লিখা পঠালে। তাৰ অৰ্থে অনুসাৰে বৰফুকনলৈ আবদুল নাছিৰ-খাঁযে বঙ্গলা লিখা লিখি দুযোখানি লিখা এক যোৰ সিয়া কাপোৰ সহিতে বাদুলিৰ মানুহ এটিযে গৈতে আৰু আৰু মানুহ দি পঠালে। ভাদ্ৰ মাসত বৰফুকনৰ ঠাই পালতহি কলীযা বটকীত কৰি ৺লাকো ৰকু: বুঢ়াগোহাঁইলৈকো জনালে। ই ঠাইত পত্ৰ বুঢ়াফুকনে শুনি বিধাৰণহেন দেখি লিখাৰো সমাচাৰ জনালে। মহাপাত্ৰ ৰকু: বুঢ়াগোহাঁই এইখান বুলিব দিলে পৰাপৰে সিয়া কাপোৰ দিয়া নাই। এখন ধাৰণ এৰি সিয়া কাপোৰ কিসক দিলে? বৰফুকনে ছাস্তা-খাঁৰে সমান পাত্ৰহে লিখিব পাই। বৰফুকনৰ নাম তলত লেখি ছাস্তা-খাৰ নাম কিয ওপৰত লেখিলে? আৰ সীমনাৰ খান যি কৈছে সীমনা তাগ্ৰিৰো নহয। ঈশ্বৰে ৺ ৰাক যেখন দিয ৺ সেয ভোগ কৰে। ৺ গোৰ সীমনা বোলন এইখান অনুচিত। বিস্মৰণ হৈহে বুলিলে। আৰ ঘোঁৰা হস্তী বিত্তৰ দৰ্শাই যিখান লিখিলা সি তোমাৰ ঘোঁৰা আমাৰ মানত পছ, যাতো গি আপুনি তীৰ বন্দুক চলাব নোৱাৰে তাৰ কথা কি কব লাগে।" এই বুলি এখন লিখা দি বঙ্গালৰ মানুহটিক বিদায দিব দিলে। পত্ৰ-সন্দেশকো ফিৰাই দিলে, বাদুলিৰ মানুহটি গুৱাহাটীতে মৰিল। ইতি শক ১৫৯১ কাৰ্ত্তিক মাস। ১৭৩ ॥

চিন্তামণি গড় ।—কতোদিন থাকি পৰ্ব্বতীযা ৰাজাক চোৰে কাটিলে ৰাজা কথমপিহে জীলে। চোৰো নাপালে। বুঢ়াগোহাঁযে ফুকনবোৰেৰে আলচি বোলে, "শৰাইঘটীযাবোৰেহে মানুহ পঠাই ৺ক কটালেহি।" এই কথা শৰাইঘটীযাবোৰে শুনিলে। আৰু বুঢ়াগোহাঁয়ে চিন্তামণি-গড় বান্ধিলে, শক ১৬০০, মাস ফাগুন। ১৭৪ ॥

দ্বাদশ আধ্যা।

গুৱাহাটীত নবাব মনছুৰ-খাঁ।

নবাবৰ গুৱাহাটি আক্ৰমণ।—তাত অনন্তৰে লালুক বৰফুকন প্ৰভৃতি সকলো ফুকনে বোলে, 'আমি দেখোঁ গুৱাহাটীৰ গড়ত শত্ৰুক সন্মুখহে ৰহিছোঁ। মাজ ৰাইজ্যত গড বান্ধে কালৈ, আমালৈকেহে বান্ধে ?'' পাচে সবেও আলচি বাদুলি ফুকনৰ তলৈ মানুহ পঠালে। বঙ্গালেৰে কথা-বাৰ্ত্তা হৈ গুৱাহাটী এৰিবৰ যুক্তি কৰিলে। আৰু বৰফুকনে সমস্তৰে সমালোচন কৰি বুঢ়াগোহাঁইলৈ আহিলাপাতি খুজি পঠালে তাকো নিদিলে। এতেকে গুৱাহাটী এৰি সবে উজাই আহিল। নবাব মনছুৰ-খাঁয়ে সুদা চেগ বুজি পাই গুৱাহাটী ললেহি। পাচে বুঢ়াগোহাঁয়ে গুৱাহাটীয়াসকল আহিবৰ শুনি সসৈন্যে সহিতে খেদি গ'ল। বৰফুকনো কলিয়াবৰতে ৰহিল। পাচে কিকিৰীয়া ফুকনে টেঁপৰ-তলীয়া ফুকনক গৌ ফুকনকনক দুইকো ধৰিলে। পাচে বুঢ়াগোহাঁই ভাগি পলাল। সাতগৈয়াত খেদি ধৰি কলিয়াবৰলৈ নি ৰখা দি খলে শক ১৬০০। ৰজাও পৰ্ব্বতলৈ পলাল। পাচে বৰফুকন বোলে ⁄এ চিন্তা নকৰিব আৰু এইখন বিচাৰ কৰক। ⁄দেৱক কোনে বান্ধিলে ? মাজ ৰাইজ্যত কোন গড বান্ধিলে ?'' পাচে ৰজা বোলে এই সকল বুঢ়াগোহাঁয়েহে কৰিছে মই নাজানো।'' পাচে বুঢ়াগোহাঁইক মাৰিব দিলে গোহাইবোৰে মাতি ৰাখিলে। সেই সময়ত চলাৰ পুত্ৰেক যদুক দুইবো বঙ্গালৈ পাঠিলে হাতী দাঁত, আগৰ কাঠ শঙ্খ চামৰ সোণাৰ কাপোৰ, পীৰা সোণাৰ ফণি, পত্ৰ-সন্দেশ দি। বৰফুকনে বোলে 'চলা, তুই গলে মইহে যাও। পাৎসাৰো পত্ৰত যেনেকৈ ৰাজা বুলি লেখে মোক তেনে কৰিবি।' চলাকো বিস্তৰ বস্ত্ৰ অলঙ্কাৰ দিলে। পাচে চলাও বঙ্গালৈ গল। ১৭৫ ॥

পৰ্ব্বতীয়া ৰজাৰ মৃত্যু।—তাত পাচে পৰ্ব্বতীয়া ৰাজায়ে মোচা বৰ-বৰুৱাৰে বৰফুকনক ধৰিবলৈ মন কৰিলে। বৰুৱায়ে বোলে, ''অখন ধৰিব নোৱাৰোঁ, একে লগে ব্ৰহ্মপুত্ৰত শপত কৰিছোঁ। যদি কলিয়াবৰলৈ বঙ্গাল আনে দেৱৰ আজ্ঞায়ে ধৰিম অৱশ্যে।'' আৰু গড়গয়াঁ সন্দিকৈ-নেওগ তাকো গড আওঁতাবলৈ বুলি কলিয়াবৰলৈ পাঠিলে ছলকৈ ফুকনক ধৰিবলৈ। নেওগেও কলিয়াবৰ পাই ফুকনক সঙ্কেত কলে। তাত পাচে লাপিতিৰ পুত্ৰেক পানী-দিহিঙ্গীয়া ফুকনো গড়গাৱঁৰ পৰা পলাই কলিয়াবৰলৈ গৈ বৰফুকনত সমস্তে কলে। পাচে ফুকনেও ভাই ভাতধৰাক সংশপং কৰি ফুকন পাতি থৈ কলিয়াবৰৰ পৰা সসৈন্যে গড়গ্ৰামলৈ আহিল। পাচে ১৬০১ শকত

পৰ্ব্বতীয়া ৰাজাক মাৰিলে। সেই শকতে চামগুৰীয়া কোঁৱৰক ৰাজা পাতিলে। পাচে চামগুৰীয়া লৰা ৰাজাও ছয় মাস লেচাঙত থাকি মেটেকাত পাট কৰি ৰহিলগৈ। ১৬০১ শক, মাস জেষ্ঠৰ পাচ দিন যাওঁতে বৃহস্পতিবাৰ। বৰ-ফুকনৰ জীয়েক বৰকুঁৱৰী ভাতধৰাৰ জীয়েক পৰ্ব্বতীয়া কুঁৱৰী। তাত পাচে চলাক গড়গ্ৰামলৈ বিদায় দিলে বঙ্গালৰ গোবিন্দৰাম কটকীক লগত দি যোৱা পত্ৰ-সন্দেশ দিলে। বঙ্গালে পত্ৰাত্ৰা এইখান লেখিলে, ৰাজা বৰফুকন তোমাৰ দোষমনকো মাৰি ৰাজা হৈ থাক। আৰ যিবা দোষান তাক আমাৰ ঠাই দি পঠাব।" এই বুলি পত্ৰ দি বিদায় দিলে। পাচে সিহঁতো আহি গড়গাওঁ পালেহি। পাচে ফুকনেও আনন্দ হয়া বঙ্গালৰ কটকী তুলিলে। তাত পাচে পুনৰ্ব্বাৰ তুলি বিদায় দিলে। ১৭৬ ॥

লালুকসোলা বৰফুকন বধ।—তাত পাচে বৰফুকনক মাৰিবলৈ সকলেও আলচি ভোটাইক আজ্ঞা কৰিলে। পাচে ভোঁটাগে ফুকনক খুচি মাৰিলে। তাত পাচে লাম্নাধৰক বৰফুকন পাতিলে। পানী-দিহিঙ্গীয়া বৰবৰুৱা হ'ল। সবেও আলচি ভাতধৰাক ধৰিবলৈ খেদি গ'ল কলিয়াবৰলৈ। পাচে ভাই ভাতধৰা কলিয়াবৰৰ পৰা পুত্ৰকণি সহিতে এখনি আগনাগি নাৱেৰে পলাই মনচুৰ-খাঁত মিলিলগৈ। তাত পাচে ৰাজাকো মেটেকাৰ পৰা আনি হাতী-শালৰ কোষত পাট কৰি ৰহিলহি। এই মতে একবৎসৰ হ'ল। পাচে সমস্তে ডাঙ্গৰীয়াসকলে সমালোচন কৰি বোলে, অসামৰ্থ ৰাজায়ে কিকৈ ৰাজ্য ৰক্ষা কৰিব? সামৰ্থ হলেহে ৰাজ্য ৰাখিব পাৰিব।' এই বুলি তুঙ্গখঙ্গীয় কুমৰক কলিয়াবৰলৈ নি লাম্নাধৰ বৰফুকন প্ৰভৃতি সকলো ফুকনে ১৬০৩ শকত অভিষেক কৰি ৰাজা পাতি গড়গাৱঁলৈ পঠাই সৰু লৰা ৰাজাক মাৰিলে। ১৭৭ ॥

চুলতান আজম্‌তবাৰ পত্ৰ।—১৬০০ শকত আষাৰ মাসত কলিয়াবৰৰ বুঢ়াফুকনলৈ পাৎসাৰ বেটাগে দিয়া আমাৰ কটকী চলাৰ মাধচৰণ, যদুৱে অনা বঙ্গালৰ পৰা বঙ্গাল কটকী গোবিন্দৰামে অনা এই লিখা, ১৬০৩ শক, কাৰ্ত্তিক মাসত বৰফুকনক মাৰিলত গদাধৰসিংহ ৺দেৱে চেনিয়া ফুকনলৈ দি পঠালে ঘৰলুৰাত পাই ৰামকন্দলীত কৰি। পাচেও ৰামকন্দলীয়ে গড়-গাৱঁলৈ নিলে, তাৰে নকল, —

কৃপাযোগ্য দয়াপাত্ৰ শুবচিন্তক ৰাজা বৰফুকন, অনুগ্ৰহ লিখনং কাৰ্য্য-ঞ্চাগে, আসামৰ ৰাজাই ৰাজ্য তোমাক দিলে, ইয়াক সত্য কৰি জানিবি।

সি বাজ দি তোমাৰ ৰাজাইকা নিমিত্ত মহামদকা হুজুৰ থাকিয়া পঠাইতেছি, আপোনাৰ কৌল-পঞ্জা নিচান ওপৰ ভেজিতেছি। তুমি চিন্ত কৰাই কৰি যে লোক লস্কৰ লাগে তাক ইমিন হুচন-খাঁৰ ঠাই লৈয়া আঞ্জিয়ো তোমাৰ সাথ যাইবেক। যে প্ৰকাৰে বুঢ়াগোহাঁই বৰগোহাঁই খেদাইবাক পাৰ, তোমাৰ আমোল হয়, তোমাৰ ৰাজ্য হয়, তাক কৰিবা। এইৰূপে লেখিছিল, সোণোৱালী লেখা।

সেই কটকীক কুজিবালিত থৈছিল। নবাবৰ ঠাইৰ যদি পাৎসাই উকিল আহিল তাক আগবাঢ়ি আনিব লাগে। এই কাৰণে নাওশাল চাবৰ ছলে গৈ ফুকনে তাক বিদায় দিলে*। ১৭৮ ॥

বঙ্গালৰ পৰাজয়।—এইমতে একবৎসৰ হল। তাত পাচে মহাৰাজা বৰফুকন প্ৰভৃতি ডাঙ্গৰীয়াসকলে সমালোচন কৰি তুঙ্গখুঙ্গীয়া গদাধৰসিংহ মহাৰাজা গুৱাহাটী মাৰি যাত্ৰুৰ-খান ধৰিবাক প্ৰতি ডাঙ্গৰীয়াসকলক আজ্ঞা কৰিলে। লালাখৰ বৰফুকন গড়গয়া সন্দিকৈ ফুকন চাৰিঙ্গীয়া ফুকন বিহ-পুৰীয়া ফুকন, হাবিগাহি কাড়িৰ নাতি চেংৰাই ফুকন দিহিঙ্গীয়া বৰুৱা পালতৈগ, কলিয়াবৰৰ পৰা ১৬০০ শকত আষাঢ় মাহত যাত্ৰা কৰিলে। দক্ষিণকোলে নাৱে তৰি গৈ কাজলী পানত আচাৰৰ ঠাটি অনেক দেখি কাজলী পানীখাটি-কুৰুৱা, এই তিনি থানা এৰি বালে নোৱাৰি নাৱ-নাওৱা সহিতে গুৱাহাটী সোমালগৈ। কাজলীত বন্ধোৱা নাও কালপাহাৰত পৰিল। বাঁহবাৰীৰ থানাকো তৰৱা মানুহে মাৰিলে। তাতো বঙ্গালৰ ঘোঁৰা বন্দুক কিছু পালে।

*এই পাতটো মূল পুথিত বৰ বমক্ জমক্ হৈ আছে। পাতটোৰ দীঘলে-বহলে ৰ-চঙ্গীয়া গাৰি দিয়া। পুথি লিখোতাই মূল চিঠিত যিখিনি ঠাইত আৰবী আছিল তাত "আৰবি আছিল" বা "আৰবি লিখিছিল আছে" বুলি যথাস্থানত দেখুৱাই দিছে। পাৎসাৰ পুতেক চুলতান আজম্‌তৰাৰ হস্তচিহ্ন "পাৎসাৰ বেটাৰ হস্ত পঞ্জাৰ" ঠাইত আকি দিয়া হৈছে, সেইদৰে "পাৎসাৰ বেটাৰ মোহৰৰ" ঠাইত এটা মোহৰৰ ছবি দিয়া হৈছে। "১৬০০ শকৰ আষাৰ মাসত কলিয়াবৰৰ বৃচাফুকানৈল নাওশাল চাবৰ ছলে গৈ ফুকনে তাক বিদায় দিলে।" এই কথাখিনি উক্ত ৰঙ্গিত পাতটোত আছে।

—সম্পাদক।

সোণাপুৰৰ থানাকো মাৰিলে ; তাৰ থানাদাৰো পৰিল , লোকজনো বিস্তৰ পৰিল। যোঁৰা, বন্দুক, আনো বস্তুজাত নিস্তৰ পালে। কিছুমান মানুহ পলাইহে এৰাল। জয়দুৱাৰ মানুহ ভাগি ইটাখুলি সোমালগৈ। এইৰূপে বাহিৰ থানাৰ লোকজন ভাগি ইটাখুলি সোমালগৈ। আচামেও নাৱে-তৰে ইটাখুলি চাহবুৰুজত ধৰিলেগৈ। ইটাখুলিৰ লোকজন সহিতে আলিএকছৰে উমানন্দ থানাত ৰৰহিলৈ পাতিছিলে। দক্ষিণকোলত সৰ্দ্দাৰ পানী-দিহিঙ্গীয়া ববৰুৱা, নেওগ-ফুকন, পিকচাই ডেকা-ফুকন আনো ৰাজখোৱা, হাজৰিকীয়া সহিতে সমদলে শৰণীয়া পব্বতৰ আগৰ কোণত আছে। বঙ্গালো ইটা-খুলিৰ পৰা ওলাই আহি পানী-দিহিঙ্গীয়া ববৰুৱা নেওগ, ফুকনৰ সমুখে ধৰিলেহি । আসোৱাৰী খোৱাৰ পৰা নামি হাত-চালিহৈ গড়ত ধৰিলেহি তাক দেখি মণি হাজৰীয়ে গড়ৰ খোৱা-সলখা বান্ধিবলৈ ধৰিলেহি। সিয়ো আমাৰ মানুহৰ গুলীত পৰিল। আনো অনেক লোক পৰিল । আলিএকছৰ পলাই ইটাখুলিত সোমালগৈ। সেই দিনৰ পৰা ওলাব নোৱাৰিলে উঁলোৱা যুদ্ধা নহল ইটাখুলিৰ পৰা নৌযাইছিলে। পানী-দুৱাৰত পানী-দিহিঙ্গীয়া ৰাজখোৱা প্ৰমুখ্যে অনেক নাৱেৰে জয়ন্তিসিংহে সহিতে বিস্তৰ বেলি যুদ্ধ কৰিলে। আচামেহে জিনি তাকো ধৰিলে। উত্তৰকোলতো সলাল বৰ-গোহাঁই চেংধৰা ফুকন শদিয়াখোৱা মৰঙ্গীয়াল লোকজন সহিতে চাহ-বুৰুজক সমুখে আছিল। দক্ষিণে বৰফুকন উত্তৰে পানী-ফুকন। পাচে বঙ্গালো পলাল যুদ্ধ হাৰি। ভাদ্ৰ মাস ১ দিন গতে বুধবাৰে ইটাখুলিৰ পৰা প্ৰভাততে আলিএকছৰ প্ৰমুখ্যে, লোকজন এৰি, অলপ মানুহেৰে নাৱে পাৰ হৈ মনছুৰ-খাঁৰ ঠাই ভাগি গ'ল। সেই দিন দুপৰ বেলি হলত নাৱেৰে মনছুৰ-খাঁও ভাগি ৰঙ্গামাটিলৈ গ'ল। সভমল আলিএকছৰ সহিতে, তৰেও ৰাজা ইন্দ্ৰমণি, দলসিংহ, কবিৰ-খাঁ প্ৰমুখ্যে বিস্তৰ লোকজন হাটাৰি বঙ্গাৰি আসোৱাৰি হৈ গ'ল। নবাব মনছুৰ-খাঁও গুৱাহাটীত তিনি বৎসৰ পাঁচ মাহ ভোগ কৰিলে। ১৭৯ ॥

বিষয়াৰ শাস্তি ।—পাচে চৌঁযা ফুকন গুৱাহাটীতে ৰহিল। দিহিঙ্গীয়া ববৰুৱা প্ৰমুখ্যে ফুকন ৰাজখোৱা নাৱে-তৰে মানহা পৰ্য্যন্তে খেদি মনছুৰ-খাক নপাই ভগনীয়া লোকক ধৰি মানহাৰ পৰা উলটি আহিল। তাত পাচে গুৱাহটীয়াসকলে ফুকনে মনে মনে সমালোচন কৰি ৰাজায়েৰে লাংমাখৰু বৰফুকনক গুৱাহাটীতে ভাজি ৰাজালৈ দি পঠালে। ৮৩ ঘৰ-দুৱাৰ লুৰি আনি ঘৰলৈ বিদায় দিলে। তাত পাচে গড়গয়াঁ সন্দিকৈ, নেওগ-ফুকনক

ৰবফুকন পাতি পঠালে। এইমতে দুই বৎসৰ হ'ল। পাচে গুৱাহটীয়া ফুকনবোৰে এটা কুমৰ আনি ৰাজাৰ গুচাবলৈ মন কৰিলে। বৰফুকনেও সঙ্কেটে ⁄দেৱলৈ জনালে। মহাৰাজাও গোসাঁইবোৰেৰে সমালোচন কৰি চামধৰা গড়ত ৰহিলগৈ। গুৱাহটীয়া বৰফুকনবোৰো বৰ সাৱধান হৈয়া ৰহিছে। পাচে ⁄ও উপায় কৰিয়া কলিয়াবৰলৈ আনি চাৰিঙ্গীয়া ফুকন, বুঢ়াগোহাই ফুকনক টিঙ্গনিয়াই মাৰি শালত দি ওটোৱাই গড়গ্ৰামলৈ আহি স্বতন্ত্ৰ হৈ ৰহিল। তাত পাচে নামদঙ্গীয়া ফুকনকো টিঙ্গনিয়াই মাৰি শালত দিলে, পানী-ফুকনকো মাৰিলে। ১৮০ ॥

APPENDIX A

গুৱাহাটীৰ ক্ষেত্ৰ-পৰ্ব্বত

গুৱাহাটী অঞ্চলৰ গিৰি-তীৰ্থ সমূহ ।—১৬৩৪ শকত শ্ৰীশ্ৰীরুদ্ৰসিংহ স্বৰ্গদেৱে পুথি বিচাৰি গুৱাহাটীৰ ক্ষেত্ৰ-পৰ্ব্বত লিখা কৰা ।—

১ । হাজোৰ মাধৱৰ পৰ্ব্বতৰ নাম মণিকূট ।

২ । কেদাৰৰ পৰ্ব্বতৰ নাম মদনাচল ।

৩ । কামেশ্বৰৰ পৰ্ব্বতৰ নাম গোকৰ্ণ ।

৪ । মোকামৰ পৰ্ব্বতৰ নাম গৰুৰাচল ।

৫ । তলয়া পৰ্ব্বতৰ নাম মক কুবেৰাচল ।

৬ । বাগতা পৰ্ব্বতৰ নাম মকৰেচৰ ।

৭ । ডডৰাৰ পৰ্ব্বতৰ নাম ৰক্ষবৈ ।

৮ । দলিবাড়িৰ পৰ্ব্বত, নাম আলাবৈ ।

৯ । আগিয়াঠুটি পৰ্ব্বতৰ নাম অগ্নি ।

১০ । তাৰ পূবে চিলাৰ পৰ্ব্বত ।

১১ । চিলাৰ উত্তৰে বৰ পৰ্ব্বতৰ নাম কালজোৰক ।

১২ । তাৰ উত্তৰে পৰ্ব্বতৰ নাম কটাপাহাৰ ।

১৩ । তাৰ উত্তৰে খৰাগৰুৱাৰপুৰ ।

১৪ । কটাপাহাৰৰ পূৰ্ব্বে বৰখান পৰ্ব্বতৰ নাম নক্ষত্ৰাচল ।

১৫-১৮ । তাৰ চাৰিকাষে চাৰিটা পৰ্ব্বত আছে, আৰো নাম সেই ।

১৯ । তাৰ পূৰ্ব্বখান পৰ্ব্বতৰ নাম গিৰিকাচল ।

২০। তাৰ উত্তৰে ভাষামতে নটুৱাদচা পৰ্ব্বত বোলে, নাম নাটকাচল।

২১। তাৰ ঐশান্যে ছত্ৰাচল পৰ্ব্বত।

২২। তাৰ দক্ষিণে নীলখাতপ।

২৩। তাৰ দক্ষিণে দীৰ্ঘেশ্বৰী পৰ্ব্বত, তাকে সীতা পৰ্ব্বতো বোলে।

২৪। তাৰ ঐশান্যে মানসাচল।

২৫। পুবে কুৰুৱাৰ উত্তৰে সাতখান পৰ্ব্বত আছে, সপ্তঋষি নাম। তাৰ দক্ষিণে এটি সৰু পৰ্ব্বত আছে, তাৰ নাম কুবেৰাচল।

২৬। তাৰ অগ্নিদিশে কুৰুৱা, তাকে ক্ৰৌঞ্চ পৰ্ব্বতো বোলে।

২৭। তাৰ অগ্নিদিশে মাছ পুৰিখোৱা পৰ্ব্বত বোলে, তাৰ নাম দশাশ্বমেধ।

২৮। পশ্চিমে এক যোজনৰ অন্তে চাহবুৰুজ যাক বোলে, তাৰ নাম মণিকৰ্ণেশ্বৰ, তাতে মহাদেউ আছে।

২৯-৩০। তাৰ পশ্চিমে দুটি পৰ্ব্বত আছে, একটিৰ নাম আমুনি, এটিৰ নাম এমুনি।

৩১-৩৩। তাৰ পশ্চিমে তিনিটি পৰ্ব্বত আছে, তাৰ নাম গিৰিকাচল, তাতে গদাধৰ মাধৱ আছে।

৩৪-৩৫। তাৰ নৈঋত কোণাত জগন্নাথ নাৰদৰ দৌল আছে।

৩৬। তাৰ দক্ষিণে চন্দ্ৰ পৰ্ব্বত আছে, তাতে মাধৱেশ্বৰ গোসাঁঞি আছে।

৩৭। তাৰ পূৰ্ব্বে ব্ৰহ্মপুত্ৰৰ মাজত ইন্দ্ৰ পৰ্ব্বত আছে। তাতে সহস্ৰাক্ষি নাম মহাদেউ আছে।

৩৮। চন্দ্ৰ পৰ্ব্বতৰ দক্ষিণে অশ্ব পৰ্ব্বত আছে। পৰ্ব্বততে জনাৰ্দ্দন গোসাঁঞি আছে।

৩৯। জনাৰ্দ্দনৰ দক্ষিণে অশ্বক্ৰান্ত তীৰ্থ আছে।

৪০। অশ্বপৰ্ব্বতৰ বায়ব্য কোণে ছোট ছোট চাৰিখানি পৰ্ব্বত আছে, তাৰ নাম গোদন্ত।

৪১। তাৰ তিনিখানি প্ৰৰ্ব্বত এৰি সীতাকুণ্ডৰ ওচৰত যি পৰ্ব্বতখানি আছে তাতে জটাধৰ গোসাঁঞি আছে। অশ্বক্ৰান্ত সীতাকুণ্ড দুইৰ মধ্যত এক নিজৰা আছে, তাৰ নাম সন্তান্ধৰা। তাতে স্নান কৰিলে নিসন্তানৰো সন্তান হয়।

৪২। গোদন্ত পৰ্ব্বতৰ নৈঋত কোণাএ লোহিত্য কাষৰে, জুৰীয়া যাক বোলে তাৰ নাম বায়ুপৰ্ব্বত। তাৰ তিনি শৃঙ্গৰ তিনি নাম, এক শৃঙ্গ লক্ষ্মী, এক শৃঙ্গ সৰস্বতী, এক শৃঙ্গ বিষ্ণু।

৪৩। তাৰ পশ্চিমে শৰাইঘাটৰ বুৰুজ যাক বোলে, তাৰ নাম লোহিত্যশ্বৰ পৰ্ব্বত।

৪৪-৪৮। তাৰ ঐশান্যে পাঁচটি পৰ্ব্বত আছে, ভাষাত নঠিয়া বোলে। তাৰ এক শৃঙ্গ ভস্মকূট, এক শৃঙ্গ কালকূট, এক ক্ষেমকূট, এক দন্তকূট, এক শোককূট।

৪৯। তাৰ ঐশান্যে এটি পৰ্ব্বত আছে, তাৰ নাম দন্তকূট।

৫০। তাৰ পূৰ্ব্বে মদন পৰ্ব্বত।

৫১-৫২। তাৰ দক্ষিণে গিৰিকাচল। উত্তৰে দুটি পৰ্ব্বত আছে, তাৰ নাম কন্দুক, তাতে কাৰ্ত্তিক আছে।

৫৩। হাতীমুৰা পৰ্ব্বতত ধাৰেশ্বৰ, পিঙ্গলেশ্বৰ, দুই গোসাঁঞি আছে।

৫৪। তাৰ উত্তৰে কামধেনু পৰ্ব্বত।

৫৫। তাৰ উত্তৰে গণেশ পৰ্ব্বত।

৫৬। তাৰ উত্তৰে ভৰ্‌ৰাজ পৰ্ব্বত।

৫৭। তাৰ উত্তৰে গন্ধমাৰ্দ্দন।

৫৮। তাৰ অগ্নি কোণাত ভৃঙ্গেশ্বৰ গোসাঁঞি আছে। গন্ধমাৰ্দ্দনৰ পূৰ্ব্বশৃঙ্গৰ নামত মুত্ৰশিলা আছে। তাৰ দক্ষিণে অস্তবালৰ কুণ্ড। তাৰ পূৰ্ব্ব অগ্নিকোণে তিনি শৃঙ্গ সমন্বিতে এক পৰ্ব্বত আছে, তাৰ নাম লাঙ্কশ, লোকে ৰাৱণৈ বোলে।

৫৯। তাৰ পূৰ্ব্বে ৰাৰাহ পৰ্ব্বত।

৬০। তাৰ দক্ষিণে মশ্য পৰ্ব্বত।

৬১ তাৰ দক্ষিণে অনন্ত পৰ্ব্বত।

৬২। তাৰ সাতোটা শৃঙ্গ আছে। অনন্তৰ পৰ্ব্বতৰ নৈঋতি পৰ্ব্বত, লোকে ৰাক্ষস বোলে। তাতে নিৰ্ব্বীতেশ্বৰ মহাদেউ আছে।

৬৩। অনন্ত পৰ্ব্বতৰ পশ্চিমে সিদ্ধেশ্বৰ গোসাঁঞি আছে। সেই পৰ্ব্বতৰ নাম বাঘেশ্বৰী। তাৰ তিনি শৃঙ্গ আছে, এক শৃঙ্গ সিদ্ধেশ্বৰ, এক শৃঙ্গ ব্যাঘ্ৰেশ্বৰী, এক ৰত্নেশ্বৰ।

৬৪। তাৰ পশ্চিমে শ্ৰীহাটীৰ কাষৰত দুইকোষ সমণিতে গোবিন্দ পৰ্ব্বত আছে। এক শৃঙ্গৰ নাম গোবৰ্দ্ধন, এক শৃঙ্গৰ নাম জ্ঞান।

৬৫। তাৰ উত্তৰে একখানি পৰ্ব্বত আছে, তাৰ নাম দুৰ্গা।

৬৬। লোহিত্যৰ দক্ষিণে হাতীমুৰাৰ দক্ষিণে গজসাৰ্দ্ধম নাম।

৬৭। তাৰ পূৰ্ব্বে মধ্যানক পৰ্ব্বত আছে।

৬৮। তাৰ পূৰ্ব্বে চিৰঞ্জীউ পৰ্ব্বত।

৬৯। তাৰ পূৰ্ব্বে কপিলী, কামধেনু দুই পৰ্ব্বত।

৭০। তাৰ পূৰ্ব্বে নোমনজ নাম এক পৰ্ব্বত।

৭১। তাৰ পূৰ্ব্বে তক্ষকাদি পৰ্ব্বত।

৭২। তাৰ পূৰ্ব্বে নীলাচল পৰ্ব্বত। পূৰ্ব্বৰ শৃঙ্গ ব্ৰহ্মা, তাতে ভুবনেশ্বৰী। মধ্য শৃঙ্গ বিষ্ণু, কামাখ্যা আছে। পাণ্ডুনাথ যতে আছে সেই শৃঙ্গ শিৱ।

৭৩। শিৱ শৃঙ্গৰ পূৰ্ব্বে বৰাহ শিলা, কল্প শিলা। ব্ৰহ্মপুত্ৰৰ পূব, অগ্নি কোণে তিনি শৃঙ্গ সৰ্মান্নতে গান্ধাৰী পৰ্ব্বত আছে। এক শৃঙ্গৰ নাম গৌৰী, এক শৃঙ্গ দুৰ্গা, এক শৃঙ্গ বেতাল।

৭৪। তাৰ পূৰ্ব্বে গণেশ পৰ্ব্বত আছে। তাৰ পাঞ্চ শৃঙ্গ, এক গৌতম, এক ঘণ্টাকৰ্ণ, এক ধূম্ৰকৰ্ণাৱতী, এক কুমাৰী, এক কিৰাতী।

৭৫। তাৰ পূৰ্ব্বে ভিবৰ পৰ্ব্বত আছে।

৭৬। তাৰ উত্তৰে চিত্ৰকূট পৰ্ব্বত, তাকে শৰণীয়া বোলে।

৭৭। চিত্ৰকূট পৰ্ব্বতৰ পূৰ্ব্বে ত্ৰিদশাচল। তাৰ চৌষষ্ঠী শৃঙ্গ। লোহিত্যৰ কাষৰে যি শৃঙ্গ আছে তাৰ নাম সোমলতা।

৭৮। তাৰ পশ্চিমে মদ্ৰাচল, তাকে ইটাখুলি বোলে।

৭৯। তাৰ পশ্চিমে শুক্ৰেশ্বৰ শিৱলিঙ্গ আছে।

৮০। তাৰ পশ্চিমে অগস্তি ক্ষেত্ৰ, তাতে বোধ জনাৰ্দ্দন আছে। সেই খানিকে কলিক পৰ্ব্বত বোলে।

৮১। তাৰ ঐশাণ্যে কলি পৰ্ব্বত আছে। তাতে কলিৰ মুৰ্ত্তি আছে। সেই খানিলৈ গলে সকলো পুণ্য নষ্ট হয়। এতেকে তাক কৰ্ম্মনাশা বোলে।

৮২। তাৰ ঐশান্যে ত্ৰিৱ পৰ্ব্বত আছে। তাতে সুন্দৰী শিলা আছে, একাদশ শিৱলিঙ্গ আছে। দশ অৱতাৰ, উৰ্ব্বশীৰ মূৰ্ত্তি আছে। সিওখনি তীৰ্থ। তাৰ উত্তৰে চক্ৰতীৰ্থ, বশিষ্ঠ, অৰুন্ধতী। তাৰ উত্তৰে ভস্মাচল।

৮৩। ভস্মাচলৰ পশ্চিমে পঞ্চধনুৰ অন্তৰে ইন্দ্ৰাচল আছে।

৮৪। তাৰ অগ্নি কোণাত চাৰিটা শিলা আছে, লোহিত্যৰ মধ্যত। এটাৰ নাম জ্ঞান, এটাৰ নাম কৰ্ম্ম, এটাৰ নাম নপুংসক, এটাৰ নাম মোক্ষশিলা। সেই শিলাৰ মধ্যতে কুণ্ড আছে। তাতে স্নান কৰিলে এক শত পুৰুষ অখণ্ড পৃথিবীৰ ভোগ কৰে। তাৰ নৈঋত কোণাত তিনি-শ ধনুৰ অন্তৰে নিৰ্বীতি শিলা আছে। তাৰ দক্ষিণে ব্ৰহ্মশিলা। তাৰ দক্ষিণে বিষ্ণুশিলা। তাৰ পশ্চিমে ধৰ্ম্মশিলা। তাৰ দক্ষিণে সত্যযুগ, তাৰ পূৰ্ব্বে ত্ৰেতাযুগ তাৰ দক্ষিণে ইন্দ্ৰশিলা, তাৰ পূৰ্ব্বে দাপৰশিলা, তাৰ পূৰ্ব্বে অষ্ট-বক্ৰ ঋষি, তাৰ পূৰ্ব্বে কলিকুণ্ড, তাৰ পূৰ্ব্বে ভ্ৰমৰ-কুণ্ড, তাৰ উত্তৰে অশ্মশিলা, আৰ উত্তৰে ত্ৰিবেণী, তাৰ উত্তৰে প্ৰযাগ, আৰ উত্তৰে ব্ৰহ্মকুণ্ড, আৰ উত্তৰে গয়া। সমাপত ॥ ১৮১ ॥

APPENDIX B

কামৰূপৰ দুৱাৰ পৰগনা।

ফুকন ৰাজখোৱাৰ ভাগে কামৰূপৰ বিভিন্ন অঞ্চল।—পূৰ্ব্বে পানী-ফুকনৰ ভাগে আছিল,—চাৰিদুৱাৰ ১, চুটীযাকোঁৱৰ ১, দৰঙ্গ ১, কৰিয়া-পাৰ ১, খড়খলা ১, বেজিনী ১, বাহকা ১, নদুৱাৰ ১, ৰাণী ১, বেলতলা ১, সাতৰজা ১, মায়ঙ্গ ১, দুগুৱা ১, পাণবাৰী ১।

পাচে লাঙ্গি বৰফুকন হলত দক্ষিণপাৰৰ সকলোখানি বৰফুকনে ললে। উত্তৰপাৰৰ সকলখনি পানী ফুকনৰ ভাগে থাকিল। পৰগনাৰ লিখা।—

ৰবফুকনৰ ভাগে,—পাতিদৰঙ্গ ১, বৰভাগ ১, বাঙ্গসৰ ১।

পানীফুকনৰ ভাগে,—খাতা ১, বনভাগ ১।

দুৱৰা ফুকনৰ ভাগে,—পুবপাৰ ১, পচিম পাৰ ১।

ডেকাফুকনৰ ভাগে,—সৰবংশৰ ১, কছাৰীমহল ১।

চেটিয়া ফুকনৰ ভাগে,—ৰামচা ১, সৰক্ষেত্ৰি ১।

দৈয়ঙ্গীয়া ৰাজখোৱাৰ ভাগে,—বৰক্ষেত্ৰি ১।

ভৰ-শলগুৰীয়া ৰাজখোৱাৰ ভাগে—চয়নিয়া ১।

গজপুৰীয়া ৰাজখোৱাৰ ভাগে—বাহস্তি ১।

দিখৌমুখীয়া ৰাজখোৱাৰ ভাগে,—চামুৰীয়া ১।

পানী-শলগুৰীয়া ৰাজখোৱাৰ ভাগে—নগৰবেঢ়া ১।

পানীদিহিঙ্গীয়া ৰাজখোৱাৰ ভাগে,—বগৰীবাৰী ১।

ভৰল্যা-দিহিঙ্গীয়া ৰাজখোৱাৰ ভাগে,—বৰপেটা ১।

নামডিঙ্গীয়া ৰাজখোৱাৰ ভাগে,—বৰনগৰ ১।

পানী-অভয়পুৰীয়া ৰাজখোৱাৰ ভাগে,—বজালী ১।

বৰ-অভয়পুৰীয়া ৰাজখোৱাৰ ভাগে,—বেকেলি ১।

সৰু-অভয়পুৰীয়া ৰাজখোৱাৰ ভাগে,—বাউসি ১।

পাচে সন্ধিকৈ বৰফুকনক সকলো ফুকন ৰাজখোৱাই ধৰিব খুজিলত সেই দাইতে সকলো দুৱাৰ পৰগনা ফুকন ৰাজখোৱাৰ হাতৰ পৰা গুচাই বৰফুকনৰ হাতত দিলে। ১৮২॥

APPENDIX C

GENERAL VIEW OF THE HISTORY OF KAMRUPA

BY

DR FRANCIS BUCHANAN M D, M.R A.S.

Editor's note.—[The following chapter has been printed from an old manuscript kindly lent to the editor by the authorities of the India Office Library, London, in September, 1928. It forms part of the huge mass of manuscript records, commonly known as "Buchanan Manuscripts", representing the results of the survey of India made by Dr Francis Buchanan, *alias* Buchanan-Hamilton, in 1807-1814, on which so much labour and money were spent. This manuscript was presented to the Library of the East India Company by Dr Charles Wilkins on March 1, 1830. Buchanan's account presents a valuable nucleus of information regarding the history of ancient Kamarupa. The marginalia are ours Buchanan's spellings have been retained in the text The MS is described in the Catalogue of European MSS in the India Office Library, Vol II, Part II, pp 663-664 Buchanan's narrative is supposed to have been prepared for the Royal Asiatic Society.—*S. K Bhuyan*]

Boundaries of Kamarupa.—The history of this district is perhaps involved in still greater obscurity than that of Dinajpur Almost the whole of it is included in the ancient Hindu territory of *Kamrup*, which extends East from the Korotoya where it joined the kingdom of Motsyo, to Dikhorbasini, a

river of Assam, which enters the Brahmaputra a little to the East of the eastern Kamakhya, which is said to be fourteen days' journey by water above Jorhat, the present capital of that kingdom I have not been able to learn that the ancient Hindus mention any kingdom as intervening between Kamrup and China. Those whom I have consulted seem to think, that Kamrup is bounded on the East by China, by which however it must be observed, is probably meant the country between the Indian and Chinese Empires ; for, as *Abul Fazil* justly observes, the Chinese Empire is the *Maha-chin* of the Hindus. He indeed calls Pegu, the China of the Hindus, but in this, he is only to be considered as mentioning for the whole, what was then the principal kingdom, as now we might say, that the Empire of Ava is the proper China of the Hindus , and in fact, it now separates Kamrup from the Chinese Empire or *Maha-chin* On the North, *Kamrup* extends to Kongjogiri, the frontier of Modro, the kingdom of Sailyas which comprehends Bhotan I have not however been able to learn where this mountain is placed, and the Bhoteeas seem to have made large encroachments on the whole northern frontier of Kamrup The southern boundary of Kamrup is where the Lakhya river separates from the Brahmaputra, and there it is bounded by the country called Bonggo Kamrup, according to this description, includes a portion of Moymonsing (North part of Dacca R) and of Srihotto (Selhet R) together with Monipur, Jaintia, Kachhar, and Assam. 183.

Narakasur.—The earliest tradition concerning the history of Kamrup is, that it was given by *Krishna* to *Norak*, the son of the earth (Prithivi). This Norak, although an infidel (Osur), was for some time a favourite of the God, who appointed him guardian (Dwarpal) of the temple of *Kamakhya* (granter of pleasure), who naturally presided over the region of desire (*Kamrup*) This deity is by the Hindus considered

as female, and her temple, situated near *Gohati*, the place where *Norak* resided, is still much frequented 184

Four divisions of Kamarupa.—*Kamrup* is said to have been then divided into four *Piths* or portions which may naturally be expected to have appellations suitable to its name and tutelary deity They are, accordingly, called *Kam* P, *Rotno* P, *Moni* P and *Yoni* P alluding to desire, beauty, and some circumstances not unconnected with these qualities, which our customs do not admit to be mentioned with the plainness that is allowed in the sacred languages of the East In fact, the country by the natives is considered as the principal seat of amorous delight, and a great indulgence is considered allowable I have not learnt the boundaries of these divisions, but am told that *Rotno Pith* is the country now called *Vihar* 185

